DSL 03

# নাটক আৰু মহাকাব্য

## সংস্কৃত শিক্ষণৰ ডিপ্লোমা

পাঠ্যবিষয় ঃ ৩

খণ্ড ঃ ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**বিষয় বিশেষজ্ঞ**

অধ্যাপক অশোক কুমাৰ গোস্বামী, প্ৰাক্তন অধ্যক্ষ, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক দীপক কুমাৰ শৰ্মা, সঞ্চালক, মহাবিদ্যালয় উন্নয়ন পৰিষদ, গুৱাহাটী বিশ্ববিদ্যালয়

**সমন্বয়ৰক্ষীঃ** ড° ইন্দ্ৰানী ডেকা, সহকাৰী অধ্যাপিকা (সংস্কৃত), কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

**প্ৰস্তুতি গোটৰ সদস্য**

| *অধ্যায়* | *অৰিহণা যোগাইছে* |
|---|---|
| ১ | ড° বীণিমা বুজৰবৰুৱা<br>সহকাৰী অধ্যাপিকা (সংস্কৃত), কটন কলেজ |
| ২ | ড° সুদেষ্ণা ভট্টাচার্য<br>সহকাৰী অধ্যাপিকা (সংস্কৃত), গুৱাহাটী বিশ্ববিদ্যালয় |
| ৩-৮ | অধ্যাপক থানেশ্বৰ শৰ্মা<br>প্ৰাক্তন মুৰব্বী অধ্যাপক (সংস্কৃত), গুৱাহাটী বিশ্ববিদ্যালয় |

**সম্পাদনাঃ**

**বিষয়বস্তু সম্পাদনা ঃ** ড° সুদেষ্ণা ভট্টাচার্য, সহকাৰী অধ্যাপিকা (সংস্কৃত) গুৱাহাটী বিশ্ববিদ্যালয়
**গাঁথনিক সম্পাদনা ঃ** ড° ইন্দ্ৰানী ডেকা, সহকাৰী অধ্যাপিকা (সংস্কৃত)
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

চেপ্তেম্বৰ, ২০১৮

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

*কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।*

**মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭**
**উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬ ;**
**Web : www.kkhsou.in**

## পাঠ্যবিষয় পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা সংস্কৃত শিক্ষণৰ ডিপ্লোমা পাঠ্যক্রমৰ বাবে এই পাঠ্যখিনি প্রস্তুত কৰা হৈছে। পাঠ্যবিষয়টিত সংস্কৃত নাটকৰ আৰু মহাকাব্যৰ বিষয়ে আলোচনা কৰা হৈছে। পাঠ্য বিষয়টিত সর্বমুঠ পোন্ধৰটা অধ্যায় আছে। প্রথম দুটি অধ্যায়ত ভাস বিৰচিত স্বপ্নবাসবদত্তম্ নাটকৰ বিষয়ে আলোচনা কৰা হৈছে। পিচৰ অধ্যায়বোৰত মহাকবি কালিদাস বিৰচিত অভিজ্ঞানশকুন্তলম্ নাটকৰ বিষয়ে অধ্যয়ন কৰা হৈছে। প্রথম অধ্যায়ত সপ্নবাসবদত্তম্ নাটকৰ সাধাৰণ পৰিচয় আৰু দ্বিতীয় অধ্যায়ত সেই নাটকৰ পাঠ্যাংশৰ আলোচনা আগবঢ়োৱা হৈছে। তৃতীয় অধ্যায়ত মহাকবি কালিদাসৰ বিষয়ে বিশদ অধ্যয়ন কৰিব পাৰিব। চতুর্থ অধ্যায়ত এই নাটকখনৰ সাধাৰণ পৰিচয় দাঙি ধৰা হৈছে। ইয়াৰ পিছৰ চাৰিটা অধ্যায়ত শকুন্তলম্ নাটকৰ ক্রমে প্রথম, দ্বিতীয়, চতুর্থ আৰু সপ্তম অংকৰ পাঠ্যাংশৰ আলোচনা আগবঢ়োৱা হৈছে। নৱমৰ পৰা দ্বাদশ অধ্যায়লৈ ৰঘুবংশম্ মহাকাব্যৰ বিষয়ে আৰু শেষৰ চাৰিটা অধ্যায়ত কিৰাৰতার্জুনীয়ম্ মাহাকাব্য বিষয়ে আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে আয়তাকাৰ বাকচ লক্ষ্য কৰিব। ইয়াৰ 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

## খণ্ড পৰিচয় ঃ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা সংস্কৃত শিক্ষণৰ ডিপ্লোমা পাঠ্যক্রমৰ তৃতীয় পাঠ্যবিষয় প্রথম খণ্ডৰ বাবে এই পাঠখিনি প্রস্তুত কৰা হৈছে। এই খণ্ডটিত আপুনি সংস্কৃত নাটকৰ বিষয়ে অধ্যয়ণ কৰিব পাৰিব। ইয়াত সর্বমুঠ আঠটা (৮) অধ্যায় আছে। প্রথম দুটা অধ্যায়ত ভাস ৰচিত স্বপ্নবাসবদত্তম্ নাটকৰ বিষয়ে আলোচিত হৈছে। তৃতীয়ৰ পৰা অষ্টম অধ্যায়লৈ মহাকবি কালিদাস ৰচিত অভিজ্ঞান শকুন্তলম্ নাটকৰ বিষয়ে আলোচিত হৈছে। অধ্যায় সমূহৰ নামকৰণ এনেদৰে কৰা হৈছে - অধ্যায় - ১ ঃ স্বপ্নবাসবদত্তা (সাধাৰণ আলোচনা), অধ্যায় - ২ ঃ স্বপ্নবাসবদত্তা (পাঠ্যগত আলোচনা), অধ্যায় - ৩ ঃ অভিজ্ঞানশকুন্তলম্ (নাটকৰ কালিদাস), অধ্যায় - ৪ ঃ অভিজ্ঞানশকুন্তলম্ (নাটকৰ সাধাৰণ পৰিচয়), অধ্যায় - ৫ ঃ অভিজ্ঞানশকুন্তলম্ (পাঠ্যগত আলোচনা, ১ম অংক), অধ্যায় - ৬ ঃ অভিজ্ঞানশকুন্তলম্ (পাঠ্যগত আলোচনা, ২য় অংক), অধ্যায় - ৭ ঃ অভিজ্ঞানশকুন্তলম্ (পাঠ্যগত আলোচনা, ৪র্থ অংক), অধ্যায় - ৮ ঃ অভিজ্ঞানশকুন্তলম্ (পাঠ্যগত আলোচনা, ৭ম অংক)।

# বিষয় সূচী


পৃষ্ঠা নং

**অধ্যায় ১ঃ** **স্বপ্নবাসবদত্তা (সাধাৰণ আলোচনা)** ৫-২২

চমু আভাস, শিৰোনামৰ তাৎপর্য, নাটকখনত ব্যৱহৃত ৰস আৰু অলংকাৰ, ভাসৰ ৰচনাৱলী আৰু উৎস, ত্রিবান্দ্রম গ্রন্থমালাৰ ৰচক হিচাপে ভাসৰ স্বীকৃতি, ভাসৰ সময়, ভাসৰ লিখনিৰ বৈশিষ্ট্য, নাটকৰ অংকসমূহৰ সাৰাংশ, চৰিত্র চিত্রণ।

**অধ্যায় ২ঃ** **স্বপ্নবাসবদত্তা (পাঠ্যগত আলোচনা)** ২৩-৪৭

মুখ্য দৃশ্যাংশৰ সংস্কৃত পাঠ আৰু অসমীয়া অনুবাদ, প্রথম অংকৰ ব্রহ্মচাৰীৰ দৃশ্য, চতুর্থ অংকৰ ৰজা আৰু বিদূষকৰ মাজত হোৱা অন্তৰংগ আলাপ, পঞ্চম অংকৰ স্বপ্নদৃশ্য, ষষ্ঠ অংকৰ পুনৰমিলন, মহত্বপূর্ণ বাক্যসমূহৰ ভাবার্থ।

**অধ্যায় ৩ঃ** **অভিজ্ঞানশকুন্তলম্ (নাটকৰ কালিদাস)** ৪৮-৫৮

মহাকবি কালিদাসৰ জীৱনবৃত্ত, কালিদাসৰ ৰচনাৱলী আৰু সেইবোৰৰ উৎস, কালিদাসৰ শাস্ত্রবৈদগ্ধ্য, কালিদাসৰ লেখনিৰ বৈশিষ্ট্য।

**অধ্যায় ৪ঃ** **অভিজ্ঞানশকুন্তলম্ (নাটকৰ সাধাৰণ পৰিচয়)** ৫৯-৭৩

অভিজ্ঞানশকুন্তলম্ নাটকৰ চমু আভাস, নাটকখনৰ পৰিচয়, শিৰোনামৰ তাৎপর্য, নাটকত প্রযুক্ত ৰস আৰু অলংকাৰ, নাটকৰ অংকবোৰৰ সাৰাংশ, নাটকৰ চৰিত্রসমূহৰ পৰিচয়।

**অধ্যায় ৫ঃ** **অভিজ্ঞানশকুন্তলম্ (পাঠ্যগত আলোচনা, ১ম অংক)** ৭৪-৯৩

'অভিজ্ঞানশকুন্তলম্' নাটকৰ প্রথম অংকৰ মুখ্যাংশৰ সংস্কৃত পাঠ, সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদ।

**অধ্যায় ৬ঃ** **অভিজ্ঞানশকুন্তলম্ (পাঠ্যগত আলোচনা, ২য় অংক)** ৯৪-১০৪

অভিজ্ঞানশকুন্তলম্ নাটকৰ দ্বিতীয় অংকৰ পাঠ্যাংশৰ সংস্কৃত পাঠ, দ্বিতীয অংকৰ পাঠ্যাংশৰ অসমীয়া অনুবাদ।

**অধ্যায় ৭ঃ** **অভিজ্ঞানশকুন্তলম্ (পাঠ্যগত আলোচনা, ৪র্থ অংক)** ১০৫-১১৮

অভিজ্ঞানশকুন্তলম্ নাটকৰ চতুর্থ অংকৰ পাঠ্যাংশৰ সংস্কৃত পাঠ, চতুর্থ অংকৰ পাঠ্যাংশৰ অসমীয়া অনুবাদ।

**অধ্যায় ৮ঃ** **অভিজ্ঞানশকুন্তলম্ (পাঠ্যগত আলোচনা, ৭ম অংক)** ১১৯-১৪৩

অভিজ্ঞানশকুন্তলম্ নাটকৰ সপ্তম অংকৰ পাঠ্যাংশৰ সংস্কৃত পাঠ, অসমীয়া অনুবাদ, নাটকৰ উল্লেখযোগ্য বাক্যৰ ভাবার্থ।

# অধ্যায় ১ ঃ স্বপ্নবাসবদত্তম্ - সাধাৰণ সমালোচনা

## অধ্যায় গাঁথনি


১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ 'স্বপ্নবাসবদত্তম্' নাটকৰ চমু আভাস

১.৩.১ নাটকখনৰ পৰিচয়

১.৩.২ শিৰোনামৰ তাৎপর্য্য

১.৩.৩ নাটকখনত ব্যবহৃত ৰস আৰু অলঙ্কাৰ

১.৪ নাট্যকাৰ ভাসৰ পৰিচয়

১.৪.১ ভাসৰ ৰচনাৱলী আৰু তাৰ উৎস

১.৪.২ ত্রিবান্দ্রম গ্রন্থমালাৰ ৰচক হিচাবে ভাসৰ স্বীকৃতি

১.৪.৩ ভাসৰ সময়

১.৪.৪ ভাসৰ লিখনিৰ বৈশিষ্ট্য

১.৫ 'স্বপ্নবাসবদত্তম্' নাটকৰ অংকসমূহৰ সাৰাংশ

১.৬ 'স্বপ্নবাসবদত্তম্' নাটকৰ চৰিত্র চিত্রণ

১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৮ অধিক জানিবলৈ

১.৯ অগ্রগতিৰ খতিয়ান

১.১০ আৰ্হি প্রশ্ন।


## ১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'স্বপ্নবাসবদত্তম্' নাটকৰ বিষয়ে এটি চমু আভাস লাভ কৰিব পাৰিব
- মহাকবি ভাসৰ ৰচনাসমূহ আৰু তেওঁৰ লিখনিৰ বৈশিষ্ট্যৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিবলৈ সক্ষম হ'ব
- 'স্বপ্নবাসবদত্তম্' নাটকৰ প্রতিটো অংকৰ বিষয়বস্তুৰ সাৰাংশ আয়ত্ত কৰিব পাৰিব
- নাটকখনৰ মূল চৰিত্র সমূহৰ বৈশিষ্ট্য সম্পর্কে অৱগত হ'ব পাৰিব।

## ১.২ পৰিচয়

সংস্কৃত সাহিত্যত দুই ধৰণৰ কাব্য পোৱা যায়। এবিধ হ'ল শ্রব্য কাব্য আৰু আন প্রকাৰৰ কাব্য হৈছে দৃশ্যকাব্য। অভিনয়ৰ জৰিয়তে প্রদর্শন কৰিব পৰা যায় বাবেই ইয়াক দৃশ্যকাব্য আখ্যা

দিয়া হয়। দৃশ্য কাব্যক পুনৰ দুই ভাগত ভগাব পাৰি। সেয়া হৈছে ৰূপক আৰু উপৰূপক। ইয়াৰে 'ৰূপক'ৰ দহটা আৰু 'উপৰূপক'ৰ ওঠৰটা প্ৰকাৰ আছে। দহ প্ৰকাৰ ৰূপকৰ নামবোৰ হ'ল- ১) নাটক ২) প্ৰকৰণ ৩) ভাণ ৪) ব্যায়োগ ৫) সমৱকাৰ ৬) ডিম ৭) ঈহামৃগ ৮) অংক ৯) বীথী আৰু ১০) প্ৰহসন। ইয়াত দেখা গৈছে যে ৰূপকৰ প্ৰথম আৰু প্ৰধান প্ৰকাৰ বিধ হৈছে নাটক।

সংস্কৃত সাহিত্যত ভালেসংখ্যক নাট্যকাৰে নাটক ৰচনা কৰি নাট্যকাব্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। ইয়াৰে উৎকৃষ্ট নাটক সমূহৰ ভিতৰত অন্যতম হৈছে নাট্যকাৰ ভাসৰ দ্বাৰা বিৰচিত 'স্বপ্নবাসবদত্তম্'।

এই অধ্যায়ত 'স্বপ্নবাসবদত্তম্' নাটকখনৰ এটা সাধাৰণ সমালোচনা আগবঢ়োৱা হৈছে। অধ্যায়টিৰ জৰিয়তে আপুনি 'স্বপ্নবাসবদত্তম্' নাটকৰ উৎস, বিষয়বস্তু, শিৰোনামৰ তাৎপর্য্য আদি সম্পর্কে জানিব পাৰিব। ইয়াৰ উপৰিও মহাকবি ভাসৰ বিভিন্ন ৰচনাৱলী আৰু লিখনিৰ বৈশিষ্ট্য সম্পর্কে জ্ঞান লাভ কৰিব। স্বপ্নবাসবদত্তম্ নাটকখনৰ প্ৰতিটো অংকৰ বিষয়বস্তুৰ সাৰমর্ম, নাটকীয় চৰিত্ৰ সমূহৰ বৈশিষ্ট্য আদি বিষয়ৰ লগতো এই অধ্যায়ৰ জৰিয়তেই পৰিচিত হব পাৰিব।

## ১.৩ স্বপ্নবাসবদত্তম্ নাটকৰ চমু আভাস

এই অংশত আপুনি স্বপ্নবাসবদত্তম্ নাটকৰ পৰিচয়, শিৰোনামৰ তাৎপর্য্য, নাটকখনত ব্যৱহাৰ হোৱা ৰস আৰু অলঙ্কাৰৰ বিষয়ে জানিব পাৰিব।

### ১.৩.১ নাটকখনৰ পৰিচয়

সংস্কৃত সাহিত্যৰ উৎকৃষ্ট নাটকসমূহৰ ভিতৰত অন্যতম হৈছে স্বপ্নবাসবদত্তম্। এই নাটকখনৰ ৰচয়িতা নাট্যকাৰ ভাস। এই স্বপ্নবাসবদত্তম্ নাটকখনক ভাসৰ ৰচনাসমূহৰ ভিতৰত শ্ৰেষ্ঠ হিচাপে গণ্য কৰা হয়। নাটকখনত ছয়টা ***অংক*** আছে। গুণাঢ্যৰ বৃহৎকথাত সন্নিবিষ্ট উদয়ন আৰু বাসবদত্তাৰ কাহিনীৰ আধাৰত এই নাটকখনৰ বিষয়বস্তু প্ৰস্তুত কৰা হৈছে। এই নাটকৰ নায়ক বৎসৰাজ উদয়নক ***ধীৰললিত নায়ক*** হিচাপে অভিহিত কৰা হয়।

নাটকখনৰ বিষয়বস্তু চমুকৈ এনে ধৰণৰ। এই নাটকৰ নায়ক ৰজা উদয়নৰ ৰাজ্য শত্ৰুৰ কবলত পৰে। ভৰিষ্যতবক্তাসকলে ঘোষণা কৰিছিল যে মগধ ৰাজকুমাৰী পদ্মাৱতীক বিবাহ কৰালে উদয়নে হেৰোৱা ৰাজ্য ঘূৰাই পাব। সেয়ে মহামন্ত্ৰী যৌগন্ধৰায়ণে হৃতৰাজ্য উদ্ধাৰৰ উপায় চিন্তিবলৈ ধৰিলে। তেওঁ জানিছিল যে বাসবদত্তাৰ বর্ত্তমানত উদয়নে পুনৰ আন এগৰাকী নাৰীক বিবাহ নকৰাব। সেয়ে তেওঁ এনে এটি পৰিকল্পনা কৰিলে যাৰ দ্বাৰা এইটো প্ৰচাৰ কৰা হ'ল যে তেওঁৰ আৰু বাসবদত্তাৰ জুইত পৰি মৃত্যু হৈছে। বাসবদত্তাৰ মৃত্যুত ৰজাই শোকত ম্ৰিয়মান হৈ পৰিল। ইপিনে আত্মপৰিচয় গোপন কৰি যৌগন্ধৰায়ণে বাসবদত্তাক পদ্মাৱতীৰ ওচৰত ৰাখিলে। বাসবদত্তাই পদ্মাৱতীৰ

***অংক*** –নাটকৰ একোটা অধ্যায়।

***ধীৰললিত নায়ক***- উদ্বেগৰহিত, মৃদু- প্ৰকৃতিৰ আৰু কলা চর্চাত নিমগ্ন নায়ক।

লগত থকা সময়ছোৱাতেই উদয়নে পদ্মাৱতীক বিবাহ কৰায় আৰু মগধৰাজৰ সহায়ত তেওঁৰ হৃতৰাজ্য ঘূৰাই পায়। শেষত যৌগন্ধৰায়ণ আৰু বাসবদত্তাই সকলোৰে আগত আত্মপ্রকাশ কৰে। এনেদৰে নাটকখনৰ সমাপ্তি ঘটিছে।

## ১.৩.২ শিৰোনামৰ তাৎপর্য্য

ভাসৰ স্বপ্নবাসবদত্তম্ নাটকৰ চমু পৰিচয় লাভ কৰাৰ পিছত এতিয়া আপুনি ইয়াৰ শিৰোনামৰ তাৎপর্য জানিব পাৰিব।

সংস্কৃত ***অলঙ্কাৰ শাস্ত্রত*** থকা নিয়ম অনুসৰি নাটকৰ শিৰোনাম সদায় বিশেষ তাৎপর্য্যপূর্ণ হব লাগে। সেই অনুসৰি নাট্যকাৰ ভাসেও উক্ত নাটকখনত 'স্বপ্নবাসবদত্তম্' এই বিশেষ শিৰোনাম ব্যবহাৰ কৰিছে।

'স্বপ্নবাসবদত্তম্' নাটকৰ নামটো এনেদৰে ব্যাখ্যা কৰিব পৰা যায়— স্বপ্নে দৃষ্টা বাসবদত্তা স্বপ্নবাসবদত্তা। সা এব অভেদোপচাৰাৎ স্বপ্নবাসবদত্তম্। অর্থাৎ স্বপ্নত দর্শন লাভ কৰা বাসবদত্তা- স্বপ্নবাসবদত্তা। এই স্বপ্নবাসবদত্তাক নাটকৰ প্রধান বিষয়ৰ লগত অভিন্ন ৰূপত কল্পনা কৰা হোৱা বাবেই নাটকখনক স্বপ্নবাসবদত্তম্ বুলি কোৱা হয়।

এই নাটকৰ পঞ্চম অংকত নায়ক উদয়নে তেওঁৰ চিলমিল টোপনিত স্বপ্নাবিষ্ট হৈ বাসবদত্তাৰ লগত কথোপকথন কৰিছিল। এই উপঘটনাটিৰ আলমতেই নাটকখনৰ নাম 'স্বপ্নবাসবদত্তম্' ৰখা হৈছে। শিৰোনামত উল্লেখিত স্বপ্নদৃশ্যৰ লগত নাটকৰ মূল ঘটনাৰ গভীৰ সম্বন্ধ থকা কাৰণে উক্ত শিৰোনামক সফল আৰু তাৎপর্য্যপূর্ণ বুলি কব পৰা যায়।

***অলঙ্কাৰ শাস্ত্র***- কাব্যৰ বিভিন্ন দিশৰ সম্যক আলোচনা বিষয়ক গ্রন্থ।

## ১.৩.৩ নাটকখনত ব্যৱহৃত ৰস আৰু অলঙ্কাৰ

এতিয়া আপুনি স্বপ্নবাসবদ্যম্ নাটকত ব্যৱহাৰ হোৱা ৰস আৰু অলংকাৰৰ বিষয়ে জানিব পাৰিব।

অলঙ্কাৰ শাস্ত্রত ৰসক কাব্যৰ আত্মা বুলি কোৱা হয়। ৰস অবিহনে কাব্য এখনৰ কোনো অস্তিত্ব নাথাকে। সংস্কৃত নাটকত শৃঙ্গাৰ নাইবা বীৰ ৰস প্রধান বা অঙ্গী হিচাপে থাকিব লাগে। কৰুণ, হাস্য আদি ৰসবোৰ প্রধান ৰসৰ সহায়ক হিচাপে থাকে। স্বপ্নবাসবদত্তম্ নাটকৰ অঙ্গী বা প্রধান ৰস হৈছে কৰুণৰস সম্বলিত বিপ্রলম্ভ শৃঙ্গাৰ। বিপ্রলম্ভ শৃঙ্গাৰ ৰস ব্যঙ্গাত্মক ভাবে ইয়াত অতি প্রকট কৰি তোলা হৈছে। নাটকখনৰ তৃতীয় অংকত নায়ক উদয়নৰ লগত পদ্মাৱতীৰ বিবাহৰ বাবে প্রয়োজনীয় মালা গঁথাৰ দায়িত্ব উদয়নৰ প্রথমা পত্নী বাসবদত্তাক অর্পণ কৰা ঘটনাটো ইয়াৰ এক জ্বলন্ত উদাহৰণ।

এই নাটকত সুন্দৰ সুন্দৰ অলঙ্কাৰৰ প্রয়োগ কৰা হৈছে আৰু এইবোৰে নাটকখন মনোগ্রাহী কৰি তুলিছে। নাটকখনত ব্যৱহৃত কেইবিধমান ***অলঙ্কাৰ*** হৈছে - উপমা, অর্থান্তৰন্যাস, অপহ্নুতি, কাব্যলিঙ্গ, স্বভাবোক্তি আদি।

***অলঙ্কাৰ*** - কাব্যৰ সৌন্দর্য্যবর্দ্ধক অস্থিৰধর্ম।



**জানি থোৱা ভাল**

১) সংস্কৃত সাহিত্যৰ নাটকত চাৰি প্ৰকাৰৰ নায়ক থাকে। সেয়া হৈছে- ধীৰোদাত্ত, ধীৰোদ্ধত, ধীৰললিত আৰু ধীৰ প্ৰশান্ত।

২) ৰস অবিহনে কোনো ৰচনাই কাব্য হোৱাৰ যোগ্যতা অৰ্জন নকৰে। এই ৰস ন প্ৰকাৰৰ। সেইবোৰ হৈছে - শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত। ইয়াৰে শৃঙ্গাৰ ৰসক পুনৰ দুটা ভাগত ভগোৱা হয়। সেয়া হৈছে - সম্ভোগ শৃঙ্গাৰ আৰু বিপ্ৰলম্ভ শৃঙ্গাৰ।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন নং ১ঃ 'স্বপ্নবাসবদত্তম্' নাটকৰ ৰচয়িতা কোন?

.....

প্ৰশ্ন নং ২ঃ এই নাটকৰ নায়ক আৰু নায়িকা গৰাকীৰ নাম কি?

.....

প্ৰশ্ন নং ৩ঃ যিটো উপঘটনাৰ আলমত নাটকখনৰ নামকৰণ কৰা হৈছে সেইটো কোন অংকৰ অন্তৰ্গত?

.....

## ১.৪ নাট্যকাৰ ভাসৰ পৰিচয়

স্বপ্নবাসবদত্তম্ নাটকৰ নাট্যকাৰ ভাসক ভাৰতীয় নাট্য সাহিত্যৰ পিতৃ বুলি কোৱা হয়। ভাস হৈছে এক পূৰ্ণাংগ আৰু বহু চৰিত্ৰযুক্ত নাটকৰ প্ৰথম ৰচয়িতা। এই অংশত আপুনি ভাসৰ ৰচনা সমূহৰ বিষয়ে বিভিন্ন জ্ঞান লাভ কৰিব পাৰিব।

### ১.৪.১ ভাসৰ ৰচনাৱলী আৰু তাৰ উৎস

এতিয়া আপুনি ভাসৰ ৰচনাৱলী আৰু তাৰ উৎসসমূহৰ বিষয়ে জানিব।

ভাসে সৰ্বমুঠ তেৰখন নাটক ৰচনা কৰে। সেই নাটককেইখন হৈছে- ১) মধ্যমব্যায়োগ ২) পঞ্চৰাত্ৰ ৩) দূতবাক্য ৪) দূতঘটোৎকচ ৫) কৰ্ণভাৰ ৬) উৰুভঙ্গ ৭) প্ৰতিমা ৮) অভিষেক ৯) বালচৰিত ১০) প্ৰতিজ্ঞাযৌগন্ধৰায়ণ ১১) স্বপ্নবাসবদত্তা ১২) অৱিমাৰক ১৩) চাৰুদত্ত । এই নাটকসমূহৰ প্ৰথম ছয়খন হৈছে মহাভাৰতৰ আধাৰত ৰচিত। 'প্ৰতিমা' আৰু 'অভিষেক'ৰ উৎস হৈছে ৰামায়ণ। বালচৰিতৰ মূল 'হৰিবংশ'। 'প্ৰতিজ্ঞা যৌগন্ধৰায়ণ' আৰু 'স্বপ্নবাসবদত্তা' হৈছে 'বৃহৎকথা'ত বৰ্ণিত উদয়ন আৰু বাসবদত্তাৰ কাহিনীৰ আধাৰত ৰচিত। 'অবিমাৰক' আৰু 'চাৰুদত্ত'ৰ বিষয়বস্তুৰ উৎস এতিয়ালৈ নিশ্চিতভাবে নিৰ্ধাৰণ কৰিব পৰা নাই।

## ১.৪.২ ত্রিবান্দ্রম গ্রন্থমালাৰ ৰচক হিচাপে ভাসৰ স্বীকৃতি

এইখিনিতে আপুনি এইকথা জানি থব লাগিব যে ভাসৰ দ্বাৰা ৰচিত নাটকসমূহ কেইবা শতিকা ধৰি লোকচক্ষুৰ পৰা আঁতৰত আছিল। কিন্তু সৌভাগ্যবশতঃ ১৯০৯ চনত মহামহোপাধ্যায় গণপতি শাস্ত্রীয়ে বৰ্ত্তমানৰ কেৰালা ৰাজ্যৰ ত্রিবান্দ্রম নামৰ ঠাইত এই নাটক কেইখনৰ ৩০০ বছৰ পুৰণি পাণ্ডুলিপি উদ্ধাৰ কৰে। কিন্তু এই নাটক সমূহৰ ক'তো নাট্যকাৰৰ নাম নাছিল। পণ্ডিত গণপতি শাস্ত্রীয়ে এই গ্রন্থসমূহৰ সমালোচনাত্মক পৰীক্ষা কৰি এই সিদ্ধান্তত উপনীত হৈছিল যে এই তেৰখন গ্রন্থৰ আটাইকেইখন একেজন ৰচকৰ আৰু ৰচকজন হৈছে মহাকবি ভাস।

এই নাটককেইখনত বহুতো সাদৃশ্য পৰিলক্ষিত হয়। সেইবোৰৰ কেইটামান তলত উল্লেখ কৰা হ'ল-

১) ভাসৰ প্রতিখন নাটক 'নান্দ্যন্তে ততঃ প্রৱিশতি সূত্রধাৰঃ' অর্থাৎ নান্দী পাঠৰ অন্তত সূত্রধাৰে প্রবেশ কৰে— এই বাক্য শাৰীৰে আৰম্ভ হৈছে। কিন্তু সংস্কৃত নাটক সমূহ ***নান্দী*** শ্লোকেৰেহে আৰম্ভ কৰা হয়।

২) 'কর্ণভাৰম'ৰ বাহিৰে আনসমূহ নাটকৰ পাতনি বা ভূমিকা বুজাবলৈ 'স্থাপনা' শব্দৰ ব্যৱহাৰ কৰা হৈছে। সাধাৰণতে সংস্কৃত নাটক সমূহত ইয়াক 'প্রস্তাৱনা' বুলিহে কোৱা হয়।

৩) নাটক কেইখনৰ কোনো এখনতো নাট্যকাৰৰ নাম উল্লেখ কৰা হোৱা নাই। নাট্যকাৰৰ নাম আৰু বংশ পৰিচয় উল্লেখ কৰাটো সাধাৰণ সংস্কৃত নাটকৰ এক লক্ষণীয় বিষয়।

৪) সৰহ সংখ্যক নাটকৰেই প্রথম শ্লোকত নাটকখনৰ মূল চৰিত্রসমূহৰ নাম উল্লেখ কৰা হৈছে। ইয়াকে মুদ্রালঙ্কাৰ বুলি কোৱা হয়।

৫) নাটকসমূহৰ ***ভৰতবাক্যৰ*** যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয়। সামান্য সালসলনি কৰি একেটা ভৰতবাক্য বহুকেইখন নাটকত প্রয়োগ কৰা হৈছে।

৬) এই নাটকসমূহত এনে কিছুমান শব্দ আছে যিবোৰ ব্যাকৰণ সন্মত নহয়। ইয়াৰ উপৰিও বহুতো ***আর্ষ প্রয়োগো*** পৰিলক্ষিত হয়।

৭) এই নাটকসমূহত বহুক্ষেত্রত ***নাট্যশাস্ত্রৰ*** নীতি মানি চলা হোৱা নাই। নাট্যশাস্ত্রমতে মঞ্চত দূৰাহ্বান, মৃত্যু, বধ, শয়ন আদি দৃশ্য দেখুওৱা উচিত নহয়। কিন্তু 'পঞ্চৰাত্র'ত দূৰাহ্বানৰ, 'প্রতিমা' আৰু 'উৰুভঙ্গ'ত মৃত্যুৰ আৰু 'বালচৰিত'ত বধৰ দৃশ্যৰ অৱতাৰণা কৰা হৈছে।

৮) বহুকেইখন নাটকত একে নামৰ চৰিত্র বিদ্যমান। যেনে, মহিলা দ্বাৰৰক্ষীৰ নাম বিজয়া আৰু কঞ্চুকীৰ নাম বাদৰায়ণ আদি।

গতিকে উক্ত নাটককেইখন যে একেজন ৰচকৰ সেইকথা এই যুক্তিসমূহৰ দ্বাৰাই

*নান্দী*-নাটকৰ আৰম্ভণিত থকা আশীর্বাদ বচনযুক্ত স্তুতি গীত।

*ভৰতবাক্য*-নাটকৰ সামৰণিত অভিনেতাসকলৰ দ্বাৰা মঙ্গল কামনা কৰি গোৱা শ্লোক।

*আর্ষ প্রয়োগ*-ঋষিৰদ্বাৰা উক্ত শব্দৰ প্রয়োগ। ইয়াতে ঋষি শব্দটোৱে প্রাচীন পণ্ডিতক সূচায়।

*নাট্য শাস্ত্র*- ভৰতমুনিৰদ্বাৰা প্রণীত মূলতঃ নাট্য সম্পর্কীয় আলোচনা বিষয়ক প্রাচীন গ্রন্থ।

প্ৰমাণিত হয়। এতিয়া সেই ৰচকজন যে মহাকবি ভাস সেইটো বিচাৰ কৰা হওঁক। মহাকবি বাণভট্টই তেওঁৰদ্বাৰা ৰচিত হৰ্ষচৰিতৰ আৰম্ভণিত ভাসৰ বিষয়ে এনেদৰে ব্যক্ত কৰিছে —

সূত্রধাৰকৃতাৰম্ভৈর্নাটকৈঃ বহুভূমিকৈঃ।
সপতাকৈর্যশো লেভে ভাসো দেবকুলৈৰিব।।

ইয়াৰ অর্থ হ'ল নাট্যকাৰ ভাসে সূত্রধাৰৰ দ্বাৰা আৰম্ভ হোৱা, অনেক চৰিত্রৰে বিভূষিত আৰু পতাকা অর্থাৎ বহু উপকাহিনীৰ সমাবেশেৰে সুসজ্জিত নিজৰ নাটকৰ দ্বাৰা যশ লাভ কৰিছে, যিদৰে এজন শিল্পীয়ে দেৱমন্দিৰৰ ওপৰত পতাকা স্থাপন কৰি কীর্ত্তিপ্রাপ্ত হয়।

ইয়াত কোৱা হৈছে যে ভাসৰ ৰচনাসমূহত তিনিটা বৈশিষ্ট্য পৰিলক্ষিত হয়। সেইবোৰ হৈছে সূত্রধাৰৰ দ্বাৰা আৰম্ভণি, বহু চৰিত্রৰ সমাবেশ আৰু উপকাহিনীৰ বহুলতা। যিহেতু উপলব্ধ **১৩** খন নাটকতো এই বৈশিষ্ট্যসমূহ দেখা যায় সেয়ে এইকেইখন নিঃসন্দেহে ভাসৰ দ্বাৰা ৰচিত বুলি কব পাৰি।

ইয়াৰ উপৰিও যশস্বী কবি ৰাজশেখৰে ভাসৰ নাটকসমূহৰ ভিতৰত 'স্বপ্নবাসবদত্তম্' নাটকখনৰ কথা বিশেষভাবে এনেদৰে কৈছে যে এই নাটকখনক সমালোচনাৰ অগ্নিত দগ্ধ কৰিব পৰা নগ'ল। এই কথা তেওঁ এনেদৰে প্রকাশ কৰিছে-

'ভাসনাটকচক্রেঽপিছেকৈঃ ক্ষিপ্তে পৰীক্ষিতুম।
স্বপ্নবাসবদত্তস্য দাহকোঽভূন্ন পাৱকঃ।।'

গতিকে ৰাজশেখৰে 'স্বপ্নবাসবদত্তম্' নাটকখন ভাসৰ দ্বাৰা ৰচিত বুলি প্রকাশ কৰিছে। ইতিমধ্যে এই কথা জানিব পৰা গৈছে যে আনকেইখন নাটকৰো ৰচক 'স্বপ্নবাসবদত্তম্' নাটকৰ সৈতে একে। গতিকে এই ১৩ খন নাটকৰ আটাইকেইখন ভাসৰ দ্বাৰাই ৰচিত বুলি প্রমাণিত হয়।



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ৪ঃ ভাসৰ নাটকসমূহৰ আৰম্ভণিৰ বাক্যশাৰী কি?

.....

প্রশ্ন নং ৫ঃ ভুল নে শুদ্ধ- ভাসৰ নাটকসমূহত সকলো ক্ষেত্রতে নাট্যশাস্ত্রৰ আৰু ব্যাকৰণৰ নীতি মানি চলা হৈছে ।

.....

## ১.৪.৩ ভাসৰ সময়

ভাসৰ ৰচনাৱলী আৰু তাৰ উৎসসমূহৰ বিষয়ে জনাৰ পিছত এতিয়া আপুনি ভাসৰ সময়সীমাৰ বিষয়ে জানিব।

নাট্যকাৰ ভাসে কোন সময়ত তেওঁৰ কবিত্ব প্ৰতিভাৰ বিকাশ ঘটাইছিল এই কথাৰ নিৰ্দিষ্ট তথ্য পোৱা নাযায়। তথাপি বিভিন্ন যুক্তিৰ আশ্ৰয়ত পণ্ডিতসকলে ভাসৰ সময় নিশ্চিত কৰিবলৈ যত্ন কৰিছে।

১) সংস্কৃত সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ মহাকবি কালিদাসে তেওঁৰ দ্বাৰা ৰচিত 'মালৱিকাগ্নিমিত্ৰম্' নাটকত ভাসৰ নাম উল্লেখ কৰিছে। কালিদাস খৃঃ পূঃ ১ ম শতিকাৰ কবি আছিল। যিহেতু ভাস কালিদাসৰ সময়ত প্ৰতিষ্ঠিত কবি আছিল সেয়ে পণ্ডিতসকলে অনুমান কৰে যে ভাস খৃঃ পূঃ ২ য় শতিকা বা তাৰো আগৰ আছিল।

২) মহাকবি শূদ্ৰকৰ দ্বাৰা ৰচিত প্ৰকৰণ 'মৃচ্ছকটিকম্' ভাসৰ দ্বাৰা ৰচিত 'চাৰুদত্তম'ৰেই এক বহল ৰূপ। ভাসৰ নাটকসমূহ উদ্ধাৰ হোৱাৰ আগলৈকে 'মৃচ্ছকটিকম্' খনকেই আটাইতকৈ প্ৰাচীন বুলি কোৱা হৈছিল। শূদ্ৰকে খৃঃ পূঃ ২২০ চনত সিংহাসনত উঠিছিল আৰু খৃঃ পূঃ ১৯৭ চনত তেওঁৰ মৃত্যু হৈছিল। গতিকে খৃঃ পূঃ ২ য় বা ৩ য় শতিকাত 'মৃচ্ছকটিকম্' ৰচনা কৰা হৈছিল। ইয়াৰদ্বাৰা ভাসক খৃঃ পূঃ ৩ য় শতিকা বা তাৰ আগৰ বুলি অনুমান কৰিব পাৰি।

৩) সম্ৰাট চন্দ্ৰগুপ্তৰ ৰাজসভাৰ মন্ত্ৰী কৌটিল্যৰদ্বাৰা ৰচিত অৰ্থশাস্ত্ৰত ভাসৰ নাটকৰ উদ্ধৃতি দিয়া হৈছে। সেয়ে ভাস কৌটিল্যৰ পূৰ্ববৰ্ত্তী হোৱাটো নিশ্চিত। চন্দ্ৰগুপ্ত খৃঃ পূঃ ৩২১ চনত সিংহাসনত উঠা বুলি ঠাৱৰ কৰা হয়। ভাসে যিহেতু কৌটিল্যৰ দিনত সম্পূৰ্ণ প্ৰতিষ্ঠা লাভ কৰিছিল সেয়ে এই প্ৰতিষ্ঠা লাভ কৰিবলৈ অন্ততঃ অৰ্ধ শতিকা পাৰ হোৱা বুলি অনুমান কৰিব পাৰি। গতিকে এই অনুসৰি ভাসৰ সময় খৃঃ পূঃ ৩৭০ চন।

৪) ভাসৰ 'প্ৰতিজ্ঞাযৌগন্ধৰায়ণম্' আৰু 'স্বপ্নবাসবদত্তম্' এই দুখন বুৰঞ্জীমূলক নাটকত উদয়ন, প্ৰদ্যোত আৰু দৰ্শক- এই তিনিজন ৰজাৰ কথা উল্লেখ কৰা হৈছে। পণ্ডিতসকলৰ মতে, ৰজা দৰ্শক আৰু তেওঁৰ উত্তৰাধিকাৰীজনৰ সময় হৈছে ক্ৰমে খৃঃ পূঃ ৪৭৫ আৰু খৃঃ পূঃ ৪৫০। গতিকে দৰ্শক, উদয়ন আৰু প্ৰদ্যোতে খৃঃ পূঃ ৪৭৫ চনৰ পৰা খৃঃ পূঃ ৪৫০ চনৰ ভিতৰত অবস্থান কৰিছিল।

উক্ত আলোচনাৰ পৰা এই সিদ্ধান্তত উপনীত হব পৰা যায় যে ভাসৰ সময়ৰ উচ্চতম সীমা হৈছে খৃঃ পূঃ ৪৫০ আৰু ন্যূনতম সীমা খৃঃ পূঃ ৩৭০ চন।

## ১.৪.৪ ভাসৰ লিখনিৰ বৈশিষ্ট্য

ভাসৰ সময়সীমাৰ বিষয়ে জনাৰ পিছত আপুনি এতিয়া ভাসৰ লিখনিৰ বৈশিষ্ট্যৰ বিষয়ে জানিব।

ভাসৰ নাটকৰ বাক্য গাঁথনি অতি সৰল। দীৰ্ঘ সমাসবদ্ধ শব্দ তেওঁৰ ৰচনাসমূহত প্ৰয়োগ কৰা হোৱা নাই। তেওঁৰ ৰচনাৰীতি অতি স্বাভাৱিক। ইয়াত ক'তো কৃত্ৰিমতাৰ

স্থান নাই। ইয়াৰ উপৰিও বৰ্ণনাৰ বাস্তবিকতাই ভাসৰ নাটকসমূহ মনোগ্ৰাহী কৰি তুলিছে। যদিও কোনোধৰণৰ জটিলতাই ভাসৰ ৰচনাক স্পৰ্শ কৰিব পৰা নাই তথাপি কোনো কোনো স্থানত তেওঁৰ লিখনি অস্পষ্ট হৈ পৰে। ভাসে তেওঁৰ ৰচনাত এনে কিছুমান শব্দ ব্যবহাৰ কৰিছে যিবোৰ পিছৰ যুগৰ সংস্কৃত সাহিত্যত দেখা নাযায়। এই শব্দবোৰ যথেষ্ট প্ৰাচীন আৰু লগতে এইবোৰ ব্যাকৰণসন্মত নহয়। ইয়াৰ দ্বাৰা মহাকাব্য ৰীতিৰ দ্বাৰা যে ভাস অনুপ্ৰাণিত হৈছিল সেইটো প্ৰমাণ কৰিব পাৰি।

ভাস যিহেতু এজন বাস্তৱবাদী ৰচক সেয়ে তেওঁৰ চৰিত্ৰসমূহো লৌকিক গুণসম্পন্ন। দৰ্শক বা পাঠকে এই চৰিত্ৰসমূহৰ লগত একাত্ম হৈ তেওঁলোকৰ জীৱনৰ উত্থান- পতনত সহজে সহানুভূতিশীল মনোভাৱ প্ৰদৰ্শন কৰিব পাৰে।

নাটকৰ এক প্ৰধান উপাদান হৈছে ইয়াৰ সংলাপ। ভাসৰ ৰচনাসমূহৰ সংলাপ সম্পূৰ্ণৰূপে নাটকীয়। চৰিত্ৰসমূহৰ উক্তিবোৰ স্বাভাৱিক, বাস্তৱধৰ্মী আৰু যথেষ্ট পৰিপক্ক।

বিভিন্ন অলঙ্কাৰৰ ব্যৱহাৰেৰে ভাসে তেওঁৰ নাটকসমূহ সুন্দৰ কৰি তুলিছে। সাধাৰণতে সৰল অলঙ্কাৰসমূহে ভাসৰ নাটকত প্ৰাধান্য লাভ কৰিছে। সেইবোৰৰ ভিতৰত উপমা, ৰূপক, উৎপ্ৰেক্ষা, অৰ্থান্তৰন্যাস, অনুমান আদি উল্লেখযোগ্য।

নাট্যকাৰ ভাসৰ নাটকসমূহত বিভিন্ন ৰসৰ আস্বাদন লাভ কৰিব পৰা যায়। বীৰ, বৎসল, হাস্য, অদ্ভুত, ৰৌদ্ৰ আৰু কৰুণ ৰসৰ প্ৰতি কবিগৰাকীৰ এক বিশেষ প্ৰীতি থকাটো পৰিলক্ষিত হয়। এটা সাধাৰণ ধাৰণা আছে যে শৃঙ্গাৰ ৰসেহে নাটক এখনক শ্ৰেষ্ঠত্ব প্ৰদান কৰিব পাৰে। কিন্তু ভাসৰ ৰচনাই এই ধাৰণা অসত্য বুলি প্ৰমাণিত কৰে। কাৰণ ভাসৰ নাটকসমূহৰ কেৱল স্বপ্নবাসবদত্তা আৰু অৱিমাৰক নামৰ নাটক দুখনতহে শৃঙ্গাৰ ৰসে প্ৰাধান্য লাভ কৰিছে।



***ছন্দঃশাস্ত্ৰ*** - ছন্দৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব পৰা শাস্ত্ৰ।

ভাসৰ নাটক সমূহৰ ঠায়ে ঠায়ে থকা শ্লোকসমূহত বিভিন্ন ছন্দৰ প্ৰয়োগ বিদ্যমান। এইক্ষেত্ৰত ভাসে ***ছন্দঃশাস্ত্ৰ*** ৰ নিয়মসমূহ কঠোৰভাবে মানি চলা দেখা যায়। ভাসৰ আটাইকেইখন নাটকতে বসন্ততিলক, উপজাতি আৰু শার্দূলবিক্রীড়িত নামৰ ছন্দকেইটা দেখা যায়। ইয়াৰ উপৰিও তেওঁৰ নাটকসমূহত বিশেষভাবে প্ৰাধান্য লাভ কৰা কেইটামান ছন্দ হৈছে- মালিনী, পুষ্পিতাগ্ৰা, শালিনী, শিখৰিণী, প্ৰহৰ্ষিণী, আৰ্য্যা আদি।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন নং ৬ঃ ভাসৰ নাটকৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৭ঃ ভাসৰ আটাইকেইখন নাটকত ব্যৱহৃত দুটা ছন্দৰ নাম উল্লেখ কৰক।

.....

.....

## ১.৫ স্বপ্নবাসবদত্তম্ নাটকৰ অংকসমূহৰ সাৰাংশ

এতিয়া আপুনি স্বপ্নবাসবদত্তম্ নাটকৰ অংকসমূহৰ সাৰাংশৰ বিষয়ে জানিব পাৰিব।

**প্রথম অঙ্ক**

প্রথম অঙ্কৰ 'স্থাপনা'ত সূত্রধাৰে নান্দী পাঠৰ অন্তত নেপথ্যত কিছু কোঢ়াল শুনিবলৈ পাইছে আৰু তেওঁৰ বক্তব্য আগবঢ়োৱাত বাধাগ্রস্ত হৈছে। সেইসময়ত ৰাজকুমাৰী পদ্মাৱতীৰ অনুগামী ভৃত্যসকলে তপোবনবাসীসকলক আঁতৰিবলৈ নির্দেশ দিছিল। সূত্রধাৰে এই কথা দর্শকবৃন্দক অৱগত কৰাই মঞ্চৰপৰা প্রস্থান কৰে।

অঙ্কটোৰ মূল দৃশ্যত ৰজা উদয়নৰ প্রধান মন্ত্রী যৌগন্ধৰায়ণক এক পৰিব্রাজকৰ বেশত আৰু বাসবদত্তাক এগৰাকী ***আৱন্তিকা*** ৰ বেশত প্রবেশ কৰা দেখা গৈছে। কাঞ্চুকীয়ৰ পৰা যৌগন্ধৰায়ণে জানিব পাৰিলে যে পদ্মাৱতীয়ে আশ্রমনিবাসী ৰাজমাতাক দেখা কৰিবলৈ তপোবনলৈ আহিছিল। ইয়াৰ পিছত পদ্মাৱতীয়ে তপস্বীসকলক তেওঁলোকৰ ঈপ্সিত বস্তু দান কৰিবলৈ ইচ্ছা কৰিলে আৰু কাঞ্চুকীয়ৰদ্বাৰা এই ঘোষণা আগবঢ়ালে। যৌগন্ধৰায়ণে তেতিয়া ***অর্থী*** হিচাপে নিজৰ প্রার্থনা আগবঢ়ালে। তেওঁ ক'লে যে তেওঁৰ লগত থকা মহিলা গৰাকী তেওঁৰ ভগ্নী আৰু তেওঁৰ স্বামী বর্ত্তমান প্রবাসত আছে। সেয়ে যৌগন্ধৰায়ণে পদ্মাৱতীক অনুৰোধ জনালে যে তেওঁৰ ভগ্নীপতি প্রবাসৰ পৰা ঘূৰি অহালৈকে পদ্মাৱতীয়ে ভগ্নীগৰাকীৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব লব লাগে। পদ্মাৱতীয়ে এই কথাত সম্মতি প্রকাশ কৰিলে। যৌগন্ধৰায়ণেও বাসৱদত্তাক পদ্মাৱতীৰ হাতত সমর্পণ কৰি নিশ্চিন্ত হৈ পৰিল। কাৰণ এই পদ্মাৱতী মহাৰাজ উদয়নৰ পত্নী হব বুলি ভৱিষ্যত বক্তা সকলে ঘোষণা কৰিছিল।



***আৱন্তিকা***- অবন্তী ৰাজ্য-নিবাসী মহিলা।



***অর্থী***- কোনো বস্তু লাভ কৰিবলৈ ইচ্ছুক ব্যক্তি।

ইয়াৰ পিছত এজন ব্রহ্মচাৰীয়ে সেই তপোবনত প্রবেশ কৰিলে। এই ব্রহ্মচাৰীয়ে নিজৰ পৰিচয় দি ক'লে যে তেওঁ বেদৰ বিশেষ জ্ঞান অর্জনৰ বাবে বৎসৰাজ্যৰ লাৱাণক গাৱঁত থাকিবলৈ লৈছিল। সেই গাঁৱতে ৰজা উদয়নেও বাস কৰিছিল। তেওঁ পুনৰ ক'লে যে ৰজা মৃগয়ালৈ যোৱা সময়ত গাওঁখনত জুই লাগিছিল। সেই গ্রামদাহত উদয়নৰ পত্নী বাসবদত্তা আৰু মন্ত্রী যৌগন্ধৰায়ণৰ মৃত্যু হ'ল। মৃগয়াৰ পৰা উভতি আহি ৰজা পত্নীৰ শোকত ম্রিয়মান হৈ পৰিল আৰু তেওঁ নিজেও সেই জুইতে প্রাণ দিবলৈ ইচ্ছা কৰিলে। অৱশ্যে মন্ত্রী সকলে অতি কষ্টেৰে তেওঁক সেই কার্য্য কৰাত বাধা প্রদান কৰে। ইয়াৰ পিছত পত্নীক স্মৰণ কৰি ৰজাই বহু বিলাপ কৰাত অমাত্যগণে ৰজাক সেই গাঁৱৰ পৰা আঁতৰাই লৈ গ'ল। সেই ব্রহ্মচাৰীয়েও সেয়ে উদয়নৰ অনুপস্থিতিত সেই গাওঁখনত থাকিবলৈ ইচ্ছা নকৰি তাৰ পৰা গুছি আহিল। এইখিনি কথা কৈ ব্রহ্মচাৰীয়ে সকলোৰে পৰা বিদায় মাগিলে। উপস্থিত আন সকলেও সন্ধিয়াৰ আগমন হোৱাত সেই স্থান ত্যাগ কৰিলে।

**দ্বিতীয় অঙ্ক**

'স্বপ্নবাসবদত্তম্' নাটকৰ ২য় অঙ্কত মাধবীলতা মণ্ডপৰ ওচৰতে পদ্মাৱতীয়ে কন্দুকেৰে খেলি থকা দেখা যায়। সেই সময়ত বাসবদত্তা আৰু চেটীও তেওঁৰ ওচৰত আছিল। বিভিন্ন কথোপকথনৰ মাজত বাসবদত্তাই চেটীৰ জৰিয়তে জানিব পাৰিলে যে পদ্মাৱতীয়ে ৰজা উদয়নৰ

পত্নী হ'বলৈ বাঞ্ছা কৰিছে।

ইয়াৰ পিছত পদ্মাৱতীৰ ধাত্ৰী গৰাকী সেই স্থানত উপস্থিত হৈ জনালে যে ৰাজকুমাৰী পদ্মাৱতীৰ উদয়নৰ লগত বিবাহ সম্পন্ন কৰিবলৈ স্থিৰ কৰা হৈছে। লগতে তেওঁ এই কথাও সদৰি কৰিলে যে ৰজা দৰ্শকে উদয়নৰ উচ্চ বংশ, জ্ঞান, বয়স আৰু ৰূপত মুগ্ধ হৈ নিজেই পদ্মাৱতীক দান কৰিছে। আন এগৰাকী চেটীয়ে বিবাহৰ কৌতুক মঙ্গল অনুষ্ঠান সেইদিনাই হ'ব বুলিও জনালে আৰু ইয়াৰ পিছতে সকলোৱে প্ৰস্থান কৰিলে।

**তৃতীয় অঙ্ক**

নাটকখনৰ ৩ য় অংকত দেখা যায় যে বাসবদত্তা অকলশৰে প্ৰমদবনলৈ আহিছে। সেই সময়ত ৰজাঘৰীয়া সকলো লোকে বিবাহৰ আনন্দত মত্ত হৈ আছিল। ইয়াৰ পিছত এগৰাকী চেটীয়ে বাসবদত্তাক বিচাৰি আহি প্ৰমদবনত প্ৰবেশ কৰিলে। তেওঁ ক'লে যে মহাৰাণীয়ে বিবাহমালা গথাঁৰ দায়িত্ব বাসবদত্তাক অৰ্পণ কৰিছে। এই কথাত বাসবদত্তাই মনত যথেষ্ট কষ্ট অনুভৱ কৰিলে। চেটীয়ে তেওঁক কিছুমান ফুল আনি দিলে। তাৰে এবিধ ফুলৰ নাম আছিল অবিধবাকৰণ। বাসবদত্তাই তেওঁৰ আৰু পদ্মাৱতীৰ বাবে এই ফুল বহুবাৰ গাঁথিবলৈ স্থিৰ কৰিলে। আকৌ আন এবিধ ফুল আছিল ***সপত্নীমৰ্দন***। তেওঁ চেটীক ক'লে যে এই ফুল তেওঁ নাগাঁথে। কাৰণ বাসবদত্তা যিহেতু স্বৰ্গগামী হৈছে, গতিকে এই ফুলৰ কোনো প্ৰয়োজন নাই। এনেদৰে বিভিন্ন কথা-বতৰাৰে তেওঁ মালা গঁথা কাম সম্পূৰ্ণ কৰিলে আৰু সেই সময়তে আন এগৰাকী চেটী আহি মালাবোৰ লৈ গ'ল। বাসবদত্তায়ো শয্যালৈ গৈ নিজকে সান্ত্বনা দিবলৈ স্থিৰ কৰিলে আৰু প্ৰস্থান কৰিলে।

*সপত্নীমৰ্দন*-সতিনীৰ বিনাশ।

**চতুৰ্থ অঙ্ক**

এই অঙ্কত বিদূষকৰ উক্তিৰ জৰিয়তে পদ্মাৱতী আৰু উদয়নৰ বিবাহ সম্পন্ন হোৱাৰ কথা জানিব পৰা যায়। ইয়াৰ পিছত পদ্মাৱতীয়ে চেটী আৰু আৱন্তিকাৰূপী বাসবদত্তাৰ লগত প্ৰমদবনত প্ৰবেশ কৰিছিল। প্ৰথমে তেওঁলোকে তাত ফুলি থকা কিছুমান ফুলৰ সৌন্দৰ্য্য উপভোগ কৰিলে। ইয়াৰ পিছত পৰস্পৰৰ মাজত হোৱা বিভিন্ন কথোপকথনৰ জৰিয়তে পদ্মাৱতী আৰু বাসবদত্তাই ৰজা তেওঁলোক দুয়োৰে কিমান প্ৰিয় সেই কথা প্ৰকাশ কৰিলে। ইয়াৰ পিছতে সেই ঠাইলৈ বিদূষক আৰু ৰজাৰ আগমন হয়। যিহেতু আৱন্তিকাই পৰপুৰুষৰ দৰ্শনৰ পৰা নিজকে বিৰত ৰাখিছিল সেয়ে তেওঁলোকে মাধৱীলতা মণ্ডপত প্ৰবেশ কৰিলে। ইপিনে ৰজা আৰু বিদূষকেও উপবেশন কৰিলে আৰু বিভিন্ন কথোপকথনত নিমগ্ন হ'ল। বিদূষকে ৰজাৰ পৰা জানিব বিচাৰিলে যে বাসবদত্তা আৰু পদ্মাৱতীৰ ভিতৰত ৰজাৰ বাবে কোনগৰাকী অধিক স্নেহৰ পাত্ৰী। ৰজাই প্ৰথমে কবলৈ ইচ্ছা কৰা নাছিল যদিও অবশেষত ক'লে যে বাসবদত্তাৰ বাবে তেওঁৰ যি হৃদয় নিবদ্ধ হৈ আছে সেয়া পদ্মাৱতীয়ে হৰণ কৰিব পৰা নাই। কিছুসময় কথোপকথন কৰাৰ পিছত বাসবদত্তাক স্মৰণ কৰি ৰজাৰ দুচকু পানীৰে উপচি পৰিল। এই সকলো ঘটনা পদ্মাৱতী আৰু তেওঁৰ সঙ্গীসকলে আঁৰৰ পৰা লক্ষ্য কৰি আছিল। সেই সময়তে পদ্মাৱতীয়ে ৰজাৰ ওচৰত আত্মপ্ৰকাশ কৰিলে। ৰজা আৰু বিদূষক দুয়োৱে ফুলৰ ৰেণু চকুত পৰা বাবেহে ৰজাৰ চকুৰ পৰা পানী ওলোৱা বুলি ক'লে। বিদূষকে এইটো প্ৰসঙ্গ বেছি আগবাঢ়িবলৈ নিদিলে। আৰু সেই স্থান

ত্যাগ কৰাৰ প্ৰস্তাৱ আগবঢ়ালে। ৰজাইও সন্মতি প্ৰকাশ কৰিলে আৰু সকলোৱে প্ৰস্থান কৰিলে।

**পঞ্চম অঙ্ক**

'স্বপ্নবাসবদত্তম্' নাটকৰ পঞ্চম অঙ্কৰ আৰম্ভণিত দৰ্শক সকলক জনোৱা হৈছে যে পদ্মাৱতী অসুস্থ হৈ পৰিছে আৰু ***সমুদ্রগৃহত*** তেওঁৰ বিশ্ৰামৰ বাবে শয্যা ৰচনা কৰা হৈছে। এই কথা দুগৰাকী দাসীৰ কথোপকথনৰ পৰা জানিব পৰা গৈছে। ইয়াৰ পিছত আবন্তিকাক পদ্মাৱতীৰ অসুস্থতাৰ সংবাদটি দিবলৈ এগৰাকী দাসীয়ে প্ৰস্থান কৰিলে। আনগৰাকী দাসীয়ে সেই কথা ৰজাক জনোৱাৰ ব্যৱস্থা কৰিলে।



***সমুদ্র গৃহ***- চাৰিওফালে পানীৰে আবৃত এটি গ্ৰীষ্মকালীন গৃহ বা প্ৰমোদ গৃহ।

বিদূষকৰ মুখত ৰজাই এই কথা জানিব পাৰি শোকাভিভূত হৈ পৰিল। তেওঁ পদ্মাৱতীক দৰ্শন কৰাৰ অৰ্থে বিদূষকৰ সৈতে সমুদ্র গৃহলৈ ৰাওনা হ'ল। সমুদ্র গৃহত সেই সময়লৈ পদ্মাৱতীৰ আগমন হোৱা নাছিল। সেয়ে তেওঁ অহালৈ অপেক্ষা কৰি ৰজাই সেই শয্যাতেই উপবেশন কৰিলে। বিদূষকৰ লগত কিছুসময় কথোপকথন কৰাৰ পিছত ৰজা নিদ্রাত নিমগ্ন হ'ল। বিদূষকে সেই সময়ত কিছু শীত অনুভৱ কৰি গাত লোৱা বস্ত্রখন আনিবলৈ প্ৰস্থান কৰিলে। ইতিমধ্যে পদ্মাৱতীৰ শাৰীৰিক অৱস্থাৰ বুজ লবলৈ সেই স্থানত বাসবদত্তাই প্ৰৱেশ কৰিলে। সেই সময়ত তাত অতি ক্ষীণ পোহৰ থকা বাবে বাসবদত্তাই শয্যাত শুই থকা ৰজাকেই পদ্মাৱতী বুলি ভাবি শয্যাৰ আনটো অংশত শয়ন কৰিলে। হঠাৎ টোপনিতে স্বপ্ন দেখি থকা ৰজাই হায় বাসবদত্তা বুলি মুখেৰে উচ্চাৰণ কৰিলে। পদ্মাৱতীৰ স্থানত ৰজা থকা বুলি জানিব পাৰি বাসবদত্তাই লগে লগে শয্যা ত্যাগ কৰিলে আৰু ৰজাই তেওঁক দেখা বুলি শঙ্কিত হৈ পৰিল। কিন্তু ক্ষন্তেক পিছতে তেওঁৰ সেই সন্দেহ দূৰ হ'ল আৰু ৰজাক নিদ্রামগ্ন বুলি বুজিব পাৰিলে। কেইমহূর্ত্তমান তাত থাকি বাসবদত্তাই শয্যাৰ পৰা তললৈ ওলমি পৰা ৰজাৰ হাতখন ভালদৰে শয্যাত ৰাখি সেই স্থান ত্যাগ কৰিলে। ৰজাই সাৰ পাই প্ৰস্থানৰতা বাসবদত্তাক ৰবলৈ ক'লে যদিও তেওঁ দুৱাৰৰ কাঠত লাগি আহত হ'ল। সেয়ে তেওঁ সেই নাৰী প্ৰকৃততে বাসবদত্তা হয়নে নহয় এই কথা ভালদৰে নিৰ্ণয় কৰিব নোৱাৰিলে। তাৰ পিছতে তাত উপস্থিত হোৱা বিদূষকক ৰজাই এই সমস্ত ঘটনা ব্যক্ত কৰিলে।

ইয়াৰ পিছতে কাঞ্চুকীয়ই ৰজা দৰ্শকৰ এক বার্তা লৈ উদয়নৰ ওচৰলৈ আহিল। তেওঁ ক'লে যে অমাত্য ৰুমণ্বানে আৰুণিক বধ কৰিবলৈ উপস্থিত হৈছে। ইয়াৰ উপৰিও শত্রুদমনৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা কৰা হৈছে। এই কথা জানিব পাৰি ৰজাই নিজস্থানৰ পৰা উঠি শত্রুনাশৰ বাবে সেই স্থান ত্যাগ কৰি ওলাই গ'ল।

**ষষ্ঠ অঙ্ক**

এই অঙ্কৰ প্ৰথমতে কাঞ্চুকীয়ৰ পৰা জানিবপৰা গৈছে যে বৈভ্যগোত্রীয় কাঞ্চুকীয় আৰু বাসবদত্তাৰ ধাত্রী বসুন্ধৰাই উজ্জয়িনীৰ ৰজা মহাসেন আৰু তেওঁৰ মহিষী অঙ্গাৰৱতীৰ বার্তা লৈ আহিছে। সেই সময়ত ৰজা উদয়নে ঘোষবতী নামৰ বীণাখন হাতত লৈ বাসবদত্তাক স্মৰণ কৰি শোকার্ত হৈ আছিল। অতিথিৰ আগমনৰ কথা প্ৰতিহাৰীৰ দ্বাৰা ৰজাক জনোৱা হ'ল। ৰজাই পদ্মাবতীকো সেই স্থানলৈ মাতি লৈ আহিবলৈ ক'লে। ৰজাৰ আজ্ঞা পালন কৰিবলৈ ওলাই গৈ প্ৰতিহাৰীয়ে পদ্মাৱতীক লগত লৈ সেই স্থানত পুনৰ প্ৰবেশ কৰিলে। সমাগতসকলক তেওঁৰ

নৱবিবাহিতা পত্নী পদ্মাৱতীক দর্শন কৰাবলৈ ইচ্ছা কৰি ৰজাই নিজৰ কাষতে বহিবলৈ ক'লে। ইয়াৰ পিছতে কাঞ্চুকীয় আৰু ধাত্রীয়ে প্রবেশ কৰিলে। ৰজাই মহাসেনৰ কুশল বার্তা ললে আৰু তেওঁৰ সংবাদ গ্রহণ কৰিলে। পুনৰ ধাত্রীৰ পৰা মহিষীৰ কুশল সংবাদ শুনিলে। মহিষীয়ে উদয়ন আৰু বাসবদত্তাৰ প্রতিকৃতি থকা এক চিত্রফলক প্রেৰণ কৰিছিল। এই চিত্রফলকতেই মহিষীয়ে তেওঁলোকৰ বিবাহ সম্পন্ন কৰাইছিল। বাসবদত্তাৰ অনুপস্থিতিত এই চিত্র ফলকৰ দ্বাৰা মহিষীয়ে উদয়নক কিছু শান্ত কৰিবলৈ বিচাৰিছিল। পদ্মাৱতীয়ে যেতিয়া এই চিত্রফলক দেখিলে তেওঁ ভাবিলে যে ফলকখনত থকা বাসবদত্তাৰ প্রতিকৃতিটো আর্য্যা আৰন্তিকাৰ দৰে। তেওঁ ৰজাক জনালে যে সেই প্রতিকৃতিৰ সদৃশ এগৰাকী নাৰী সেই স্থানতেই আছে। সেই গৰাকী যে এজন ব্রাহ্মণৰ ভগ্নী আৰু তেওঁক পদ্মাৱতীৰ ওচৰত সুৰক্ষাৰ বাবে ৰখা হৈছে সেই কথাও পদ্মাৱতীয়ে সদৰি কৰিলে। প্রতিহাৰী সেইসময়ত তাত প্রৱেশ কৰি জনালে যে এজন ব্রাহ্মণে তেওঁৰ ভগ্নীক ওভতাই নিবলৈ আহিছে। উদয়নৰ আজ্ঞামতে সেই ব্রাহ্মণক প্রবেশ কৰোৱা হ'ল। ব্রাহ্মণবেশী যৌগন্ধৰাযণৰ কণ্ঠস্বৰ ৰজাৰ পৰিচিত যেন বোধ হ'ল। ইয়াৰ পিছত আবন্তিকাক সেই স্থানলৈ লৈ অনা হ'ল। ধাত্রীয়ে আৱন্তিকাক বিশেষভাৱে লক্ষ্য কৰিলে আৰু ক'লে যে তেৱেঁই বাসবদত্তা। যৌগন্ধৰায়ণে এই কথা অস্বীকাৰ কৰিলে। ৰূপৰ সাদৃশ্য লক্ষ্য কৰিবলৈ ৰজাইও সেই মহিলাক দর্শন কৰিবলৈ ইচ্ছা কৰিলে। যৌগন্ধৰায়ণ আৰু বাসবদত্তাই তেতিয়া নিজৰ প্রকৃত পৰিচয় ডাঙি ধৰিলে। বাসৱদত্তাক দেখি ৰজা আচৰিত হ'ল। যৌগন্ধৰায়ণে তেওঁৰ কার্য্যৰ বাবে ৰজাৰ ওচৰত ক্ষমা বিচাৰিলে আৰু সেই কার্য্যৰ আঁৰৰ সমস্ত কথা ৰজাক জানিবলৈ দিলে। পদ্মাৱতীৰ লগতে সকলোৱে ৰজা মহাসেনক এই কুশল সংবাদটি দিবলৈ স্থিৰ কৰিলে। ইয়াৰ পিছত ভৰতবাক্য পাঠ কৰি সমগ্র নাটকখনিৰ সামৰণি মৰা হয়।

## ১.৬ স্বপ্নবাসবদত্তম্ নাটকৰ চৰিত্র চিত্রণ

চৰিত্র চিত্রণৰ ওপৰত এখন নাটকৰ সফলতা বহুখিনি নির্ভৰ কৰে। নাট্যকাৰ ভাসে অতি নিপুণভাবে তেওঁৰ 'স্বপ্নবাসবদত্তম্' নাটকত চৰিত্রসমূহ অংকন কৰিছে। এই অংশত আপুনি নাটকখনৰ নায়ক উদয়ন, নায়িকা বাসবদত্তা আৰু লগতে পদ্মাৱতীৰ চৰিত্রৰ লগত পৰিচয় হব পাৰিব।

**উদয়ন**

'স্বপ্নবাসবদত্তম্' নাটকৰ নায়ক হৈছে বৎসৰাজ উদয়ন। বিভিন্ন গুণৰ সমন্বয়ত এই নাটকত উদয়নৰ মহৎ ব্যক্তিত্ব প্রকাশিত হৈছে।

সুন্দৰ শাৰীৰিক গঠনেৰে উদয়ন এজন সুদর্শন ব্যক্তি আছিল। তেওঁৰ শাৰীৰিক সৌন্দর্য্যৰ বিষয়ে নাটকৰ বিভিন্ন স্থানত উল্লেখ কৰা হৈছে। দ্বিতীয় অংকত বাসবদত্তাৰ উক্তিত তেওঁক দর্শনীয় বুলি স্পষ্টভাবে কোৱা হৈছে। ইয়াৰ উপৰিও তৃতীয় অংকত উদয়নক চেটীয়ে ধনু আৰু বাণ বিহীন কামদেব বুলি অভিহিত কৰিছে। এই কথা চেটীৰ উক্তিত এনেদৰে প্রকাশ পাইছে- 'শক্যং ভণিতুং শৰচাপহীনঃ কামদেব ইতি।' (অর্থাৎ তেওঁক ধনু আৰু বাণ ধাৰণ নকৰা কামদেৱ বুলি কব

পাৰি।)

ৰজা উদয়ন জনসাধাৰণৰ যথেষ্ট শ্রদ্ধাৰ পাত্র আৰু স্নেহভাজন আছিল। নাটকখনৰ প্রথম অংকতেই ব্রহ্মচাৰীৰ উক্তিত এই কথা প্রমাণিত হয়। মন্ত্রীবৰ্গই উদয়নক লাৱানক নামৰ গাঁৱৰপৰা আঁতৰাই লৈ যোৱা বাবে ব্রহ্মচাৰীয়েও সেই গাওঁখন এৰি গুছি আহিছিল। ব্রহ্মচাৰীয়ে কয় যে উদয়নৰ অনুপস্থিতিত লাৱানক নামৰ গাওঁখনে কান্তি হেৰুৱাই পেলাইছে আৰু ই চন্দ্রবিহীন আকাশ সদৃশ হৈ পৰিছে। এইটোৱে উ দয়নৰ প্রতি থকা তেওঁৰ প্রীতিৰ মনোভাবৰ কথা প্রতিপন্ন কৰে।

'স্বপ্নবাসবদত্তম্' নাটকত বৎসৰাজক এজন স্নেহপৰায়ণ আৰু বিশ্বাসভাজন স্বামী হিচাপে প্রতিষ্ঠিত কৰা হৈছে। পত্নী বাসবদত্তাৰ প্রতি থকা তেওঁৰ গভীৰ আনুগত্য আৰু প্রেম নাটকখনত সুন্দৰভাবে উপস্থাপন কৰা হৈছে। নাটকৰ প্রথম অঙ্কত গ্রামদাহত বাসবদত্তাৰ মৃত্যু হোৱাৰ বার্ত্তা পাই উদয়নে সেই অগ্নিতে নিজৰ প্রাণ বিসর্জন দিবলৈ ওলোৱাটো ইয়াৰ এক উৎকৃষ্ট নিদর্শন। ইয়াৰ উপৰিও যেতিয়াই প্রসঙ্গক্রমে বাসবদত্তাৰ কথাৰ অৱতাৰণা কৰা হৈছিল তেতিয়াই উদয়ন শোকত কাতৰ হৈ পৰিছিল। চতুর্থ অংকত মৃতা বাসবদত্তাক স্মৰণ কৰি ৰজাৰ নয়নযুগল চকুপানীৰে পূর্ণ হৈ পৰিছিল। আকৌ ষষ্ঠ অংকত বাসবদত্তাৰ প্রিয় ঘোষবতী নামৰ বীনাখন হাতত লৈ বাসবদত্তাক স্মৰণ কৰি ৰজা উদয়ন মূর্চ্ছিত হৈছিল। এই অঙ্কতেই তেওঁ কৈছিল যে পিছৰ জন্মতো তেওঁ বাসবদত্তাক স্মৰণ নকৰাকৈ থাকিব নোৱাৰে। উদয়ন বাসবদত্তাৰ প্রতি ইমানেই অনুৰক্ত আছিল যে সেইসময়ত বহু বিবাহৰ প্রচলন থকা সত্বেও তেওঁ আন এগৰাকী পত্নীৰ কথা কল্পনা কৰিব পৰা নাছিল। সেয়ে মন্ত্রী যৌগন্ধৰায়ণে বাসবদত্তাৰ মৃত্যুৰ পৰিকল্পনা কৰিব লগা হৈছিল। এই কৌশল অৱলম্বন কৰিহে ৰজাৰ লগত পদ্মাৱতীৰ বিবাহ সম্পন্ন কৰোৱাত তেওঁ সফল হব পাৰিছিল। বাসবদত্তাৰ প্রতি ইমান অনুৰাগী হোৱা সত্বেও তেওঁ পত্নী পদ্মাৱতীক অবহেলা কৰা নাছিল। বিভিন্ন গুণেৰে বিভূষিতা পদ্মাৱতী তেওঁৰ বাবে যথেষ্ট সন্মানীয়া আছিল। এইকথা চতুর্থ অংকত ৰজাৰ উক্তিত এনেদৰে প্রকাশ পায়- 'পদ্মাৱতী মম বহুমতা যদ্যপি ৰূপশীল মাধুর্য্যৈঃ।' (অর্থাৎ সৌন্দর্য্য, সুচৰিত্র আৰু মধুৰতাৰ বাবে পদ্মাৱতী মোৰ বাবে সন্মানীয় হলেও.....)।

ৰজা উদয়ন এজন দয়ালু হৃদয়ৰ ব্যক্তি আছিল। চতুর্থ অংকত বিদূষক যেতিয়া ভোমোৰাবোৰৰ প্রতি ক্রোধান্বিত হৈছিল তেতিয়া উদয়নে তেওঁক বাধা দিছিল। তেওঁ কৈছিল যে এই ভোমোৰাবোৰৰ মাজত ভয়ৰ সঞ্চাৰ কৰা উচিত নহয়। অন্যথা সিহঁতৰ ইটোৱে সিটোৰ পৰা পৃথক হৈ পৰিব।

গুৰুজনৰ প্রতি উপযুক্ত সন্মান প্রদর্শন উদয়নৰ চৰিত্রৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য। ষষ্ঠ অংকত কাঞ্চুকীয়ই বাস্বদত্তাৰ পিতৃ ৰজা মহাসেনৰ সংবাদ দিবলৈ উদ্যত হোৱাৰ সময়ত ৰজা উদয়নে আসনৰ পৰা থিয় হৈ মহাসেনৰ প্রতি শ্রদ্ধা নিবেদন কৰিছিল।

এনেদৰে অসাধাৰণ বৈশিষ্ট্য সম্পন্ন নায়ক উদয়নৰ চৰিত্রৰ জৰিয়তে 'স্বপ্নবাসবদত্তম্' নাটকখনে যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

**বাসবদত্তা**

'স্বপ্নবাসবদত্তম্' নাটকৰ নায়িকা বাসবদত্তা অৱন্তীৰ ৰাজকুমাৰী আৰু উজ্জয়িনীৰ ৰজা মহাসেনৰ কন্যা। তেওঁ ইমান ব্যক্তিত্বসম্পন্না আছিল যে তেওঁৰ শৰীৰত ৰাজকন্যাৰ ভাব পৰিলক্ষিত হৈছিল। নাটকখনতেই এইকথা প্ৰথম অংকত তাপসীৰ উক্তিত এনেদৰে প্ৰকাশ পাইছে - 'যদীদৃশীৰস্যা আকৃতিৰিয়মপি ৰাজদাৰিকেতি তৰ্কয়ামি'। (অৰ্থাৎ আকৃতিৰ ফালৰ পৰা লক্ষ্য কৰি এওঁকো ৰাজকন্যা যেন বোধ হৈছে।)

নাটকখনৰ বিভিন্ন স্থানত পতিপৰায়ণা নাৰী হিচাপে বাসবদত্তাক চিত্ৰিত কৰা হৈছে। স্বামী উদয়নৰ সুখ দুখ আদি মানসিক অৱস্থাসমূহৰ প্ৰতি তেওঁ সদা সচেতন আছিল। সেয়ে চতুৰ্থ অংকত বিদূষকৰ লগত প্ৰমোদবনত কথোপকথন কৰি থকা অৱস্থাত বাসবদত্তাই ৰজাক স্বাভাবিক অবস্থাত দেখি সন্তুষ্টি লাভ কৰিছিল আৰু 'দিষ্ট্যা প্ৰকৃতিস্থ শৰীৰ আৰ্য্যপুত্ৰঃ' - এইবুলি তেওঁ মন্তব্য কৰিছিল। পুনৰ চতুৰ্থ অংকত বাসবদত্তাক স্মৰণ কৰি ৰজা যেতিয়া শোকাকুল হৈ পৰিছিল তেতিয়া ৰজাক তেনে অবস্থাত এৰি থৈ যোৱাটো তেওঁ অনুপযুক্ত বুলি বিবেচনা কৰিছিল। সেয়ে তেওঁ পদ্মাৱতীক ৰজাৰ ওচৰলৈ যাবলৈ বাধ্য কৰিছিল।

ৰজা উদয়নৰ প্ৰতি বাসবদত্তাৰ অন্তৰত গভীৰ প্ৰেম নিহিত হৈ আছিল। উদয়নৰ বাবে তেওঁ আত্মীয় স্বজনকো ত্যাগ কৰিছিল। উদয়নৰ লগত বিচ্ছেদ হৈ থকা সময়ত তেওঁ অত্যন্ত মানসিক কষ্ট ভোগ কৰিছিল। এই অৱস্থাৰ বাবে তেওঁ নিজকে দুৰ্ভগীয়া বুলি গণ্য কৰিছিল। পুনৰ মিলন হোৱাৰ যি আশা সেই আশাৰ বাবেই তেওঁ নিজকে জীয়াই ৰাখিছিল। উদয়নৰ প্ৰতি কিমান অনুৰাগ আছিল সেই কথা তেওঁ চতুৰ্থ অংকত প্ৰকাশ কৰি কৈছে যে এই ক্ষেত্ৰত পদ্মাৱতীয়ে তেওঁক অতিক্ৰম কৰিব পৰা নাই। ইয়াৰ উপৰিও উদয়নক দৰ্শন কৰি বাসবদত্তাই পৰিতুষ্টি লাভ কৰিছিল। পঞ্চম অংকত আত্মপৰিচয় গোপন কৰি থকা সময়ত তেওঁ নিদ্ৰামগ্ন উদয়নক দৰ্শন কৰিবলৈ কিছুক্ষণৰ বাবে অবস্থান কৰিছিল।

বাসবদত্তা এগৰাকী অতি উদাৰ হৃদয়াসম্পন্না নাৰী আছিল। তেওঁৰ স্বামীৰ নববিবাহিতা পত্নী পদ্মাৱতীৰ প্ৰতি তেওঁ কেতিয়াও ঈৰ্ষাৰ ভাব পোষণ কৰা নাছিল। ইয়াৰ বিপৰীতে তেওঁ পদ্মাৱতীক তেওঁৰ বিৰহত উৎকণ্ঠিত স্বামীৰ বিশ্ৰামৰ স্থল বুলি বিবেচনা কৰিছিল। এই কথা পঞ্চম অংকত পদ্মাৱতী অসুস্থ হৈ পৰা সময়ত তেওঁ ব্যক্ত কৰিছিল।

সহনশীলতা বাসবদত্তাৰ চৰিত্ৰৰ আন এক গুণ। চতুৰ্থ অংকত তেওঁৰ স্বামীৰ লগত সম্পন্ন হব লগা পদ্মাৱতীৰ বিবাহৰ মালা গঁথাৰ দায়িত্ব বাসবদত্তাক অৰ্পণ কৰা হৈছিল। এই কথাত বাসবদত্তাই যথেষ্ট মনোকষ্ট পাইছিল। কিন্তু বেদনাৰ বহিঃপ্ৰকাশ হবলৈ নিদি তেওঁ সেই দায়িত্ব মূৰ পাতি লৈছিল।

বাসবদত্তা অতি তীক্ষ্ণ বুদ্ধি সম্পন্না ৰমণী আছিল। কোনো কোনো সময়ত তেওঁৰ কিছুমান মন্তব্যৰ দ্বাৰা প্ৰকৃত পৰিচয় প্ৰকাশ পোৱাৰ উপক্ৰম হৈছিল। কিন্তু তেনেকুৱা পৰিস্থিতি বাসবদত্তাই তেওঁৰ বুদ্ধিমতাৰ জৰিয়তে নিয়ন্ত্ৰণ কৰিছিল। উদাহৰণস্বৰূপে, দ্বিতীয় অংকত বাসবদত্তাই উদয়নক এক দৰ্শনীয় ব্যক্তি হিচাপে অভিহিত কৰিছিল। কিন্তু পদ্মাৱতীয়ে যেতিয়া তেওঁক এই

কথা কেনেকৈ জানিব পাৰিলে বুলি সুধিলে তেতিয়া বাসবদত্তাই কৈছিল যে উজ্জয়িনীৰ লোকসকলৰ মুখত তেওঁ এই কথা জানিব পাৰিছে।

এনেদৰে 'স্বপ্নবাসবদত্তম্' নাটকত বাসবদত্তাক বিভিন্ন গুণেৰে বিভূষিতা এক আদর্শ ভাৰতীয় নাৰী হিচাপে প্রতিষ্ঠিত কৰা হৈছে।

**পদ্মাৱতী**

পদ্মাৱতী আছিল মগধৰাজ দর্শকৰ ভগ্নী। 'স্বপ্নবাসবদত্তম্' নাটকত পদ্মাৱতীৰ চৰিত্রটি অতি আকর্ষণীয় ৰূপত মহাকবিয়ে অংকন কৰিছে।

পদ্মাৱতী এগৰাকী ৰূপৱতী নাৰী আছিল। এই সৌন্দর্য্য তেওঁৰ উচ্চকুলৰ অনুৰূপ আছিল। এই কথা প্রথম অংকত বাসবদত্তাৰ উক্তিত এনেদৰে প্রকাশ পাইছে - 'অভিজনানুৰূপং খল্বস্যা ৰূপম্'। (অর্থাৎ এই ৰূপ তেওঁৰ উচ্চ বংশৰে অনুৰূপ।)

পদ্মাৱতী যথেষ্ট উচ্চ বিচাৰ সম্পন্না আছিল। তেওঁৰ এই গুণ নাটকখনৰ বিভিন্ন স্থানত পৰিস্ফুট হৈছে। পদ্মাৱতীয়ে বৎসৰাজ উদয়নক বিবাহ কৰিবলৈ ইচ্ছা কৰিছিল। তেওঁৰ এই অভিলাষৰ মূলতে আছিল উদয়নৰ দয়াৰে পূর্ণ হৃদয়। উদয়নৰ এই গুণৰ প্রতি আকর্ষিত হোৱাটো তেওঁৰ উচ্চ মনৰেই পৰিচায়ক। ইয়াৰ উপৰিও চতুর্থ অংকত উদয়নে মন্তব্য কৰে যে বাসবদত্তা তেওঁৰ বাবে পদ্মাৱতীতকৈ অধিক স্নেহৰ পাত্রী। এই কথাত চেটীয়ে উদয়নক নির্দয় বুলি অভিহিত কৰাত পদ্মাৱতীয়ে কৈছিল যে প্রকৃততে তেওঁ অধিক সদয়। কাৰণ মৃত্যুৰ পিছতো তেওঁ বাসবদত্তাৰ গুণসমূহ স্মৰণ কৰিছে। ষষ্ঠ অংকত বাসবদত্তাৰ আত্মীয়সকলক তেওঁ নিজৰ আত্মীয় বুলি গণ্য কৰা কথাটোৱে তেওঁৰ উচ্চ মনৰ আন এক পৰিচয় ডাঙি ধৰে।

'স্বপ্নবাসবদত্তম্' নাটকত পদ্মাৱতীক এক ধর্মপৰায়ণা ৰমণী ৰূপত প্রতিষ্ঠা কৰা হৈছে। তপোবনৰ বাসিন্দাসকলৰ ধর্মকার্য্যত যাতে বাধা নহয় তাৰ প্রতি তেওঁ লক্ষ্য ৰাখিছিল। এই কথা প্রথম অঙ্কত কাঞ্চুকীয়ৰ উক্তিত এনেদৰে প্রকাশ পাইছে- 'ধর্মপ্রিয়া নৃপসুতা ন হি ধর্মপীড়ামিচ্ছেৎ' (অর্থাৎ ধর্মপৰায়ণা এই ৰাজকন্যাই ধর্ম কার্য্যত বাধা হোৱাটো ইচ্ছা নকৰে)। তেওঁ তপোবনবাসী সকলক তেওঁলোকৰ অভীপ্সিত সামগ্রী প্রদান কৰিব বুলিও কাঞ্চুকীয়ৰ দ্বাৰা ঘোষণা কৰিছিল। পদ্মাৱতীৰ এই ধার্মিক মনোবৃত্তিৰ বাবেই যৌগন্ধৰায়ণে বাসবদত্তাৰ সুৰক্ষা তেওঁৰ ওচৰত নিশ্চিত বুলি বুজিব পাৰিছিল।

পদ্মাৱতীৰ চৰিত্রত তেওঁৰ বুদ্ধিদীপ্ততা ভালদৰে প্রকাশিত হয়। ষষ্ঠ অংকত পদ্মাৱতীয়ে দেখিলে যে চিত্রত থকা বাসবদত্তাৰ প্রতিকৃতি আর্য্যা আবন্তিকাৰ সদৃশ। চিত্রকৰে প্রকৃত বাসবদত্তাক চিত্রত ফুটাই তুলিব পাৰিছে নে নাই এইটো নির্ণয় কৰিবলৈ তেওঁ উদয়নৰ প্রতিকৃতিৰ লগত উদয়নৰ আকৃতি মিলাই চাব বিচাৰিছিল। এইটোৱে তেওঁৰ বুদ্ধিৰ তীক্ষ্ণতাৰেই প্রমাণ দিয়ে।

জ্যেষ্ঠজনৰ প্রতি সন্মান প্রদর্শন পদ্মাৱতীৰ চৰিত্রৰ আন এক বৈশিষ্ট্য। ষষ্ঠ অংকত মহিষী অঙ্গাৰৱতীয়ে পঠিওৱা উদয়ন আৰু বাসবদত্তাৰ প্রতিকৃতি থকা চিত্রফলকত তেওঁ অভিবাদন জনাবলৈ ইচ্ছা কৰিছিল। তেওঁ কৈছিল- 'চিত্রগতং গুৰুজনং দৃষ্ট্ৱাভিৱাদয়িতুমিচ্ছামি' (অর্থাৎ চিত্রত জ্যেষ্ঠ জনক দেখি প্রণাম জনাব বিচাৰিছো)।

এনেদৰে 'স্বপ্নবাসবদত্তম্' নাটকত পদ্মাৱতীক এক উজ্বল চাৰিত্রিক গুণসম্পন্না নাৰী ৰূপে চিত্রিত কৰা হৈছে।



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ৮ঃ উদয়নৰ চৰিত্রৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৯ঃ পদ্মাৱতী যে ধর্মপৰায়ণা নাৰী আছিল সেই কথা এটা যুক্তিৰে সাব্যস্ত কৰক।

.....

.....



## ১.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- 'স্বপ্নবাসবদত্তম্' সংস্কৃত সাহিত্যৰ এখন উৎকৃষ্ট নাটক। ইয়াৰ ৰচয়িতা মহাকবি ভাস। ইয়াৰ নায়কৰ নাম উদয়ন আৰু নায়িকা বাসবদত্তা। ইয়াৰ মূল উৎস হৈছে গুণাঢ্যৰ 'বৃহৎকথা'। কৰুণৰস সম্বলিত বিপ্রলম্ভ শৃঙ্গাৰ 'স্বপ্নবাসবদত্তম্' নাটকৰ প্রধান ৰস।
- মহাকবি ভাসে ১৩ খন নাটক ৰচনা কৰিছিল। এই গ্রন্থকেইখন ১৯০৯ চনতহে ত্রিবান্দ্রমত উদ্ধাৰ হয়। বিভিন্ন সমালোচনাত্মক অধ্যয়নৰ জৰিয়তে ভাসকেই এইসমূহৰ ৰচক হিচাপে স্বীকৃতি দিয়া হয়।
- ভাসৰ উত্থান কালৰ উচ্চতম সীমা হৈছে খৃঃ পূঃ ৪৫০ চন আৰু ন্যূনতম সীমা হৈছে খৃঃ পূঃ ৩৭০ চন।
- ভাসৰ ৰচনাৰ ভাষা অতি সৰল আৰু স্বাভাবিক। ভাসৰ ৰচনাত সহজ সৰল অলঙ্কাৰে প্রাধান্য লাভ কৰিছে। বীৰ বাৎসল্য, হাস্য, কৰুণ, অদ্ভুত আৰু ৰৌদ্র ৰসৰ প্রতি ভাসৰ এক বিশেষ প্রীতি পৰিলক্ষিত হয়। নাটকসমূহৰ বিভিন্ন স্থানত থকা শ্লোকসমূহত বিভিন্ন ছন্দৰ প্রয়োগ বিদ্যমান।
- 'স্বপ্নবাসবদত্তম্' নাটকৰ মূল চৰিত্রসমূহ নিজস্ব গুণেৰে দীপ্তিমান। নাটকখনক সংস্কৃত সাহিত্য জগতত উৎকৃষ্ট আসন দিয়াত প্রতিটো চৰিত্রই অৰিহণা আগবঢ়াইছে।



## ১.৮ অধিক জানিবলৈ

১) কালে, এম আৰ, *স্বপ্নবাসবদত্তম্ অৱ ভাস*, মতিলাল বানাৰসীদাস পাব্লিচাৰ্চ্ প্ৰাইভেট লিমিটেড, দিল্লী, ১৯৮৮

২) পুচলকাৰ, এ.ডি., *ভাস- এ ষ্টাডী*, মুন্সিৰাম মনোহৰলাল অৰিয়েন্টল পাব্লিচাৰ্চ্ এণ্ড বুকচেলাৰ্চ্ , দিল্লী, ১৯৬৮

৩) আয়াৰ, এ.এচ্. পি, *ভাস*, ভি. ৰামস্বামী সন্ত্তলু এণ্ড চন্স মাদ্ৰাজ, ১৯৫৭

৪) শৰ্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৯৫



## ১.৯ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰঃ** ভাস

**২ নং প্ৰশ্নৰ উত্তৰঃ** নায়ক - উদয়ন / নায়িকা- বাসবদত্তা

**৩ নং প্ৰশ্নৰ উত্তৰঃ** পঞ্চম অঙ্ক

**৪ নং প্ৰশ্নৰ উত্তৰঃ** 'নান্দ্যন্তে ততঃ প্ৰবিশতি সূত্ৰধাৰঃ'।

**৫ নং প্ৰশ্নৰ উত্তৰঃ** ভুল

**৬ নং প্ৰশ্নৰ উত্তৰঃ** ভাসৰ নাটকৰ দুটা বৈশিষ্ট্য হ'ল —

ক) ভাসৰ নাটকৰ বাক্য গাঁথনি অতি সৰল।

খ) ভাসৰ নাটকৰ চৰিত্ৰ সমূহ লৌকিক গুণবিশিষ্ট।

**৭ নং প্ৰশ্নৰ উত্তৰঃ** বসন্ততিলক আৰু উপজাতি

**৮ নং প্ৰশ্নৰ উত্তৰঃ** ৰজা উদয়নৰ চৰিত্ৰৰ দুটা বৈশিষ্ট্য হ'ল —

ক) ৰজা উদয়ন জনসাধাৰণৰ প্ৰিয়পাত্ৰ আছিল।

খ) তেওঁ এজন স্নেহপৰায়ণ আৰু বিশ্বাসভাজন স্বামী আছিল।

**৯ নং প্ৰশ্নৰ উত্তৰঃ** তপোবনৰ নিবাসী সকলে যাতে ধৰ্মকাৰ্য্যত বাধাগ্ৰস্ত নহয় পদ্মাৱতীয়ে সেই বিষয়ত লক্ষ্য ৰাখিছিল। ইয়ে তেওঁৰ ধৰ্মপৰায়ণতাৰ কথাকেই সূচায়।



## ১.১০ আৰ্হি প্ৰশ্ন

**প্ৰশ্ন ১ঃ** স্বপ্নবাসবদত্তম্ নাটকৰ এক চমু আভাস ডাঙি ধৰক।

**প্ৰশ্ন ২ঃ** ত্ৰিবান্দ্ৰমত উদ্ধাৰ হোৱা নাটককেইখনৰ ৰচক একেজন আৰু তেওঁ যে মহাকবি ভাস সেই কথা যুক্তিৰে প্ৰতিপন্ন কৰক।

**প্ৰশ্ন ৩ঃ** ভাসৰ ৰচনা ৰীতিৰ বৈশিষ্ট্য সমূহ কি কি?

**প্ৰশ্ন ৪ঃ** 'স্বপ্নবাসবদত্তম্' নাটকৰ প্ৰথম অংকৰ সাৰাংশটো লিখক।

**প্ৰশ্ন ৫ঃ** তলৰ চৰিত্ৰ সমূহৰ বৈশিষ্ট্য সমূহ বৰ্ণনা কৰক- উদয়ন, বাসবদত্তা, পদ্মাৱতী।

*** ***** ***

# অধ্যায় ২ ঃ স্বপ্নবাসবদত্তম্ - পাঠ্যাংশৰ আলোচনা

## অধ্যায় গাঁথনি


২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ 'স্বপ্নবাসবদত্তম্' নাটকখনৰ মুখ্য দৃশ্যাংশৰ সংস্কৃত পাঠ

২.৩.১ প্ৰথম অংকত থকা ব্ৰহ্মচাৰীৰ দৃশ্য

২.৩.২ চতুৰ্থ অংকত থকা ৰজা আৰু বিদূষকৰ মাজত হোৱা অন্তৰঙ্গ আলাপৰ দৃশ্য

২.৩.৩ পঞ্চম অংকত থকা স্বপ্নদৃশ্য

২.৩.৪ ষষ্ঠ অংকত থকা পুনৰ্মিলন দৃশ্য

২.৪ সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদ

২.৪.১ ব্ৰহ্মচাৰীৰ দৃশ্য

২.৪.২ অন্তৰঙ্গ আলাপৰ দৃশ্য

২.৪.৩ স্বপ্নদৃশ্য

২.৪.৪ পুনৰ্মিলনদৃশ্য

২.৫ মহত্বপূৰ্ণ বাক্যসমূহৰ ভাবাৰ্থ

২.৬ শব্দাৰ্থৰ তালিকা

২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৮ অধিক জানিবলৈ

২.৯ অগ্ৰগতিৰ খতিয়ান

২.১০ আৰ্হি প্ৰশ্ন


## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'স্বপ্নবাসবদত্তম্' নাটকখনৰ বিষয়বস্তু জানিব পাৰিব
- নাটকখনত থকা মুখ্য দৃশ্যাংশৰ বিষয়ে আলোচনা কৰিব পাৰিব
- মুখ্য দৃশ্যাংশৰ সংস্কৃত পাঠ আৰু অসমীয়া অনুবাদ জানিব পাৰিব
- মহত্বপূৰ্ণ বাক্যৰ অৰ্থ বিশ্লেষণ কৰিব পাৰিব।

## ২.২ পৰিচয়

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ভাসপ্ৰণীত 'স্বপ্নবাসবদত্তম্' নামৰ বিখ্যাত সংস্কৃত

নাটকখনৰ লগত পৰিচিত হব। আপুনি ইতিমধ্যে সংস্কৃত সাহিত্যৰ বিভিন্ন শাখাৰ লগত চিনাকি হৈছে। সংস্কৃত সাহিত্যৰ এটি বিশাল শাখা হ'ল নাটক বা নাট্য কাব্য। সংস্কৃত নাটকৰ ক্ষেত্রখনত মহাকবি ভাসৰ অৱদান অৱশ্যস্বীকার্য্য। মহামহোপাধ্যায় গণপতি শাস্ত্রী মহোদয়ৰ দ্বাৰা কেৰালাৰ ত্রিবান্দ্রমত উদ্ধাৰ হোৱা তেৰখন (১৩) নাটকৰ পাণ্ডুলিপি পোৱাৰ পিছৰ পৰা মহাকবি ভাসৰ নাম সমগ্র সংস্কৃত সাহিত্যত চিৰস্থায়ী হৈ পৰিছে। এই তেৰখন নাটকৰ ভিতৰত অন্যতম হ'ল 'স্বপ্নবাসবদত্তম্'। এই অধ্যায়টিত আপুনি 'স্বপ্নবাসবদত্তম্' নাটকখনত থকা মুখ্য দৃশ্যাংশৰ সংস্কৃত পাঠ তথা তাৰ অসমীয়া অনুবাদ আৰু লগতে এই নাটকখনত থকা কিছুমান সুবচনৰ ভাবার্থ অধ্যয়ন কৰিব পাৰিব। সংস্কৃত সাহিত্যত মহাকবি ভাস যি ৰচনাৰীতি আৰু নাট্যকুশলতাৰ বাবে বিখ্যাত হৈছে এই অধ্যায়টিৰ জৰিয়তে আপুনি নাট্যকাৰৰ সেই বিশেষ লিখনপদ্ধতিৰ লগতো পৰিচিত হব পাৰিব।

## ২.৩ 'স্বপ্নবাসবদত্তম্' নাটকখনৰ মুখ্য দৃশ্যাংশৰ সংস্কৃত পাঠ

'স্বপ্নবাসবদত্তম্' নাটকখনত ৬টা অংক আছে। এই ৬টা অংকৰ মাজেদি নাট্যকাৰ ভাসে অতি নিপুণভাবে ৰজা উদয়নৰ লগত মগধৰাজকন্যা পদ্মাৱতীৰ প্রেম, পৰিণয় আৰু শেষত উদয়নৰ পূর্বপত্নী বাসবদত্তাৰ লগত হোৱা তেওঁৰ পুনর্মিলনৰ কাহিনী ব্যক্ত কৰিছে। এই নাটকখনত থকা বিভিন্ন অংকৰ কিছুমান অত্যন্ত গুৰুত্বপূর্ণ দৃশ্যাৱলীয়ে কাহিনীভাগৰ অগ্রগতিত সহায় কৰিছে। অংক অনুসৰি এই দৃশ্যবিলাকৰ সংস্কৃতপাঠ্যাংশ আপোনাৰ বাবে তলত দাঙি ধৰা হ'ল।

### ২.৩.১ প্রথম অংকত থকা ব্রহ্মচাৰীৰ দৃশ্য

এতিয়া আপুনি স্বপ্রবাসবদত্তম্ নাটকৰ প্রথম অংকৰ সংস্কৃত পাঠ্যাংশৰ কিছু অংশ অধ্যয়ন কৰিব পাৰিব।

**ব্রহ্মচাৰী** (ঊর্ধমবলোক্য) স্থিতো মধ্যাহ্নঃ। দৃঢ়মস্মি পৰিশ্রান্তঃ। অথ কস্মিন প্রদেশে বিশ্রময়িষ্যে। (পৰিক্রম্য)। ভবতু, দৃষ্টম্,। অভিতস্তপোবনেনানেন (অভিতঃ তপোবনেন অনেন) ভবিতব্যম্। তথাহি—

°**বিস্রব্ধা** হৰিণাশ্চৰন্ত্যচকিতা দেশাগতপ্রত্যয়াঃ।
বৃক্ষাঃ পুষ্পফলৈঃ সমৃদ্ধবিটপাঃ সর্বে দয়াৰক্ষিতাঃ।
°**ভূয়িষ্ঠং** কপিলানি গোকুলধনান্য**ক্ষেত্রবত্যো**° দিশো।
নিঃসন্দিগ্ধমিদং তপোবনময়ং ধূমো হি বহ্বাশ্রয়ঃ।।

যাবৎ প্রবিশামি। (প্রবিশ্য) অয়ে! আশ্রমবিৰুদ্ধঃ খল্বেষ (খলু এষ) জনঃ।

(অন্যতো °**বিলোক্য**) অথবা তপস্বিজনোঽপ্যত্র (তপস্বিজনঃ অপি অত্র)।

নির্দোষমুপসর্পণম্। অয়ে! স্ত্রীজনঃ।

**কাঞ্চুকীয়ঃ** °**স্বৈৰং** স্বৈৰং প্রবিশতু ভবান্। * **সর্বজনসাধাৰণমাশ্রমপদং নাম**।

বাসবদত্তা হম্।

পদ্মাবতী অম্মো! পৰপুৰুষদর্শনং পৰিহৰত্যার্যা (পৰিহৰতি আর্যা)। ভবতু। সুপৰিপালনীয়ঃ খলু মন্ন্যাসঃ।

কাঞ্চুকীয়ঃ ভোঃ । পূর্বং প্রবিষ্টাঃ স্মঃ প্রতিগৃহ্যতামতিথিসৎকাৰঃ।

ব্রহ্মচাৰী (আচম্য) ভবতু ভবতু। নিবৃত্তপৰিশ্রমোঽস্মি।

যৌগন্ধৰায়ণঃ ভোঃ। কুত আগম্যতে ক্ব গন্তব্যং ক্বাধিষ্টানমার্যস্য? (ক্ব অধিষ্ঠানম্ আর্যস্য)

ব্রহ্মচাৰী ভোঃ। শ্রূয়তাম্। ৰাজগৃহতোঽস্মি। শ্রুতিবিশেষণার্থং বৎসভূমৌ লাবাণকং নাম গ্রামস্তত্রোষিতবানস্মি। (গ্রামঃ তত্র উষিতবান্ অস্মি)

বাসবদত্তা (আত্মগতম্) হা। লাবাণকং নাম। লাবাণকসংকীর্তনেন পুনর্নবীকৃত ইব মে সন্তাপঃ।

যৌগন্ধৰায়ণঃ অথ পৰিসমাপ্তা বিদ্যা।

ব্রহ্মচাৰী ন খলু তাবৎ।

যৌগন্ধৰায়ণঃ যদ্যনবসিতা (যদি অনবসিতা) বিদ্যা কিমাগমনপ্রয়োজনম্?

ব্রহ্মচাৰী তত্র খল্বতিদাৰুণং (খলু অতিদাৰুণং) °**ব্যসনং** সংবৃত্তম্।

যৌগন্ধৰায়ণঃ কথমিব?

ব্রহ্মচাৰী তত্রোদয়নো নাম ৰাজা প্রতিবসতি।

যৌগন্ধৰায়ণঃ শ্রূয়তে তত্রভবানুদয়নঃ। কিং সঃ?

ব্রহ্মচাৰী তস্যাবন্তিৰাজপুত্রী বাসবদত্তা নাম পত্নী দৃঢ়মভিপ্রেতা কিল।

যৌগন্ধৰায়ণঃ ভবিতব্যম্ । ততস্ততঃ ?

ব্রহ্মচাৰী ততস্তস্মিন্ মৃগয়ানিষ্ক্রান্তে ৰাজনি গ্রামদাহেন সা দগ্ধা।

বাসবদত্তা (আত্মগতম্) °**অলীকম**লীকং খল্বেতৎ (খলু এতৎ)। জীবামি মন্দভাগা।

যৌগন্ধৰায়ণঃ ততস্ততঃ?

ব্রহ্মচাৰী ততস্তামভ্যবপত্তুকামো (ততঃ তাম্ অভ্যবপত্তুকামঃ) যৌগন্ধৰায়ণো নাম সচিবস্তস্মিন্নেবাগ্নৌ (সচিবঃ তস্মিন্ এব অগ্নৌ) পতিতঃ।

যৌগন্ধৰায়ণঃ সত্যং পতিত ইতি। ততস্ততঃ?

ব্রহ্মচাৰী ততঃ প্রতিনিবৃত্তো ৰাজা তদ্বৃত্তান্তং শ্রুত্বাতয়োর্বিয়োগ-জনিতসন্তাপস্তস্মিন্নেবাগ্নৌ (তয়োঃ বিয়োগজনিতসন্তাপঃ তস্মিন্ এব অগ্নৌ) প্রাণান্ পৰিত্যক্তুকামোঽমাত্যৈর্মহতাযত্নেন (পৰিত্যক্তুকামঃ অমাত্যৈঃ মহতা যত্নেন) বাৰিতঃ।

বাসবদত্তা (আত্মগতম্) জানামি জানাম্যার্যপুত্রস্য (জানামি আর্যপুত্রস্য) ময়ি ©**সানুক্রোশত্বম্**।

যৌগন্ধৰায়ণঃ ততস্ততঃ?

ব্রহ্মচাৰী ততস্তস্যাঃ শৰীৰোপভুক্তানি দগ্ধশেষাণ্যাভৰণানি (দগ্ধশেষাণি আভৰণানি) পৰিষ্বজ্য ৰাজা মোহমুপগতঃ।

সর্বে হা।

বাসবদত্তা (স্বগতম্) সকাম ইদানীমার্যযৌগন্ধৰায়ণো ভবতু।

চেটী ভর্তৃদাৰিকে। ৰোদিতি খল্বিয়মার্যা (খলু ইয়ম্ আর্যা)

পদ্মাবতী সানুক্রোশয়া ভবিতব্যম্।

যৌগন্ধৰায়ণঃ অথ কিমথ কিম্? *__প্রকৃত্যা সানুক্রোশা মে ভগিনী__। ততস্ততঃ?

ব্রহ্মচাৰী ততঃ ©**শনৈঃ শনৈঃ** প্রতিলব্ধসংজ্ঞঃ সংবৃত্তঃ।

পদ্মাবতী দিষ্ট্যা ধ্রিয়তে। মোহং গত ইতি শ্রুত্বা শূন্যমিব মে হৃদয়ম্।

যৌগন্ধৰায়ণঃ ততস্ততঃ?

ব্রহ্মচাৰী ততঃ স ৰাজা মহীতলপৰিসর্পণপাংসুপাটলশৰীৰঃ সহসোত্থায় 'হা বাসবদত্তে! হা অবন্তিৰাজপুত্রি! হা প্রিয়ে! হা প্রিয়শিষ্যে'। ইতি কিমপি কিমপি বহু প্রলপিতবান্। কিং বহুনা—

নৈবেদানীং তাদৃশাশ্চক্রবাকা
*নৈবাপ্যন্যে* স্ত্রীবিশেষৈর্বিযুক্তাঃ।
ধন্যা সা স্ত্রী যাং তথা বেত্তি ভর্তা
*__ভর্ত্তুস্নেহাৎ সা হি *দগ্ধাপ্যদগ্ধা*__।।

*নৈবাপ্যন্যে* ঃ ন এব অপি
*অন্যে দগ্ধাপ্যদগ্ধাঃ* দগ্ধা অপি অদগ্ধা

যৌগন্ধৰায়ণঃ অথ ভোঃ! তং তু পর্যবস্থাপয়িতুং ন কশ্চিদ্ যত্নবানমাত্যঃ?

ব্রহ্মচাৰী অস্তি ৰুমণ্বান্নামামাত্যো (ৰুমণ্বান্নামা অমাত্যঃ) দৃঢ়ং প্রযত্নবাংস্তত্রভবন্তং (প্রযত্নবান্ তত্রভবন্তং) ©**পর্যবস্থাপয়িতুম্**। স হি-

অনাহাৰে তুল্যঃ প্রততৰুদিতক্ষামবদনঃ
শৰীৰে সংস্কাৰং নৃপতিসমদুঃখং পৰিবহন্।
দিবা বা ৰাত্রৌ বা পৰিচৰতি যত্নৈর্নৰপতিং
নৃপঃ প্রাণান্ সদ্যস্ত্যজতি যদি *তস্যাপ্যুপৰমঃ*©।

**তস্যাপ্যুপৰমঃ তস্য অপি উপৰমঃ**

বাসবদত্তা (স্বগতম্)। দিষ্ট্যা সুনিক্ষিপ্ত ইদানীমার্যপুত্রঃ।

যৌগন্ধৰায়ণঃ (আত্মগতম্) অহো মহদ্ভাৰমুদ্বহতি ৰুমণ্বান্।

কুতঃ -- ©*সবিশ্রমো হ্যয়ং* ভাৰঃ ©*প্রসক্তস্তস্য* তু শ্রমঃ।
তস্মিন্ সর্বমধীনং হি যত্রাধীনো নৰাধিপঃ।।

**হ্যয়ং ঃ** হি অয়ং
**প্রসক্তস্তস্য ঃ** প্রসক্তঃ তস্য

(প্রকাশম্) অথ ভোঃ! পর্যবস্থাপিত ইদানীং স ৰাজা।

ব্রহ্মচাৰী তদিদানীং ন জানে। 'ইহ তয়া সহ হসিতম্, ইহ তয়া সহ কথিতম্, ইহ

তয়া সহ পর্যুষিতম্, ইহ তয়া সহ কুপিতম্, ইহ তয়া সহ শয়িতম্', ইত্যেবং বিলপন্তং তং ৰাজানমমাত্যৈর্মহতা ( ৰাজানম্ অমাত্যৈঃ মহতা) যত্নেন তস্মাদ্ গ্রামাদ্ গৃহীত্বাপক্রান্তম্। ততো নিষ্ক্রান্তে ৰাজনি প্রোষিতনক্ষত্রচন্দ্রমিব নভোঽৰমণীয়ঃ (নভঃ অৰমণীয়ঃ) সংবৃত্তঃ স গ্রামঃ। ততোঽহমপি নির্গতোঽস্মি (নির্গতঃ অস্মি)।

তাপসী স খলু গুণবান্ নাম ৰাজা য আগন্তুকেনাপ্যনেনৈবং (আগন্তুকেন অপি অনেন এবং) প্রশস্যতে।

চেটী ভর্ত্তৃদাৰিকে! কিং নু খল্বপৰা (খলু অপৰা) স্ত্রী তস্য হস্তং গমিষ্যতি?

পদ্মাবতী (আত্মগতম্) মম হৃদয়েনৈব সহ মন্ত্রিতম্।

ব্রহ্মচাৰী ***আপৃচ্ছামি** ভবন্তৌ। গচ্ছামস্তাবৎ।

উভৌ গম্যতামর্থসিদ্ধয়ে (গম্যতাম্ অর্থসিদ্ধয়ে)।

ব্রহ্মচাৰী তথাস্তু। *(**নিষ্ক্রান্তঃ**)

## ২.৩.২ চতুর্থ অংকত থকা ৰজা আৰু বিদূষকৰ মাজত হোৱা অন্তৰঙ্গ আলাপৰ দৃশ্য

এতিয়া নাটকখনৰ চতুর্থ অংকৰ সংস্কৃত পাঠৰ কিছু অংশ অধ্যয়ন কৰিব পাৰিব।

বিদূষকঃ ভো। শূণ্যং খল্বিদং (খলু ইদং) প্রমদবনম্। প্রষ্টব্যং কিঞ্চিদস্তি (কিশ্চিৎ অস্তি)। পৃচ্ছামি ভবন্তম্।

ৰাজা ছন্দতঃ।

বিদূষকঃ কা ভবতঃ প্রিয়া তদানীং তত্রভবতী বাসবদত্তা ইদানীং পদ্মাৱতী বা।

ৰাজা কিমিদানীং ভবান্ মহতি বহুমানসঙ্কটে মাং ন্যস্যতি।

পদ্মাৱতী হলা। যাদৃশে সঙ্কটে নিক্ষিপ্ত আর্যপুত্রঃ।

বাসবদত্তা (আত্মগতম্) অহং চ মন্দভাগা।

বিদূষকঃ স্বৈৰং স্বৈৰং ভণতু ভবান্। একোপৰতা (একা *উপৰতা) অপৰাসন্নিহিতা (অপৰা অসন্নিহিতা)।

ৰাজা বয়স্য! ন খলু ন খলু ব্রূয়াম্। ভবাংস্তু (ভবান্ তু) মুখৰঃ।

পদ্মাৱতী এতাবতা ভণিতমার্যপুত্রেণ।

বিদূষকঃ ভোঃ। সত্যেন শপামি কস্মা অপি নাখ্যাস্যে। এষা সন্দষ্টা মে জিহ্বা।

ৰাজা নোৎসহে সখে! বক্তুম্।

পদ্মাৱতী অহো! অস্য পুৰোভাগিতা। এতাবতা হৃদয়ং ন জানাতি।

বিদূষকঃ কিং ন ভণতি মম। অনাখ্যায়াস্মাচ্ছিলাপট্টকান্ন (অনাখ্যায় অস্মাৎ শিলাপট্টকাৎ ন) শক্যমেকপদমপি (শক্যম্ একপদম্ অপি) গন্তুম্। এষ ৰুদ্ধোঽত্রভবান্

ৰাজা কিং বলাৎকাৰেণ?

বিদূষকঃ আম্! বলাৎকাৰেণ।

ৰাজা তেন হি পশ্যামস্তাবৎ (পশ্যামঃ তাবৎ)।

বিদূষকঃ প্রসীদতু প্রসীদতু ভবান্। বয়স্যভাবেন শাপিতোঽসি যদি সত্যং ন ভণাসি।

ৰাজা কা গতি! শ্রূয়তাম্-

পদ্মাৱতী °**বহুমতা** মম যদ্যপি ৰূপশীলমাধুর্যৈঃ।

* **বাসবদত্তাবদ্ধং ন তু তাবন্মে মনো হৰতি।।**

বাসবদত্তা (আত্মগতম্) ভবতু ভবতু। দত্তং বেতনমস্য °**পৰিখেদস্য**। অহো ***অজ্ঞাত বাসোঽপ্যত্র (অজ্ঞাতবাসঃ অপি অত্র) বহুগুণঃ সংপদ্যতে।**

চেটী ভর্তৃদাৰিকে! °**অদাক্ষিণ্যঃ** খলু ভর্তা।

পদ্মাৱতী হলা! মা মৈবম্ (মা এবম্)। সদাক্ষিণ্য এবার্যপুত্রো য ইদানীপ্যার্যায়া (ইদানীম্ অপি আর্যায়াঃ) বাসবদত্তায়া গুণান্ স্মৰতি।

বাসবদত্তা ভদ্রে! অভিজনস্য সদৃশং মন্ত্রিতম্।

ৰাজা উক্তং ময়া। ভবানিদানীম্ কথয়তু। কা ভবতঃ প্রিয়া তদা বাসবদত্তা ইদানীং পদ্মাৱতী বা?

পদ্মাৱতী আর্যপুত্রোঽপি (আর্যপুত্রঃ অপি) বসন্তকঃ সংবৃত্তঃ।

বিদূষকঃ কিং মে বিপ্রলপিতেন? উভে অপি তত্রভবত্যৌ মে বহুমতে।

ৰাজা বৈধেয়। মামেবং বলাচ্ছ্রুত্বা (বলাৎ শ্রুত্বা) কিমিদানীং নাভিভাষসে?

বিদূষকঃ কিং মামপি বলাৎকাৰেণ?

ৰাজা অথ কিম্। বলাৎকাৰেণ।

বিদূষকঃ তেন হি ন শক্যং শ্রোতুম্।

ৰাজা প্রসীদতু প্রসীদতু মহাব্রাহ্মণঃ। স্বৈৰং স্বৈৰমভিধীয়তাম্।

বিদূষকঃ ইদানীং শৃণোতু ভবান্। তত্রভবতী বাসবদত্তা মে বহুমতা। তত্রভবতী পদ্মাবতী তৰুণী দর্শনীয়া অকোপনা অনহংকাৰা মধুৰবাক্ সদাক্ষিণ্যা। অয়ং চাপৰো মহান্ গুণঃ স্নিগ্ধেন ভোজনেন মাং প্রত্যুদ্গচ্ছতি কুত্র নু খলু গত আর্যবসন্তক ইতি।

বাসবদত্তা ভবতু ভবতু বসন্তক! স্মৰেদানীমেতৎ (স্মৰ ইদানীম্ এতৎ)।

ৰাজা ভবতু ভবতু বসন্তক! সর্বমেতৎ কথয়িষ্যে দেব্যৈ বাসবদত্তায়ৈ।

বিদূষকঃ অবিধা বাসবদত্তা। কুত্র বাসবদত্তা? চিৰাৎ খলু উপৰতা বাসবদত্তা।

## ২.৩.৩ পঞ্চম অংকত থকা স্বপ্নদৃশ্য

চতুর্থ অংকৰ অধ্যয়নৰ অন্তত এতিয়া আপুনি নাটকখনৰ পঞ্চম অংকৰ পাঠ অধ্যয়ন কৰিব পাৰিব।

(ততঃ প্রবিশতি বাসবদত্তা আবন্তিকাবেষেণ চেটী চ)

চেটী এত্বেত্বার্যা (এতু এতু আর্যা)। দৃঢ়ং খলু **°ভর্তৃদাৰিকা** শীর্ষবেদনয়া দুঃখিতা।

বাসবদত্তা হা ধিক্। কুত্র শয়নীয়ং ৰচিতং পদ্মাবত্যাঃ।

চেটী সমুদ্রগৃহকে কিল শয্যাস্তীর্ণা।

বাসবদত্তা তেন হ্যগ্রতো (হি অগ্রতঃ) যাহি।

(উভে পৰিক্রামতঃ)

চেটী ইদং সমুদ্রগৃহকম্। প্রবিশত্বার্যা (প্রবিশতু আর্যা)। যাবদহমপি শীর্ষানুলেপনং ত্বৰয়ামি। (নিষ্ক্রান্তা)

বাসবদত্তা অহো অকৰুণাঃ খল্বীশ্বৰা (খলু ঈশ্বৰা) মে। বিৰহপর্যুৎসুকাস্যার্যপুত্রস্য বিশ্রমস্থানভূতেয়মপি (বিশ্রমস্থানভূতা ইয়ম্ অপি) নাম পদ্মাৱত্যস্বস্থা (পদ্মাৱতী অস্বস্থা) জাতা। যাবৎ প্রবিশামি। (প্রবিশ্যাবলোক্য) অহো! পৰিজনস্য প্রমাদঃ। অস্বস্থাং পদ্মাবতীং কেবলং দীপসহায়াং কৃত্বা পৰিত্যজতি। ইয়ং পদ্মাবত্যবসুপ্তা। (পদ্মাবতী অবসুপ্তা)। যাবদুপবিশামি। অথবা

অন্যাসনপৰিগ্রহেণাল্প ( অন্যাসনপৰিগ্রহেণ অল্প) ইব স্নেহঃ প্রতিভাতি। তদস্যাং শয্যায়ামুপবিশামি। ( উপবিশ্য) কিং নু খল্বেতয়া (খলু এতয়া) সহোপবিশন্ত্যা (সহ উপবিশন্ত্যাঃ) অদ্য প্রহ্লাদিতমিব মে হৃদয়ম্। দিষ্ট্যাবিচ্ছিন্ন সুখনিঃশ্বাসা (দিষ্ট্যা অবিচ্ছিন্নসুখনিঃশ্বাসা)। নিবৃত্তৰোগয়া ভবিতব্যম্। অথবৈকদেশসংবিভাগতয়া শয়নীয়স্য সূচয়তি মামালিঙ্গেতি (মাম্ আলিঙ্গ ইতি)। যাবচ্ছয়িষ্যে (যাবৎ শয়িষ্যে)।

ৰাজা (স্বপ্নায়তে)। হা বাসবদত্তে!

বাসবদত্তা (সহসোত্থায়)। হম্ । আর্যপুত্রঃ ন খলু পদ্মাবতী। কিং নু খলু দৃষ্টাস্মি (দৃষ্টা অস্মি)? মহান্ খল্বার্যযৌগন্ধৰায়ণস্য (খলু আর্যযৌগন্ধৰায়ণস্য) প্রতিজ্ঞাভাৰো মম দর্শনেন নিষ্ফলঃ সংবৃত্তঃ।

ৰাজা হা অবন্তিৰাজপুত্রি!

বাসবদত্তা দিষ্ট্যা স্বপ্নায়তে খল্বার্যপুত্রঃ (খলু আর্যপুত্রঃ)। নাত্র কশ্চিজ্জনঃ (কশ্চিৎ জনঃ)। যাবন্মুহূর্তকং স্থিত্বা দৃষ্টিং হৃদয়ং চ তোষয়ামি।

ৰাজা হা প্রিয়ে! হা প্রিয়শিষ্যে! দেহি মে প্রতিবচনম্ ।

বাসবদত্তা আলপামি ভর্তঃ! আলপামি।

ৰাজা কিং কুপিতাসি?

বাসবদত্তা ন হি নহি, দুঃখিতাস্মি (দুঃখিতা অস্মি)।

ৰাজা যদ্যকুপিতা (যদি অকুপিতা) কিমর্থং নালংকৃতাসি? (ন অলংকৃতা অসি)

বাসবদত্তা ইতঃ পৰং কিম্।

ৰাজা কিং বিৰচিকাং স্মৰসি।

বাসবদত্তা (সৰোষম্)। আ অপেহি। ইহাপি বিৰচিকা।

ৰাজা তেন হি বিৰচিকার্থং ভবতীং প্রসাদয়ামি। (হস্তৌ প্রসাৰয়তি)

বাসবদত্তা চিৰং স্থিতাস্মি। কোঽপি (কঃ অপি) মাং পশ্যেৎ। তদ্ গমিষ্যামি।
অথবা শয্যাপ্রলম্বিতমার্যপুত্রস্য (শয্যাপ্রলম্বিতম্ আর্যপুত্রস্য) হস্তং শয়নীয় আৰোপ্য গমিষ্যামি। (তথা কৃত্বা নিষ্ক্রান্তা)

ৰাজা (সহসোত্থায়।) বাসবদত্তে! তিষ্ঠ তিষ্ঠ। হা ধিক্!
নিষ্ক্রামন্ °**সংভ্রমেণা**হং দ্বাৰপক্ষেণ তাড়িতঃ।
ততো ব্যক্তং ন জানামি °**ভূতার্থো**ঽয়ং মনোৰথঃ। (প্রবিশ্য)

বিদূষকঃ অয়ি! °**প্রতিবুদ্ধো**ঽত্রভবান্ (প্রতিবুদ্ধঃ অত্রভবান্)।

ৰাজা বয়স্য! প্রিয়মাবেদয়ে। °**ধৰতে** খলু বাসবদত্তা।

বিদূষকঃ অবিধা বাসবদত্তা। কুত্র বাসবদত্তা? চিৰাৎ খলূপৰতা (খলু উপৰতা) বাসবদত্তা।

ৰাজা বয়স্য! মা মৈবম্।
শয্যায়ামবসুপ্তং মাং বোধয়িত্বা সখে! গতা।
দগ্ধেতি ব্রুবতা পূর্বং বঞ্চিতোঽস্মি ৰুমণ্বতা।।

## ২.৩.৪ ষষ্ঠ অংকত থকা পুনর্মিলনদৃশ্য

এতিয়া আপুনি স্বপ্নবাসবদত্তম্ নাটকৰ ষষ্ঠ অংকৰ সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব।

পদ্মাবতী আর্যপুত্র। চিত্রগতং গুৰুজনং দৃষ্ট্বা অভিবাদয়িতুমিচ্ছামি (অভিবাদয়িতুম্ ইচ্ছামি)

ধাত্রী পশ্যতু পশ্যতু ভর্তৃদাৰিকা। ( চিত্রফলকাং দর্শয়তি)

পদ্মাবতী ( দৃষ্ট্বা আত্মগতম্)। হম্। অতিসদৃশী খল্বিয়মার্যায়া আবন্তিকায়াঃ। (প্রকাশম্) আর্যপুত্র! সদৃশী খল্বিয়মার্যায়াঃ (খলু ইয়ম্ আর্যায়াঃ)।

ৰাজা ন সদৃশী সৈবেতি (সা এব ইতি) মন্যে। ভোঃ। কষ্টম্।
অস্য স্নিগ্ধস্য বর্ণস্য ° **বিপত্তি**র্দাৰুণা কথম্।
ইদং চ মুখমাধুর্যং কথং দূষিতমগ্নিনা।।

পদ্মাৱতী আর্যপুত্রস্য প্রতিকৃতিং দৃষ্ট্বা জানামীয়মার্যয়া (জানামি ইয়ম্ আর্যয়া) সদৃশী ন বেতি (বা ইতি)।

ধাত্রী পশ্যতু পশ্যতু ভর্তৃদাৰিকা।

পদ্মাবতীঃ (দৃষ্ট্বা) আর্যপুত্রস্য প্রতিকৃত্যাঃ সদৃশতয়া জানামীয়মার্যয়া (জানামি ইয়ম্ আর্যয়া) সদৃশী ইতি।

ৰাজা দেবি! চিত্রদর্শনাৎ প্রভৃতি প্রহৃষ্টোদ্বিগ্নামিব (প্রহৃষ্টোদ্বিগ্নাম্ ইব) ত্বাং পশ্যামি। কিমিদম্?

পদ্মাবতী আর্যপুত্র! অস্যাঃ প্রতিকৃত্যাঃ সদৃশীহৈব (সদৃশী ইহ এব) প্রতিবসতি।

ৰাজা কিং বাসবদত্তায়াঃ?

পদ্মাবতী আম্।

ৰাজা তেন হি শীঘ্রমানীয়তাম্।

পদ্মাবতী আর্যপুত্র! মম কন্যাভাবে কেনাপি ব্রাহ্মণেন মম ভগিনিকেতি (ভগিনিকা ইতি) ন্যাসো নিক্ষিপ্তঃ। প্রোষিতভর্তৃকা পৰপুৰুষদর্শনং পৰিহৰতি। তদার্যা পশ্যতু সদৃশী ন বেতি।

ৰাজা যদি বিপ্রস্য ভগিনী ব্যক্তমন্যা ভবিষ্যতি।
পৰস্পৰগতা লোকে দৃশ্যতে °**ৰূপতুল্যতা**।।
(প্রবিশ্য)

প্রতিহাৰী জয়তু °**ভর্তা**। এষ উজ্জযিনীয়ো ব্রাহ্মণো ভট্টিন্যা হস্তে মম ভগিনিকেতি ন্যাসো নিক্ষিপ্তঃ তং °**প্রতিগ্রহীতুং** প্রতিহাৰমুপস্থিতঃ।

ৰাজা পদ্মাৱতি ! কিং নু স ব্রাহ্মণঃ?

পদ্মাৱতী ভবিতব্যম্।

ৰাজা শীঘ্রং প্রবেশ্যতামভ্যন্তৰসমুদাচাৰেণ (প্রবেশ্যতাম্ অভ্যন্তৰসমুদাচাৰেণ) স ব্রাহ্মণঃ।

প্রতীহাৰী যদ্ ভর্তাজ্ঞাপয়তি (ভর্তা আজ্ঞাপয়তি) (নিষ্ক্রান্তা)

ৰাজা পদ্মাৱতি! ত্বমপি তামানয় (তাম্ আনয়)।

পদ্মাৱতী যদার্যপুত্র আজ্ঞাপয়তি। (নিষ্ক্রান্তা)।
(ততঃ প্রবিশতি যৌগন্ধৰায়ণঃ প্রতীহাৰী চ)

যৌগন্ধৰায়ণঃ (আত্মগতম্) ভোঃ !
প্রচ্ছাদ্য ৰাজমহিষীং নৃপতের্হিতার্থং
কামং ময়া কৃতমিদং হিতমিত্যবেক্ষ্য।
সিদ্ধেঽপি নাম মম কর্মণি পার্থিবোঽসৌ
কিং বক্ষ্যতীতি হৃদয়ং পৰিশঙ্কিতং মে।।

প্রতীহাৰী এষ ভর্তা। উপসর্পত্বার্যঃ (উপসর্পতু আর্যঃ)।

যৌগন্ধৰায়ণঃ (উপসৃত্য) জয়তু ভবান্ জয়তু।

ৰাজা শ্রুতপূর্ব ইব স্বৰঃ। ভো ব্রাহ্মণ! কিং ভবতঃ °**স্বসা** পদ্মাবত্যা হস্তে ন্যাস ইতি নিক্ষিপ্তা?

যৌগন্ধৰায়ণঃ অথ কিম্।

ৰাজা তেন হি ত্বর্যতাং ত্বর্যতামস্য ভগিনিকা।

প্রতীহাৰী যদ্ ভর্তা আজ্ঞাপয়তি। (নিষ্ক্রান্তা)।

(ততঃ প্রবিশতি পদ্মাবতী আবন্তিকা প্রতীহাৰী চ)

পদ্মাবতী ত্রত্বেত্বার্যা (এতু এতু আর্যা)। প্রিয়ং তে নিবেদয়ামি।

আবন্তিকা কিং কিম্?

পদ্মাবতী ভ্রাতা তে আগতঃ।

আবন্তিকা দিষ্ট্যেদানীমপি (দিষ্ট্যা ইদানীম্ অপি) স্মৰতি।

পদ্মাবতী (উপসৃত্য) জয়তু আর্যপুত্রঃ। এষ ন্যাসঃ।

ৰাজা নির্যাতয় পদ্মাবতি! অথবা ***সাক্ষিমন্ন্যাসো নির্যাতয়িতব্যঃ**। ইহাত্রভবান্ ৰৈভ্যঃ অত্রভবতী চাধিকৰণং ভবিষ্যতঃ।

পদ্মাবতী আর্য! নীয়তামিদানীমার্যা (নীয়তাম্ ইদানীম্ আর্যা)

ধাত্রী (আবন্তিকাং নির্বর্ণ্য) অম্মো! ভর্তৃদাৰিকা বাসবদত্তা।

ৰাজা কথং মহাসেনপুত্রী? দেবি! প্রবিশ ত্বমভ্যন্তৰং পদ্মাবত্যা সহ।

যৌগন্ধৰায়ণঃ ন খলু ন খলু প্রবেষ্টব্যম্। মম ভগিনী খল্বেষা (খলু এষা)।

ৰাজা কিং ভবানাহ। মহাসেনপুত্রী খল্বেষা?

যৌগন্ধৰায়ণঃ ভো ৰাজন্!

ভাৰতানাং কুলে জাতো বিনীতো জ্ঞানবাঞ্ছুচিঃ।
তন্নার্হসি বলাদ্ধর্তুং ৰাজধর্মস্য দেশিকঃ।।

ৰাজা ভবতু পশ্যামস্তাবদ্রুপসাদৃশ্যম্ (পশ্যামঃ তাবৎ ৰূপসাদৃশ্যম্)। সংক্ষিপ্যতাং যবনিকা।

যৌগন্ধৰায়ণঃ জয়তু স্বামী।

বাসবদত্তা জয়তু আর্যপুত্রঃ।

ৰাজা অয়ে! অসৌ যৌগন্ধৰায়ণঃ। ইয়ং মহাসেনপুত্রী।

## ২.৪ সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদ

ওপৰত উল্লেখকৰা 'স্বপ্নবাসবদত্তম্' নাটকখনৰ মুখ্য দৃশ্যসমূহৰ সংস্কৃত পাঠ্যাংশৰ অসমীয়া ভাঙনি দৃশ্য অনুসৰি যথাক্রমে তলত দিয়া হল।

## ২.৪.১ ব্রহ্মচাৰীৰ দৃশ্য

*ব্রহ্মচাৰী* (ওপৰলৈ চাই)। মধ্যাহ্ন (দুপৰীয়া) হল। মই অত্যন্ত ভাগৰুৱা। গতিকে কোন ঠাইত বিশ্রাম লম। (ঘুৰি) হয়,দেখা গৈছে। এয়া সকলোফালে তপোবন হ'ব লাগিব। যিহেতুকে—

(অন্বয় - বিস্রব্ধাঃ হৰিণাঃ দেশাগতপ্রত্যয়াঃ অচকিতাঃ চৰন্তি, পুষ্পফলৈঃ সমৃদ্ধবিটপাঃ দয়াৰক্ষিতাঃ সর্বে বৃক্ষাঃ। কপিলানি গোকুলধনানি ভূয়িষ্ঠম্ অক্ষেত্রবত্যঃ দিশঃ। নিঃসন্ধিগ্ধম্ ইদং তপোবনম্, অয়ং বহ্বাশ্রয়ঃ হি ধূমঃ)

ঠাইখিনি নিৰাপদ এই বিশ্বাসেৰে হৰিণবোৰ নিশ্চিন্ত হৈ অচঞ্চলভাৱে বিচৰণ কৰি আছে। ফুল ফলেৰে সমৃদ্ধ শাখাযুক্ত গছবোৰ যতনেৰে পালিত হৈছে। (মুনিসকলৰ) ধন গাইবিলাকৰ বেছিভাগেই কপিলৱর্ণৰ, দিশবোৰত (শস্য) ক্ষেত্র নাই, যিহেতুকে বহুতো ঠাইৰ পৰা এই ধোৱা (ওলাই আছে) নিঃসন্দেহে এয়া তপোবন। গতিকে প্রবেশ কৰো। (প্রবেশ কৰি)। হেৰা! এইজন দেখো আশ্রমবিৰুদ্ধ মানুহ। (আনফালে চাই)। নাইবা তপস্বীও ইয়াত (আছে)। আগুৰাই যোৱাত দোষ নাই। হাৰে! (ইয়াত) নাৰী।

*কাঞ্চুকীয়*— নিশ্চিন্তে, নিশ্চিন্তে প্রবেশ কৰক। আশ্রম হল সকলোৰে বাবে সমান।

বাসবদত্তা— হম্।

পদ্মাৱতী— হেৰা। (এইজনী) আর্যাই পৰপুৰুষৰ দর্শন পৰিহাৰ কৰিছে। হয়, এওঁক ৰখা মোৰ বাবে সহজ হব।

কাঞ্চুকীয়— হেৰা! আমি আগতেই প্রবেশ কৰিছো। আপুনি অতিথিসৎকাৰ গ্রহণ কৰক।

ব্রহ্মচাৰী— (পানীৰে হাত ধুই)। হব, হব। মোৰ পৰিশ্রম দূৰ হ'ল।

যৌগন্ধৰায়ণ— হেৰা! ক'ৰ পৰা আহিছে? কলৈ যাব? মহাশয়ৰ বাসস্থান ক'ত?

ব্রহ্মচাৰী— হেৰা। শুনক। ৰাজগৃহৰ পৰা (মই) আহিছো। বেদ অধ্যয়নৰ বাবে বৎসৰাজ্যৰ লাবাণক নামৰ গাওঁত মই থাকো।

বাসবদত্তা— (নিজে নিজে) হায়! লাবাণক! লাবাণক (শব্দ) উচ্চাৰণৰ দ্বাৰা যেন আকৌ মোৰ দুখ নতুন হৈ উঠিল।

যৌগন্ধৰায়ণ— আপোনাৰ অধ্যয়ন শেষ হ'ল নে?

ব্রহ্মচাৰী— তেনেকৈ হোৱা নাই।

যৌগন্ধৰায়ণ— যদি অধ্যয়ন শেষ হোৱা নাই, তেন্তে (গুছি) অহাৰ কি প্রয়োজন (কাৰণ)?



***ব্রহ্মচাৰী-*** মহাকবি ভাসপ্রণীত 'স্বপ্নবাসবদত্তম্' নাটকৰ এক বিশেষ চৰিত্র হল ব্রহ্মচাৰী। তেওঁৰ মুখৰ পৰাই লাবাণকত হোৱা বিশেষ অগ্নিকাণ্ডৰ বিষয়ে পাঠক বা শ্রোতাই অবগত হয়।



***কাঞ্চুকীয়*** ঃ সংস্কৃত নাটকত ব্যৱহাৰ হোৱা এক বিশেষ চৰিত্র। ৰজাৰ অন্তঃপুৰত থকা বিভিন্ন গুণ সম্পন্ন, সকলো কার্যতে পাৰদর্শী বৃদ্ধ ব্রাহ্মণজনক কাঞ্চুকীয় বা কাঞ্চুকী বুলি কোৱা হয়।

***তুলনীয়ঃ*** অন্তঃপুৰচৰো বৃদ্ধো বিপ্রো গুণগণান্বিতঃ।
সর্বকার্যার্থকুশলঃ
কঞ্চুকীত্যভিধীয়তে।।

ব্রহ্মচাৰী— তাত হেনো অত্যন্ত ডাঙৰ বিপদ ঘটিছে।

যৌগন্ধৰায়ণ— কেনেকৈ?

ব্রহ্মচাৰী— তাত উদয়ন নামৰ ৰজা বাস কৰে।

যৌগন্ধৰায়ণ— শুনিছো মহান উদয়ন (থাকে)। কি (হ'ল) তেওঁৰ?

ব্রহ্মচাৰী— তেওঁৰ অবন্তিৰাজকন্যা বাসবদত্তা নামৰ পত্নীজনী অতি প্রিয় (বুলি সকলোৱে জানে)।

যৌগন্ধৰায়ণ— হব পাৰে। তাৰ পিছত, তাৰ পিছত?

ব্রহ্মচাৰী— সেই ৰজাই (এদিন) মৃগয়াৰ বাবে গমন কৰাত গ্রামবিধ্বংসী জুইত তেওঁ (বাসবদত্তা) জাহ গ'ল।

বাসবদত্তা— (নিজে নিজে) মিছা, এয়া সম্পূর্ণ মিছা। হতভাগ্য মই জীয়াই আছো।

যৌগন্ধৰায়ণ— তাৰপিছত, তাৰ পিছত?

ব্রহ্মচাৰী— তেতিয়া তেওঁক বচাবৰ ইচ্ছা কৰি যৌগন্ধৰায়ণ নামৰ মন্ত্রীজনেও সেই জুইতেই পৰিল।

যৌগন্ধৰায়ণ— সচাকৈয়ে বাৰু পৰিছে। তাৰ পিছত, তাৰ পিছত?

ব্রহ্মচাৰী— তাৰ পিছত ঘুৰি আহি ৰজাই সেই খবৰ শুনি দুজনৰ মৃত্যুৰ দুখত সেই জুইতেই প্রাণত্যাগ কৰাৰ ইচ্ছা কৰাত মন্ত্রীসকলৰ দ্বাৰা বহুকষ্টেৰে নিবাৰিত হ'ল।

বাসবদত্তা— (নিজে নিজে) জানো, জানো মোৰ প্রতি থকা স্বামীৰ প্রেম।

যৌগন্ধৰায়ণ— তাৰ পিছত, তাৰ পিছত?

ব্রহ্মচাৰী— তাৰ পিছত তেওঁৰ (বাসবদত্তাৰ) শৰীৰত থকা পুৰি যোৱা অলংকাৰপাতি আকোৱালি লৈ ৰজা অজ্ঞান হৈ পৰিল।

সকলোৱে— হায়।

বাসবদত্তা— (নিজে নিজে) আর্য যৌগন্ধৰায়ণৰ ইচ্ছা এতিয়া সফল হ'ল।

চেটী— ভর্তৃদাৰিকা। এওঁ সচাকৈয়ে কাঁন্দি আছে।

পদ্মাৱতী— এওঁ নিশ্চয় কোমলহৃদয়ৰ

যৌগন্ধৰায়ণ— হয়, হয়। সচাকৈয়ে মোৰ ভনীজনী কোমলহৃদয়ৰ। তাৰ পিছত, তাৰ পিছত?

ব্রহ্মচাৰী— তেতিয়া লাহে লাহে (ৰজাই) সংজ্ঞা ঘুৰাই পালে।

পদ্মাবতী— ভাগ্যক্রমে বাচিছে। অজ্ঞান হৈ গ'ল - শুনি মোৰ মনটো শূন্য হৈ পৰিছিল।

যৌগন্ধৰায়ণ— তাৰ পিছত, তাৰ পিছত?

ব্রহ্মচাৰী তেতিয়া সেই ৰজাই মাটিত বাগৰি যোৱাত ধূসৰবর্ণৰ শৰীৰযুক্ত হৈ হঠাতে উঠি 'হায় বাসবদত্তা, হায় অবন্তিৰাজকন্যা, হায় প্রিয়া, হায়

প্রিয়শিষ্যা', এনেদৰে কিবাকিবি বহুতো প্রলাপ বকিছিল। বেছি কি কম-

(অন্বয়ঃ - ইদানীং তাদৃশাঃ চক্রবাকাঃ ন এব, স্ত্রীবিশেষৈর্বিযুক্তাঃ অপি অন্যে ন এব । সা স্ত্রী ধন্যা যাং ভর্তা তথা বেত্তি, সা ভর্তৃস্নেহাৎ দগ্ধা অপি হি অদগ্ধা)

এতিয়া আৰু তেনেকুৱা চক্রবাক (চৰাই) নাই, পত্নীৰ পৰা বিযুক্তহোৱা এনেকুৱা আন কোনো মানুহো নাই, সেই স্ত্রী ধন্য যাক পতিয়ে এনেদৰে জানে, পতিৰ প্রেমেৰে সেই স্ত্রী দগ্ধ হৈও অদগ্ধ হৈ (জীয়াই) আছে।

যৌগন্ধৰায়ণ— বাৰু হেৰা! তেওঁক (উদয়নক) বাৰু সান্ত্বনা দিবলৈ কোনো মন্ত্রীয়ে যত্ন কৰা নাছিল নে?

ব্রহ্মচাৰী— হয় ***ৰুমণ্বান*** নামৰ মন্ত্রীজনে তেওঁক সান্ত্বনা দিয়াৰ বাবে অতিকৈ চেষ্টা কৰিছিল। যিহেতুকে তেওঁ (ৰুমণ্বান)

(অন্বয়ঃ - অনাহাৰে তুল্যঃ প্রততৰুদিতক্ষামবদনঃ শৰীৰে নৃপতিসমদুঃখং সংস্কাৰং পৰিবহন্ দিবা বা ৰাত্রৌ বা যত্নৈঃ নৰপতিং পৰিচৰতি, নৃপঃ যদি প্রাণান্ ত্যজতি তস্য অপি উপৰমঃ)

অনাহাৰত (আহাৰ গ্রহণ নকৰি ৰজাৰ) সমান, অনবৰতে কান্দি কান্দি ক্ষীণমুখযুক্ত (হৈ) শৰীৰত ৰজাৰ সমান দুখযুক্তসংস্কাৰ বহন কৰি যত্ন সহকাৰে দিনে ৰাতি ৰজাৰ পৰিচর্যা কৰিছে। এতিয়াই যদি ৰজাই প্রাণ ত্যাগ কৰে তেওঁৰো মৃত্যু ঘটিব।



***ৰুমণ্বান*** **ঃ** ৰজা উদয়নৰ অতি প্রিয় মন্ত্রী যিজনে অতি যত্ন সহকাৰে ৰজাৰ সেৱা কৰিছিল।

বাসবদত্তা— ভাগ্যবশতঃ এতিয়া আর্যপুত্রই (স্বামীয়ে) ঠিক ঠাইত পৰিছে (আছে)।

যৌগন্ধৰায়ণ— (নিজে নিজে) হায়! মহৎ দায়িত্ব পালন কৰিছে ৰুমণ্বানে যিহেতুকে - - (অন্বয় - শ্লোকৰ দৰে) এয়া (মোৰ) দায়িত্ব বিশ্রামযুক্ত (ইয়াত বিশ্রামৰ অবকাশ আছে, কিন্তু) তেওঁৰ পৰিশ্রম বিৰাম বিহীন। তেওঁৰ অধীন সকলো, য'ত (যাৰ ওপৰত) ৰজা অধীন (নির্ভৰশীল)। (প্রকাশ কৰি) হেৰা মহাশয়, এতিয়া সেই ৰজা শান্ত হ'ল নে?

ব্রহ্মচাৰী— সেইটো এতিয়া নাজানো। 'ইয়াত তেওঁৰ লগত হাঁহিছিলো, ইয়াত তেওঁৰ লগত কথা পাতিছিলো, ইয়াত তেওঁৰ লগত থাকিছিলো, ইয়াত তেওঁৰ খং কৰিছিলো, ইয়াত তেওঁৰ লগত শুইছিলো' - এনেদৰে দুখ কৰি থকা সেইৰজাক অমাত্যসকলে বহুযত্নেৰে লৈ সেই গাওঁৰ পৰা গুছি গৈছিল। তেতিয়া ৰজা গুছি গলত সেই গাওঁখন নক্ষত্র চন্দ্র অন্তর্হিত হোৱা আকাশৰ নিচিনা শোভাহীন হৈ পৰিল। তেতিয়া ময়ো ওলাই আহিলো (গাওঁখনৰ পৰা)।

তাপসী— সেই ৰজাজন নিশ্চয় (বিশেষ) গুণযুক্ত, (যিহেতুকে) এই বাহিৰা মানুহজনেও (তেওঁৰ) এনেদৰে প্রশংসা কৰিছে।

চেটী— ভর্তৃদাৰিকা। আন কোনো নাৰীয়ে তেওঁৰ (পত্নী) হবনে?

পদ্মাবতী— (নিজে নিজে) মোৰ মনৰ সৈতে যেন (এয়া) কৈছে। (অর্থাৎ মোৰ মনৰ কথাই যেন কৈছে)।

ব্রহ্মচাৰী— আপোনালোকৰ পৰা বিদায় লৈছো। মই (এতিয়া) যাওঁ।

দুজনে— আপোনাৰ প্রয়োজন সিদ্ধিৰ বাবে যাওঁক।

ব্রহ্মচাৰী— ঠিক আছে। (গুছি গ'ল)—



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ১ঃ যৌগন্ধৰায়ণ কোন আছিল?

.....

প্রশ্ন নং ২ঃ ব্রহ্মচাৰীয়ে লাবাণক কিয় এৰিছিল?

.....

প্রশ্ন নং ৩ঃ কেতিয়া উদয়নৰ প্রতি পদ্মাবতী দুর্বল হৈ পৰিছিল?

.....

প্রশ্ন নং ৪ঃ কোনে উদয়নক সান্ত্বনা দিছিল?

.....

## ২.৪.২ অন্তৰঙ্গ আলাপৰ দৃশ্য

এতিয়া আপুনি নাটকখনৰ অন্তৰংগ আলাপৰ দৃশ্যৰ অসমীয়া অনুবাদ পঢ়িবলৈ পাব।

বিদূষক— হেৰা! এই মহিলাবন দেখো শূন্য। (আপোনাক) কিবা সুধিবলৈ আছে। আপোনাক সুধো?

ৰজা— স্বচ্ছন্দে (ইচ্ছামতে)

বিদূষক— কোনজনী আপোনাৰ প্রিয, তেতিয়া সেই বাসবদত্তা অথবা এতিয়া পদ্মাবতী?

ৰজা— তুমি কেলেই এতিয়া মোক ভালপোৱাৰ বিশাল সঙ্কটত পেলালা?

পদ্মাবতী— সখি! (চোৱা) কি সঙ্কটত পৰিছে স্বামীয়ে।

বাসবদত্তা— (নিজে নিজে) আৰু মই হতভাগিনী।

বিদূষক— আপুনি খোলাখুলিকৈ কওক। এজনী মৃত, আনজনী ওচৰত নাই।

ৰজা— বন্ধু! নাই, নাই, মই তোমাক নকওঁ। তুমি বৰ মুখৰ। (কথকী অর্থাৎ তোমাৰ পেটত কথা নেথাকে)

পদ্মাবতী— ইয়াৰ দ্বাৰাই স্বামীয়ে কলে।

বিদূষক— হেৰা! সচাকৈয়ে শপথ ললো, মই কাকো নকওঁ। এয়া মোৰ জিভা সংবৰণ কৰিলো।

ৰজা— (এয়া) বন্ধু (মোৰ) কোৱাৰ উৎসাহ নাই।

পদ্মাবতী— হায়! কি যে এওঁৰ ধৃষ্টতা। ইয়াৰ দ্বাৰা (তেওঁৰ) অন্তৰখন নাজানে।

বিদূষক— (আপুনি) মোক নকয় নেকি? নোকোৱাকৈ আপুনি এই শিলাখণ্ডৰ পৰা এখোজো যাব নোৱাৰে। এয়া আপুনি ৰুদ্ধ হল।

ৰজা— কি, বলপ্রয়োগেৰে?

বিদূষক— হয়। বলপ্রয়োগেৰে।

ৰজা— তেনেহলে মই চাই আছো।

বিদূষক— আপুনি প্রসন্ন হওক, প্রসন্ন হওক। বন্ধুভাবেৰে মই অভিশাপ দিম যদি সঁচাকৈয়ে নকয় (আপুনি)।

ৰজা— কিনো কৰো? শুনা। (অন্বয় - যদ্যপি ৰূপশীলমাধুর্যৈঃ পদ্মাবতী মম বহুমতা ন তু তাবৎ মে বাসবদত্তাবদ্ধং মনঃ হৰতি)।
যদিও পদ্মাবতী ৰূপ, চৰিত্র মাধুর্যেৰে মোৰ অত্যন্ত প্রিয়, কিন্তু বাসবদত্তাৰ প্রতি আৱদ্ধ (হৈ থকা) মোৰ মনটোক হৰণ কৰিব পৰা নাই (মই এতিয়াও বাসবদত্তাৰ প্রতি আকৃষ্ট হৈ আছো)

বাসবদত্তা— (নিজে নিজে) হব হব। এই দুখৰ বেতন দিয়া হ'ল। (মোৰ কষ্টৰ মূল্য পালো)। হেৰা, ইয়াতে (মোৰ) অজ্ঞাতবাসেও বহুফল উৎপন্ন কৰিছে।

চেটী— ভর্তৃদাৰিকা, ৰজা বৰ নিষ্ঠুৰ।

পদ্মাবতী— সখী। নহয়, এনেকুৱা নহয়, অতি দয়ালু স্বামী, যিজনে এতিয়াও আর্যা বাসবদত্তাৰ গুণবোৰ স্মৰণ কৰিছে।

বাসবদত্তা— মহাশয়া, উপযুক্ত বংশৰ সদৃশ কৈছে। (আপোনাৰ কথা আপোনাৰ উচ্চবংশৰ সদৃশ হৈছে।)

ৰজা— মই কলো, এতিয়া তুমি কোৱা। কোনজনী তোমাৰ প্রিয়, তেতিয়া বাসবদত্তা নে এতিয়া পদ্মাবতী?

পদ্মাবতী— আর্যপুত্রো বসন্তক হৈ গৈছে।

বিদূষক— মোৰ প্রলাপ কৰি (অযথা কৈ) কি হব? সেই দুজনীয়ে মোৰ বহুত প্রিয়।

ৰজা— মূর্খ, বলেৰে এনেদৰে মোৰ পৰা শুনি এতিয়া কিয় নকবা?

বিদূষক— কি মোকো বলপ্রয়োগেৰে?

ৰজা— হয়, বলপ্রয়োগেৰে।

বিদূষক— তেনেহলে নোৱাৰিব শুনিবলৈ।

ৰজা— প্রসন্ন হোৱা, প্রসন্ন হোৱা, মহাব্রাহ্মণ! খোলাখুলিকৈ (তুমি) কোৱা।

বিদূষক— এতিয়া আপুনি শুনক। সেই বাসবদত্তা মোৰ অতি প্রিয়। সেই পদ্মাবতী তৰুণী, সুন্দৰী, ক্রোধহীন, অহংকাৰশূন্য, মধুৰবচনা, দয়াযুক্ত। এইটো

আৰু এটা মহান গুণ (যে তেওঁ) ভাল ভোজনেৰে সৈতে মোক মাতে -' কলৈ বাৰু গল আৰ্য বসন্তক' - এনেদৰে।

বাসবদত্তা— হব হব বসন্তক। এতিয়া এয়া স্মৰণ কৰা।

ৰজা— হব, হব বসন্তক। এই সকলো মই দেবী বাসবদত্তাক কম গৈ।

বিদূষক— হায় বাসবদত্তা। ক'ত বাসবদত্তা? বহুদিন আগতেই বাসবদত্তাৰ মৃত্যু হ'ল।



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ৫ঃ কি পটভূমিত বিদূষকে ৰজা উদয়নক প্রশ্ন কৰিছিল?

.....

.....

প্রশ্ন নং ৬ঃ ৰজাৰ কথাৰ পৰা কি বুজা গ'ল?

.....

.....

প্রশ্ন নং ৭ঃ বাসবদত্তা আৰু পদ্মাবতীৰ বিষয়ে বিদূষকৰ ধাৰণা কি আছিল?

.....

.....

## ২.৪.৩ স্বপ্নদৃশ্য

এতিয়া আপুনি নাটকৰ স্বপ্নদৃশ্যৰ অসমীয়া অনুবাদ পঢ়িবলৈ পাব।

(তাৰ পিচত প্রবেশ কৰিছে আবন্তিকাবেশেৰে বাসবদত্তা আৰু পৰিচাৰিকা)

পৰিচাৰিকা— আহক আহক মহাশয়া, ৰাজকুমাৰীয়ে অত্যন্ত মূৰৰ বিষত যন্ত্রণা পাই আছে।

বাসবদত্তা— হায়, ধিক্কাৰ। পদ্মাবতীৰ বিছনা ক'ত পতা হৈছে?

পৰিচাৰিকা— শুনা গৈছে সমুদ্রগৃহত বিছনা পতা হৈছে।

বাসবদত্তা— তেতিয়া হলে আগলৈ যোৱা। (দুয়োজনে ঘুৰিলে)

পৰিচাৰিকা— এয়া সমুদ্রগৃহ। মহাশয়া প্রবেশ কৰক। ময়ো ইতিমধ্যে সোনকালে মূৰৰ অনুলেপন আনো গৈ। (গুছি গল)।

বাসবদত্তা— হায় বৰ নিষ্ঠুৰ মোৰ ঈশ্বৰ। বিৰহজর্জৰিত স্বামীৰ শান্তিৰ ঠাই ৰূপিনী এয়া পদ্মাবতীও অসুস্থ হৈ পৰিছে। মই বাৰু প্রবেশ কৰো। (প্রবেশ কৰি চাই) হায় পৰিজনৰ ভ্রান্তি। অসুস্থ পদ্মাবতীক কেবলমাত্র চাকিৰ সহায়ত ৰাখি পৰিত্যাগ কৰিছে (কেবলমাত্র চাকি জ্বলাই এৰি গৈছে)। এয়া পদ্মাবতী শুই আছে। মই বাৰু বহো। নাইবা বেলেগ আসন গ্রহণ কৰিলে

মৰম কম যেন লাগিব। গতিকে এই বিছনাতেই বহো। (বহি) কিয় বা এওঁৰ লগত বহি আজি মোৰ হৃদয় আনন্দিত হৈছে। ভাগ্যক্রমে এওঁৰ উশাহ একেৰাহে ভালদৰে পৰিছে। নিশ্চয় অসুখ ভাল হৈছে। নাইবা বিছনাৰ এটা ফাল ভাগ (কৰি লোৱা) হেতুকে বুজাইছে মোক আলিঙ্গন কৰা বুলি। মই বাৰু শুম। (তেওঁ শোৱাৰ অভিনয় কৰিলে)

ৰজা— (সপোনত) হায় বাসবদত্তা।

বাসবদত্তা— (হাঠাতে উঠি) হাৰে, আর্যপুত্র, পদ্মাবতী তো নহয়। মোক কি দেখা পালে নেকি? আর্য যৌগন্ধৰায়ণৰ ডাঙৰ প্রতিজ্ঞাভাৰ মোৰ দর্শনৰ মাজেদি নিষ্ফল হ'ল।

ৰজা— হায়, অবন্তীৰাজকন্যা।

বাসবদত্তা— ভাগ্যবশতঃ স্বামীয়ে সপোনহে দেখিছে। ইয়াত কোনো মানুহ নাই। গতিকে অলপসময় থাকি দৃষ্টি আৰু মনক সন্তুষ্টি দিও।

ৰজা— হায়, প্রিয়া! হায় প্রিয়শিষ্যা! মোক উত্তৰ দিয়া।

বাসবদত্তা— স্বামী কৈ আছো, কৈ আছো।

ৰজা— কি খঙ কৰিছা নেকি?

বাসবদত্তা— নহয়, নহয়, দুখ পাইছো।

ৰজা— যদি খঙ কৰা নাই কিয় অলংকাৰ পিন্ধা নাই?

বাসবদত্তা— ইয়াৰ পিছত কি (কম)?

ৰজা— তুমি কি ***বিৰচিকা***'ক স্মৰণ কৰিছা?

বাসবদত্তা— (খঙত) আ! দূৰ হওক। ইয়াতো বিৰচিকা।

ৰজা— তেতিয়া হলে বিৰচিকাৰ বাবে তোমাক প্রসন্ন কৰিছো। (হাত দুখন মেলি দিলে।)

বাসবদত্তা— বহুসময় আছো। কোনোবাই মোক দেখিব। গতিকে যাওঁ। অথবা বিছনাৰ পৰা নামি অহা স্বামীৰ হাতখন বিছনাত উঠাই (মই) যাম। (তেনেকুৱা কৰি গ'ল)।

ৰজা— (হঠাতে উঠি) বাসবদত্তা! ৰবা ৰবা। হায় ধিক্কাৰ!

(অন্বয় - অহং সংভ্রমেণ নিষ্ক্রামন্ দ্বাৰপক্ষেণ তাড়িতঃ ততঃ অয়ং মনোৰথঃ ভূতার্থঃ ব্যক্তং ন জানামি)

বেগেৰে যাবলৈ গৈ মই দুৱাৰৰ খুটাৰে প্রতিহত হলো (বাধা পালো)। এতেকে এয়া মোৰ মনৰ ইচ্ছা (বাসবদত্তা হয় নে নহয়) সচা নে (মিছা) সঠিকভাবে নাজানিলো।

(প্রবেশ কৰি)

বিদূষক— হেৰা! আপুনি দেখোন উঠিছে (নিদ্রাৰ পৰা)?



***বিৰচিকা*** ঃ বিৰচিকা নামেৰে উদয়নৰ অন্তঃপুৰত এজনী পৰিচাৰিকা আছিল যিজনীৰ লগত এবাৰ উদয়নৰ প্রেমৰ সম্পর্ক হৈছিল।

ৰজা— বন্ধু! (তোমাক) ভাল কথা কওঁ, বাসবদত্তা জীয়াই আছে।

বিদূষক— হায় বাসবদত্তা। ক'ত বাসবদত্তা? বহুদিন হ'ল বাসবদত্তাৰ মৃত্যু হৈছে।

ৰজা বন্ধু! নহয়, এনেকুৱা নহয়। (অন্বয়ঃ - সখে! শয্যায়াম্ অবসুপ্তং মাং বোধয়িত্বা গতা। দগ্ধা ইতি পূর্বং ব্রুবতা ৰুমণ্বতা বঞ্চিতঃ অস্মি)। বন্ধু! বিছনাত শুই থকা মোক জগাই তেওঁ গৈছে। (বাসবদত্তা) জাহ গৈছে (এনেকৈ) আগতে কোৱা ৰুমণ্বানৰ দ্বাৰা মই বঞ্চিত হৈছো (এনেকৈ ৰুমণ্বানে মোক যি কৈছিল সেইটো মিছা)।

## ২.৪.৪ পুনর্মিলন দৃশ্য

এতিয়া নাটকৰ পুনর্মিলনৰ দৃশ্যৰ অসমীয়া অনুবাদ অধ্যয়ন কৰিব পাৰিব।

*চিত্রফলক* ঃ ৰজা মহাসেনৰ পত্নীয়ে উদয়নলৈ প্রেৰণ কৰা ৰজা আৰু বাসবদত্তাৰ বিবাহকালীন চিত্র।

পদ্মাৱতী— স্বামী! চিত্রত থকা গুৰুজনক চাই সন্মান জনাব বিচাৰিছো।

ধাত্রী— চাওক চাওক ৰাজকন্যা। (***চিত্রফলক*** দেখুৱালে)।

পদ্মাবতী— (চাই নিজে নিজে) হম! এইজনী দেখোন বহুখিনি আর্য্যা আবন্তিকাৰ নিচিনা (দেখাত) (প্রকাশ কৰি) স্বামী। এইজনী আর্যাৰ নিচিনা দেখোন।

ৰজা— নিচিনা নহয়, সেইজনীয়ে (যেন) লাগিছে। হায় কষ্ট! ( অন্বয়ঃ শ্লোকৰ দৰে) কেনেকৈ এই স্নিগ্ধ বর্ণৰ নিদাৰুণ বিপদ (হ'ল) আৰু এয়া মুখসৌন্দর্য কেনেকৈ জুইৰ দ্বাৰা নষ্ট হ'ল।

পদ্মাবতী— স্বামীৰ প্রতিকৃতি চাই জানিম এইজনী আর্যাৰ নিচিনা হয় নে নহয়।

ধাত্রী— চাওক চাওক ৰাজকন্যা।

পদ্মাবতী— (চাই) স্বামীৰ প্রতিকৃতিৰ সাদৃশ্যৰ দ্বাৰা জানিলো এয়া আর্যাৰ নিচিনা।

ৰজা— দেবী! চিত্রচোৱাৰ পিছৰ পৰা যেন আনন্দিত অথচ উৎকণ্ঠিত তোমাক দেখিছো। এয়া কি?

পদ্মাৱতী— স্বামী! এই প্রতিকৃতিৰ নিচিনা (নাৰী) ইয়াতেই আছে।

ৰজা— কি বাসবদত্তাৰ?

পদ্মাবতী— হয়।

ৰজা— তেতিয়াহলে সোনকালে (তেওঁক) আনা।

*প্রেষিতভর্তৃকাঃ* যিজনী নাৰীৰ স্বামী বিদেশত থাকে তাক প্রোষিতভর্তৃকা বুলি কোৱা হয়। ইয়াত বাসবদত্তাক প্রোষিতভর্তৃকা বুলি কোৱা হৈছে।

পদ্মাবতী— স্বামী, মোৰ কন্যা অবস্থাত (বিবাহৰ আগত) কোনোবা ব্রাহ্মণে (এওঁক) মোৰ ভনীয়েক বুলি ন্যাস ৰাখিছিল। স্বামী পৰদেশত থকা (***প্রেষিতভর্তৃকা***) কাৰণে (এইজনী) পৰপুৰুষৰ দর্শন পৰিহাৰ কৰিছে। গতিকে আর্যা চাওক একে হয় নে নহয়।

ৰজা— (অন্বয় - শ্লোকৰ দৰে) ব্রাহ্মণৰ ভনীয়েক বুলি যদি কৈছে (তেনেহলে) বেলেগ হ'ব। যিহেতুকে পৃথিবীত পৰস্পৰৰ ৰূপসাদৃশ্য দেখা যায়। (প্রবেশ কৰি)

প্রতিহাৰী— ৰজাৰ জয় হওক। এয়া উজ্জযিনীৰ ব্রাহ্মণে ৰাণীৰ হাতত 'মোৰ ভনীয়েক' বুলি ন্যাস ৰাখিছিল, তাকে লোৱাৰ বাবে দুৱাৰমুখত উপস্থিত হৈছে।

ৰজা— পদ্মাৱতী। সেই ব্রাহ্মণজন নে?

পদ্মাবতী— হব পাৰে।

ৰজা— সোনকালে উচিত সংস্কাৰেৰে সেই ব্রাহ্মণজনক প্রবেশ কৰাব লাগে।

প্রতিহাৰী— ৰজাৰ যি আজ্ঞা। (গুচি গল)।

ৰজা— পদ্মাবতী। তুমিও সেইজনীক আনা।

পদ্মাবতী— আর্যপুত্রই যি আজ্ঞা দিয়ে (গুচি গল) (তাৰ পিচত প্রবেশ কৰিছে যৌগন্ধৰায়ণ আৰু প্রতিহাৰী)।

যৌগন্ধৰায়ণ— (নিজে নিজে) হেৰা - (অন্বয়ঃ ৰাজমহিষীং নৃপতেঃ হিতায় প্রচ্ছাদ্য ময়া ইদং হিতম্ ইতি অবেক্ষ্য কামং কৃতম্। মম কর্মণি সিদ্ধেঽপি নাম অসৌ পার্থিবঃ কিং বক্ষ্যতি ইতি মে হৃদয়ং পৰিশঙ্কিতম্)।

ৰজাৰ মঙ্গলৰ বাবে মহাৰাণীক লুকুৰাই ভাল হব বুলি চাই (ভাবি) মই এয়া কৰিলো। মোৰ কাম সফল হলেও এই ৰজাই (এতিয়া) কি কব (এই ভাবি) মোৰ মনটো শংকিত হৈছে।

প্রতিহাৰী— এয়া ৰজা। আপুনি ওচৰলৈ আহক।

যৌগন্ধৰায়ণ— (ওচৰলৈ গৈ) জয়, হওঁক, আপোনাৰ জয় হওক।

ৰজা— এই মাত আগতে যেন শুনিছো। হে ব্রাহ্মণ! আপোনাৰে ভনীয়েকক পদ্মাৱতীৰ হাতত ন্যাস হিচাপে ৰাখিছিল নেকি?

যৌগন্ধৰায়ণ— হয়।

ৰজা— তেতিয়াহলে সোনকালে সোনকালে এওঁৰ ভনীয়েকক (আনা)।

প্রতিহাৰী— ৰজাই যি আজ্ঞা দিয়ে (গুচি গল)

(তাৰ পিচত প্রবেশ কৰিলে পদ্মাবতী, আবন্তিকা আৰু প্রতিহাৰী)।

পদ্মাবতী— আহক আহক আর্যা। আপোনাক ভাল (কথা) কম।

আবন্তিকা— কি কি?

পদ্মাবতী— আপোনাৰ ভায়েক আহিছে।

আবন্তিকা— ভাগ্যবশতঃ এতিয়াও মনত ৰাখিছে।

পদ্মাৱতী— (ওচৰলৈ গৈ) আর্যপুত্রৰ জয় হওক। এয়া ন্যাস।

ৰজা— পদ্মাবতী গতাই দিয়া। অথবা সাক্ষী ৰাখি ন্যাস ঘূৰাই দিব লাগে। ইয়াত এয়া ৰৈভ্য আৰু এইজনী সাক্ষী হব।

পদ্মাবতী— আর্য, এতিয়া আর্যাক লওক।

ধাত্রী— (আবন্তিকাক চাই) হাৰে ৰাজকুমাৰী বাসবদত্তা।

ৰজা— কেনেকৈ (কি) মহাসেনকন্যা? দেবী তুমি পদ্মাবতীৰ সৈতে ভিতৰত প্ৰবেশ কৰা।

যৌগন্ধৰায়ণ— নালাগে নালাগে প্ৰবেশ কৰিবলৈ। এয়া মোৰ ভগ্নীহে।

ৰজা— কি কলে আপুনি, এয়া মহাসেনৰ কন্যা?

যৌগন্ধৰায়ণ— হে মহাৰাজ! (অন্বয় - শ্লোকৰ দৰে) আপুনি ভৰতৰ বংশত জন্মগ্ৰহণ কৰা, বিনয়ী,জ্ঞানী, শুদ্ধান্তঃ কৰণযুক্ত, গতিকে ৰাজধৰ্মৰ দৰ্শয়িতা আপুনি বলেৰে (এওঁক) লব নোৱাৰে।

ৰজা— হব তেতিয়াহলে চাওঁ ৰূপৰ সাদৃশ্য। পৰ্দা (আৰ কাপোৰ) চুটি কৰা।

যৌগন্ধৰায়ণ— প্ৰভুৰ জয় হওক।

বাসবদত্তা— আৰ্যপুত্ৰৰ জয় হওক।

ৰজা— হাৰে। এইজন যৌগন্ধৰায়ণ, এইজনী মহাসেনৰ কন্যা।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন নং ৮ঃ চিত্ৰফলক মানে কি?

.....

প্ৰশ্ন নং ৯ঃ নিজৰ কামত সফল হলেও শেষত যৌগন্ধৰায়ণৰ মনৰ ভাব কেনেকুৱা হৈছিল?

.....

.....

প্ৰশ্ন নং ১০ঃ আবন্তিকাক ঘূৰাই দিয়াৰ সময়ত সাক্ষী কোন কোন আছিল?

.....

.....

প্ৰশ্ন নং ১১ঃ মহাসেন কন্যা বুলি কলে কাক বুজায়?

.....

.....

## ২.৫ মহত্বপূৰ্ণ বাক্যসমূহৰ ভাবাৰ্থ

এতিয়া আপুনি অধ্যায়টিত উল্লেখ কৰা কিছুমান মহত্বপূৰ্ণ বাক্যৰ ভাবাৰ্থৰ বিষয়ে জানিব পাৰিব। সেইবোৰ তলত উল্লেখ কৰা হল —

**১. সৰ্বজনসাধাৰণমাশ্ৰমপদং নাম**

আশ্ৰম হল এনেকুৱা এখন ঠাই য'ত সকলোৱে নিৰ্ভয়ে প্ৰবেশ কৰিব পাৰে। সমাজৰ নিয়ম-নীতি অনুসৰি বিভিন্ন ঠাইত বেলেগ বেলেগ স্তৰৰ মানুহৰ প্ৰবেশ নিষিদ্ধ হোৱা দেখা যায়। যেনে ৰাজগৃহ সকলোৰে বাবে উন্মুক্ত নহয়। গুৰুগৃহ কেৱলমাত্ৰ ছাত্ৰসকলৰ বাবেহে খোলা

থাকে। আশ্রমত সাধাৰণতে সংসাৰত্যাগী মানুহসকল থাকে যদিওঁ তাত অন্য মানুহৰ প্ৰবেশৰ ক্ষেত্ৰত বাধা নিষেধ নাথাকে। (সাধাৰণলোকৰ) পৰা আৰম্ভ কৰি সম্ৰাটলৈ বা মূৰ্খৰ পৰা বিদগ্ধ পণ্ডিতলৈকে সকলোৱে বাবে আশ্রমৰ প্ৰবেশপথ সদায় উন্মুক্ত থাকে।

**২. প্রকৃত্যা সানুক্রোশা মে ভগিনী**

ব্ৰহ্মচাৰীৰ মুখৰ পৰা বাসবদত্তাবিৰহত ভাগৰি পৰা উদয়নৰ দুৰবস্থাৰ কথা শুনি নজনাকৈয়ে আবন্তিকাবেশধাৰিণী বাসবদত্তাৰ চকুলো বৈ গৈছে। বাসবদত্তাৰ এই অবস্থাই যাতে পদ্মাবতীৰ মনত সন্দেহৰ উদ্রেক কৰিব নোৱাৰে তাৰ বাবে পদ্মাবতীৰ বাক্যক সমর্থন জনাই যৌগন্ধৰায়ণে কৈছে যে তেওঁৰ ভগিনী স্বভাৱতেই অতি কোমল হৃদয়ৰ। কাৰোবাৰ দুখৰ কথা শুনিলেই তেওঁ মনত আঘাত পায়। প্রকৃততে যৌগন্ধৰায়ণৰ বুদ্ধিমতে মিছাকৈ সৃষ্টি কৰা জুইত বাসবদত্তাৰ মৃত্যু ঘটা বুলি জানি উদয়নে বাসবদত্তাৰ বিৰহত আকুল হৈ পৰিছে। এই কথাখিনি ব্ৰহ্মচাৰীৰ মুখত শুনি ছদ্মবেশধাৰিণী বাসবদত্তাই উদয়নৰ দুখত উদ্বেল হৈ পৰাত তেওঁৰ চকুৰ পৰা চকুলো বৈ পৰিল । কিন্তু এই সত্যক গোপন কৰাৰ বাবেহে যৌগন্ধৰায়ণে আবন্তিকাবেশী বাসবদত্তাক অতিকোমল হৃদয়ৰ বুলি প্রতিপন্ন কৰিব খুজিছে।

**৩. ভর্ত্তৃস্নেহাৎ সা হি দগ্ধাপ্যদগ্ধা**

বাসবদত্তাই জুইত দগ্ধ হৈ মৃত্যুমুখত পৰাৰ বাতৰি শুনাৰ পিছৰে পৰা ৰজা উদয়নে বাসবদত্তাৰ বিৰহদুখত দুখিত হৈ পৰিছিল। মাটিত বাগৰি বাগৰি ধূলিৰে পৰিপূর্ণ হৈ ৰজাই বাসবদত্তাৰ স্মৃতি ৰোমন্থন কৰি বহুতো কথা কৈ আছিল। তেওঁৰ এই দুৰবস্থাৰ বিষয়ে বর্ণনা দি ব্ৰহ্মচাৰীজনে ব্যক্ত কৰিছে যে বিৰহদুখ সহ্য কৰিব নোৱাৰা চক্রবাক চৰাইৰ অবস্থাকো চেৰ পেলাইছে উদয়নৰ বিৰহব্যাকুলতাই। পৃথিবীত এনেকুৱা পত্নীবিৰহত উন্মাদ হৈ পৰা কোনো মানুহ দেখা নাযায়। গতিকে যিজনী পত্নীক স্বামীয়ে এনেদৰে হৃদয়েৰে স্মৰণ কৰে সেইজনীৰ শাৰীৰিক মৃত্যু ঘটিলেও পতিৰ মানসপটত সেইজনী চিৰজীবী হৈ থাকে। সেইদৰে বাসবদত্তাও লাবাণকৰ জুইত দগ্ধ হলেও উদয়নৰ হৃদয়ত সদায় জীয়াই আছে।

**৪. বাসবদত্তাবদ্ধং ন তু তাবন্মে মনো হৰতি**

ৰজা উদয়নৰ দৃষ্টিত বাসবদত্তা আৰু পদ্মাবতীৰ মাজত হোৱা তুলনাত এই কথা স্পষ্ট হৈ পৰিছে যে যদিও পদ্মাবতী ৰূপমাধুর্যেৰে, চাৰিত্রিক বৈশিষ্ট্যেৰে আৰু স্বাভাবিক মাধুৰিমাৰে উদয়নৰ মনটোক আকর্ষিত কৰিব পাৰিছে, কিন্তু বাসবদত্তাৰ প্রতি থকা উদয়নৰ আকর্ষণক তেওঁ হৰণ কৰিব পৰা নাই। বিভিন্ন গুণেৰে বিভূষিতা পদ্মাবতী উদয়নৰ অতিপ্রিয়। কিন্তু পূর্বপত্নী বাসবদত্তাৰ প্রতি উদয়নৰ যি গাঢ় আকর্ষণ, হৃদয়ৰ অটুট বন্ধন, পদ্মাবতীয়ে সেইটো কমাবলৈ সমর্থ হোৱা নাই। উদয়নৰ এই বচনে বাসবদত্তাৰ প্রতি থকা উদয়নৰ অকৃত্রিম প্রেম ভাবক ব্যক্ত কৰিছে।

**৫. অজ্ঞাতবাসোৎপ্যত্র বহুগুণঃ সংপদ্যতে**

উদয়নপত্নী বাসবদত্তাই যৌগন্ধৰায়ণৰ সিদ্ধান্তমতে আবন্তিকাৰ ছদ্মবেশ ধাৰণ কৰি পদ্মাবতীৰ ওচৰ পাইছে। পদ্মাবতীৰ লগত থাকি গোপনভাবে উদয়ন আৰু বিদূষকৰ কথা শুনি

বাসবদত্তাই জানিছে যে যদিও পৰিস্থিতিৰ চাপত পৰি উদয়নে পদ্মাবতীক বিয়া কৰাইছে আৰু যদিও পদ্মাবতী ৰূপ-গুণ-মাধুৰ্য্যেৰে পৰিপূৰ্ণা কিন্তু বাসবদত্তাৰ প্ৰতি এতিয়াও উদয়নৰ প্ৰেম অটুট আছে। আগতেও উদয়নে পত্নী বাসবদত্তাক যেনেদৰে ভাল পাইছিল, নিজ হৃদয়ত ৰাখিছিল সেইদৰে এতিয়াও উদয়নৰ হৃদয় বাসবদত্তাতেই নিহিত হৈ আছে। পদ্মাবতীয়ে নিজ গুণেৰে এই আকৰ্ষণক কমাব পৰা নাই। গতিকে অজ্ঞাতবাসত থাকিও যে বাসবদত্তাই উদয়নৰ মুখৰ পৰা তেওঁৰ মনৰ সঁচা অৱস্থাৰ কথা জানিব পাৰিলে তাৰ বাবে বাসবদত্তাৰ ওচৰত ছদ্মবেশী অবস্থাটোও ফলপ্ৰদায়ী হৈ পৰিছে। ইয়াৰদ্বাৰা বাসবদত্তাৰ হৃদয়ৰ দুখ অলপ হ্ৰাস পাইছে।

**৬. সাক্ষিমন্ন্যাসো নির্যাতয়িতব্যঃ**

'ন্যাস' শব্দটোৰ অর্থ হল গচ্ছিত ধন। কাৰোবাৰ ওচৰত দায়িত্ব দি পুনর্গ্রহণৰ প্ৰতিশ্ৰুতিৰে কিবা থলে সেইটোক ন্যাস হিচাপে ধৰা হয়। যাৰ ওচৰত ন্যাস ৰখা হয় তেওঁ বহু দায়িত্বৰ সৈতে ন্যাস্ত বস্তুক ৰক্ষা কৰি থাকে। প্ৰতিশ্ৰুতিমতে যেতিয়া অর্থীজনে নিজৰ গচ্ছিত ধন লব আহে তেতিয়া তেওঁক তেওঁৰ বস্তু অক্ষত অবস্থাত ঘূৰাই দিয়া হয়। ৰজা উদয়নৰ মতে ন্যাস ঘূৰাই দিয়াৰ সময়ত সাক্ষী ৰাখিব লাগে। সাক্ষীৰ আগতহে গচ্ছিত বস্তুক ঘূৰাই দিয়াটো নিয়ম। কাৰণ এনে কৰিলে ভুল বুজাবুজিৰ সৃষ্টি নহয়। গতিকে আবন্তিকাবেশী বাসবদত্তাক ব্ৰাহ্মণৰূপী যৌগন্ধৰায়ণৰ হাতত ঘূৰাই দিয়াৰ সময়ত কোনোবা সাক্ষীৰ উপস্থিতি প্ৰয়োজনীয় বুলি উদয়নে পদ্মাবতীক সোঁৱৰাই দিছে।

## ২.৬ শব্দার্থৰ তালিকা

| | | |
|---|---|---|
| বিস্ৰব্ধা | = | নিশ্চিন্তে |
| ভূয়িষ্ঠং | = | বেচি ভাগ |
| অক্ষেত্রবত্যঃ | = | কৃষিক্ষেত্র নহয়। |
| বিলোক্য | = | চাই, দেখি |
| স্বৈৰম্ | = | নিশ্চিন্তে, খোলাখুলিকৈ |
| ব্যসনম্ | = | দুখ |
| অলীকম্ | = | মিছা |
| সানুক্রোশত্বম্ | = | দয়াভাব |
| শনৈঃ শনৈঃ | = | লাহে লাহে |
| পর্যবস্থাপয়িতুম্ | = | সান্ত্বনা দিবলৈ |
| উপৰমঃ | = | মৃত্যু |
| সবিশ্রমঃ | = | বিশ্রামযুক্ত |
| প্রসক্ত | = | একেৰাহে, লাগি থকা |
| আপৃচ্ছামি | = | বিদায় লওঁ। |

| | | |
|---|---|---|
| নিষ্ক্রান্ত | = | গুছি যোৱা |
| উপৰতা | = | মৃতা |
| বহুমতা | = | প্ৰিয় |
| পৰিখেদস্য | = | দুখৰ |
| অদাক্ষিণ্য | = | কঠোৰ |
| সংভ্ৰমেণ | = | জোৰে, বেগেৰে |
| ভূতার্থঃ | = | সত্য |
| ধৰতে | = | বাচি আছে |
| প্ৰতিবুদ্ধ | = | জাগি আছে |
| বিপত্তিঃ | = | বিপদ |
| ৰূপতুল্যতা | = | দেখাত একে |
| প্ৰতিগ্ৰহীতুম্ | = | ঘুৰাই লবলৈ |
| ভর্তা | = | স্বামী, ৰজা |
| স্বসা | = | ভনীয়েক |
| ভর্তৃদাৰিকা | = | ৰাজকুমাৰী, ৰাজকন্যা। |



## ২.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- 'স্বপ্নবাসবদত্তম্' নাটকৰ মূল ঘটনাসমূহ জানিব পাৰিলে।
- নাট্যকাৰ ভাসে তেওঁৰ সুন্দৰ নাট্যকৌশলৰ জৰিয়তে বিভিন্ন চৰিত্ৰক সামৰি লৈ নায়ক উদয়ন আৰু নায়িকা বাসবদত্তাৰ প্ৰেম-বিচ্ছেদ- পুনৰ্মিলনৰ কাহিনী নাটকখনত দাঙি ধৰিছে।
- আপুনি এই নাটকত থকা কিছুমান গুৰুত্বপূৰ্ণ বচনৰ ভাবাৰ্থও জানিব পাৰিলে, তদুপৰি সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদও জানিলে।
- নাটকৰ পঞ্চম অংকত থকা স্বপ্নদৃশ্য আৰু তাৰ গুৰুত্বৰ বিষয়েও আপুনি জানিব পাৰিলে।
- ইয়াৰ উপৰিও উক্ত অধ্যায়টিত ব্যৱহাৰ হোৱা কিছুমান বিশেষ সংস্কৃত শব্দৰ অৰ্থৰ বিষয়েও আপুনি অৱগত হ'ল।



## ২.৮ অধিক জানিবলৈ

১) কালে, এম আৰ, *স্বপ্নবাসবদত্তম্ অৱ ভাস*, মতিলাল বানাৰসীদাস পাব্লিচাৰ্চ্ প্ৰাইভেট লিমিটেড, দিল্লী, ১৯৮৮

২) পুচলকাৰ, এ.ডি., *ভাস- এ ষ্টাডী*, মুন্সিৰাম মনোহৰলাল অৰিয়েন্টল পাবলিচাৰ্চ্ এণ্ড বুকচেলাৰ্চ্ , দিল্লী, ১৯৬৮

৩) আয়াৰ, এ.এচ্. পি, *ভাস*, ভি. ৰামস্বামী সন্তুলু এণ্ড চন্স মাদ্ৰাজ, ১৯৫৭

৪) শৰ্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ১৯৯৫



## ২.৯ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰঃ** যৌগন্ধৰায়ণ ৰজা উদয়নৰ মন্ত্ৰী আছিল।

**২ নং প্ৰশ্নৰ উত্তৰঃ** ৰজা উদয়ন গুছি যোৱাৰ পিচত লাবাণকত থাকিব ভাল নলগা কাৰণে ব্ৰহ্মচাৰীয়ে লাবাণক এৰিছিল।

**৩ নং প্ৰশ্নৰ উত্তৰঃ** বাসবদত্তাৰ স্মৃতি ৰোমন্থন কৰি কৰি উদয়নে অজ্ঞান হৈ পৰিছিল — এই কথা ব্ৰহ্মচাৰীৰ মুখৰ পৰা শুনিয়েই পদ্মাবতী উদয়নৰ প্ৰতি দুৰ্বল হৈ পৰিছিল।

**৪ নং প্ৰশ্নৰ উত্তৰঃ** ৰুমণ্বান নামৰ মন্ত্ৰীজনে উদয়নক সান্ত্বনা দিছিল।

**৫ নং প্ৰশ্নৰ উত্তৰঃ** বাসবদত্তাৰ মৃত্যু হৈছে আৰু পদ্মাবতী ওচৰত নাই এই পটভূমিত বিদূষকে ৰজা উদয়নক বাসবদত্তা আৰু পদ্মাবতীৰ বিষয়ে প্ৰশ্ন কৰিছিল।

**৬ নং প্ৰশ্নৰ উত্তৰঃ** ৰজাৰ কথাৰ পৰা বুজা গল যে পদ্মাবতী অত্যন্ত আকৰ্ষনীয় তথা ভাল চৰিত্ৰৰ হলেও বাসবদত্তাৰ প্ৰতি ৰজাৰ পূৰ্বৰ প্ৰেম তথা আকৰ্ষণ একে আছে।

**৭ নং প্ৰশ্নৰ উত্তৰঃ** বিদূষকৰ মতে বাসবদত্তা প্ৰিয় হলেও পদ্মাবতী ভোজনৰ বস্তু লৈ অহৰহ আমন্ত্ৰণ জনায় তেওঁক- যিটো অত্যন্ত আকৰ্ষক।

**৮ নং প্ৰশ্নৰ উত্তৰঃ** চিত্ৰফলকৰ অৰ্থ হল কাৰোবাৰ চিত্ৰ অংকিত ফলক।

**৯ নং প্ৰশ্নৰ উত্তৰঃ** নিজৰ কামত সম্পূৰ্ণ সফল হলেও ৰজা উদয়নে এই বিষয়টোক কেনেদৰে লব - এই ভাবি যৌগন্ধৰায়ণৰ মনত আশংকাৰ সৃষ্টি হৈছিল।

**১০ নং প্ৰশ্নৰ উত্তৰঃ** আবন্তিকাক ঘূৰাই দিয়াৰ মুহূৰ্তত ৰৈভ্য আৰু পদ্মাবতীক সাক্ষীৰূপে লোৱা হৈছিল।

**১১ নং প্ৰশ্নৰ উত্তৰঃ** মহাসেনকন্যা বুলি কলে বাসবদত্তাক বুজায়।



## ২.১০ আৰ্হি প্ৰশ্ন

**প্ৰশ্ন ১ঃ** নিজৰ ভাষাত ব্ৰহ্মচাৰী প্ৰবেশৰ দৃশ্যৰ বৰ্ননা দিয়ক।

**প্ৰশ্ন ২ঃ** ৰজা উদয়ন আৰু বিদূষকৰ অন্তৰঙ্গ আলাপৰ পৰা পোৱা বাসবদত্তা আৰু পদ্মাবতীৰ চৰিত্ৰৰ এটা তুলনামূলক আলোচনা কৰক।

**প্ৰশ্ন ৩ঃ** স্বপ্নদৃশ্যৰ নাটকীয় তাৎপৰ্য কি?

**প্ৰশ্ন ৪ঃ** কেনেকৈ যৌগন্ধৰায়ণে উদয়ন আৰু বাসবদত্তাৰ পুনৰ্মিলন ঘটাবলৈ সক্ষম হল?

**প্ৰশ্ন ৫ঃ** মহত্বপূৰ্ণ বাক্যসমূহৰ ভাবাৰ্থ লিখক।

*** ***** ***

# অধ্যায় ৩ ঃ অভিজ্ঞানশকুন্তলম্ ঃ নাট্যকাৰ কালিদাসৰ পৰিচয়

## অধ্যায় গাঁথনি


৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ মহাকবি কালিদাসৰ জীৱনবৃত্ত

৩.৪ কালিদাসৰ ৰচনাৱলী আৰু সেইবোৰৰ উৎস

৩.৫ কালিদাসৰ শাস্ত্ৰবৈদগ্ধ্য

৩.৬ কালিদাসৰ লেখনিৰ বৈশিষ্ট্য

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্ৰগতিৰ খতিয়ান

৩.১০ আৰ্হি প্ৰশ্ন


## ৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কালিদাসৰ জীৱন কাল সম্পৰ্কে সবিশেষ জানিব পাৰিব
- কালিদাসৰ ৰচনা ৰাজি আৰু সেইবোৰৰ উৎসৰ বিষয়ে জানিব পাৰিব
- কালিদাসৰ দ্বাৰা ৰচিত গ্ৰন্থসমূহৰ বিষয়বস্তু জানিব পাৰিব
- কালিদাসৰ শাস্ত্ৰবিদগ্ধতা তথা তেওঁৰ লেখনিৰ বৈশিষ্ট্যৰ লগতো পৰিচিত হ'ব পাৰিব।

## ৩.২ পৰিচয়

বিশ্ববিখ্যাত মহাকবি কালিদাসৰ সাহিত্যকৃতিৰ বিষয়ে কৈ বা লিখি ওৰ পোৱা নাযায়। তেওঁৰ নৈপুণ্য তথা ৰচনাশৈলীয়ে যিকোনো পাঠকক বৰ সহজে আকৰ্ষিত কৰিব পাৰে। কিন্তু দুখৰ বিষয় এয়ে যে এইজনা মহাকবিৰ ব্যক্তিগত জীৱনৰ বিষয়ে কোনো ধৰণৰ প্ৰমাণিত তথ্য পোৱা নাযায়। এতিয়ালৈকে বিভিন্ন গৱেষকে এই মহান কবিজনৰ জীৱনৰ ওপৰত বিবিধ তথ্য তুলি ধৰিছে। কিন্তু সেইবোৰৰ অধিকখিনিয়ে মাত্ৰ অনুমানৰ ওপৰত নিৰ্ভৰশীল। এই অধ্যায়ত আপুনি মহাকবি কালিদাসৰ জীৱন বৃত্ত তথা তেওঁৰ আবিৰ্ভাৱ কাল, জন্মস্থান, সাহিত্যকীৰ্তি, ধৰ্ম আদিৰ বিষয়ে অৱগত হ'ব। তদুপৰি কালিদাসৰ ৰচনাৱলীৰ উৎস, কাব্যসমূহত প্ৰতিফলিত হোৱা মহাকবিৰ শাস্ত্ৰবৈদগ্ধ্য আৰু তেওঁৰ লেখনিৰ বৈশিষ্ট্যৰ বিষয়েও জানিব পাৰিব।

## ৩.৩ মহাকবি কালিদাসৰ জীৱনবৃত্ত

ভাৰতবর্ষত মহাকবি কালিদাসক নজনা শিক্ষিত লোক নিতান্ত বিৰল। ৰামায়ণৰ ৰচক বাল্মীকি তথা মহাভাৰতৰ ৰচক ব্যাসদেৱৰ দৰে মহাকবি কালিদাসৰ খ্যাতি সুবিস্তৃত। কিন্তু অতি দুখৰ বিষয়টো হ'ল যে এইজনা মহাকবিৰ জীৱন সম্পর্কে পোৱা তথ্য নিতান্ত তাকৰ। ফলস্বৰূপে মহাকবি কালিদাসৰ ব্যক্তিগত জীৱন তথা তেওঁৰ জন্মস্থান আৰু আবির্ভাৱকালৰ বিষয়ে খাটাংকৈ একো ক'ব নোৱাৰি। বিভিন্ন গৱেষকে নিজৰ নিজৰ অধ্যয়নৰ ভিত্তিত মহাকবি কালিদাস সম্পর্কে বহুতো তথ্য আগবঢ়াইছে। এই আটাইবোৰ সিদ্ধান্তই বহুখিনি কল্পনানির্ভৰ আৰু অনুমানভিত্তিক। তথাপিও মহাকবি সম্বন্ধে এইবোৰ সিদ্ধান্তই সাধাৰণ মানুহৰ মাজত অতিপ্রচলিত আৰু গৃহীত হৈছে। মহাকবি কালিদাসৰ জীৱন সম্পর্কে আগবঢ়োৱা এইবোৰ সিদ্ধান্তৰ ভিত্তিত কিছুমান কথা এই অংশত কোৱা হ'ব।

কিম্বদন্তী মতে কালিদাস এজন অজ্ঞাতনামা ব্রাহ্মণৰ পুত্র আছিল। কিন্তু সৰুতেই তেওঁ পিতৃ-মাতৃক হেৰুৱাই নিঠৰুৱা হৈছিল। তেওঁক লালন পালন কৰি ডাঙৰ-দীঘল কৰে এঘৰ গোৱালে। কোনোধৰণৰ শিক্ষা লাভ নকৰাকৈয়ে কালিদাসে ওঠৰ বছৰত ভৰি দিলে। এনেতে এটা ঘটনা ঘটিল। ৰজা বিক্রমাদিত্যৰ জীয়েক বিদ্যাৱতীৰ সৈতে ৰাজমন্ত্রীৰ বিবাদ আৰম্ভ হোৱাত মন্ত্রীয়ে প্রতিশোধ লোৱাৰ উদ্দেশ্যেৰে এজন মূর্খৰ সৈতে ৰাজকুমাৰীৰ বিবাহৰ ষড়যন্ত্র ৰচিলে। এই ক্ষেত্রত দৰা হিচাপে লোৱা হ'ল মূর্খ ব্রাহ্মণ পুত্রজনক। পিছত ৰাজকুমাৰীয়ে মন্ত্রীৰ ষড়যন্ত্রৰ কথা বুজি পাই গিৰিয়েকক বিদ্যালাভৰ বাবে কালীক উপাসনা কৰিবলৈ উপদেশ দিলে। প্রথম অৱস্থাত কালীক উপাসনা কৰি কোনোধৰণৰ ফল নোপোৱাত সেই ব্রাহ্মণ পুত্রই নিজৰ শিৰচ্ছেদ কৰিবলৈ উদ্যত হয়। তেতিয়া দেবী কালীয়ে আবির্ভূত হৈ তেওঁৰ মনোবাঞ্ছা পূর্ণ হোৱাৰ বৰদান কৰে। তেতিয়াৰ পৰা এই ব্রাহ্মণ পুত্রজনে কালিদাস নামেৰে জনাজাত হয়। এই কাহিনীমতে, দেবী কালীৰ বৰদান লাভ কৰি ঘৰলৈ ঘূৰি অহাত কালিদাসক ঘৈণীয়েকে সুধে 'অস্তি কশ্চিদ্ বাগ্‌বিশেষঃ' আৰু ইয়াৰ উত্তৰত কালিদাসে উক্ত বাক্যত থকা চাৰিটা শব্দক প্রতীকৰূপে লৈ চাৰিখন কাব্য ৰচনা কৰে। 'অস্তি' শব্দৰে তেওঁ 'কুমাৰসম্ভৱ' (অস্ত্যুত্তৰস্যাং দিশি দেৱতাত্মা হিমালয়ো নাম নগাধিৰাজঃ), 'কশ্চিদ্' শব্দেৰে 'মেঘদূত' (কশ্চিৎকান্তাবিৰহগুৰুণা স্বাধিকাৰাৎ প্রমত্তঃ), 'বাক্' শব্দেৰে 'ৰঘুবংশ' (ৱাগর্থাবিবসম্পৃক্তৌ বাগর্থপ্রতিপত্তয়ে) আৰু 'বিশেষ' শব্দেৰে 'ঋতুসংহাৰ' (বিশেষসূর্যঃ স্পৃহনীয়চন্দ্রমা) ৰচনা কৰিলে। কালিদাসে পত্নীৰ পৰা পোৱা উপদেশ অনুসৰি কালীৰ কৃপাত কবিত্বশক্তি লাভ কৰিছিল কাৰণে পত্নীক 'মাতা' বা 'গুৰু' বুলি সম্বোধন কৰিছিল। কিন্তু পতিৰ এই ব্যৱহাৰত পত্নীয়ে বৰকৈ ক্ষুণ্ণ হৈছিল। তেওঁ গিৰিয়েকক কোনো স্ত্রীৰ হাতত মৃত্যু হোৱাৰ অভিশাপ দিয়ে আৰু শুনা যায় যে পৰৱর্তী সময়ত কোনো এজন বেশ্যাৰ হাতত কালিদাসৰ মৃত্যু হয়।

কিম্বদন্তীমতে মহাকবি কালিদাস বিক্রমাদিত্য নামৰ ৰজা এজনৰ সভাকবি আছিল। কোৱা হয় যে ৰজা বিক্রমাদিত্যৰ সভাত যি নজন (৯) ৰত্নতুল্য পণ্ডিত আছিল তাৰে ভিতৰত

এজন হ'ল মহাকবি কালিদাস। এই অভিমতৰ সপক্ষে এটি সুপ্রচলিত শ্লোক সদায় উপস্থাপন কৰা হয়। সেই শ্লোকফাঁকি হ'ল—

ধন্বন্তৰি-ক্ষপণক-অমৰসিংহ-শঙ্কু-বেতালভট্ট-ঘটকর্পৰ-কালিদাসাঃ
খ্যাতো ববাহমিহিৰো নৃপতেঃ সভায়াং ৰত্নানি ৰৈ বৰৰুচির্নব বিক্রমস্য।।

কিন্তু বিক্রমাদিত্য ৰজাৰ ৰাজসভাত থকা **'নৱৰত্ন'**ৰ এজন হ'ল কালিদাস—এই কথাৰ ঐতিহাসিক ভিত্তি স্থিৰ কৰা নাযায়। কাৰণ বিক্রমাদিত্য নামেৰে বহুজন ৰজাৰ অস্তিত্ব পোৱা যায়। তদুপৰি নৱৰত্ন বুলিলে যিকেইজন পণ্ডিতৰ কথা কোৱা হৈছে সেই আটাইকেইজন সমসাময়িক নহয়। তেওঁলোকৰ সময়ৰ মাজত যথেষ্ট ব্যৱধান আছে বুলি বিভিন্ন তথ্যৰ পৰা জনা যায়। গতিকে কালিদাস আৰু বিক্রমাদিত্যৰ নৱৰত্ন—এই বিষয়ে কোনোধৰণৰ স্থিৰ সিদ্ধান্ত দিব পৰা নাযায়। কিন্তু এচাম পণ্ডিতৰ মতে বিক্রমাদিত্যৰ সৈতে কালিদাসৰ সম্বন্ধ অমূলক বুলি কোৱা টান। কালিদাসৰ গ্রন্থত (১) দিষ্ট্যা মহেন্দ্রোপকাৰপর্যাপ্তেন বিক্রমমহিম্না বর্ধতে ভৱান্ (বিক্রমোর্বশীয়ম্-১), (২) অনুৎসেকঃ খলু বিক্রমালঙ্কাৰঃ (বিক্রমোর্বশীয়ম্-৩), (৩) বিক্রমোর্বশীয়ম্ নাটকখনৰ উপকৰণ আদিয়ে সম্ভৱতঃ ৰজা বিক্রমাদিত্যৰ কথাকে বুজায় বুলি কিছুমান পণ্ডিতে অভিমত পোষণ কৰে। ওপৰত উল্লেখ কৰা কথাবোৰৰ পৰা প্রমাণিত হয় যে কবি কালিদাস কোনো এজন বিক্রমাদিত্য নামৰ ৰজাৰ সভাকবি আছিল। কিন্তু কালিদাসৰ পৃষ্ঠপোষক হোৱা এই বিখ্যাত ৰজাজন ক'ত কেতিয়া ৰাজত্ব কৰিছিল সেই বিষয়ে পণ্ডিত বা গৱেষকসকলৰ মাজত মতানৈক্য আছে আৰু সেই কাৰণে মহাকবি কালিদাসৰ আবির্ভাৱকাল সম্বন্ধেও কোনো সঠিক সিদ্ধান্ত দিয়া নাযায়। ভালেমান পণ্ডিতে কালিদাসক খৃঃ পূঃ প্রথম শতিকাৰ কবি বুলি কয়। কিন্তু অন্য এদল পণ্ডিতে উক্ত অভিমত অগ্রাহ্য কৰি কালিদাসৰ আবির্ভাবকাল গুপ্তযুগ বুলিয়েই দঢ়াই কয়। কালিদাসৰ গ্রন্থাৱলীৰ ফৰাছী অনুবাদক হিপোলাইট ফাউচৰ মতে ৰঘুবংশৰ শেষ ৰজা অগ্নিবর্ণৰ মৃত্যুৰ পিছত তেওঁৰ পত্নীৰ গর্ভত ওপজা পুত্রৰ জীৱনকালতে কালিদাসৰ জন্ম হৈছিল। সেইচোৱা কাল খৃঃ পূঃ ৮০০ শতিকা। আনহাতে কবিজনাই তেওঁৰ 'মালবিকাগ্নিমিত্রম্'ত শুঙ্গবংশীয় ৰজাৰ চৰিত্র কীর্তন কৰিছে। তদুপৰি সেই নাটকত মহাকবিয়ে ভাসৰ নামোল্লেখ কৰিছে। গতিকে কালিদাসৰ কাল ৪র্থ খৃষ্টপূর্বাব্দৰ আগৰ হ'ব নোৱাৰে। পণ্ডিত ভি. ভি. মিৰাশীৰ অনুমানমতে মহাকবি কালিদাসক ৩৫০ খৃষ্টাব্দৰ পৰৱর্তী বুলি কোৱাত বাধা নাই। কেৱল আবির্ভাব কালৰ বিষয়েই নহয় মহাকবি কালিদাসৰ জন্মস্থানলৈও পণ্ডিতসকলৰ মাজত মতবিৰোধ দেখিবলৈ পোৱা যায়। কিন্তু তেওঁৰ ৰচনাসমূহত পোৱা উজ্জয়িনীৰ বর্ণনা, মহাকাল মন্দিৰৰ বর্ণনা আদিৰ পৰা বহুতে অনুমান কৰিছে যে মহাকবিৰ জন্মস্থান আছিল উজ্জয়িনী অথবা পৰৱর্তী সময়ত তেওঁ উজ্জয়িনীত বসবাস কৰিছিল। গতিকে কবিজনৰ ব্যক্তিগত জীৱনৰ বিষয়ে কেতবোৰ তথ্য তেওঁ ৰচনা কৰি যোৱা গ্রন্থৰ মাজৰ পৰা বুটলিব পাৰি।

(১) কালিদাস আছিল বিক্রমাদিত্য ৰজাৰ সভা কবি আৰু উজ্জয়িনীৰ অধিবাসী।

(২) যথা সম্ভৱ তেওঁ ব্রাহ্মণ আছিল। তেওঁৰ ৰচনাবোৰত বৈদিক চিন্তাধাৰা প্রকাশ পাইছে। ঋষি আৰু আশ্রমৰ বর্ণনা তেওঁ 'অভিজ্ঞানশকুন্তলম্' আৰু 'ৰঘুবংশম্' গ্রন্থত তুলি ধৰিছে।

***নৱৰত্ন***ঃ বিক্রমাদিত্যৰ সভাত থকা নৱৰত্ন বুলিলে ধন্বন্তৰি, ক্ষপণক , অমৰসিংহ, শঙ্কু, বেতালভট্ট, ঘটকর্পৰ, কালিদাস, ৰাহমিহিৰ আৰু ৰৰুচিক একেলগে সূচায়।

আনকি তেওঁ বৈদিক ছন্দত মন্ত্ৰ ৰচনা কৰাৰ প্ৰয়াস কৰিছে, 'অভিজ্ঞানশকুন্তলম্'ত—

অমী বেদিং পৰিতঃ ক্লৃপ্তধিষ্ণ্যাঃ সমিদ্ধন্তঃ প্ৰান্তসংস্তীৰ্ণদৰ্ভাঃ।
অপঘ্নন্তো দুৰিতং হব্যগন্ধৈৰ্ৰৈতানাস্ত্বাং ৰহ্নয়ঃ পাৰয়ন্তু ।। (৪র্থ অংক)

অভিজ্ঞানশকুন্তলম্ নাটকৰ প্ৰথমাদি চতুৰ্থ অংকলৈকে মহাকবিয়ে কণ্বৰ আশ্ৰমৰ দীঘলীয়া বৰ্ণনা আৰু ৭ম অঙ্কত মাৰীচৰ আশ্ৰমৰ বৰ্ণনা দাঙি ধৰিছে।

(৩) মহাকবি কালিদাসে যথা সম্ভৱ সেই সময়ৰ গুৰুকুলত কোনো উপাধ্যায় বা আচাৰ্য্যৰ অধীনত বৈদিক আৰু লৌকিক শাস্ত্ৰবোৰ অধ্যয়ন কৰিছিল। কণ্বৰ আশ্ৰমত তেনে গুৰুকুলত সম্ভৱতঃ হাজাৰৰ অধিক ছাত্ৰই অধ্যয়ন কৰিছল। যিটো কাৰণে কণ্বক কুলপতি বোলা হৈছিল। ৰঘুবংশৰ ১ম সৰ্গতো তেনে আশ্ৰমত প্ৰতিষ্ঠিত গুৰুকুলৰ অস্তিত্বৰ কথা বুজা যায়। ৰঘুবংশত (২য় সৰ্গ) গুৰু ভক্তিৰ উল্লেখ আছে —

ভক্তা গুৰৌ ময্যনুকম্পয়া চ প্ৰীতাস্মি তে পুত্ৰবৰং বৃণীষ্ব।

কবিজনে এনেবোৰ আশ্ৰমৰ বৰ্ণনা, নিজৰ ব্যক্তিগত অভিজ্ঞতাৰ কাব্যিক বৰ্ণনা নাটক আৰু শ্ৰব্যকাব্যত দাঙি ধৰিছে। প্ৰাচীন ভাৰতত অনেক ঠাইত অনেক বিশ্ববিদ্যালয় গুৰুকুলৰ আৰ্হিত প্ৰতিষ্ঠিত আছিল। তাহানি পাঞ্জাবৰ তক্ষশিলাত, মগধৰ নালন্দাত, কাঠিয়াৰৰ বলভিত, মালৱৰ উজ্জয়িনীত এনেকুৱা বিশ্ববিদ্যালয় থকাৰ তথ্য পোৱা যায়। কালিদাসে তেনে কোনো এক বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি পাণ্ডিত্য লাভ কৰিছিল। এনে এক সিদ্ধান্তলৈ আহিলে, কালিদাস আগ বয়সত মূৰ্খ আছিল বুলি প্ৰাপ্ত পৰম্পৰাগত কিম্বদন্তীৰ সত্যতা ধূলিস্যাৎ হৈ পৰে।

(৪) সম্ভৱতঃ কালিদাস আছিল এজন মহান সংস্কৃতিবান বিদ্বান পুৰুষ। তেওঁৰ গ্ৰন্থৰাজিৰ মাজত জীৱনৰ আশাবাদী সুৰ এটা সততে অনুভূত হয়; তাৰ মাজত নৈৰাশ্যৰ লেশ মাত্ৰও পাবলৈ নাই। তেওঁৰ পাৰিবাৰিক জীৱনৰ কোনো সম্ভেদ নাপালেও তেওঁৰ কাব্যকৃতিৰ মাজত সাংসাৰিক জীৱনৰ ভালেমান কথা পোৱা যায়। তেওঁৰ মতে 'ন গৃহং গৃহম্ উচ্যতে গৃহিণী গৃহম্ উচ্যতে।' গতিকে তেওঁ গাৰ্হস্থ্য জীৱন যাপনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ভাৰতীয় নাৰীক তেওঁ উচ্চ আসনত ঠাই দিছিল। তেওঁৰ হাতত পাৰ্বতী, সীতা, সুদক্ষিণা, শকুন্তলা, উৰ্বশী, ধাৰিণী আদিয়ে ভাৰতীয় নাৰীৰ আদৰ্শনীয় ৰূপ ধাৰণ কৰিছে। আনকি সন্তানেই যে সুখৰ মূল তাকো তেওঁ সুন্দৰৰূপে তুলি ধৰিছে। 'কুমাৰসম্ভৱ'ত কুমাৰক পুত্ৰ ৰূপে লাভৰ প্ৰস্তুতি, 'ৰঘুবংশ'ত পুত্ৰ লাভৰ বাবে দিলীপ-সুদক্ষিণাই বশিষ্ঠৰ আশ্ৰমত কৰা গো-পালন তাৰ আদৰ্শ। আনকি 'অভিজ্ঞান শকুন্তলম্'ত দুষ্যন্তৰ চক্ৰৱৰ্তী পুত্ৰ লাভৰ কথা প্ৰথম অঙ্কতে সূচীত হৈছে। ৫ম অংকতো তাৰ প্ৰতিধ্বনি শুনা গৈছে। সপ্তম অংকত তেওঁৰ আশাবৃক্ষই সৰ্বদমনৰ ৰূপত ফলবান হৈছে।

(৫) কালিদাস আছিল বৈদিক সনাতন ধৰ্মৰ এজন প্ৰবক্তা। কিন্তু তেওঁ কোন সম্প্ৰদায়ৰ আছিল সেয়া এক ডাঙৰ প্ৰশ্ন। বহুতৰ মতে তেওঁ শৈৱ সম্প্ৰদায়ভুক্ত আছিল। 'কুমাৰ সম্ভৱ' মহাকাব্য শৈৱধৰ্মৰ ব্যঞ্জনাৰে ভৰপূৰ। কুমাৰৰ জন্মৰ ভূমিকা বা পাতনি মেলোতে মহাকাব্যখনৰ

অধিক পাত ব্যয় হৈছে। 'ৰঘুবংশম্'ৰ প্ৰথম শ্লোকতে 'জগতঃ পিতৰৌ বন্দে পাৰ্বতিপৰমেশ্বৰৌ' বুলি কৈ কবিয়ে তেওঁৰ সাম্প্ৰদায়িকতাৰ পৰিচয় দিছে বুলি ভবা হয়। শ্ৰেষ্ঠ নাটক 'অভিজ্ঞানশকুন্তলম্'ৰ নান্দী শ্লোকত কবিজনাই শিৱৰ অষ্টমূৰ্তিৰ আৰাধনা কৰিছে। নাটকৰ ভৰতবাক্যতো ভগৱান নীললোহিতক মোক্ষ লাভৰ কাৰণ বুলি উপাসনা কৰিছে কবিয়ে। 'মেঘদূত' খণ্ডকাব্যৰ মাজত উজ্জয়িনীৰ স্থলদেৱতা মহাকালৰ উল্লেখ কৰিছে তেওঁ। সকলোৰে মূলত আছে কবিৰ 'কালিদাস' নাম। শিৱৰ অন্যতমা পত্নী কালী বা মহাকালীৰ 'দাস'ৰূপে কবিজনে যশস্যাৰ তুঙ্গত আৰোহণ কৰিছে। 'কুমাৰসম্ভৱম্'ৰ এটা শ্লোকত তেওঁ কৈছে যে (ব্ৰহ্মাৰ মুখেৰে কোৱাইছে যে) শিৱৰ মাহাত্ম্য স্বয়ং ব্ৰহ্মা আৰু বিষ্ণুতকৈও অধিক ঃ

স হি দেৱঃ পৰং জ্যোতিস্তমঃপাৰে ব্যৱস্থিতম্।
পৰিচ্ছিন্নপ্ৰভাবাদ্ধি ন ময়া ন চ বিষ্ণুণা।। কু ২/৫৮।।

তথাপি কালিদাস গোড়া শৈৱপন্থী নাছিল। তেওঁ ব্ৰহ্মা আৰু বিষ্ণুৰ ওচৰতো নতশিৰ হৈছিল। তাৰ প্ৰমাণ তেওঁৰ কথাতে পোৱা যায়। তেওঁৰ মহৎকৃতি ৰঘুবংশত কবিজনাই বিষ্ণুৰ অন্যতম অৱতাৰ ৰামৰ বিষয়ে বহলাই চৰ্চা কৰিছে। 'ৰঘুবংশম্'ৰ এঠাইত (১০/১৬) কবিয়ে বিষ্ণুক পৰমেশ্বৰ বুলি স্তুতি কৰিছে। যথা—

নমো বিশ্বসৃজে পূৰ্বং বিশ্বং তদনু বিভ্ৰতে।
অথ বিশ্বস্য সংহত্রে তুভ্যং ত্রেধাস্থিতাত্মনে।।

একেদৰে তেওঁ কুমাৰসম্ভৱত (২/৬) ব্ৰহ্মাকো স্তুতি কৰিছে ঃ

তিসৃভিস্ত্বমৱস্থাভির্মহিমানমুদীৱয়ন্।
প্ৰলয় স্থিতিসৰ্গাণামেকঃ কাৰণতাং গতঃ।।'

কালিদাসে শিৱ আৰু শিৱানীৰ আৰাধনা কৰিলেও তেওঁৰ মনত বৈদান্তিক ভাৱধাৰা এটাই সততে বিৰাজ কৰিছিল। ৰঘুবংশৰ দশম সৰ্গত (২০-৩১) তাৰে প্ৰতিধ্বনি শুনা যায়। সেয়ে তেওঁ ব্ৰহ্মা, বিষ্ণু আৰু শিৱ এই ত্ৰিনাথৰ একতাত বিশ্বাস কৰিছিল। বৈদিক 'একং সদ্ বিপ্ৰাঃ বহুধা বদন্তি' বোলা কথাষাৰত তেওঁ ভৰসা কৰিছিল। সেই কাৰণে তেওঁ কুমাৰসম্ভৱৰ এটা শ্লোকত (৭/৪৪) কৈছে —

'একৈৱ মূৰ্ত্তিৰ্বিভিদে ত্ৰিধা সা সামান্যমেষাং প্ৰথমাৱৰত্বম্।
বিষ্ণোৰ্হৰস্তস্য হৰিঃ কদাচিদ্‌বেধাস্তয়োস্তাৱপি ধাতুৰাদ্যৌ।।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন নং ১ঃ কালিদাসৰ নামটো কোনজন ৰজাৰ লগত যোগ কৰা হয়?

.....

.....

প্ৰশ্ন নং ২ঃ কিম্বদন্তী মতে মহাকবি কালিদাসৰ পত্নীৰ নাম কি আছিল?

.....

.....

প্ৰশ্ন নং ৩ঃ কোনখন ঠাই কালিদাসৰ জন্মস্থান বুলি অনুমান কৰা হয়?

.....

.....

প্ৰশ্ন নং ৪ঃ কালিদাসৰ ৰচনাত কোন ভগৱানৰ কথা বেচিকৈ পোৱা যায়?

.....

.....

## ৩.৪ কালিদাসৰ ৰচনাৱলী আৰু সেইবোৰৰ উৎস

এতিয়া আপুনি কালিদাসৰ ৰচনাৱলী আৰু সেইবোৰৰ উৎসৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব।

মহাকবি কালিদাসে কিমানখন গ্ৰন্থ ৰচনা কৰিছিল, সেইটো এতিয়াও অনিশ্চিত। তথাপি অধিকাংশ পণ্ডিতে তেওঁক সাতখন গ্ৰন্থৰ ৰচক বুলি খাটাংকৈ কয়। তাৰে দুখন খণ্ডকাব্য বা গীতিকাব্য হ'ল ঋতুসংহাৰ আৰু মেঘদূত; মহাকাব্য দুখন ক্ৰমে কুমাৰ সম্ভৱম্ আৰু ৰঘুবংশম্; নাটক তিনিখন ক্ৰমে মালৱিকাগ্নিমিত্ৰম্, বিক্ৰমোৰ্বশীয়ম্ আৰু অভিজ্ঞানশকুন্তলম্। ৰঘুবংশম্ আৰু অভিজ্ঞানশকুন্তলম্ কৰিৰ প্ৰৌঢ়কালৰ ৰচনা বুলি কোৱা হয়। ইয়াৰ উপৰিও কুন্তলেশ্বৰদৌত্যম্ বুলি আন এখন অপ্ৰকাশিত গ্ৰন্থকো কালিদাসৰ ৰচনা বুলি ধৰা হৈছে।

প্ৰথম গ্ৰন্থ দুখন কল্পিত বিষয়-বস্তুৰ ওপৰত ৰচিত। কুমাৰসম্ভৱম্ শৈৱ পুৰাণোক্ত বিষয়কলৈ ৰচিত। ৰঘুবংশৰ উৎস ৰামায়ণ। মালৱিকাগ্নিমিত্ৰৰ উৎস শুঙ্গবংশৰ ইতিহাস। বিক্ৰমোৰ্বশীয়ম্ৰ উৎস ঋগ্বেদ (১০/৯৫), শতপথ ব্ৰাহ্মণ আৰু ৰামায়ণ। অভিজ্ঞানশকুন্তলম্ৰ উৎস মহাভাৰতৰ শকুন্তলোপাখ্যান আৰু কাষ্ঠহাৰীজাতক (জাতক-৭)।

কিন্তু উক্ত গ্ৰন্থকেইখনৰ উপৰিও অম্বাস্তৱ, কল্যাণস্তৱ, কালীস্ত্ৰোত্ৰ, কাব্যনাটকালংকাৰাঃ, গঙ্গাস্তৱ (২), ঘটকৰ্পৰ, চণ্ডিকাদণ্ডকস্ত্ৰোত্ৰ, চৰ্চাস্তৱ, জ্যোতিৰ্বিদ্যাভৰণ, দুৰ্ঘটকাব্য, নলোদয়, নৱৰত্নমালা, পুষ্পবাণবিলাস, মকৰণস্তৱ, মঙ্গলাষ্টক (২), মহাপদ্যঘটক্, বৃন্দাবনকাব্য, ৰত্নকোষ, ৰাক্ষসকাব্য, লক্ষ্মীস্তৱ, লঘুস্তৱ, বিদ্বদবিনোদকাব্য, বৈদ্যমনোৰমা, শুদ্ধিচন্দ্ৰিকা, শৃঙ্গাৰ তিলক, শৃঙ্গাৰৰসাষ্টক, শাসলদণ্ডক, শ্ৰুতবোধ, সপ্তশ্লোকীৰামায়ণ আৰু সেতুবন্ধ—এই তেত্ৰিশখন সৰুবৰ পুথিৰো স্ৰষ্টা কালিদাস বুলি পৰম্পৰাই কয়। কিন্তু এইবোৰৰ ভাৱ-ভাষা, বৰ্ণনা কালিদাসীয় গ্ৰন্থবোৰৰ সমকক্ষ নহয়।



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ৫ঃ কালিদাসে ৰচনা কৰা খণ্ডকাব্য দুখন কি কি?

.....

.....

প্রশ্ন নং ৬ঃ কালিদাসৰ নাটক তিনিখনৰ নাম লিখক।

.....

.....

প্রশ্ন নং ৭ঃ মহাকবি কালিদাসে ৰচনা কৰা মহাকাব্য দুখনৰ নাম কি?

.....

.....

প্রশ্ন নং ৮ঃ 'ৰঘুবংশম্' কাব্যৰ উৎস হ'ল ৰামায়ণ/মহাভাৰত— শুদ্ধ উত্তৰটো লিখক।

.....

.....

## ৩.৫ কালিদাসৰ শাস্ত্রবৈদগ্ধ্য

কালিদাসে তদানীন্তন কালত সমাজ আৰু ঋষি-মুনি সেবিত আশ্রম-ব্যৱস্থা তথা গুৰুকুলত প্রচলিত সকলো ভাৰতীয় শাস্ত্রৰ ওপৰত নৈপুণ্য লাভ কৰিছিল। তেওঁ লাভ কৰা শাস্ত্রজ্ঞানসমূহৰ তMW তেওঁ তেওঁৰ ৰচনাৰাজিৰ মাজেৰে প্রচাৰ আৰু বিতৰণ কৰিছিল। চাৰিবেদ আৰু চৈধ্য শাস্ত্রৰ বিষয়ে তেওঁ বৈদগ্ধ্য লাভ কৰিছিল। তাৰে সৈতে তেওঁ সেইকালত প্রচলিত দৃশ্য-শ্রব্য কাব্য, অলংকাৰ আৰু নাট্যশাস্ত্র, জ্যোতিষ, ব্যাকৰণশাস্ত্রৰ ব্যাপক জ্ঞানো যোগ দিছিল। মালবিকাগ্নিমিত্রত তেওঁ 'ত্রয়ীবিগ্রহবত্যেব' বুলি ঋÍÄ ,যজু,সামৰউল্লেখকৰিছে।ৰঘুবংশত তেওঁবশিষ্ঠকঅথর্বনিধি বুলি কৈ অথর্ববেদৰ বৈশিষ্ট্য নিৰূপণ কৰিছে। উপনিষদক অধ্যাত্মবিদ্যা বুলি তেওঁ আঙুলিয়াইছে। ৰঘুবংশৰ ১ /১৬/৩১ শ্লোকত উপনিষদ্ সাহিত্যৰে থকা তেওঁৰ পৰিচয় ব্যক্ত কৰিছে। ঋগ্বেদÖÄ (১০/৯৫) আৰু শতপথ ব্রাহ্মণৰ (৫/১/১) আশ্রয় লৈ কালিদাসে বিক্রমোর্ৱশীয়ম্ নাটক ৰচনা কৰাটোৱে বৈদিক সাহিত্যৰ ওপৰত থকা তেওঁৰ জ্ঞানৰ পৰিচয় দিয়ে।

একেদৰে কালিদাসৰ স্মৃতি বা ধর্মশাস্ত্রৰ জ্ঞানো অসীম আছিল। ৰঘুবংশৰ দ্বিতীয় সর্গত (২/২) তেওঁ 'শ্রুতেৰিবার্থং স্মৃতিৰন্বগচ্ছৎ' বুলি কৈছে। ৰঘুবংশতে (১/১৭) তেওঁ ৰেখামাত্রমপি ক্ষুণ্ণাদা মনোর্ৱৎর্মনঃ পৰম্' বুলি কৈছে। তেনেকৈ তেওঁ গৃহ্যসূত্রমতে শিৱ-পার্বতী বা অজঃ ইন্দুমতীৰ বিয়াৰ বিৱৰণ দিছে। শকুন্তলাত (৬ষ্ঠ অঙ্কত) 'ননুগর্ভঃ পিত্র্যং ৰিক্থমর্হতি' বুলি দায়ভাগৰ জ্ঞানৰ পৰিচয় দিছে মহাকবি কালিদাসে।

কালিদাসে ভাৰতীয় ষড়্দর্শনৰ জ্ঞানো লাভ কৰিছিল। 'প্রকৃতিঃ কর্ত্রী পুৰুষস্তু উদাসীনঃ'

(কুমাৰসম্ভৱ ১১/১০) বুলি তেওঁ সাংখ্যৰ জ্ঞান প্ৰকাশ কৰিছে। সেইদৰে বেদান্তৰ জ্ঞানো তেওঁৰ আছিল। একেদৰে যোগ, ন্যায়বৈশেষিক দৰ্শনৰ বিষয়েও তেওঁৰ অগাধ পাণ্ডিত্য আছিল। তেওঁৰ মীমাংসাৰ জ্ঞান প্ৰকাশ পাইছে। সায়ন্তেন সৱনকৰ্মণি সংপ্ৰবৃত্তে, দিষ্ট্যা ধূমাকুলিতদৃষ্টেৰপি যজমানস্য পাবক এৱাহুতিঃ পতিতা,' 'অমী বেদিং পৰিতঃ', আৰু 'শ্ৰদ্ধা বিত্তং বিধিশ্চেতি ত্ৰিতয়ং তৎসমাগতং,' আদি বৰ্ণনাৰ মাজেৰে।

তদুপৰি কালিদাসে অৰ্থশাস্ত্ৰ, ব্যাকৰণ, কামশাস্ত্ৰ, জ্যোতিঃশাস্ত্ৰ, আয়ুৰ্বেদ, সংগীত, গীত, বাদ্য, নাট্যশাস্ত্ৰ, কোষ, ছন্দ, অলংকাৰ শাস্ত্ৰ আৰু পূৰ্ব কবিৰ প্ৰবন্ধাদিৰ ওপৰতো ব্যাপক দখলৰ পৰিচয় দিছে।

ভাস, কবিপুত্ৰ, সৌমিল্লকৰ পূৰ্ব প্ৰবন্ধৰ ওপৰতো কালিদাসে যথোচিত জ্ঞান লাভ কৰিছিল। ৰামায়ণ, মহাভাৰত আৰু পুৰাণ সম্বন্ধেও তেওঁৰ বিস্তৃত জ্ঞান আছিল। তেওঁ ৰামায়ণক উপজীব্য কৰি ৰঘুবংশম্, শিৱ পুৰাণৰ কাহিনীৰ ওপৰত কুমাৰসম্ভৱ আৰু মহাভাৰতৰ শকুন্তলোপাখ্যানৰ আধাৰত অভিজ্ঞানশকুন্তলম্ ৰচনা কৰিছিল।

## ৩.৬ কালিদাসৰ লেখনিৰ বৈশিষ্ট্য

এতিয়া আপুনি মহাকবি কালিদাসৰ লেখনিৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিব।

মহাকবি কালিদাসৰ ৰচনাৰাজিয়ে দুখন খণ্ডকাব্য, দুখন মহাকাব্য আৰু তিনিখন নাটক বা দৃশ্যকাব্য সামৰি লৈছে।

এই কাব্য আৰু নাটকবোৰৰ ভাৱ, ভাষা, ৰচনাৰীতি আৰু ৰসৰ বৰ্ণনা অতি চমকপ্ৰদ। গ্ৰন্থবোৰৰ ভাষা অতি সহজ সৰল। মহাকবি কালিদাসৰ ৰচনাৰীতি বৈদৰ্ভী, য'ত সমাসৱদ্ধ শব্দৰাশি পৰিহাৰ কৰা হৈছে। সুন্দৰ, অৰ্থবহ শব্দৰ মালাৰে মহাকবিৰ ৰচনাবোৰ লিপিবদ্ধ হৈছে। সকলো সময়তে স্বাভাৱিক ভাৱে বিষয়বস্তুৰ বৰ্ণনা আগবঢ়াই নিয়া হৈছে।

খণ্ডকাব্য ঋতুসংহাৰ আৰু মেঘদূতৰ প্ৰতিটো শ্লোক সুন্দৰ ভাৱভাষা, অলংকাৰ আৰু ৰসসিক্ত। ছন্দৰ গাঁথনিও ভাৱ-ভাষা অনুগামী। ঋতুসংহাৰে ছয়ঋতুৰ যি অনুপম বৰ্ণনা দাঙি ধৰিছে সি আজিও অনুকৰণীয় হৈ আছে। একেদৰে গীতিকাব্য শ্ৰেণীৰ মাজত মেঘদূতৰ সৰস কাব্যময় ৰসসমৃদ্ধিয়ে এনে এক স্থান গ্ৰহণ কৰিছে যাৰ অনুকৰণ কৰিবলৈ ৰচিত দূতকাব্যবোৰে তাক স্থানচ্যুত কৰাটো নেলাগে ওচৰ চাপিবকে পৰা নাই।

একেদৰে কুমাৰসম্ভৱ কাব্যখনক যদিও পণ্ডিতসকলে কবিৰ আগবয়সৰ ৰচনা বুলিছে, তথাপি তাৰ কাব্যিক সুষমা লাঘৱ হোৱা নাই। শৃঙ্গাৰ ৰসৰ প্ৰাধান্যই কাব্যখনিক ভাৰাক্ৰান্ত কৰিলেও তৃতীয়াদি সৰ্গৰ পাছত ৰতিৰ শোকৰ মাজেৰে হৃদয়স্পৰ্শী কৰুণ ৰসে পাঠককো আপ্লুত কৰে। 'ৰঘুবংশম্'ক কবিৰ প্ৰৌঢ়কালৰ ৰচনা বুলি কোৱা হয়। ইয়াৰে বিষয়বস্তুৰ গাম্ভীৰ্য আৰু একে সমান বৰ্ণনাশৈলীয়ে কাব্যখনক বিশ্বসাহিত্যত এক অগ্ৰৱতী স্থানত বহুৱাইছে। ইয়াত পোৱা ৰস আৰু অলংকাৰৰ মাধুৰ্যই যিকোনো পাঠকৰ হৃদয় স্পৰ্শ কৰে। প্ৰায়বোৰ শ্লোক একোটি সুভাষিত।

'উপমা কালিদাসস্য' বোলা লোকোক্তিয়ে কাব্যখনৰ প্ৰথম শ্লোকৰ পৰাই পাঠকক লগ দিয়ে। উপমা আৰু উপমাগৰ্ভ অলংকাৰৰ প্ৰাচুৰ্য্যই কাব্যখনক ভাৰতীয় সাহিত্যত শীৰ্ষস্থানত উপনীত কৰিছে।

কালিদাসৰ নাটক কেইখন সঁচাকৈ উৎকৃষ্ট নাটক। প্ৰথম নাটকখনক কবিৰ আদি বয়সৰ ৰচনা বোলা হৈছে আৰু তিনিখন নাটকৰ ভিতৰত এইখনক নিম্ন বোলা হৈছে। কিন্তু কালিদাস হ'বলৈ হ'লে পোনতে যে মালবিকাগ্নিমিত্ৰৰ দৰে সুন্দৰ নাটকৰ ৰচনা কৰা আৱশ্যক তাক বুজোতাইহে বুজে। শুঙ্গৰজা অগ্নিমিত্ৰৰ ইতিহাস এইখন নাটকৰ উপজীব্য।

আনহাতে বিক্ৰমোৰ্ৱশীয় নাটকখন এক উৎকৃষ্ট নাট্যকাব্য। ইয়াৰ বিষয়বস্তুও প্ৰাচীন ভাৰতীয় ইতিহাসৰ আন এক অনুপম খণ্ড।

অভিজ্ঞানশকুন্তলম্ৰ নাট্যবস্তুত ভাৰতীয় প্ৰাচীন ইতিহাসৰ এক অনুপম খণ্ড, য'ত শকুন্তলোপাখ্যানকে উপজীব্য কৰা হৈছে। কালিদাসৰ নাটকসমূহত মানুহ আৰু প্ৰকৃতিক অভিন্ন ৰূপে চিত্ৰিত কৰা হৈছে। প্ৰকতিয়ে যেন মানুহৰ সৈতে স্বাভাৱিকভাৱে সহযোগ কৰিছে। অন্যবোৰ ৰচনাক এৰি থৈ কেৱল শকুন্তলালৈ চকু দিলেও দেখা যায়, সৰ্বত্ৰ প্ৰকৃতি মানুহৰ ব্যৱহাৰিক সনাপোটকা। ১ম অংকৰ পৰা ৪র্থ অংকলৈ, সিফালে সপ্তম অংকতো প্ৰকৃতিৰ ভৰপূৰ আবেদন। বিশ্বৰ কোনো সাহিত্যতে হয়তো প্ৰকৃতি আৰু মানুহৰ এনে অভিন্ন মিশ্ৰণ দেখা নাযায়। মহাকবিৰ নাটকত উপস্থাপিত মানৱ চৰিত্ৰবোৰ স্বাভাৱিকৰূপে চিত্ৰিত হৈছে। তেওঁলোকৰ স্বভাৱ-চৰিত্ৰ, ব্যৱহাৰ, ভাৱ-ভাষা ক'তো কৃত্ৰিমতাৰ নাম গোন্ধ নাই। সকলো যেন মানৱ-আদৰ্শৰ প্ৰতিনিধি আৰু তেওঁলোক মানৱ হৈও প্ৰকৃতিৰ সহযোগী, গুণৰ উৎকৰ্ষৰে চিত্ৰিত।

তেওঁলোকৰ মুখৰ ভাষা-সংলাপ নিতান্ত উপযোগী। যথাযোগ্যভাৱে উচ্চ শ্ৰেণীৰ চৰিত্ৰৰ মুখত যিদৰে সংস্কৃত ভাষাই খেও খাইছে, মধ্য আৰু নিম্নবৰ্গৰ চৰিত্ৰৰ মুখত সেইদৰে যথাযুক্তভাৱে প্ৰকৃত সংলাপ ব্যৱহৃত হৈছে।

কালিদাসে কাব্যৰ প্ৰয়োজনত ৰসানুভূতিৰ সৃষ্টি কৰিছে। বীৰ বা শৃঙ্গাৰ ৰসক নাটকত প্ৰধান ৰূপে উপস্থাপন কৰাটো নাট্য শাস্ত্ৰৰ বিধান। নাট্যকাৰ কালিদাসে তেওঁৰ নাটকবোৰত বিশেষভাৱে সম্ভোগ বা বিপ্ৰলম্ভ শৃঙ্গাৰৰ প্ৰয়োগ কৰিছে। তাৰ লগত প্ৰয়োজনত মহাকবিয়ে অন্যান্য ৰসৰ সংযোজন অৱশ্যে কৰিছে।

যথাযোগ্যভাৱে কবিয়ে উপমা আৰু উপমাগৰ্ভ অলংকাৰ প্ৰয়োগ কৰিছে। প্ৰতিটো শ্লোক সুন্দৰ ছন্দেৰে প্ৰকাশ লাভ কৰিছে। স্ৰগ্ধৰা, পুষ্পিতাগ্ৰা, মন্দাক্ৰান্তা, মালিনী, প্ৰহৰ্ষিণী, আৰ্যা, বসন্ততিলক, বংশস্থবিল, শার্দূলবিক্ৰীড়িত আদি ছন্দৰ সার্থক ব্যৱহাৰ দেখিবলৈ পোৱা যায় মহাকবিৰ ৰচনাসমূহত।



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ৯ঃ কালিদাস কোনটো ৰীতিৰ কবি?

.....

.....

প্রশ্ন নং ১০ঃ মহাকবি কালিদাসে ব্যৱহাৰ কৰা কিছুমান ছন্দৰ নাম লিখক।

.....

.....



## ৩.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- মহাকবি কালিদাসৰ জীৱনসম্বন্ধে থকা কিম্বদন্তীৰ বিষয়ে জানিলে।
- মহাকবি কালিদাসৰ বিষয়ে যে কোনোধৰণৰ প্রমাণিত তথ্য পোৱা নাযায় সেই বিষয়েও জানিলে।
- ৰজা বিক্রমাদিত্যৰ লগত কালিদাস জড়িত হৈ থকাৰ বিষয়ে অৱগত হ'ল।
- কালিদাসৰ জন্মস্থান বা বাসস্থান উজ্জয়িনী বুলি অনুমান কৰা হয় বুলি জানিব পাৰিলে।
- কালিদাসৰ ধর্ম-সম্প্রদায়ৰ বিষয়ে যি আনুমানিক তথ্য পোৱা যায় সেইবিষয়ে অৱগত হ'ল।
- মহাকবি কালিদাসৰ ৰচনাৰাজি আৰু সেইবোৰৰ উৎসসম্বন্ধে জানিলে।
- মহাকবি কালিদাসৰ নামত থকা কিছুমান ৰচনাৰ নাম জানিলে।
- মহাকবি কালিদাসৰ ৰচনাৰীতি তথা লেখনিৰ বৈশিষ্ট্যৰ বিষয়ে অৱগত হ'ল।



## ৩.৮ অধিক জানিবলৈ

১) হাজৰিকা, অতুল চন্দ্র, *অভিজ্ঞানশকুন্তলম্*, মিৰাশি আৰু নৱলকাৰৰ কালিদাস, বোম্বে, ১৯৫৯; গুৱাহাটী, ১৯৫৯।

২) শর্মা, থানেশ্বৰ, *অভিজ্ঞানশকুন্তলম্ — এক সমীক্ষা*, ৫ম সংস্কৰণ, গুৱাহাটী, ২০০৮-চন

৩) শর্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, ২য় সংস্কৰণ, গুৱাহাটী, ২০০৮।



## ৩.৯ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্নৰ উত্তৰঃ** ৰজা বিক্রমাদিত্য

**২ নং প্রশ্নৰ উত্তৰঃ** বিদ্যাৱতী

**৩ নং প্রশ্নৰ উত্তৰঃ** উজ্জয়িনী

**৪ নং প্রশ্নৰ উত্তৰঃ** শিৱ

**৫ নং প্রশ্নৰ উত্তৰঃ** মেঘদূত আৰু ঋতুসংহাৰ

**৬ নং প্রশ্নৰ উত্তৰঃ** মালবিকাগ্নিমিত্রম্, বিক্রমোর্বশীয়ম্ আৰু অভিজ্ঞানশকুন্তলম্

**৭ নং প্রশ্নৰ উত্তৰঃ** ৰঘুবংশ আৰু কুমাৰসম্ভৱ।

**৮ নং প্রশ্নৰ উত্তৰঃ** ৰামায়ণ

**৯ নং প্রশ্নৰ উত্তৰঃ** বৈদভী

**১০ নং প্রশ্নৰ উত্তৰঃ** মালিনী, বসন্ততিলক, শার্দূলবিক্রীড়িত, স্রগ্ধৰা, আর্যা আদি।



## ৩.১০ আৰ্হি প্রশ্ন

**প্রশ্ন ১ঃ** কালিদাসৰ জীৱনসম্বন্ধে লিখক।

**প্রশ্ন ২ঃ** মহাকবি কালদাসৰ ৰচনা আৰু তাৰ উৎসৰ বিষয়ে লিখক।

**প্রশ্ন ৩ঃ** মহাকবি কালিদাসৰ ৰচনাৰ বৈশিষ্ট্য আলোচনা কৰক।

*** ***** ***

# অধ্যায় ৪ ঃ অভিজ্ঞানশকুন্তলম্— সাধাৰণ আলোচনা

## অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ 'অভিজ্ঞানশকুন্তলম্' নাটকৰ চমু আভাস
৪.৩.১ নাটকখনৰ পৰিচয়
৪.৩.২ শিৰোনামৰ তাৎপর্য
৪.৩.৩ নাটকত প্রযুক্ত ৰস আৰু অলংকাৰ
৪.৪ 'অভিজ্ঞানশকুন্তলম্' নাটকৰ অংকবোৰৰ সাৰাংশ
৪.৫ 'অভিজ্ঞানশকুন্তলম্' নাটকৰ প্রধান চৰিত্রসমূহৰ পৰিচয়
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্রগতিৰ খতিয়ান
৪.৯ আৰ্হি প্রশ্ন

## ৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিশ্ব শ্রেষ্ঠ নাটক 'অভিজ্ঞানশকুন্তলম্'ৰ বিষয়ে চমু আভাস লাভ কৰিব পাৰিব
- নাটকৰ শিৰোনামৰ তাৎপর্য জানিব পাৰিব
- নাটকখনত ব্যৱহৃত ৰস আৰু অলংকাৰৰ বিষয়ে জানিব পাৰিব
- 'অভিজ্ঞানশকুন্তলম'ৰ অংকবোৰৰ বিষয়বস্তুৰ সাৰাংশৰ আভাস পাব
- নাটকখনৰ মূল চৰিত্রসমূহৰ পৰিচয় জানিব পাৰিব।

## ৪.২ পৰিচয়

সংস্কৃত সাহিত্যত নাটক শ্রেণীক বুজাবলৈ 'ৰূপক' শব্দ ব্যৱহাৰ কৰা হয়। দহ প্রকাৰ ৰূপকৰ ভিতৰত 'নাটক' হ'ল প্রথম বিধ। আনবোৰ ক্রমে প্রকৰণ, ভান, ব্যায়োগ, সমৱকাৰ, ডিম, ইহামৃগ, অঙ্ক, ৰীথী আৰু প্রহসন। কোনো অজ্ঞাতনামা কবিয়ে কৈছে 'কাব্যেষু নাটকং ৰম্যম্ তত্র ৰম্যা শকুন্তলা'। অর্থাৎ সকলো শ্রেণীৰ কাব্যৰ ভিতৰত নাটক ৰমনীয়। সকলোবোৰ নাটকৰ ভিতৰত 'অভিজ্ঞানশকুন্তলম্ (চমুকৈ 'শকুন্তলা') অতি ৰমনীয় অর্থাৎ শ্রেষ্ঠ। এই নাটকখনৰ ৰচক কবিশ্রেষ্ঠ কালিদাস।

এই অধ্যাটিত 'অভিজ্ঞানশকুন্তলম্' নাটকখনৰ বিষয়ে এটা থূল-মূল আলোচনা কৰা

হ'ব। এই অধ্যায়ত আপুনি নাটকখনৰ উৎস, বিষয়-বস্তু, তাৰ শিৰোনামৰ বিশেষত্ব আদি পঢ়িবলৈ পাব। তদুপৰি শকুন্তলা নাটকৰ প্ৰতিটো অংকৰ বিষয়-বস্তুৰ সাৰাংশ, নাটকীয় চৰিত্ৰসমূহৰ বৈশিষ্ট্য আদি বিষয়ৰ লগত পৰিচিত হ'ব।

## ৪.৩ 'অভিজ্ঞানশকুন্তলম্' নাটকৰ চমু আভাস

এই অংশত আপুনি 'অভিজ্ঞানশকুন্তলম্' নাটকৰ সম্যক পৰিচয়, শিৰোনামৰ তাৎপর্য, নাটকখনত প্ৰয়োগ কৰা ৰস আৰু অলংকাৰৰ বিষয়ে অৱগত হ'ব।

### ৪.৩.১ নাটকখনৰ পৰিচয়

আপুনি ইতিমধ্যে জানিছে যে অভিজ্ঞানশকুন্তলম্ নাটকখন সংস্কৃত নাটক শ্ৰেণীৰ মাজত সর্বোত্তম। ইয়াৰ ৰচক মহাকবি কালিদাস। সাতঅংকবিশিষ্ট মহাভাৰতৰ আদি পর্বত প্ৰাপ্ত শকুন্তলা-উপাখ্যানক মূল আধাৰ হিচাপে লৈ কবি কালিদাসে এই উৎকৃষ্ট নাটকখন ৰচনা কৰিছে। গল্পটো 'জাতক'ৰ অন্তর্গত 'কাষ্ঠহাৰী জাতক'তো কিছু পৰিবর্তিত ৰূপত পঢ়িবলৈ পোৱা যায়। শকুন্তলা-উপাখ্যান পদ্মপুৰাণতো পোৱা যায়।

ইয়াৰ নায়ক দুষ্যন্তক (বা দুষ্মন্তক) ধীৰোদাত্ত শ্ৰেণীৰ নায়ক ৰূপে কবিয়ে চিত্ৰিত কৰিছে। অভিজ্ঞানশকুন্তলম্ নাটকখনৰ বিষয়বস্তুৰ সংক্ষিপ্তসাৰ এনেকুৱা। এবেলি হস্তিনাপুৰৰ ৰজা দুষ্যন্তই সৈন্যসকলৰ সৈতে চিকাৰ কৰিবলৈ গ'ল। আনসকলক এৰি থৈ ৰজাই অকলে হাবিৰ মাজত থকা কণ্বমুনিৰ আশ্ৰমত প্ৰবেশ কৰিলে। তাত তেওঁ সখীয়েক দুজনীৰে গছৰ গুৰিত পানী দি থকা ঋষিকন্যা শকুন্তলাক দেখি মুগ্ধ হ'ল। তিনি কন্যাৰ ওচৰলৈ গৈ ৰজাই শকুন্তলাৰ পৰিচয় জানি ল'লে। ৰজাক দেখি শকুন্তলাৰ অন্তৰতো প্ৰেমভাৱ অঙ্কুৰিত হ'ল।

ৰজা আৰু শকুন্তলাৰ মাজত প্ৰেমৰ ভাৰ হোৱা বুলি **অনসূয়া** আৰু **প্ৰিয়ম্বদাই** বুজি পালে। কণ্বমুনিৰ অবর্তমানত যজ্ঞবিঘ্ন দূৰ কৰাৰ অজুহাতত ৰজা আশ্ৰমত কিছুদিন থাকিল। এই অৱসৰতে দুই সখীৰ মধ্যস্থতাক্ৰমে ৰজা আৰু শকুন্তলাৰ গান্ধর্ব প্ৰথামতে বিয়া হৈ গ'ল। যজ্ঞ সমাপ্ত হোৱাৰ পাছত ৰজাই শকুন্তলাক নিজৰ নামাঙ্কিত আঙঠি এটা পিন্ধাই থৈ অতি শীঘ্ৰে ৰাজধানীলৈ লৈ যোৱাৰ প্ৰতিশ্ৰুতি দি হস্তিনাপুৰলৈ উভতি গ'ল। তাৰ পাছত এদিন আশ্ৰমলৈ আহিল দুর্বাসা ঋষি। তেওঁ তাত বহুবাৰ মতাৰ পিছতো আশ্ৰমত থকা শকুন্তলাৰ পৰা সহাৰি নাপাই শকুন্তলাক অভিশাপ দিলে 'যাৰ কথা ভাবি মোৰ নিচিনা অতিথিক অৱজ্ঞা কৰিছা, সেই প্ৰেমাস্পদজনে এসময়ত তোমাক চিনি নোপোৱা হ'ব।' এই কথা প্ৰিয়জনৰ চিন্তাত বুৰ গৈ থকা শকুন্তলাৰ কাণত নপৰিল যদিও ফুলনিত ফুল বুটলি থকা অনসূয়া আৰু প্ৰিয়ম্বদাৰ কাণত পৰিলে। প্ৰিয়ম্বদাই দৌৰি গৈ ঋষিৰ ওচৰত শকুন্তলাৰ হৈ ক্ষমা ভিক্ষা কৰিলে। দুর্বাসাই 'কোনো অভিজ্ঞান

*অনসূয়া* = শকুন্তলাৰ দুজনী সখীৰ এজনী। অসূয়া অর্থাৎ হিংসা নথকা বাবেই এইজনীৰ এনেকুৱা নামকৰণ কৰা হৈছে।
*প্ৰিয়ম্বদা* = শকুন্তলাৰ সখী। অতি প্ৰিয় বা সুন্দৰ কথা ক'ব পৰা কাৰণেই এই জনীক এনেকুৱা নামেৰে মতা হৈছে।

(চিনাকি বস্তু) দেখুৱালে প্ৰেমাস্পদই চিনি পাব' বুলি কৈ অন্তৰ্হিত হ'ল। কথাটো তেওঁলোকে শকুন্তলাক নজনাবলৈ ঠিক কৰিলে।

ইফালে প্ৰৱাসৰ পৰা উভতি আহিল কুলপতি কণ্ব। তেওঁ সিদ্ধিৰ বলত শকুন্তলা-দুষ্যন্তৰ মিলন সম্বন্ধে অৱহিত হৈ শকুন্তলাক শীঘ্ৰে হস্তিনাপুৰৰ ৰজা দুষ্যন্তৰ ওচৰলৈ পঠাবলৈ দিহা কৰিলে। সেই মতে শাৰ্ঙ্গৰৱ আৰু শাৰদ্বত, তথা গৌতমীৰ সৈতে শকুন্তলা পতিগৃহলৈ যাবলৈ ওলাল। বিদায় ক্ষণটো সকলোৰে বাবে বৰ শোকাবহ হ'ল।

সি যি হওঁক সহযাত্ৰীসকলেৰে শকুন্তলাই দুষ্যন্তক দেখা কৰিলে। কিন্তু ৰজাই শকুন্তলাক চিনি নাপালে। শকুন্তলাই ৰজাৰ নামাঙ্কিত আঙুঠিও হাতৰ আঙুলিত বিচাৰি নাপালে। শকুন্তলা আৰু লগৰীয়া সকলোৱে ৰজাৰ আগত তিৰস্কৃত হ'ল। পুৰোহিতৰ হস্তক্ষেপত শকুন্তলা তেওঁৰ গৃহলৈ যোৱাৰ বাটত শকুন্তলাৰ মাতৃয়ে তেওঁক লৈ উধাও হ'ল।

ইতিমধ্যে শক্ৰাৱতাৰৰ এজন মাছু�ৱেয়ে এটা ৰৌ মাছৰ পেটত ৰজাৰ নামাঙ্কিত আঙঠি পালে। তাকে ৰজাৰত বেচিবলৈ গৈ ৰজাৰ আৰক্ষীৰ হাতত বন্দী হ'ল। আঙঠিটো দেখি ৰজাৰ শকুন্তলালৈ মনত পৰিল। ৰজা মনৰ দুখত দুঃখিত হৈ থকা অৱস্থাত ইন্দ্ৰৰ সাৰথিয়ে ৰজাক অসুৰৰ সৈতে যুদ্ধ কৰিবলৈ আহ্বান জনালে। মাতলিয়ে দুষ্যন্তক স্বৰ্গলৈ লৈ গ'ল।

যুদ্ধত জয়লাভ কৰি উভতি আহোঁতে মাতলিয়ে অন্তৰিক্ষ লোকত থকা মাৰীচৰ আশ্ৰমত ৰথ অৱতৰণ কৰিলে। তাতে ৰজাই শকুন্তলা আৰু পুত্ৰ সৰ্বদমনেৰে মিলিত হ'ল। দেবমাতা অদিতি আৰু দেৱপিতা মাৰীচৰ আশীৰ্বাদ লাভ কৰি ৰজা পৰিয়ালৰ সৈতে হস্তিনাপুৰলৈ গ'ল।

## ৪.৩.২ শিৰোনামৰ তাৎপৰ্য

অলংকাৰ শাস্ত্ৰমতে নাটকৰ শিৰোনাম হ'ব লাগে তাৎপৰ্যপূৰ্ণ। 'অভিজ্ঞানশকুন্তলম্' নাটকখনৰ নামকৰণত বিভিন্নতা দেখা যায়। (১) অভিজ্ঞান শব্দটোৰ ব্যুৎপত্তি বা ভাঙনি 'অভিজ্ঞায়তে অনেন ইতি অভিজ্ঞানম্'— যি চিনৰ দ্বাৰা কাৰোবাক স্মৰণ কৰা যায়, সেয়ে 'অভিজ্ঞান', এনেদৰে কৰিলে নাটকত ৰজাৰ নামাঙ্কিত আঙঠিক অভিজ্ঞান শব্দই বুজাইছে। শকুন্তলাম্ অধিকৃত্য কৃতং নাটকম্ শাকুন্তলম্। 'অভিজ্ঞানপ্ৰধানং শাকুন্তলম্' ব্যাস বাক্যৰ পৰা 'অভিজ্ঞানশাকুন্তলম্' সমাসৱদ্ধ পদ পোৱা গৈছে। যি নাটকত শকুন্তলা নামে নায়িকাক উপজীব্য কৰি আৰু আঙঠিৰূপে অভিজ্ঞানক প্ৰাধান্য বা গুৰুত্ব দি বিষয়বস্তুৰ উপস্থাপনা কৰা হৈছে— সেই নাটক 'অভিজ্ঞানশাকুন্তলম্' নামেৰে জ্ঞাত হয়।

আন প্ৰকাৰেও নামকৰণৰ ব্যাখ্যা সম্ভৱ। অভিজ্ঞায়তে অনেন ইতি অভিজ্ঞানম্। অভিজ্ঞানেন স্মৃতা (বা জ্ঞাতা) শকুন্তলা (মধ্যপদলোপী তৎপুৰুষ সমাস)। তাম্ অধিকৃত্য

কৃতং নাটকমভেদোপচাৰাৎ 'অভিজ্ঞানশকুন্তলম্' অর্থাৎ যি নাটকত অভিজ্ঞান বা চিনেৰে শকুন্তলাক স্মৰণ কৰা হৈছিল আৰু সেই কাহিনীক লৈ বিষয়বস্তুৰ উপস্থাপনা হৈছিল সেইখনেই হ'ল 'অভিজ্ঞানশকুন্তলম্'।

## ৪.৩.৩ নাটকত প্ৰযুক্ত ৰস আৰু অলঙ্কাৰ

নাট্যাচার্যসকলৰ মতে আন আন কাব্যৰ নিচিনা নাটকৰো আত্মা হ'ল ৰস। অভিজ্ঞান শকুন্তলা প্ৰধানকৈ আদি ৰসাত্মক। ইয়াৰ দ্বিতীয় অঙ্কত ঋষি কুমাৰ দুজনৰ মুখেৰে গীত দুষ্যন্তৰ গুণগানত বীৰৰসৰ অৱতাৰণা হৈছে। তৃতীয় অঙ্কৰ আদিত শৃঙ্গাৰ ৰস আস্বাদিত হ'লেও সন্ধ্যাবর্ণনাত ভয়ানক ৰসৰ প্ৰয়োগ হৈছে। চতুর্থ অঙ্কত কৰুণ আৰু ষষ্ঠ অঙ্কত মাধব্যৰ প্ৰতি মাতলিৰ আচৰণত বীভৎস ৰস আৰু শেষত ৰজাৰ উক্তিত ৰৌদ্ৰৰসৰ উদ্ৰেক হয়। অৱশেষত সপ্তম অঙ্কত দুষ্যন্তৰ অপৰাজিত বলয়ৰ স্পৰ্শত, তাপসী দুজনীৰ কথাত অদ্ভুত ৰসে প্ৰকাশ লাভ কৰিছে। প্ৰথম চাৰিটা অঙ্কৰ অ'ত ত'ত শৃঙ্গাৰ আৰু তাৰ বিপৰীত শান্তৰসৰ সনাপোতকা হৈছে।

কালিদাসৰ হাতত উপমা আৰু উপমাগর্ভ অলংকাৰে সার্থকতা লাভ কৰিছে। কাব্য আৰু নাটকসমূহত উপমাযুক্ত অলংকাৰৰ প্ৰাচুর্য দেখা যায়। 'অভিজ্ঞানশকুন্তলম্' তাৰ ব্যতিক্ৰম নহয়। উপমা, ৰূপক, অর্থান্তৰন্যাস, ৰূপক, স্বভাবোক্তি, উৎপ্ৰেক্ষা আদি অলংকাৰেৰে নাটকখন জাতিষ্কাৰ হৈ আছে।



### জানি থোৱা ভাল

(১) সংস্কৃত অলংকাৰ শাস্ত্ৰমতে নাটকৰ বিষয়বস্তু (বৃত্ত) বিখ্যাত হ'ব লাগে। নাটক পৌৰাণিক অথবা ঐতিহাসিক চৰিত্ৰ বিশিষ্ট হোৱা উচিত। নাটকত ঘটনাৰ বিকাশ মুখ, প্ৰতিমুখ, গর্ভ, বিমর্ষ আৰু উপসংহতি নামে পঞ্চ সন্ধিৰ মাধ্যমেৰে হয়। এই পঞ্চ সন্ধি নাটকীয় ৰস বা বস্তুৰ বিকাশৰ পাঁচটা স্তৰ। প্ৰথম স্তৰত ঘটনাৰ উৎপত্তি, দ্বিতীয়ত প্ৰতিকূল অৱস্থাৰ অৱতাৰণা, তৃতীয়তে অনুকূল আৰু প্ৰতিকূল অৱস্থাৰ সংঘর্ষ, চতুর্থত বিঘ্নৰ উদয় আৰু অস্ত, আৰু পঞ্চম স্তৰত ফল লাভ হয়।

(২) সংস্কৃত নাটকত উচ্চ শ্ৰেণীৰ মুখতহে সংস্কৃত ভাষাৰ প্ৰয়োগ দেখা যায়। মধ্য আৰু নিম্নখাপৰ চৰিত্ৰৰ মুখত মহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী আদি প্ৰাকৃত ভাষা শুনা যায়।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন নং ১ঃ 'অভিজ্ঞানশকুন্তলম্' নাটকৰ ৰচক কোন?

.....

.....

প্ৰশ্ন নং ২ঃ 'অভিজ্ঞানশকুন্তলম্' নাটকৰ নায়ক আৰু নায়িকা কোন?

.....

.....

প্ৰশ্ন নং ৩ঃ 'অভিজ্ঞান' শব্দই কিহক বুজাইছে। নাটকৰ নামকৰণত ইয়াৰ কি গুৰুত্ব দেখিছে?

.....

.....

## ৪.৪ অভিজ্ঞানশকুন্তলম্ নাটকৰ অঙ্কবোৰৰ সাৰাংশ

এতিয়া আপুনি অভিজ্ঞানশকুন্তলম্ নাটকৰ অংকসমূহৰ সাৰাংশ পঢ়িবলৈ পাব।

**প্ৰথম অংক**

'অভিজ্ঞানশকুন্তলম্' নাটকৰ প্ৰথম অংকৰ আৰম্ভণি আন সংস্কৃত নাটকৰ দৰে নান্দী শ্লোকেৰে হৈছে। সূত্ৰধাৰে নান্দীৰ পিছত গ্ৰীষ্ম বিষয়ক বৰ্ণনাৰ প্ৰসঙ্গ টানি মৃগয়া কৰিবলৈ দুষ্যন্তই অৰণ্যত প্ৰৱেশ কৰাৰ কথা ব্যক্ত কৰে।

দুষ্যন্তই ৰথত উঠি ধনুৰ্বাণ হাতত লৈ এটি মৃগৰ অনুসন্ধান কৰে। এনেতে এজন তপস্বী মৃগ আৰু ৰজাৰ মাত আহি পৰে। তপস্বীয়ে মৃগটো আশ্ৰমৰ, তাক নামাৰিবলৈ ৰজাক কয়। ৰজাই অস্ত্ৰ সম্ভৰণ কৰে। তপস্বীয়ে কণ্বৰ পুণ্যাশ্ৰম দৰ্শন কৰিবলৈ ৰজাক আমন্ত্ৰণ জনায়। ৰজাই আমন্ত্ৰণ গ্ৰহণ কৰে।

ৰজাই আশ্ৰমৰ দুৱাৰদলিত উপস্থিত হয়। তেওঁ অলংকাৰপাতি খুলি সাধাৰণভাৱে আশ্ৰমত প্ৰৱেশ কৰে। এনেতে তেওঁৰ বাহুৰ স্পন্দন হয়। আশ্ৰমত কেনেকৈ প্ৰিয় সমাগম হ'ব ৰজাই বুজি নাপালে।

আশ্ৰমলৈ আগুৱাই গৈ ৰজাই গছৰ আঁৰৰ পৰা তিনিজনী ঋষি কন্যাই গছ-বিৰিখৰ গুৰিত পানী দি থকা দেখা পায়। তিনিওজনী কন্যা সমান বয়সীয়া। তিনিও সমানে ৰূপৱতী। তথাপি তাৰে এগৰাকী পৰম সুন্দৰী আৰু সেইজনীয়ে আছিল শকুন্তলা। ৰজাই গছৰ আঁৰৰ পৰাই কন্যাসকলৰ কথোপকথন শুনিবলৈ যত্ন কৰে। অনসূয়া আৰু প্ৰিয়ম্বদাই শকুন্তলাক ধেমালি কৰে। এনেতে এটা ভোমোৰাই শকুন্তলাক আমনি কৰে। প্ৰিয়ম্বদা অনসূয়াই ত্ৰিভূৱনৰ পালক ৰজাক সহায়ৰ বাবে মাতিবলৈ কয়।

ৰজাই এনে এটা সুযোগলৈ অপেক্ষা কৰিছিল। ততালিকে তেওঁ আশ্রমকন্যাসকলৰ ওচৰলৈ গৈ অভয় দান কৰে। কন্যাসকলে ৰজাৰ লগত কথা-বতৰা পাতে। ৰজাই শকুন্তলাৰ ৰূপত মুগ্ধ হৈ তেওঁৰ সকলো পৰিচয় জানি ল'লে। তেওঁ বুজি পালে যে ঋষি কণ্বই উপযুক্ত পাত্রলৈ শকুন্তলাক বিয়া দিব। ইতিমধ্যে শকুন্তলায়ো ৰজাৰ প্রতি আকর্ষিত হয়। ৰজা আৰু শকুন্তলাৰ হাৱ-ভাৱ বুজাত অনসূয়া আৰু প্রিয়ম্বদাৰ পলম নহ'ল। তেওঁলোকে আগন্তুকজন যে হস্তিনাপুৰৰ ৰজা তাকো বুজিলে।

এনেতে আশ্রমৰ অন্যত্র বনৰীয়া হাতী ওলোৱা বুলি শুনি ৰজাই কন্যাসকলক বিদায় দি নিজে শিবিৰলৈ উভতি গ'ল। ইমানতে নাটকৰ প্রথম অংকৰ সমাপ্তি ঘটে।

**দ্বিতীয় অংক**

দ্বিতীয় অঙ্কৰ আদিতে বিদূষক মাধব্যই কেইবাদিন ধৰি ৰজাৰ সৈতে মৃগয়া কৰি শাৰীৰিকভাৱে অসুস্থ হৈ পৰা কথা ব্যক্ত কৰে। তাৰ পাছত তেওঁ সেনাপতিৰ সৈতে মৃগয়া বাতিল কৰিবলৈ উপায় পৰামর্শ কৰে। শেষত ৰজায়ো তাত সন্মতি দিলে। তেতিয়া ৰজাই মাধব্যৰে কথা পাতিলে আৰু আশ্রম কন্যা শকুন্তলাক দেখিবৰ পৰা তেওঁৰ মনত হোৱা প্রতিক্রিয়াৰ কথা প্রকাশ কৰিলে। ৰজা আৰু বিদূষকে কথা পাতি থাকোঁতে আশ্রমৰপৰা দুজন ঋষিকুমাৰে ৰজাৰ ওচৰ পালেহি। কুলপতিৰ অনুপস্থিতিত আশ্রমত অনুষ্ঠিত যজ্ঞৰ বিঘিনি আঁতৰ কৰিবলৈ তেওঁলোকে ৰজাক অনুৰোধ জনালে। ৰজাই এই আমন্ত্রণ গ্রহণ কৰিলে। তেওঁ আশ্রমত থাকি শকুন্তলাক পুনর্বাৰ লগ পোৱাৰ সুযোগ পালে। তেনেতে ৰাজধানীৰ পৰা এজন দূত আহি ৰাজমাতাই ব্রতৰ পাৰ্ৱনৰ সময়ত উপস্থিত হ'বলৈ ৰজাক মাতি পঠোৱা কথা জনালেহি। ৰজাই মাধব্যক হস্তিনাপুৰলৈ পঠালে।

**তৃতীয় অংক**

তৃতীয় অংকত প্রথমে জনা যায় যে শকুন্তলাই অসহ্য মনোবেদনাত ভুগিছে। প্রিয়ম্বদাই কয় যে ৰজায়ো দিনে দিনে কৃশ হৈ পৰিছে। তেওঁ শকুন্তলাক দেখা পাবলৈ উপবনত ঘূৰি ফুৰে। ইতিমধ্যে এক কুঞ্জত সখীয়েকহঁতে শকুন্তলাক সেৱা শুশ্রূষা কৰি থকা দেখা যায়। তেওঁলোকে শকুন্তলাৰ মুখৰ পৰা জানিলে যে ৰজাক দেখিবৰেপৰা এই অন্তর্দাহ আৰম্ভ হৈছে। সখী দুজনীৰ পৰামর্শ মতে শকুন্তলা পদুমৰ পাতত নখেৰে ৰজালৈ প্রেমপত্র লিখে আৰু সখীয়েক দুজনীক পঢ়ি শুনায়। ৰজাই গছৰ আঁৰৰ পৰা শকুন্তলাৰ অন্তৰৰ কথা জানে আৰু আত্মপ্রকাশ কৰে। ৰজাৰ সৈতে শকুন্তলাৰ গান্ধর্ব প্রথামতে বিয়া হয়।

**চতুর্থ অংক**

চতুর্থ অংকৰ আদিত থকা **বিষ্কম্ভকৰ** পৰা জনা যায় যে শকুন্তলাই ৰজাৰ কথা ভাবি থাকোতে দুর্ৱাসা ঋষি আহি সহাৰি নাপাই 'যাৰ কথা ভাবি শকুন্তলাই আশ্রমলৈ অতিথিজনক অৱজ্ঞা কৰিলে সেইজনে এদিন বাৰে বাৰে মনত কৰি দিলেও তেওঁক (শকুন্তলাক) চিনি নাপাব বুলি শকুন্তলাক অভিশাপ দিয়ে। ফুলনিত ফুল তুলি থকা প্রিয়ম্বদাই এই দাৰুণ অভিশাপৰ কথা শুনি দৌৰি শকুন্তলাক ক্ষমা কৰিবলৈ ঋষিক কাকুতি কৰিলে। ঋষিয়ে মাথোন কোনো এক



*বিষ্কম্ভক* = সংস্কৃত নাটকত ব্যৱহাৰ হোৱা এটি পাৰিভাষিক শব্দ। নাটকত বিষ্কম্ভকৰ মাজেদি হৈ যোৱা আৰু হ'বলগীয়া কথাৰ আভাস দিয়া হয়।

অভিজ্ঞান দেখুৱালে প্ৰেমাস্পদই শকুন্তলাক চিনি পাব বুলি কয়। অনসূয়া আৰু প্ৰিয়ম্বদাই জানে যে হস্তিনাপুৰলৈ যোৱাৰ সময়ত ৰজাই শকুন্তলাক তেওঁৰ নামাংকিত আঙঠি দি গৈছে, গতিকে শকুন্তলাৰ বিপদ নহ'ব। দুয়ো শাপৰ কথা শকুন্তলাৰ পৰা গোপনে ৰাখিবলৈ সিদ্ধান্ত ল'লে।

মূল অংকত পোনতে জনা যায় যে কণ্বমুনি তীৰ্থৰ পৰা উভতি আহিছে। তেওঁ নিজ সিদ্ধিৰ বলত ৰজা দুষ্যন্তৰ সৈতে শকুন্তলাৰ গান্ধৰ্ব বিৱাহ হোৱাটো আৰু শকুন্তলা অন্তঃস্বত্ত্বা হোৱা বুলি জানিছে। মুনিয়ে যথাশীঘ্ৰে শকুন্তলাক পতিৰ ওচৰলৈ পঠাবলৈ আয়োজন কৰিলে।

কণ্বমুনিয়ে তেওঁৰে শিষ্য শাৰ্ঙ্গৰৱ আৰু শাৰদ্বত, তথা আশ্ৰমৰ উপাসিকা প্ৰৌঢ়া গৌতমীৰ লগত শকুন্তলাক দুষ্যন্তৰ ওচৰলৈ হস্তিনাপুৰলৈ পঠাবলৈ আয়োজন কৰিলে।

বিদায় বেলাটো কৰুণ হৈ পৰিল। কেৱল আশ্ৰম নিবাসী সখীসকল, পিতৃ কণ্ব প্ৰভৃতি বাসিন্দাসকলেই নহয় আশ্ৰম আৰু অৰণ্যৰ পশু-পক্ষী, গছ-বিৰিখ-সকলো শকুন্তলাৰ বিয়োগজনিত শোকত ম্ৰিয়মান হ'ল।

**পঞ্চম অংক**

ইতিমধ্যে গৌতমী, শাৰ্ঙ্গৰৱ আৰু শাৰদ্বতৰ সৈতে শকুন্তলা গৈ হস্তিনাপুৰৰ ৰাজ হাউলীত উপস্থিত হ'ল। আশ্ৰমৰ লোকসকলক আদৰিবলৈ ৰাজপুৰীত বিশেষ ব্যৱস্থা থাকে। সেইদৰে ৰাজপুৰোহিত প্ৰভৃতিৰে ৰজাই কণ্বাশ্ৰমৰ পৰা অহা লোকসকলক আদৰণি জনালে। শাৰ্ঙ্গৰৱে কণ্বমুনিৰ বতৰা জনাই ক'লে যে পূৰ্বপৰিচিতা শকুন্তলাক ৰজাই গ্ৰহণ কৰিব লাগে। কিন্তু দুৰ্বাসাৰ শাপৰ প্ৰভাৱত ৰজাই শকুন্তলাৰ কথা পাহৰি পেলাইছে। তেতিয়া শকুন্তলাই নিজৰ অৱগুণ্ঠন গুচাই ৰজাৰ কেতবোৰ ব্যৱহাৰৰ কথা ক'লে। কিন্তু ৰজাৰ নামাঙ্কিত আঙঠিটো তেওঁৰ হাতত বিচাৰি নাপাই শকুন্তলাই ভাগ্যক দূষিলে। কণ্বৰ শিষ্য দুজনে আৰু গৌতমীয়ে শকুন্তলাক ৰাজসভাত এৰি থৈ উভতিলে। প্ৰসৱৰ সময়লৈ নিজ ঘৰত ৰাখিবলৈ পুৰোহিতে শকুন্তলাক লগত লৈ ঘৰমুৱা হ'ল। তেনেতে এক দিব্যজ্যোতিয়ে শকুন্তলাক লৈ অন্তৰ্হিত হ'ল। তাকে দেখি সকলো বিস্মিত হ'ল।

**ষষ্ঠ অংক**

ষষ্ঠ অঙ্কৰ আদিত থকা **প্ৰৱেশকৰ** পৰা জনা গ'ল যে শক্ৰাৱতাৰৰ এজন মাছুৱৈয়ে এটা ৰোহিত মাছৰ পেটত ৰজাৰ নামাঙ্কিত আঙঠি পালে। তাকে নগৰত বেচিবলৈ আহি মাছুৱৈজন আৰক্ষীৰ হাতত বন্দী হ'ল। আঙঠিটো ৰজাক দেখুৱাত ৰজাৰ মনত (শকুন্তলা বিষয়ক) স্মৃতি জাগ্ৰত হ'ল। ৰজাই আঙঠিৰ দাম মাছুৱৈজনক দিবলৈ আদেশ দিলে।

মূল অংকত ৰজাৰ মনত শকুন্তলাৰ স্মৃতিয়ে বিৰূপ প্ৰতিক্ৰিয়া কৰা দেখা যায়। তেওঁ শকুন্তলাৰ চিত্ৰাংকন কৰি তাকে চাই সময় কটাবলৈ চেষ্টা কৰে। এনেতে ইন্দ্ৰৰ সাৰথিয়ে মাধব্যক আক্ৰমণ কৰে। মাধব্যক ৰক্ষা কৰিবলৈ ৰজাই ধনু-শৰ লৈ বীৰোচিত ব্যৱহাৰ কৰাত মাতলিয়ে তেওঁক দেখা দিলে। তেওঁ ৰজাক নিবেদন কৰে যে ৰাক্ষসেৰে হোৱা যুদ্ধত সহায় কৰিবলৈ ইন্দ্ৰই তেওঁৰ সাহায্য প্ৰাৰ্থনা কৰিছে।



***প্ৰৱেশক*** = প্ৰৱেশকো বিষ্কম্ভকৰ নিচিনা সংস্কৃত নাটকত ব্যৱহাৰ হোৱা এটি পাৰিভাষিক শব্দ। এইঅংশটোত নাটকৰ মূল অবয়বত নথকা অতীত আৰু ভৱিষ্যতৰ কথাৰ ধাৰণা দিয়া হয়।

**সপ্তম অংক**

সপ্তম অঙ্কৰ আদিতে ৰজাই মাতলিয়ে পৰিচালনা কৰা ইন্দ্ৰৰ ৰথত উঠি স্বৰ্গৰ পৰা অৱৰোহন কৰি ভগৱান মাৰীচৰ আশ্ৰমত উপস্থিত হয়। ৰজাক মাৰীচৰ আশ্ৰমৰ এজোপা অশোক গছৰ তলত জিৰাবলৈ দি মাতলিয়ে দেৱপিতৃ মাৰীচক ৰজা দুষ্যন্তৰ আগমনৰ বতৰা জনাবলৈ যায়।

এই অৱসৰতে ৰজাই এটি সুন্দৰ বালকক সিংহৰ পোৱালীৰে সৈতে খেলি থকা দেখা পায়। লাহে লাহে তেওঁ বুজি পালে যে ল'ৰাটো শকুন্তলাৰ গৰ্ভজাত। তেতিয়া ৰজাই ল'ৰাটোক ল'বলৈ যাওঁতে ল'ৰাটিয়ে কান্দি কাটি তেওঁৰ পিতৃৰ নাম দুষ্যন্ত বুলি কয়। ৰজাৰ আগমনৰ বতৰা পাই তাপসীৰ বেশত থকা শকুন্তলা আহি ৰজাৰ ওচৰত থিয় হয়। এইদৰে পুত্ৰৰ সৈতে পত্নী শকুন্তলাৰে ৰজা দুষ্যন্তৰ দেৱপিতৃ কশ্যপৰ আশ্ৰমত পুণৰ্মিলন হয়।

ৰজা দুষ্যন্তই শকুন্তলা আৰু পুত্ৰক আগত লৈ দেৱতাসকলৰ জনক আৰু জননীক সাক্ষাৎ কৰি আশীৰ্বাদ লাভ কৰে। তাৰ পৰা মাতলিয়ে ৰথত তুলি সকলোটিকে লৈ হস্তিনাপুৰলৈ ঢাপলি মেলে।

ভৰত বাক্য পাঠৰ পাছত নাটকৰ শুভ সমাপ্তি ঘটে।

## ৪.৫ অভিজ্ঞানশকুন্তলম্ নাটকৰ প্ৰধান চৰিত্ৰসমূহৰ পৰিচয়

নাটকৰ অংকসমূহৰ সাৰাংশ অধ্যয়ন কৰাৰ পিছত আপুনি এতিয়া ইয়াৰ প্ৰধান চৰিত্ৰসমূহৰ বিষয়ে জানিব পাৰিব।

নাটক একোখনত চৰিত্ৰসকলৰ যথাৰ্থ চিত্ৰনৰ ওপৰতে নাটকৰ সফলতা-বিফলতা নিৰ্ভৰশীল। কালিদাসৰ দৰে শ্ৰেষ্ঠ নাট্যকাৰৰ হাতত চৰিত্ৰবোৰে এনে এক প্ৰাণোচ্ছল আৰু জীৱন্তৰূপ পাইছে যে তাৰ তুলনা অন্যত্ৰ বিৰল বুলি ক'লেও অত্যুক্তি কৰা নহয়। 'অভিজ্ঞানশকুন্তলম্' নাটকৰ নায়ক চন্দ্ৰবংশীয় ৰজা দুষ্যন্ত। ইয়াৰ নায়িকা ৰাজৰ্ষি বিশ্বামিত্ৰৰ ঔৰসজা আৰু অপ্সৰা মেনকাৰ গৰ্ভজাতা শকুন্তলা। পিতৃ-মাতৃ পৰিত্যক্তা শকুন্তলাৰ তোলনীয় পিতৃ কণ্ব। নায়ক, নায়িকা তথা মহৰ্ষি কণ্ব, শকুন্তলাৰ সহচৰী সখী প্ৰিয়ম্বদা আৰু অনসূয়াৰ চৰিত্ৰও ইয়াত তুলি ধৰা হ'ব।

**ৰজা দুষ্যন্ত**

ৰজা দুষ্যন্ত আমাৰ এই নাটকৰ নায়ক। তেওঁৰ চৰিত্ৰ ধীৰোদাত্ত। তেওঁৰ জন্ম চন্দ্ৰ বংশত। তেওঁ হস্তিনাপুৰৰ অধীশ্বৰ। সাহিত্য দৰ্পণত বিশ্বনাথে ধীৰোদাত্ত নায়কৰ গুণবোৰ এইদৰে দিছে— আত্মশ্লাঘাহীন, ক্ষমাশীল, অতি গম্ভীৰ, সুখ আৰু দুঃখত অনভিভূত, স্বভাৱতে ধীৰ, স্বাভিমানী অথচ বিনয়ী, দৃঢ় সংকল্প যুক্ত। ৰজা দুষ্যন্তৰ এই সকলো গুণ অৱশ্যে আছিল।

যি সময়ৰ কথা কোৱা হৈছে, ৰজা দুষ্যন্ত অন্ততঃ ত্ৰিশ বছৰীয়া সুন্দৰ তৰুণ আছিল। শাৰীৰিক পৰিশ্ৰম কৰিবলৈ সক্ষম আৰু উৎসাহী লোকৰ বয়স তেনেকুৱাই হয়। তেওঁ যথেষ্ট ওখ পাখ আৰু সুদৃঢ় আছিল। তেওঁ স্বভাৱতে বীৰ আছিল। তেওঁ মৃগয়া কৰি ভাল পাইছিল। তেওঁ

ঋষি-মুনিসকলৰ যজ্ঞত বিঘিনি ঘটোৱা ৰাক্ষসসকলৰ বিপৰীতে অস্ত্ৰ ধাৰণ কৰিছিল। ৰাক্ষসসকলেৰে দেৱতাই কৰা যুদ্ধত দেৱেন্দ্ৰই তেওঁৰ সহায় বিচাৰিছিল। তেওঁ আছিল মিঠা কথীয়া, সুন্দৰ আলোচক। প্ৰিয়ম্বদাই তেওঁৰ মধুৰ ভাষণৰ প্ৰশংসা কৰিছিল। প্ৰথম অঙ্কৰ শেষৰফালে ৰজাই আশ্ৰম কন্যাসকলক কৈছিল, 'আপোনালোকৰ সুন্দৰ দৰ্শনেৰে মই আতিথ্য-সৎকাৰ লাভ কৰিছো।'

ৰজা দুষ্যন্ত আছিল উত্তম শ্ৰেণীৰ পতি আৰু উৎসাহী প্ৰেমিক। তেওঁৰ অন্তঃপুৰত একাধিক ৰাণী আছিল। হিন্দু শাস্ত্ৰমতে সামৰ্থ অনুসৰি পুৰুষে একাধিক পত্নী গ্ৰহণ কৰিব পাৰে। অনেক নাৰীৰে সম্বন্ধ থাকিলেও দুষ্যন্তই নৈতিকতাৰ প্ৰতি নজৰ ৰাখিছিল। তেওঁক আমি স্ত্ৰীলম্পট বুলিব নোৱাৰো। নতুন পত্নীৰে প্ৰেমভাৱ আচৰণ কৰিলেও ৰজাই পূৰ্বতে বিৱাহিতা পত্নীসকলকো সমাদৰ কৰিছিল। পূৰ্ৱোঢ়া পত্নীসকলৰ প্ৰতি থকা কৰ্তব্য তেওঁ পাহৰা নাছিল। শকুন্তলাৰ পতি অপাৰ প্ৰেম আচৰণ কৰিলেও ৰজাই (৬ষ্ঠ অঙ্কত) ৰাণী বসুমতী অহা খবৰ পাই শকুন্তলাৰ চিত্ৰফলক সমুখৰ পৰা আঁতৰাই ৰাখিছিল। যাতে বসুমতীয়ে অন্তৰত দুঃখ নাপাই তাৰে ব্যৱস্থা কৰিছিল। এফালে দুৰৱস্থা, আনফালে অনিয়ন্ত্ৰিত ৰাজপদ, তৃতীয়তে বহুবিৱাহৰ স্বীকৃতি দিয়া সামাজিক বাতাৱৰণ— এনেকুৱা এক অৱস্থাত শকুন্তলাৰ অনুপম সৌন্দৰ্য্য দেখা পাই তেওঁ মুগ্ধ হৈ পৰে তাত আচৰিত হ'বলগীয়া কি আছে? ইমানতে ৰজা দুষ্যন্তই প্ৰশংসনীয় আত্মসংযমৰ পৰিচয় দিছে। আশ্ৰমত শকুন্তলাক দেখি মুগ্ধ হ'লেও তেওঁ নিৰ্বিচাৰে ঋষি কন্যাৰ প্ৰতি হাত মেলা নাই; বৰঞ্চ শকুন্তলাৰ জাতি-গোত্ৰ বিচাৰ কৰিছে। শকুন্তলাৰ জন্ম কথা শকুন্তলাৰ সখীয়েকৰপৰা জানি লৈহে আগবাঢ়িছে। দুৰ্ৱাসাৰ শাপৰ প্ৰভাৱত পৰি তেওঁ শকুন্তলাৰ পৰিচয় পাহৰিছে। কিন্তু ৰাজপুৰুষ এজনক ভুলাব পৰাকৈ শকুন্তলাৰ ৰূপ-যৌৱন তেতিয়াও আছিল। ৰাজধৰ্মই তেতিয়াও ৰজাক বান্ধি থৈছিল। যিটো কাৰণত সগৰ্ভা শকুন্তলাক ৰাজান্তঃপুৰত প্ৰৱেশ কৰিবলৈ নিদিলে। কোনোবাই হয়তো ক'ব পাৰে আশ্ৰমত কমেও ১০/১৫ দিন লগ পাই অহা প্ৰেয়সীক ৰজাই ইমান সোনকালে পাহৰি যোৱা উচিত কাৰ্য নাছিল; তেওঁৰ সমৰ্থনত দুৰ্বাসাৰ দৰে উগ্ৰ ঋষি এজনৰ ব্ৰহ্মশাপ আছে, যি আছিল অলংঘনীয় আৰু অনিবাৰ্য।

ঋষিসকলৰ প্ৰতি তেওঁৰ বৰ আদৰ আছিল। প্ৰথম অংকত বৈখানসে 'আশ্ৰমৰ মৃগ, ইয়াক নামাৰিব' বুলি কোৱাত ৰজাই সেই মৃগটিক নামাৰিলে। বৈখানসৰ আমন্ত্ৰণ ক্ৰমেই ৰজাই আশ্ৰমত প্ৰৱেশ কৰিবলৈ ওলাইছে; কিন্তু তাকে কৰোঁতে তেওঁ ৰাজকীয় আভৰণ, পোছাক-পৰিচ্ছদ এৰি গৈছে। অৰ্থাৎ বিনীত বেশেৰে আশ্ৰমত সোমাইছে। আশ্ৰমৰ কন্যাসকলৰ আগতো তেওঁ নিজকে ৰজা বুলি নকৈ ৰাজপুৰুষ বুলি কৈছে। দ্বিতীয় অংকত তপস্বীসকল আহি যেতিয়া আশ্ৰম ৰক্ষাৰ বাবে আহ্বান কৰে, তেতিয়াও তেওঁ কৈছে 'তপস্বীসকলে কি আদেশ কৰিছে (কিমাজ্ঞাপয়ন্তি)'। পঞ্চম অংকত আশ্ৰমবাসীসকলক ৰজাই বৰ শ্ৰদ্ধা আৰু আস্থাৰে অভ্যৰ্থনা কৰিছে। শাৰ্ঙ্গৰৱে বৰকৈ ককৰ্থনা কৰাতো ৰজাই ক্ৰোধ প্ৰকাশ কৰা নাই। মাত্ৰ 'বিশেষেণ অধিক্ষিপ্তোহস্মি' বুলি কৈছে।' তেনেকৈ সপ্তম অংকতো মাৰীচৰ আশ্ৰমত উপস্থিত হৈ বৰ শ্ৰদ্ধাৰে মাৰীচ আৰু অদিতিক সেৱা জনাই ৰজাই আশীৰ্বাদ বিচাৰি অনুগৃহীত হৈছে।

ৰজা দুষ্যন্ত এজন উচ্চ শ্ৰেণীৰ প্ৰশাসক। সেই প্ৰসঙ্গত তেওঁ আমাক তিনিটা গুণেৰে প্ৰভাৱিত কৰে। সেই গুণকেইটা হৈছে— কৰ্তব্যপৰায়ণতা, প্ৰজাৰঞ্জনতা (প্ৰজাপ্ৰেম) আৰু নিৰ্লোভতা (অৰ্থাৎ লোভৰ অভাৱ)। প্ৰথম অংকত যেতিয়া হাতীৰ উপদ্ৰৱৰ সূচনা পায়, তেতিয়া তেওঁ ততালিকে আশ্ৰমবাসী কন্যাসকলক বিদায় দিয়ে আৰু নিজে তাৰ তদ্‌বিৰ কৰিবলৈ যায়। সেইদৰে দ্বিতীয় অংকত যেতিয়া ৰজাক তপস্বীসকলে তপোবনত অনুষ্ঠিত যজ্ঞৰ সুৰক্ষাৰ কাৰণে আমন্ত্ৰণ জনায়, ততালিকে তাত তেওঁ সন্মত হয় আৰু কয় 'গচ্ছন্তাং ভৱন্তৌ, অহমনুপদমাগত এৱ।' পঞ্চম অংকত কঞ্চুকীৰ কথাৰ পৰা বুজা যায় যে ৰজাই সদায় এবেলা হ'লেও ৰাজসভাত উপস্থিত থাকিছিল আৰু প্ৰজাসকলৰ গোচৰ আদি নিষ্পত্তি কৰাত ব্যস্ত আছিল। ষষ্ঠ অংকত ৰজাই কঞ্চুকীক কয় 'ৰেৱৰতি। মদ্বচনাৎ অমাত্যপিশুনং ব্ৰুহি'। এইদৰে কোৱাৰ পৰা বুজা যায় যে ৰজাই সদায় মন্ত্ৰীসকলৰ লগত ৰাজকাৰ্য নিৰ্বাহ কৰে; কিন্তু সিদিনা তেওঁ বিশেষ পৰিস্থিতিত ৰাজাসনত নবহি বাহিৰত থাকিয়েই অতি প্ৰয়োজনীয় কাৰ্য কৰিব বুলি কয়।

ৰজা নিৰ্লোভ আছিল। যেতিয়া নিঃসন্তান ধৰ্মবৃদ্ধি নামে বনিকৰ মৃত্যুৰ খবৰ পালে, মন্ত্ৰীয়ে কোৱা দৰে তেওঁ বনিকৰ ধন ৰাজ ভঁৰাললৈ আনিবলৈ সন্মত নহ'ল। বৰঞ্চ তেওঁ অনুসন্ধান কৰাই জানিলে বনিকৰ এগৰাকী পত্নী গৰ্ভৱতী। তেতিয়া ৰজাই গৰ্ভস্থ সন্তানেই বণিকৰ উত্তৰাধিকাৰী হ'ব বুলি ৰায় দিলে।

ৰজা দুষ্যন্ত প্ৰজাৰঞ্জক আছিল। তেওঁ ৰাজ্যত ঘোষণা কৰাইছিল যে যাৰ কোনো বন্ধু-বান্ধৱ নাই সিজনে ৰজাকে যেন আপোন বুলি ভাৱে।

ৰজা বৰ ধৰ্মভীৰু আছিল। তেওঁ কণ্বাশ্ৰমত যজ্ঞানুষ্ঠান যাতে নিৰ্বিঘ্নে সমাপ্ত হয় তাৰ বাবে নিজে আশ্ৰমত পহৰা দিছিল। ৫ম অঙ্কত ঋষি-শাপৰ প্ৰভাৱত শকুন্তলাক তেওঁ চিনি পোৱা নাছিল। অৱগুণ্ঠন গুচোৱাত শকুন্তলাৰ ৰূপ লাৱণ্য দেখিও পৰকলত্ৰ বুলি ভাবি ঋষি কন্যাক ৰাজপুৰীত স্থান দিয়া নাছিল।

**শকুন্তলা**

'অভিজ্ঞানশকুন্তলম্' নাটকৰ নায়িকা হ'ল শকুন্তলা। এবাৰ ৰাজৰ্ষি বিশ্বামিত্ৰই ঘোৰ তপস্যাত মগ্ন হৈছিল। ইন্দ্ৰই তেওঁৰ তপস্যা ভঙ্গ কৰিবলৈ সুন্দৰী মেনকাক আদেশ দিলে। দৈৱক্ৰমে বিশ্বামিত্ৰই মেনকাৰ ৰূপত মুগ্ধ হ'ল। ঋষিৰ ঔৰসত মেনকাৰ গৰ্ভত জন্ম হ'ল এজনী সুন্দৰী কন্যাৰ। পিতৃ-মাতৃয়ে কন্যা সন্তানটিক মালিনী নৈৰ পাৰত এৰি স্ব স্ব স্থানলৈ গ'ল। মুনিবৰ কণ্বই পৰিত্যক্ত অৱস্থাত পাই শিশু কন্যাটিক আশ্ৰমলৈ আনি প্ৰতিপালন কৰিবলৈ ধৰিলে। দুষ্যন্তই আশ্ৰমত দেখা পোৱা সময়ত সেই কন্যাৰ বয়স ১৬-১৭ বছৰ হ'ব। এই কণ্বপালিতা গাভৰুজনীৰ নামেই শকুন্তলা।

আশ্ৰমৰ তপোপ্ৰধান শান্ত পৰিবেশত প্ৰতিপালিত হোৱা বাবে শকুন্তলা তাপসকন্যাৰ দৰে হৈছিল। তেৱোঁ অন্য আশ্ৰমবাসীসকলৰ দৰে গছৰ বাকলিকে পৰিধান কৰিছিল। তথাপিও 'ইয়মধিকমনোজ্ঞা বল্কলেনাপি তন্বী' বুলি ৰজাই কৈছে। তপোৱনত তপস্বী-তাপসীসকলৰ মাজত ডাঙৰ-দীঘল হোৱা বাবে শকুন্তলাৰ প্ৰকৃতিৰে সৈতে ঘনিষ্ঠ সম্বন্ধ গঢ়ি উঠে। তেওঁ গছ, লতা

আৰু মৃগ-মৃগী সকলোকে আত্মীয় বুলি ভাবিছিল। তেওঁৰ অন্তৰত তপোবনৰ জড় আৰু চেতন-সকলো পদাৰ্থৰ প্ৰতি সহানুভূতি আছিল। তেওঁ প্ৰথমতে গছ-বিৰিখ, ফুলৰ লতা আদিৰ গুৰিত পানী দি উঠিহে নিজে পানী খাইছিল। নিজে মণ্ডন বা অলংকাৰ ভাল পালেও ফুলৰ বা গছৰ পাত কেতিয়াও চিঙা নাছিল। কোনো মৃগৰ মুখত ঘাঁহ খাওঁতে ক্ষত হ'লে তেওঁ ঈঙ্গুদিৰ তেল লগাই দিছিল।

শকুন্তলা সু-চৰিত্ৰৱতী। ৰজাক দেখা পাই তেওঁৰ মনত স্বাভাৱিকভাৱে কামবিকাৰ উৎপন্ন হৈছে। কিন্তু সেই কথা তেওঁ চেনেহী সখীয়েক দুজনীৰ পৰাও লুকুৱালে। যেতিয়া সেই বিকাৰে ভয়ানক ৰূপ ল'লে তেতিয়াহে তেওঁ সখী দুজনীক ক'লে যে ৰজাক দেখিবৰে পৰা তেওঁৰ সেই মনোবিকাৰ আৰম্ভ হৈছিল। কিন্তু তৃতীয় অঙ্কত তেওঁ ৰজাৰ ব্যৱহাৰত অসন্তুষ্ট হৈ সংযত হ'বলৈ সঁকিয়াই দিছিল।

শকুন্তলা কুলপতি কণ্বৰ পালিতাকন্যা। তাতে আকৌ পিতা কণ্বৰ অনুপস্থিতিত তেওঁৰ ওপৰতে অতিথি সৎকাৰৰ ভাৰ অৰ্পিত হৈছে। তথাপিও তেওঁ সখীয়েকহঁতক আদেশ দিয়াৰ পৰা বিৰত আছিল। প্ৰথম অঙ্কত ৰজাই যেতিয়া তেওঁৰ ৰূপৰ প্ৰশংসা কৰে, তেতিয়া শকুন্তলাই লাজতে তলমূৰ কৰে। তাৰ পাছত প্ৰিয়ম্বদাই তেওঁৰ বিয়াৰ কথা উলিওৱাত তেওঁ তাৰ পৰা যাব খোজে। তৃতীয় অংকত যেতিয়া ৰজাৰে একান্তভাৱে দেখা হয় তেতিয়াও তেওঁ বাৰে বাৰে তাৰ পৰা যাব খোজে।

শকুন্তলা স্বভাৱতে সৰল প্ৰকৃতিৰ আছিল। যেতিয়া সখীহঁতে তেওঁৰে ধেমালি কৰে তেতিয়া তেওঁ কেৱল 'এষাতে আত্মনশ্চিত্তগতো মনোৰথঃ' বুলি কৈয়ে মনে মনে থাকে। চতুৰ্থ অঙ্কত তেওঁৰ সখীহঁতে তেওঁক কয় যে যদি ৰজাই তোমাক চিনি পোৱাত মন্থৰ হয় তেনেহ'লে তুমি তেওঁৰ নামাঙ্কিত আঙঠিটো দেখুৱাবলৈ নাপাহৰিবা। তাকে শুনি শকুন্তলাৰ অন্তৰ কঁপি উঠে। তেতিয়া তেওঁলোকে সখী শকুন্তলাক কয় 'সখি! মা বিভেহি! স্নেহঃ পাপম্ শঙ্কতে'— তেওঁক এই কথাষাৰে ভৰষা দিয়ে।

শকুন্তলাকে ধৰি আশ্ৰমকন্যাসকল শিক্ষিতা আছিল। তেওঁলোকে লেখা-পঢ়া জানিছিল। শকুন্তলাই কাব্যকলা জানিছিল। সেয়ে তেওঁ সখীসকলৰ পৰামৰ্শ মতে ৰজালৈ পত্ৰ ৰচনা কৰিছিল।

শকুন্তলা আছিল পতিপৰায়ণা নাৰী। তেওঁ ৰজাক বৰকৈ ভাল পাইছিল। গান্ধৰ্ব প্ৰথামতে ৰজাৰে বিয়া হৈ যোৱাৰ পাছত ৰজাৰ প্ৰতি তেওঁৰ প্ৰেম বৃদ্ধি লাভ কৰিছিল। ৰজাই আশ্ৰম এৰি হস্তিনাপুৰলৈ যোৱাৰ পাছতো শকুন্তলাৰ মন তেওঁৰ প্ৰতি নিৰন্তৰ আকৃষ্ট হৈ পৰিছিল। দুৰ্বাসা অহা সময়ত শকুন্তলা ৰজাৰ চিন্তাত মগ্ন হৈ আছিল। দুৰ্বাসাই অভিশাপ দি যোৱা কথা তেওঁ গমকে নাপালে।

কুলপতি আৰু পিতা কণ্বৰ ইচ্ছা আৰু আদেশ অনুসৰি ৰজাৰ ওচৰলৈ যোৱাত তেওঁৰ মনত বৰ উৎসাহ হয়। ৰজাৰ ব্যৱহাৰত তেওঁ বৰ ক্ৰুদ্ধ হৈ পৰিলেও খন্তেক পাছত তেওঁ ক্ৰোধ সম্বৰণ কৰিছিল আৰু নিজৰ ভাগ্যক দুষিছিল। তথাপি তেওঁ ৰজাৰ প্ৰতি প্ৰেমভাব ৰাখিছিল। তেওঁ বিৰহিনীৰ বেশত, পতিজনক অন্তৰত ঠাই দি নিজৰ চৰিত্ৰক ৰক্ষা কৰিছিল।

শকুন্তলাই পূজ্য জনক বৰ আদৰ কৰিছিল। তেওঁ ৰজাক দেখি 'নৈতং জনং পর্য্যাহৰিষ্যন্ যদ্যাত্মনঃ প্রাভৰিষ্যম্' বুলি কয়। তেওঁ জানিছিল যে তেওঁ কেতিয়াও স্বতন্ত্র নহয়। তেওঁ গুৰুজনৰ অধীন। যদি তেওঁ স্বাধীনভাৱে কিবা কৰিবলৈ যায় তেতিয়া সেয়া হ'ব গুৰুজনৰ প্রতি কৰা অৱজ্ঞা বা অৱমাননা। তৃতীয় অঙ্কত ৰজাই যেতিয়া কলে মই তোমাৰ সেৱা কেনেকৈ কৰো কোৱা? পদুমৰ পাতেৰে বিছিম নে আন কিবা কৰিম? শকুন্তলাই উত্তৰ দিছে 'ন মাননীয়েষু জনেষু আত্মানমপৰাধয়িষ্যামি।'

পঞ্চম অঙ্কত শার্ঙ্গৰৱ প্রভৃতিয়ে যেতিয়া তেওঁক ৰাজসভাত এৰি উভতি যাবলৈ ওলাল, তেতিয়া শকুন্তলাই তেওঁলোকক অনুগমন কৰে। তেতিয়া শার্ঙ্গৰৱে তেওঁক ককর্থনা কৰি ক'লে, 'আ পুৰোভাগিনি! কিমিদং স্বাতন্ত্র্যমৱলম্বসে?' তাকে শুনি তেওঁ ভয়ত পেপুৱা লাগে। তেতিয়া তেওঁ ভাবিলে তেওঁলোকৰ কথা নামানিলে ডাঙৰক অৱজ্ঞা কৰা হ'ব।

সপ্তম অঙ্কত মিলনৰ সময়ত ৰজাই মাত লগোৱাত শকুন্তলাই 'জয়তু জয়তু আর্যপুত্রঃ' বুলি কৈছে। তেতিয়া সর্বদমনে মাকক সুধিছে, 'মা এখেত কোন?' শকুন্তলাই কৈছে, 'বাচা, ভাগ্যক সোধ।' তাৰ পাছত তেওঁ ৰজাৰ পৰা আঙঠিটো গ্রহণ নকৰিলে যদিও লাজে অপমানে পতিৰে সৈতে মাৰীচৰ ওচৰলৈ গৈ সেৱা জনালে।

শকুন্তলাই ধর্মপিতা মহর্ষি কণ্বক বৰকৈ সন্মান আৰু আদৰ কৰিছিল। বিদায় পৰত তেওঁ পিতৃৰ চৰণত পৰি সেৱা কৰিছে আৰু কণ্বই সাৱতি ধৰি হিয়াভৰাই আশীর্বাদ দিছে।
এইদৰে কালিদাসে শকুন্তলাক আদর্শ নাৰীৰূপে নির্মাণ কৰিছে।

**কণ্ব (কাশ্যপ)**

মহর্ষি কণ্ব আছিল কশ্যপ মাৰীচৰ বংশধৰ। প্রথম অঙ্কতে তেওঁৰ নাম ওলালেও চতুর্থ অঙ্কতহে নাট্যকাৰে তেওঁৰ চৰিত্র চিত্রন কৰিছে। তেওঁৰ আশ্রম আছিল হিমালয়ৰ পাদদেশত মালিনী নদীৰ তীৰত। তেওঁ দহ হাজাৰ শিষ্যৰ আচার্য আছিল; সেয়ে তেওঁক কুলপতি বোলা হৈছিল।

মহর্ষি কণ্বই পিতৃ-মাতৃ পৰিত্যক্তা কন্যা সন্তান এটি নৈ পাৰত পাই অতি আদৰেৰে আশ্রমলৈ আনি প্রতিপালন কৰিছিল। বালিকাৰ নাম থৈছিল শকুন্তলা।

বৈখানস, শার্ঙ্গৰৱ, শাৰদ্বত, হাৰীত, গৌতম প্রভৃতিক কণ্বৰ শিষ্যৰূপে নাটকত দেখা যায়। শিষ্যসকলৰ নামবোৰ গোত্র অনুসৰিহে পোৱা যায়। তেওঁলোকৰ প্রকৃত পিতৃদত্ত নাম পোৱা নাযায়।

কণ্ব আছিল এজন নৈষ্ঠিক ব্রহ্মচাৰী। কিন্তু তেওঁ ব্রহ্মচাৰী হ'লেও সকলোৰে প্রতি দয়াভাৱ পোষণ কৰিছিল। সেয়ে তেওঁ পিতৃ-মাতৃয়ে অসহায় অৱস্থাত এৰি থৈ যোৱা কন্যা সন্তানকো আশ্রমলৈ আনি প্রতিপালন কৰিছিল। শকুন্তলাক তেওঁ নিজ কন্যাৰূপে অতিপাত মৰম কৰিছিল। শকুন্তলাৰ দৈৱ প্রতিকূল আছিল জানিলৈ তেওঁ তাৰ প্রতিকাৰ কৰিবলৈ তীর্থযাত্রা কৰিছিল। তীর্থৰ পৰা উভতি আহি ৰজা দুষ্যন্তৰে শকুন্তলাৰ বিয়া হোৱা কথা সিদ্ধিৰ বলত জানি জীয়েকক তেওঁ অভিনন্দন জনাইছিল আৰু যথাশীঘ্রে শকুন্তলাক পতিগৃহলৈ পঠাবলৈ আয়োজন কৰিছিল।

শকুন্তলাক আশীর্বাদ দি মুনিজনে দুহিতাৰ পৰা বিযুক্ত হোৱাৰ পৰত শোকত ভাঙি পৰিছিল (কণ্ঠঃ স্তম্ভিতবাষ্পবৃত্তিকলুষঃ চিন্তাজড়ং দর্শনম্-)। তেওঁ নিজৰ অন্তৰত এনে এক আবেগিক অৱস্থা দেখি আচৰিত হৈছিল 'মোৰ দৰে তপস্বী এজনৰ পালিতা কন্যাৰ বিয়োগতে যদি এনেকৈ চিত্তৰ বিকাৰ হয়, তেনেহ'লে সাংসাৰিক লোকে কিদৰে কন্যাৰ বিয়োগজনিত শোক চম্ভালিব পাৰে?'

তেওঁ শকুন্তলাক উপদেশ দিছে, 'তুমি জ্যেষ্ঠসকলক শুশ্রূষা কৰিবা, অন্তঃপুৰস্থ সতিনীসকলক আৰু পৰিচাৰিকাসকলক সজভাৱে ব্যৱহাৰ কৰিবা। গিৰিয়েৰাই কেতিয়াবা খং খালেও তুমি তেওঁৰ প্ৰতি দুর্ব্যৱহাৰ নকৰিবা। পতিৰ বন্ধুবান্ধৱকো সজ ব্যৱহাৰ কৰিবা।' ইত্যাদি। শকুন্তলাক বিদায় দি তেওঁ কন্যাদায় মুক্ত হৈছে।

**অনসূয়া আৰু প্ৰিয়ম্বদা**

'অভিজ্ঞানশকুন্তলম্' নাটকত নাট্যকাৰ কালিদাসে নায়িকাৰ সমবয়সীয়া প্ৰিয়ম্বদা আৰু অনসূয়া নামে দুজনী সখীয়েকক সৃজন আৰু উপস্থাপন কৰিছে। এনেকুৱা চৰিত্ৰৰ সংযোজন নাট্য সাহিত্যত নিতান্ত বিৰল। শকুন্তলা, প্ৰিয়ম্বদা আৰু অনসূয়া-তিনিও ৰূপে-গুণে প্ৰায় একে। প্ৰিয়বাদিনী আছিল বুলিয়েই প্ৰিয়ম্বদা নাম পাইছিল এজনীয়ে। আনজনীয়ে কাৰো প্ৰতি অসূয়া বা ঈৰ্ষাৰ ভাব পোষণ নকৰা বাবে তেওঁ নাম পাইছিল অনসূয়া নামটো। নাটকত শকুন্তলাৰ বাবে এই দুজনী সখীৰ সংযোজন আৱশ্যক হৈছিল।

আশ্রমৰ গছ-বিৰিখৰ গুৰিত তিনিও পানী দিছিল। ৰাংঢালী সখী দুজনীয়ে প্ৰায়ে শকুন্তলাৰে ধেমালি কৰিছিল। সম্ভৱতঃ বয়ঃক্ৰমত অনসূয়া প্ৰথমা, প্ৰিয়ম্বদা দ্বিতীয়া আৰু শকুন্তলা কনিষ্ঠা আছিল। কণ্বৰ অনুপস্থিতিত শকুন্তলাই অতিথি সৎকাৰৰ ভাৰ পালেও অনসূয়া-প্ৰিয়ম্বদা সততে তেওঁৰো সহয়োগী আছিল। ৰজাৰ প্ৰশ্নৰ সহাৰি দি অনসূয়াই শকুন্তলাৰ জন্ম কথা শুনাইছিল। প্ৰথম অংকত ৰজা আৰু শকুন্তলাৰ মনত প্ৰেমৰ অনুৰাগ হোৱাটো সখী দুজনীয়ে লক্ষ্য কৰিছিল। তৃতীয় অঙ্কতো দুয়ো শকুন্তলাৰ ৰোগ চিনাক্ত কৰি চিকিৎসাৰ ব্যৱস্থা কৰাত বৈদ্যৰ ভূমিকা অৱলম্বন কৰিছিল। তেওঁলোকৰ পৰামৰ্শ অনুসৰি শকুন্তলাই পদুমৰ পাতত নখেৰে ৰজালৈ প্ৰেমপত্ৰ ৰচনা কৰিছিল। ৰজাৰ আৰ্ৱিভাৱ হোৱাত তেওঁলোকে ৰজাৰে সৈতে শকুন্তলাৰ গান্ধৰ্ব বিৱাহৰ সাক্ষী হৈছিল। ৪র্থ অঙ্কত দুর্ৱাসাৰ আগমনৰ সময়ত অনসূয়া আৰু প্ৰিয়ম্বদাই ফুলনিত পুষ্প চয়ন কৰিছিল আৰু শকুন্তলা আশ্রমৰ কুটীৰত আছিল। দুর্ৱাসাই বহুবাৰ মাতিও তেওঁৰ সহাৰি নাপাই 'তুমি এতিয়া যাৰ কথা ভাবি মোৰ দৰে তপোধনক অৱজ্ঞা কৰিছা, তেওঁক বাৰে বাৰে সোঁৱৰণ কৰি দিলেও তোমাক তেওঁ চিনি নাপাব' এই বুলি অভিশাপ দিছিল। এই কথা শুনি অনসূয়া আৰু প্ৰিয়াম্বদা বৰ উদ্‌বিগ্ন হৈ পৰিছিল। অনসূয়াৰ কথামতে প্ৰিয়ম্বদাই গৈ ঋষিক সেৱা জনাই শকুন্তলাক প্ৰথমবাৰলৈ ক্ষমা কৰিবলৈ অনুৰোধ জনালে। ঋষিয়ে প্ৰকৃতিস্থ হৈ 'কোনো অভিজ্ঞান দেখুৱালে ৰজাই শকুন্তলাক চিনি পাব' বুলি ক'লে। তেওঁলোকে তেতিয়া শকুন্তলাক ৰজাই দি যোৱা আঙঠিটোৱে 'অভিজ্ঞান' (চিহ্ন) হ'ব বুলি ভাবি নিশ্চিন্ত হ'ল আৰু অভিশাপৰ কথা শকুন্তলাক নজনাবলৈ স্থিৰ কৰিলে। পাছত শকুন্তলা পতিগৃহলৈ যোৱাৰ সময়ত তেওঁলোকে শকুন্তলাক সকিয়াই দিলে 'ৰজাই তোমাক

চিনি পোৱাত মস্থৰ হ'লে তুমি ৰজাই দি যোৱা আঙঠিটো দেখুৱাবা।'

লোকালয়ৰ পৰা দূৰত আশ্রমত থকা প্রিয়ম্বদা আৰু অনসূয়াই কোনো কন্যাৰ মণ্ডনৰ কথা নাজানে, মাত্র চিত্রতহে দেখা পাইছে বা কিতাপত পঢ়িছে। সেইদৰে তেওঁলোকে শকুন্তলাক সজাইছে। যোৱাৰ সময়ত শকুন্তলাক দুয়ো আলিঙ্গন কৰি দুঃখত ম্রিয়মান হৈছে। এইদৰে মহাকবি কালিদাসে শকুন্তলাৰ অতি মৰমৰ সখী দুজনীৰ চৰিত্র নিপুণভাৱে নাটকত অঙ্কন কৰিছে।



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ৪ঃ ৰজা দুষ্যন্তৰ চৰিত্রৰ দুটা বৈশিষ্ট্যৰ কথা উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৫ঃ শকুন্তলাৰ চৰিত্রৰ বিশেষত্ব দুটা উল্লেখ কৰক।

.....

.....



## ৪.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- কালিদাসৰ 'অভিজ্ঞানশকুন্তলম্' নাটকখন সংস্কৃত সাহিত্যত নহয় বিশ্ব সাহিত্যতে সর্বোৎকৃষ্ট নাটক। নাটকখনৰ নায়ক হস্তিনাপুৰৰ ৰজা দুষ্যন্ত আৰু নায়িকা কণ্বদুহিতা শকুন্তলা। ইয়াৰ মূল উৎস মহাভাৰতৰ 'শকুন্তলোপাখ্যান'। শৃঙ্গাৰ ইয়াৰ মুখ্য ৰস, অন্যান্য হাস্য, বীৰ আদি গৌণ ৰস।
- মহাকবি কালিদাসে মুঠতে তিনিখন নাটক ৰচনা কৰিছিল, তাৰ মাজত 'অভিজ্ঞানশকুন্তলম্' উত্তম নাটক।
- মহাকবি কালিদাসৰ সময়ৰ ঊর্ধসীমা খৃঃপূর্ব ১ম শতিকা আৰু নিম্নসীমা ৩৫০-৪৫০ খৃষ্টাব্দ।
- কালিদাসৰ ভাষা অতিশয় সহজ-সৰল আৰু মধুৰ। তেওঁৰ ভাষা সুন্দৰ অলংকাৰযুক্ত। উপমা আৰু উপমাগর্ভ অলংকাৰ তেওঁৰ ভাষাৰ বৈশিষ্ট্য। শ্লোকসমূহৰ ছন্দ সুষমাও অতি উৎকৃষ্ট।
- নাটকৰ মূল চৰিত্রসমূহ স্বকীয় গুণেৰে গুণান্বিত। নায়ক দুষ্যন্ত পুৰুষৰ আদর্শ আৰু শকুন্তলা ভাৰতীয় নাৰীৰ আদর্শ, সীতা, দময়ন্তী আদিৰ শ্রেণীভুক্তা।



## ৪.৭ অধিক জানিবলৈ

১) হাজৰিকা, অতুল চন্দ্ৰ, গুৱাহাটী, ১৯৪৯।

২) ৰায়, সাৰদৰঞ্জন, কলিকতা।

৩) শৰ্মা, ড° থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী, ২০০৮।

৪) শৰ্মা, ড° থানেশ্বৰ, *অভিজ্ঞানশকুন্তলম্*, এক সমীক্ষা, ৫ম তাঙৰণ, গুৱাহাটী, ২০০৮।



## ৪.৮ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰঃ** 'অভিজ্ঞানশকুন্তলম্' নাটকৰ ৰচক মহাকবি কালিদাস।

**২ নং প্ৰশ্নৰ উত্তৰঃ** উক্ত নাটকৰ নায়ক ৰজা দুষ্যন্ত আৰু নায়িকা শকুন্তলা।

**৩ নং প্ৰশ্নৰ উত্তৰঃ** অভিজ্ঞান শব্দই চিহ্নক বুজায়। ইয়াত দুষ্যন্তৰ হাতৰ আঙঠিক বুজাইছে। নাটকৰ নামকৰণত ই সহায় কৰিছে।

**৪ নং প্ৰশ্নৰ উত্তৰঃ** দুষ্যন্ত আছিল ধীৰোদাত্ত শ্ৰেণীৰ নায়ক আৰু ঐতিহাসিক ব্যক্তি বিশেষ।

**৫ নং প্ৰশ্নৰ উত্তৰঃ** শকুন্তলা মুগ্ধা শ্ৰেণীৰ নায়িকা। তেওঁৰ চৰিত্ৰত ভাৰতীয় সতী সাধ্বী নাৰীৰ বৈশিষ্ট্য প্ৰকাশ পাইছে।



## ৪.৯ আৰ্হি প্ৰশ্ন

**প্ৰশ্ন ১ঃ** 'অভিজ্ঞানশকুন্তলম্' নাটকৰ এটা চমু আভাস তুলি ধৰক।

**প্ৰশ্ন ২ঃ** কালিদাসৰ নাটককেইখনৰ ৰচনাৰ ক্ৰম দাঙি ধৰক।

**প্ৰশ্ন ৩ঃ** কালিদাসৰ ৰচনা-ৰীতিৰ বিশেষত্ব সম্বন্ধে লিখক।

**প্ৰশ্ন ৪ঃ** 'অভিজ্ঞানশকুন্তলম্' নাটকৰ চতুৰ্থ অংকৰ সংক্ষিপ্ত বৰ্ণনা দাঙি ধৰক।

**প্ৰশ্ন ৫ঃ** তলৰ চৰিত্ৰসমূহৰ বৈশিষ্ট্য বৰ্ণনা কৰক—

দুষ্যন্ত, শকুন্তলা, কণ্ব, প্ৰিয়ম্বদা, অনসূয়া।

*** ***** ***

# অধ্যায় ৫ ঃ অভিজ্ঞানশকুন্তলম্ নাটকৰ প্ৰথম অংকৰ পাঠ্যাংশৰ আলোচনা

## অধ্যায় গাঁথনি


৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ 'অভিজ্ঞানশকুন্তলম্' নাটকৰ প্ৰথম অংকৰ মুখ্যাংশৰ সংস্কৃত পাঠ

৫.৪ সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদ

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্ৰগতিৰ খতিয়ান

৫.৮ আৰ্হি প্ৰশ্ন


## ৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অভিজ্ঞান শকুন্তলম্ নাটকৰ ১ম অংকৰ বিষয়ে সবিশেষ জানিব পাৰিব
- নাটকৰ মুখ্যাংশৰ পাত্ৰ-পাত্ৰীসকল আৰু আশ্ৰমৰ সৈতে পৰিচিত হ'ব
- নাটকৰ পাঠ্যাংশৰ মূল পাঠ আৰু অসমীয়া অনুবাদো জানিব পাৰিব।

## ৫.২ পৰিচয়

এই অধ্যায়ত কালিদাস প্ৰণীত 'অভিজ্ঞানশকুন্তলম্' নাটকৰ প্ৰথম অংকৰ পাঠ্যাংশ আৰু তাৰ অনুবাদ আগবঢ়োৱা হ'ব। ইতিমধ্যে আপুনি সংস্কৃত সাহিত্যৰ ভালেখিনি পাঠ্যপুথিৰ পৰিচয় পাইছে। সংস্কৃত সাহিত্যৰাজিৰ এক বুজন পৰিমাণৰ ঠাই নাট্য সাহিত্যই অধিকাৰ কৰি আছে। সমস্ত কাব্যৰ ভিতৰত নাট্য সাহিত্যক অধিক ৰমনীয় বুলি কোৱা হয়। তাৰ মাজতো শকুন্তলা নাটক অধিকতম ৰম্য বুলি কোৱা হৈছে। এই সৰ্বোত্তম নাটকখনৰ প্ৰতিটো অংকৰ কথাংশ ৰমনীয়। এই অধ্যায়ত নাটকৰ প্ৰথম অংকৰ মূলাংশ আৰু তাৰ অনুবাদ অধ্যয়ন কৰি নাটকখনৰ শুভ সূচনাৰ পৰিচয় পাব।

*নান্দী* = নাটকৰ প্ৰথমত থকা মঙ্গলবাচক শ্লোক। নাটক ৰচনা আৰু উপস্থাপনাৰ ক্ষেত্ৰত যাতে বাধা নাহে তাৰ বাবে এই শ্লোক পাঠ কৰা হয়।

*প্ৰস্তাৱনা* = আৰম্ভণিত থকা এটি ভূমিকা। ইয়াত নাটকৰ বিষয়ে তথা নাট্যকাৰৰ বিষয়ে সাধাৰণতে এটা আভাস দিয়া হয়।

## ৫.৩ 'অভিজ্ঞানশকুন্তলম্' নাটকৰ প্ৰথম অংকৰ মুখ্যাংশৰ সংস্কৃত পাঠ

'অভিজ্ঞানশকুন্তলম্' নাটকত আছে সাত অংক। নাটকখনৰ সাত অংকৰ মাজেৰে মহাভাৰতৰ আদি পৰ্বত পোৱা শকুন্তলোপাখ্যানৰ ৰসহীন ঘটনাক কালিদাসে ৰসোত্তীৰ্ণ নাট্যবস্তু ৰূপে উপস্থাপন কৰিছে। ১ম অংকটোৰ শুভাৰম্ভ হৈছে **নান্দী**শ্লোকেৰে। তাৰ পাছতে **প্ৰস্তাৱনা**

আৰম্ভ হৈছে। তাৰ জৰিয়তে ৰজাৰ প্ৰৱেশৰ সূচনা দিয়া হৈছে। এই অংকত নায়ক-নায়িকাৰ প্ৰথম দেখা সাক্ষাৎ হয় আৰু প্ৰণয় ভাৱ অঙ্কুৰিত হয়।

অথ প্ৰথমোঽঙ্কঃ

(ততঃ প্ৰৱিশতি মৃগানুসাৰী সশৰচাপহস্তো ৰাজা ৰথেন সূচশ্চ)

সূতঃ- (ৰাজানং মৃগং চাৱলোক্য? আয়ুস্মন্!

কৃষ্ণশাৰে দদচ্ছক্ষুস্ত্বয়ি চাধিজ্যকার্মুকে।
মৃগানুসাৰিণং সাক্ষাৎ পশ্যামীৱ পিনাকিন্ম।। ১।।

ৰাঞ্জা— সূত! দূৰমনুসা সাৰঙ্গেণ ৱয়মাকৃষ্ঠাঃ। অথপুনৰিদানীমপি—

গ্ৰীৱাভঙ্গাভিৰামং মুহুৰনুপততি স্যন্দনে বদ্ধদৃষ্টিঃ
পশ্চার্ধেন প্ৰৱিষ্টঃ শৰপতনভয়াদ্ ভূয়সা পূর্বকায়ম্।
দর্ভৈৰর্ধাৱলীঢ়ৈঃ শ্ৰমৱিবৃতমুখভ্রংশিভিঃ কীর্ণৱৎর্মা
পশ্যোদগ্রপ্লুতত্বাদ্ ৱিয়তি বহুতৰং স্তোকমুর্ব্যা প্রয়াতি।। ২।।
তদেষ কথমনুপতত এৱ পয়ত্ন প্রেক্ষণীয়ঃ সংবৃত্তঃ?

সূতঃ- আয়ুষ্মন! উদ্ঘাতিনী ভূমিৰিতি ময়া ৰশ্মিসংযমনাদ্ ৰথস্য মন্দীকৃতো বেগঃ। তেন মৃগ এষ ৱিপ্রকৃষ্টান্তৰঃ সংবৃত্তঃ। সম্প্রতি সমদেশৱর্ত্তিনস্তে ন দুৰাসদো ভৱিষ্যতি।

ৰাজা— তেন হি মুচ্যতামভীষৱঃ।

সূতঃ- যদাজ্ঞাপয়ত্যায়ুষ্মান্ (ৰথৱেগং নিৰ্দ্দিশ্য) আয়ুষ্মন্! পশ্য পশ্য—

মুক্তেষু ৰশ্মিষু নিৰায়ত পূর্ৱকায়া
নিষ্কম্পচামৰশিখা নিভৃতোর্ধ্বকর্ণাঃ।
আত্মোদ্ধতৈৰপি ৰজোভিৰলঙঘনীয়া
ধাৱন্ত্যমী মৃগজৱাক্ষময়েৱ ৰথ্যাঃ।। ৩।।

ৰাজা— (সহর্ষম্) সত্যম্, অতত্যৈ হৱিত্যেহপি হৱীন্ বর্তন্তে বাজিনঃ।

তথাহি—

যদালোকে সূক্ষ্মং, ব্রজতি সহসা তদ্, ৱিপুলতাং,
যদর্ধে ৱিচ্ছিন্নং, ভৱতি কৃতসন্ধানমিৱ তৎ।
প্রকৃত্যা যদ্ ৱক্রং তদপি সমৱেখং নয়নয়োৱ্
ন মে দূৱে কিংচিৎ ক্ষণমপি ন পার্শ্বে, ৰথজৱাৎ।। ৪।।
সূত! পশ্যৈনং ব্যাপাদ্যমানম্। (শৰসন্ধানং নটিয়তি)

(নেপথ্যে)

ভো ভো ৰাজন্! আশ্রমমৃগোহয়ং ন হন্তব্যো ন হন্তব্যঃ।

সূতঃ- (আকর্ণ্যাৱলোক্য চ) আয়ুষ্মন্! অস্য খলু তে বাণপাত—

ৱর্তিনঃ কৃষ্ণশাৰ স্যান্তৱে, তপস্বিন উপস্থিতাঃ।

ৰাজা—(সসম্ভ্রমম্) তেন হি প্রগৃহ্যন্তাং ৱাজিনঃ।

সূতঃ- তথা। (ৰথং স্থাপয়তি)।

(ততঃ প্ৰৱিশতি আত্মনা তৃতীয়ো ৱৈখানসঃ)

ৱৈখং— (হস্তমুদ্যম্য) ৰাজন্! আশ্ৰম-মৃগোহয়ম্, ন হন্তব্যঃ, ন হন্তব্যঃ।

দ্বিতীয়ং— ন খলু ন খলু বানঃ সন্নিপাত্যোহয়মস্মিন্।

মৃদুনি মৃগশৰীৰে তুলাৰাশাৱিৱাগ্নিঃ।

তৃতীয়ং— ক্ব ৰত হৰিণকানাং জীৱিতং চাতি লোলং

ক্ব চ নিশিতনিপাতা ৰজ্ৰসাৰাঃ শৰাস্তে ।। ৫।।

ৱৈখং— তৎ সাধু কৃতসন্ধানং প্ৰতি সংহৰ সায়কম্।

আৰ্তত্ৰাণায় ৰঃ শস্ত্ৰং ন প্ৰহৰ্তুমনাগসি।। ৬।।

ৰাজা— এষ প্ৰতি সংহৃতঃ। (যথোক্তং কৰোতি)।

ৱৈখং— সদৃশমেতৎ পুৰুৱংশ প্ৰদীপস্য।

জন্ম যস্য পুৰোৱংশে যুক্তৰূপমিদং তৱ।

পুত্ৰমেৱংগুণোপেতং চক্ৰৱৰ্তিনমাপ্নুহি।। ৭।।

ইতং— (বাহু উদ্যম্য) সৰ্ৱথা চক্ৰৱৰ্তিনং পুত্ৰমাপ্নুহি।

ৰাজা— (সপ্ৰণামম্) প্ৰতিগৃহীতম্।

ৱৈখাং— ৰাজন্! সমিদাহৰণায় প্ৰস্থিতা ৱয়ম্। এষ খলু কণ্বস্য কুলপতেঃ অনুমালিনীতীৰমাশ্ৰমো দৃশ্যতে। ন চেদন্য- কাৰ্যাতিপাতঃ, প্ৰৱিশ্য প্ৰতিগৃহ্যতাম্ আতিথেয়ঃ সৎকাৰঃ।

অপি চ—

ৰম্যাস্তপোধনানাং প্ৰতিহতৱিঘ্নাঃ ক্ৰিয়া সমৱলোক্য।

জ্ঞাস্যসি কিয়দ্ ভূজো মে ৰক্ষতি মৌৰ্ৱীকিণাঙ্ক ইতি।। ৮।।

ৰাজা— অপি সংনিহিতোহত্ৰ কুলপতিঃ?

ৱৈখং— ইদানীমেৱ দুহিতৰং শকুন্তলাম্ অতিথি সৎকাৰায় নিয়ুজ্য দৈৱমস্যাঃ প্ৰতিকূলং শময়িতুং সোমতীৰ্থং গতঃ।

ৰাজা— ভৱতু। তাং এৱ দ্ৰক্ষ্যামি। সা খলু বিদিতভক্তিং মাং মহৰ্ষেঃ কৱিষ্যতি।

ৱৈখং— সাধয়ামস্তাৱৎ। (সশিষ্যো নিষ্ক্ৰান্তঃ)

ৰাজা— সূত! চোদয়াশ্বান্। পুণ্যাশ্ৰমদৰ্শনেন তাৱদাত্মানং পুনীমহি।

সূতঃ- যদাজ্ঞাপয়ত্যায়ুষ্মান্। (ভূয়োৰথৱেগং নিৰ্দ্দপয়তি)।

ৰাজা— (সমন্তাদৱলোক্য) সূত! অকথিতোহপি জ্ঞায়ত এৱ যথা অয়মাভোগস্তপোৱনস্যেতি।

সূতঃ- কথমিৱ?।

ৰাজা— কিং ন পশ্যতি ভৱান্? ইহ হি—

নীৱাৰাঃ শুকগর্ভকোটৰমুখভ্রষ্টাস্তৰ্দ্ধণামধঃ

প্ৰস্নিগ্ধাঃ ৰুচিদিঙ্গুদীফলভিদঃ সূচ্যন্ত এৱোপলাঃ।

ৱিশ্বাসোপগমাদভিন্নগতয়ঃ শব্দং সহন্তে মৃগা—

স্তোয়াধাৰপথাশ্চ-বল্কলশিখানিষ্যন্দ ৰেখাঙ্কিতাঃ।। ৯।।

সূতঃ- সৰ্ৱমুপপন্নম্।

ৰাজা— (স্তোকমন্তৰং গত্বা) তপোৱননিৱাসিনামুপৰোধো মা ভূৎ। এতাৱত্যেৱ ৰথং স্থাপয়। যাৱদৱতৰামি।

সূতঃ- ধৃতাঃ প্ৰগ্ৰহাঃ। অৱতৰত্বায়ুষ্মান্।

ৰাজা— (অৱতীৰ্য) সূত! ৱিনীতৱেষেণ প্ৰৱেষ্টব্যানি তপোৱনানি নাম। ইদং তাৱদ্ গৃহ্যতাম্ (সূতস্যাভৰণানি ধনুশ্চোপনীয়) সূত! য়াৱদাশ্ৰমৱাসিনঃ প্ৰত্যৱেক্ষ্য, অহমুপাৱৰ্তে তাৱদাৰ্দ্ৰপৃষ্ঠঃ ক্ৰিয়ন্তাং ৰাজিনঃ।

সূতঃ- তথা। (নিষ্ক্ৰান্তঃ)।

ৰাজা— (পৰিক্ৰম্যাৱলোক্য চ) ইদমাশ্ৰমদ্ৱাৰম্। যাৱৎ প্ৰৱিশামি।

(প্ৰৱিশ্য, নিমিত্তং সূচয়ন্)

শান্তমিদমাশ্ৰমপদং স্ফু�ৰতি চ বাহুঃ কুতঃ ফলমিহাস্য।

অথবা ভৱিতব্যানাং দ্ৱাৰাণি ভৱন্তি সৰ্ৱত্ৰ।। ১০।।

(নেপথ্যে)

ইত ইতঃ সখ্যৌ।

ৰাজা— (কৰ্ণং দত্বা) অয়ে! দক্ষিণেনবৃক্ষৱাটিকাম্ আলাপ ইৱ শ্ৰূয়তে। যাৱদত্ৰ গচ্ছামি। (পৰিক্ৰম্যাৱলোক্য চ) অয়ে। এতাস্তপস্বিকন্যকাঃ স্বপ্ৰমাণানুৰূপৈঃ সেচনঘটৈৰ্ৱালপাদপেভ্যঃ পয়ো দাতুমিত এৱাভিৱৰ্তন্তে। (নিপুনং নিৰূপ্য) অহো!

মধুৰমাসাং দৰ্শনম্—

শুদ্ধান্ত দুৰ্লভমিদং বপুৰাশ্ৰমৱাসিনো যদি জনস্য।

দূৰীকৃতাঃ খলু গুণৈৰুদ্যানলতা বনলতাভিঃ ।। ১১।।

য়াৱদিমাং ছায়ামাশ্ৰিত্য প্ৰতিপালয়ামি (ৱিলোকয়ন্ স্থিতঃ)

(ততঃ প্ৰৱিশতি যথোক্ত ব্যাপাৰা সহ সখীভ্যাং শকুন্তলা)

শকুন্তলা— ইতঃ ইতঃ সখ্যৌ!

অনসূয়া— হলা শকুন্তলে? ত্ৱত্তোহপি তাত কাশ্যপস্য আশ্ৰম- বৃক্ষকাঃ প্ৰিয়তৰা ইতি তৰ্কয়ামি, যেন নৱমালিকাকুসুমপেলৱা ত্ৱমপি এতেষামালৱালপূৰণে নিযুক্তা।

শকুন্তলা—

ন কেৱলং তাতনিয়োগ এৱ, অস্তি মে সোদৰ স্নেহ এতেষু।

(বৃক্ষসেচনং ৰূপয়তি)।

ৰাজা— (আত্মগতম্) কথমিয়ং সা কণ্ৱদুহিতা? অসাধুদৰ্শী খলু তত্ৰভৱান্ কাশ্যপঃ, য ইমামাশ্ৰমধৰ্মে নিযুংক্তে।

ইদং কিলাব্যাজমনোহৰং বপুঃ
তপঃ ক্ষমং সাধয়িতুং য ইচ্ছতি।
ধ্ৰুৱং স নীলোৎপল পত্ৰধাৰয়া
সমিলতাং ক্ষেত্তুমৃষির্ব্যৱস্যতি।। ১২।।
ভৱতু; পাদপান্তর্হিত এৱ ৱিস্রব্ধং তাৱদেনাং পশ্যামি।
(তথা কৰোতি)।

শকুন্তলা— হলা অনসূয়ে। অতিপিনদ্ধেন বল্কলেন প্রিয়ম্বদয়া দৃঢ়ং নিয়ন্ত্রিতাস্মি। শিথিলয় তাৱদেতৎ।

অনসূয়া— তথা। (শিথিলয়তি)।

প্রিয়ম্বদা— (সহাসম্) অত্র পয়োধৰৱিস্তাৰয়িতৃ আত্মনো যৌৱনমুপালভস্ব।

ৰাজা— কামম্ অননুৰূপমস্য বয়সঃ বল্কলম্, ন পুনৰলঙ্কাৰশ্রিয়ং ন পুষ্যতি। কুতঃ-

সৰসিজমনুৱিদ্ধং শৈৱলেনাপি ৰম্যং
মলিনমপি হিমাংশোর্লক্ষ্ম লক্ষ্মীং তনোতি।
ইয়মধিকমনোজ্ঞা বল্কলেনাপি তন্বী
কিমিৱ হি মধুৰাণাং মণ্ডনং নাকৃতীনাম্।। ১৩।।

শকুন্তলা— (অগ্রতোহৱলোক্য)। সখ্যৌ! এষ ৰাতেৰিত পল্লবা ঙ্গুলী ভিস্তুৰয়তীৱ মাংকেসৰ বৃক্ষকঃ। যাবদেন সম্ভাৱয়ামি। (পৰিক্রামতি)।

প্রিয়ম্বদা— হলা শকুন্তলে! ইহৈৱ মুহূর্তকং তিষ্ঠ।

শকুন্তলা— কিং নিমিত্তম্?

প্রিয়ম্বদা— হলা শকুন্তলে! অত্রৈৱ তাৱন্মুহূর্তং তিষ্ঠ, যাৱৎ ত্বয়োপগতয়া লতাসনাথ ইৱায়ং কেসৰবৃক্ষকঃ প্রতিভাতি।

শকুন্তলা— অতঃ খলু প্রিয়ম্বদাসি ত্বম্।

ৰাজা— প্রিয়মপি তথ্যমাহ শকুন্তলাং প্রিয়ম্বদা। অস্যাঃ খলু—

অধৰঃ কিসলয়ৰাগঃ কোমলৱিটপানুকাৰিণৌ বাহূ।
কুসুমমিৱ লোভনীয়ং যৌৱনমঙ্গেষু সংনদ্ধম্ ।। ১৪।।

অনসূয়া— হলা শকুন্তলে! ইয়ং স্বয়ম্বৰৱধূঃ সহকাৰস্য ত্বয়া কৃত নামধেয়া ৱনজ্যোৎস্নেতি নৱমালিকা। এনাং বিস্মৃতৱত্যসি?।

শকুন্তলা— তদাত্মানমপি ৱিস্মাৰয্যামি (লতামুপেত্যাৱলোক্য চ)।

হলা! ৰমণীয়ে খলু কালে এতস্য লতাপাদপমিথুনস্য ৱ্যাতিকৰঃ সংবৃত্তঃ। নৱকুসুম যৌৱনা বনজ্যোৎস্না, স্নিগ্ধ পল্লৱতয়া চ উপভোগক্ষমঃ সহকাৰঃ (পশ্যন্তী তিষ্ঠতি)।

প্রিয়ম্বদা— অনসূয়ে। জানাসি কিংনিমিত্তং শকুন্তলা বনজ্যোৎস্নামতিমাত্রং পশ্যতি?।

অনসূয়া— ন খলু ৱিভাৱয়ামি। কথয়।

শকুন্তলা— এষ নূনং তৱাত্মগতো মনোৰথঃ। (কলশমাৱর্জয়তি।

প্ৰিয়ম্বদা— যথা বনজ্যোৎস্না অনুৰূপেণ পাদপেন সংগতা, অপি নাম এৱমহমপ্যাত্মনোঽনুৰূপং ৱৰং লভয়তি।

ৰাজা— অপি নাম কুলপতেৰিয়মসৱর্ণ ক্ষেত্ৰ সংভৱা স্যাৎ? অথবা কৃতং সন্দেহেন—

অসংশয়ং ক্ষত্ৰ পৰিগ্ৰহক্ষমা যদাৰ্যমস্যামভিলাষি মে মনঃ।
সতাং হি সন্দেহপদেষু ৱস্তুষু প্ৰমাণমন্তঃ কৰণ প্ৰৱৃত্তয়ঃ।। ১৫।।
তথাপি তত্ৱত এৱৈনামুপলপ্সে।

শকুন্তলা— (সসংভ্ৰমম্) অহো! সলিলসেক সংভ্ৰমোদ্ গতো নৱমালিকা মুজিঝত্বা ৱদনং মে মধুকৰোঽভিৱর্ততে।

(ভ্ৰমবাধাং ৰূপয়তি।

ৰজা— (সস্পৃহং বিলোক্য)—

চলাপাঙ্গাং দৃষ্টিং স্পৃশসি ৱহুশো ৱেপথুমতীং
ৱহস্যাখ্যায়ীৱ স্ৱনসি মৃদু কর্ণান্তিকচৰঃ।
কৱৌ ৱ্যাধুন্ৱত্যাঃ পিবসি ৱতিসর্ৱস্ৱমধৱং
ৱয়ং তত্ৱাণ্ৱেষান্মধুকৰ! হতাস্ত্ৱং খলু কৃতী ।। ১৬।।

শকুন্তলা— ন এষ ধৃষ্টো ৱিৰমতি। অন্যতো গমিষ্যামি। (পদান্তৱে স্থিত্বা সদৃষ্টিক্ষেপম্) কথমিতোঽপ্যাগচ্ছতি?। হলা। পৰি ত্ৰায়েথাং মাং অনেন দুর্ৱিনীতেন দুষ্টমধুকৰেন অভিভূয়মানাম্।

উভে— (সস্মিতম্) কে আৱাং পৰিত্ৰাতুম্?। দুষ্যন্তমাক্রন্দ। ৰাজৰক্ষিতৱ্যানি তপোৱনানি নাম।

ৰাজা— অৱসৱোঽয়মাত্মানং প্ৰকাশয়িতুম্। ন ভেতৱ্যং ন ভেতৱ্যম্ (অর্ধোক্তে স্ৱগতম্) ৰাজহমস্মীতি পৰিজ্ঞানং ভৱিষ্যতি। ভৱতু। এৱং তাৱদভিধাস্যে।

শকুন্তলা— (পদান্তৱে স্থিত্বা, সদৃষ্টিক্ষেপম্) কথমিতোঽপি মামনুসৱতি?

ৰাজা— (সত্ৱৰমুপসৃত্য)।

কঃ পৌৰৱে বসুমতীং শাসতি, শাসিতৰি দুর্ৱিনীতানাম্।
অয়মাচৰত্যৱিনয়ং মুগ্ধাসু তপস্ৱিকন্যাসু।। ২২।।
(সর্ৱা ৰাজানং দৃষ্ট্ৱা কিঞ্চিদিৱ সম্ভ্রান্তাঃ)

অনসূয়া— আর্য! ন খলু কিমপ্যত্যাহিতম্। ইয়ং নো

প্ৰিয়সখী মধুকৰেণাভিভূয়মানা কাতৰীভূতা।
(শকুন্তলাং দর্শয়তি)।

ৰাজা— (শকুন্তলা অভিমুখো ভূত্ৱা) অপি তপো ৱর্ধতে?।

(শকুন্তলা সাধ্ৱসাদৱচনা তিষ্ঠতি)

অনসূয়া— ইদানীমতিথিবিশেষলাভেন। (শকুন্তলামুদ্দিশা) হলা শকুন্তলে! গচ্ছোটজম্; ফলমিশ্রমর্ঘমুপহৰ। ইদং পাদোদকং ভৱিষ্যতি।

ৰাজা— ভৱতীনাং সূনৃতয়ৈৱ গিৰা কৃতমাতিথ্যম্।

প্ৰিয়ম্বদা— তেন হ্যস্যাং প্রচ্ছায়শীতলায়াং সপ্তপর্ণবেদিকায়াং মুহূর্তমুপৱিশ্য পৰিশ্রমবিনোদং

কৰোত্বার্যঃ।

ৰাজা— নুনং যূয়মপ্যনেন কর্মণা পৰিশ্রান্তাঃ।

অনসূয়া— হলা শকুন্তলে! উচিতং নঃ পর্যুপাসনমতিথীনাম্;

অত্রোপৰিশামঃ। (সর্বে উপৰিশন্তি)।

শকুন্তলা— (আত্মগতম্) কিং নু খল্বিমং প্রেক্ষ্য তপোৱন ৰিৰোধিনী ৰিকাৰস্য গমনীয়স্মি সংবৃতা?।

ৰাজা— (সর্ৱা বিলোক্য) অহো! সমানৱয়োৰ্দপৰমনীয়ং ভৱতীনাং সৌহার্দম্।

প্রিয়ম্বদা— (জনান্তিকম্) হলা অনসূয়ে! কো নু খল্বেষ, চতুৰ গম্ভীৰাকৃতিশ্চতুৰং প্রিয়মালপন্ প্রভাৱৱানিৱ লক্ষ্যতে?।

অনসূয়া— হলা! মমাপি অস্তি কৌতূহলম্। পৃচ্ছামি তাৱদেনম্। (প্রকাশম্) আর্যস্য মধুৰালাপজনিতো ৰিশ্রম্ভো মাং মন্ত্রয়তে— কতমো ৱা আর্যেন ৰাজর্ষের্ৱংশোহলং ক্রিয়তে? কতমো ৱা ৰিৰহপর্যুৎসুকজনঃ কৃতো দেশঃ? কিংনিমিত্তং ৱা সুকুমাৰ তৰোহপি তপোৱনগমনপৰিশ্রমস্য আত্মা পদমুপনীতঃ?।

শকুন্তলা— (আত্মগতম্) হৃদয়! মা উত্তাম্য। এষা ত্বয়া চিন্তিতানি অনসূয়া মন্ত্রয়তে।

ৰাজ্য— (আত্মগতম্) কথমিদানীমাত্মানং নিৱেদয়ামি? কথং ৱা পৰিহাৰং কৰোমি? ভৱতু; এৱং তাৱদেনাং ৱক্ষ্যে। (প্রকাশম্) ভৱতি! যঃ পৌৰৱেণ ৰাজ্ঞা ধর্মাধিকাৰে নিযুক্তঃ সোহম্ বিঘ্নক্রিয়োপলম্ভায় পুণ্যাশ্রমদর্শনপ্রসঙ্গেন ধর্মাৰণ্যমিদমায়াতঃ

অনসূয়া— সনাথা ইদানীং ধর্মচাৰিণঃ।

(শকুন্তলা শৃঙ্গাৱলজ্জাং ৰূপয়তি)

সখ্যৌ— (উভয়োৰাকাৰং ৰিদিত্বা, জনান্তিকম্) হলা শকুন্তলে।

যদি অত্র অদ্য তাতঃ সন্নিহিতো ভৱেৎ?।

শকুন্তলা— (সৰোষমিৱ) ততঃ কিং ভৱেৎ ?।

সখ্যৌ— ইমং জীৱিত সর্বস্ৱেনাপি অতিথিবিশেষং কৃতার্থং কৰিষ্যতি।

শকুন্তলা— (সকৃতককোপম্) যুৱামপেতম্। কিমপি হৃদয়ে কৃত্বা মন্ত্রয়েথে। ন ৱাং ৱচনং শ্রোষ্যামি।

ৰাজা— বয়মপি তাৱদ্ ভৱত্যোঃ সখীগতং কিমপি পৃচ্ছামঃ।

সখ্যৌ— আর্যঃ অনুগ্রহ ইৱ ইয়মভ্যর্থনা।

ৰাজা— ভগৱান্ কাশ্যপঃ শাশ্বতে ব্রহ্মণি স্থিত ইতি প্রকাশঃ। ইয়ং চ ৱঃ সখী তদাত্মজেতি কথমেতৎ?।

অনসূয়া— শৃণোত্বার্যঃ। অস্তি কোহপি কৌশিক ইতি গোত্রনামধেয়ো মহাপ্রভাৱো ৰাজর্ষিঃ।

ৰাজা— অস্তি। শ্রূয়তে।

অনসূয়া— তমাৱয়োঃ প্রিয়সখ্যাঃ প্রভৱমৱগচ্ছথ। উজিঝতায়াঃ শৰীৰ সম্বর্ধনাদিভিস্তাতকাশ্যপোহস্যাঃ পিতা।

ৰাজা— 'উজ্ঝিত'— শব্দেন জনিতং মে কৌতূহলম্। আ মূলাচ্ছ্রোতু মিচ্ছামি।

অনসূয়া— শৃণোত্বার্যঃ, গৌতমীতীৰে পূৰা কিল তস্য উদ্ৰে তপসি ৰ্বতমানস্য কিমপি জাতশঙ্কৈঃ দৈৱৈর্মেনকানামাপ্সৰাঃ প্ৰেষিতা নিয়মবিঘ্নকাৰিণী।

ৰাজা— অস্তোতদন্য সমাধিভীৰুত্বং দেৱনাম্।

অনসূয়া— ততো ৱসন্তোদাৰৱমনীয়ে সময়ে তস্যা উন্মাদয়িতৃ ৰূপং প্ৰেক্ষ্য— (অর্ধোক্তে লজ্জায়া ৱিৰমতি)।

ৰাজা— পৰস্তাজ্ঝায়ত এৱ। সর্ৱথা অপ্সৰঃ .... সম্ভৱৈষা।

অনসূয়া— অথ কিম্?।

ৰাজা— উপপদ্যতে,

মানুষীষু কথং ৱা স্যাদস্য ৰূপস্য সংভৱঃ?।
ন প্ৰভাতৰলং জ্যোতিৰুদেতি ৱসুধাতলাৎ ।। ১৭।।

(শকুন্তলাহধোমুখী তিষ্ঠতি)

ৰাজা— (আত্মগতম্) লব্ধাৱকাশো মে মনোৱথঃ। কিন্তু তস্যাঃ পৰিহাসোদাহৃতাং ৱৰপ্ৰার্থনাং শ্রুত্বা দ্বৈধীভাৱকাতৰং মে মনঃ।

প্ৰিয়ম্বদা— (সস্মিতং শকুন্তলাং ৱিলোক্য নায়কাভিমুখী ভূত্বা)

পুনৰপি ৰক্তুকাম ইৱার্যঃ?।

(শকুন্তলা সখীমঙ্গুল্যা তর্জয়তি)

ৰাজা— সম্যগুপলক্ষিতং ভৱত্যা। অস্তি নঃ সচ্চৰিতশ্ৰৱণলোভাদন্যদপি প্ৰষ্টব্যম্।

প্ৰিয়ম্বদা— অলং ৱিচার্য। অনিস্ত্রণানুযোগস্তপস্বিজনো নাম।

ৰাজা— এতৎ পৃচ্ছামি—

ৱৈখানসং কিমনয়া ব্রতমা প্রদানাদ্
ব্যাপাৱৰোধি মদনস্য নিষেৱিতব্যম্।
অত্যন্তমেৱ সদৃশেক্ষণৱল্লভাভি—
ৱাহো নিৱৎস্যতি সমং হৱিণাঙ্গনাভিঃ ।। ১৮।।

প্ৰিয়ম্বদা— আর্য! ধর্মাচৱণেহপি পৰৱশোহয়ং জনঃ গুৰোঃ পুনৰস্যা অনুৰূপৱৰ প্রদানে সংকল্পঃ।

ৰাজা— (আত্মগতম্) ন দুৰৱাপা ইয়ং খলু প্রার্থনা।

ভৱ হৃদয়! সাভিলাষং সম্প্রতি সংদেহনির্ণয়ো জাতঃ।
আশংকসে যদগ্নিং তদিদং স্পর্শক্ষমং ৱত্নম্ ।। ১৯।।

শকুন্তলা— (সৱোষমিৱ) অনসূয়ে! গমিষ্যাম্যহম্।

অনসূয়া— কিংনিমিত্তম্?।

শকুন্তলা— ইমামসংবদ্ধপ্রলাপিনীং প্রিয়ম্বদামার্যায়ৈ গৌতম্যৈ নিৱেদয়িষ্যামি।

অনসূয়া— সখি! ন যুক্তং তে অকৃতসৎকাৱমতিথি ৱিশেষং ৱিসৃজ্য স্বচ্ছন্দতো গমনম্।

(শকুন্তলা ন কিঞ্চিদুক্ত্বা প্রস্থিতৈৱ)

ৰাজা— কথম্ গচ্ছতি? (গ্ৰহীতুমিচ্ছন্নিগৃ-হ্যাত্মানম্, আত্মগতম্) অহো। চেষ্টা প্ৰতিৰূপিকা কামিজনমনোবৃত্তিঃ। অহং হি—

অনুযাস্যন্ মুনিতনয়াং সহসা বিনয়েন বাৰিতপ্ৰসৰঃ।
স্থানাদনুচ্চলন্নপি গত্বেৰ পুনঃ প্ৰতিনিবৃত্তঃ।। ২০।।

প্ৰিয়ম্বদা— (শকুন্তলাং নিৰুধ্য) হলা। ন তে যুক্তং গন্তম্।

শকুন্তলা— (সভ্ৰূভঙ্গম্) কিংনিমিত্তম্?।

প্ৰিয়ম্বদা— বৃক্ষসেচনে দ্বে ধাৰয়সি মে। এহি তাৰৎ, আত্মানম্
মোচয়িত্বা ততো গমিষ্যসি। (বলাদেনাং নিৰ্ৱর্তয়তি)।

ৰাজা— ভদ্ৰে! বৃক্ষসেচনাদেৰ পৰিশ্ৰান্তামত্ৰভৱতীং লক্ষয়ে।

তথাহি অস্যাঃ-
স্ৰস্তাংসাৱতিমাত্ৰ লোহিত তলৌ বাহূ ঘটোৎক্ষেপনা
দদ্যাপি স্তনৱেপথুং জনয়তি শ্বাসঃ প্ৰমাণাধিকঃ।
স্ৰস্তং কৰ্ণশিৰীষৱোধি বদনে ঘৰ্মাম্ভসাং জালকং
বন্ধে স্নংসিনি চৈকহস্তয়মিতাঃ পৰ্যাকুলা মূৰ্ধজাঃ।। ২১।।
তদহমেনামনৃনাং কৱোমি। (অঙ্গুলীয়ং দাতুমিচ্ছতি)।
(উভে নাম মুদ্ৰাক্ষৰাণি অনুৱাচ্য পৰস্পৰমৱলোকয়তঃঃ

ৰাজা— অলমন্যথা সংভাৱ্য। ৰাজ্ঞঃ পৰিগ্ৰহোহয়ম্।

প্ৰিয়ম্বদা— তেন হি নাৰ্হত্যেতদঙ্গুলীয়কমঙ্গুলী বিয়োগম্। আৰ্যস্য ৰচনেনৈৰ অনৃনা এষা। (কিঞ্চিদ্ ৰিহস্য) হলা শকুন্তলে!

মোচিতাসি অনুকম্পিনা আৰ্যেন, অথৱা মহাৰাজেন, গচ্ছেদানীম্।

শকুন্তলা— (আত্মগতম্) গমিষ্যামি, যদ্যাত্মনঃ প্ৰভৱিষ্যামি। (প্ৰকাশম্) কা ত্বং ৰিসৰ্জিতৱ্যস্য ৱোদ্ধৱ্যস্য ৱা।

ৰাজা— (শকুন্তলাং ৰিলোক্য) (আত্মগতম্) কিং নু খলু যথাৱয়ম্ অস্যাম্, এৱম্ ইয়মপি অস্মান্ প্ৰতি স্যাৎ। অথৱা লব্ধাৱকাশা মে প্ৰাৰ্থনা। কুতঃ—

ৰাচং ন মিশ্ৰয়তি যদ্যপি মদ্ৱচোভিঃ
কৰ্ণং দদাত্যৱহিতা ময়ি ভাসমানে।
কামং ন তিষ্ঠতি মহানন সংমুখীয়ং
ভূয়িষ্ঠমন্যৰিষয়া ন তু দৃষ্টিৰস্যাঃ।। ২২।।

(নেপথ্যে)

ভো ভোস্তপস্বিনঃ! সংনিহিতাস্তপোৱনসত্ত্বৰক্ষায়ৈ ভৱত।
প্ৰত্যাসন্নঃ কিল মৃগয়াবিহাৰী পাৰ্থিৱো দুষ্যন্তঃ।
তুৰগখুৰহতস্তথা হি ৰেণু
ৰিটপ-ৰিষক্ত-জলাদ্ৰৱল্কলেষু।

পততি পৰিণতাৰুণ প্ৰকাশঃ
শলভসমূহ ইৱাশ্ৰমদ্ৰুমেষু।। ২৩।।

অপি চ—

তীব্ৰাঘাতাদতিমুখ তৰুস্কভগ্নৈকদন্তঃ
পাদাকৃষ্টব্ৰততিৱলয়াসঙ্গ সঞ্জাতপাশঃ।
মূৰ্তো বিঘ্নস্তপস ইৱ নো ভিন্নসাৱঙ্গযূথো
ধৰ্মাৰণ্যং ৰিৰুজতি গজঃ স্যন্দনালোকভীতঃ।। ২৪।।
(সৰ্ৱাঃ কৰ্ণ দত্ত্বা কিঞ্চিদিৱ সংভ্ৰান্তাঃ)

ৰাজা— (আত্মগতম্) অহো ধিক্। পৌৰা অস্মদন্বেষিণস্তপোৱনমপৰুন্ধন্তি। ভৱতু, প্ৰতিগমিষ্যামস্তাৱৎ।

সখ্যৌ— আৰ্য! অনেনাৰণ্যকৰৃত্তান্তেন পৰ্যাকুলাঃ স্মঃ। অনুজানীহি নঃ উটজগমনায়।

ৰাজা— (সসংভ্ৰমম) গচ্ছন্ত ভৱত্যঃ। ৱয়মপ্যাশ্ৰমপীড়া যথা ন ভৱতি তথা প্ৰয়তিষ্যামহে।

(সৰ্ৱে উত্তিষ্ঠন্তি)

সখ্যৌ— আৰ্যাঅসম্ভাৱিতাতিথি সৎকাৰং ভূয়োহপি প্ৰেক্ষণনিমিত্তম্ লজ্জাৱহে আৰ্যং ৱিজ্ঞাপয়িতুম্।

ৰাজা— মা মৈৱম্; দৰ্শনেনৈৱাত্ৰভৱতীনাং পুৱস্কৃতোহস্মি।

শকুন্তলা— অভিনৱকুশসূচি-পৰিক্ষিতৌ মে চৰনৌ কুৰৱকশাখা পৰিলগ্নং চ মে ৱল্কলম্। তৎ প্ৰতিপালয়তং মাম্, যাৱদেতৎ মোচয়ামি।

(শকুন্তলা ৰাজানমৱলোকয়ন্তী সব্যাজং বিলম্ব্য সহ সখীভ্যাং নিষ্ক্ৰান্তা)

ৰাজা— (নিশ্শ্বস্য) হন্ত। গতাঃ সৰ্ৱাঃ। অহং পুনঃ মন্দোৎসুকয়োহস্মি গমনং প্ৰতি। যাৱদানুযাত্ৰিকান্ সমেত্য নাতিদূৰে তপোৱনস্য নিৱেশয়েয়ম্। (দ্বিপদিকয়া) ন খলু শক্নোমি শকুন্তলাব্যাপাৰাদাত্মানং নিৱর্তয়িতুম্। মম হি,—

গচ্ছতি পুৰঃ শৰীৰং ধাৱতি পশ্চাদসংস্তুতং চেতঃ।
চীনাংশুকমিৱ কেতোঃ প্ৰতিৱাতং নীয়মানস্য।। ২৫।।
(নিষ্ক্ৰান্তাঃ সৰ্ৱে) ইতি প্ৰথমোহঙ্কঃ।।

## ৫.৪ সংস্কৃত পাঠ্যাংশৰ অসমীয়া অনুবাদ

ওপৰত বৰ্ণনা কৰা অভিজ্ঞান শকুন্তলম্ নাটকৰ ১ম অঙ্কৰ দৃশ্যবোৰৰ অসমীয়া অনুবাদ তলত দিয়া হ'ল—

(তাৰ পাছত সাৰথিৰ সৈতে ৰজা (দুষ্যন্তই) হাতত ধনু-শৰ লৈ ৰথত উঠি এটা হৰিণৰ পাছে পাছে খেদি যায়)।

সাৰথি— (ৰজা আৰু হৰিণটোলৈ চাই) হে আয়ুষ্মন্! হৰিণটোলৈ আৰু ধনু-শৰ হাতত লৈ থকা আপোনালৈ চাই মৃগ অন্বেষণ কৰা পিনাকপাণি মহাদেৱক দেখা যেন পাইছো।১

ৰজা— হে সাৰথি! এই হৰিণটোৱে আমাক বহুদূৰলৈ আনিলে। কিন্তু সি এতিয়াও মনোহৰভাৱে ডিঙি বেঁকা কৰি বাৰে বাৰে পাছে পাছে ধাৱমান আমাৰ ৰথৰ ফালে উভতি চাইছে; শৰীৰত শৰ পৰাৰ ভয়ত তাৰ শৰীৰৰ আগছোৱা পাছচোৱাত কোঁচ খুৱাই সুমুৱাইছে; পৰিশ্ৰমত ক্লান্ত হৈ মুখ মেলাত আধা খোৱা কুশঘাঁহবোৰ বাটত সিচৰতি হৈ পৰিছে; চোৱাচোন সি দীঘলীয়াকৈ জঁপিয়াই যাওঁতে দুভাগ বাট আকাশৰ ওপৰেৰে গৈছে, মাটিত কমেই লাগি গৈছে। আমি তাৰ পাছে পাছে খেদি আহিলেও তাক ভালদৰে দেখা পোৱা নাই।

সাৰথি— আয়ুষ্মন্! এই ভূমি ভাগ খলা-বমা হোৱা বাবে মই (ঘোঁৰাৰ) লেকাম টানি ধৰাত ৰথৰ বেগ কমিছে; সেয়ে হৰিণটো আমাৰ পৰা অধিক আঁতৰলৈ গৈছে। এতিয়া আমি সমতল পালোহি, এতিয়া সি আপোনাৰপৰা দূৰস্থ হৈ নাথাকিব।

ৰজা— তেনেহ'লে তুমি সিহঁতৰ লেকাম ঢিলাই দিয়া।

সাৰথি— সেয়ে হওক হে আয়ুষ্মন্! (ৰথৰ গতি নিৰূপণ কৰি) আয়ুষ্মন্ চাওঁক চাওঁক! লেকাম ঢিলাই দিয়াত ঘোঁৰাবোৰে যেনিবা হৰিণটোৰ বেগ সহিব নোৱাৰি কেনেকৈ লৰি গৈছে। সিহঁতৰ শৰীৰৰ আগচোৱা একেবাহে দীঘলীয়া হৈ গৈছে, মূৰত বন্ধা চামৰৰ আগবোৰ থিৰে আছে; আৰু সিহঁতৰ খুৰাৰে উৰুৱা ধূলিবোৰে সিহঁতৰ শৰীৰ স্পৰ্শ কৰিব পাৰা নাই। ৩

ৰজা— ঠিকে কৰিছা। ৰথৰ ঘোঁৰাবোৰে সূর্য আৰু ইন্দ্ৰৰ ঘোঁৰাতকৈও অধিক বেগত লৰিছে। তাৰ ফলত যিটোক সৰু দেখা গৈছিল হঠাৎ সি ডাঙৰ হৈ পৰিছে। যাৰ মাজত ফাক আছিল, সেয়া যেন জোৰা লাগিছে। যিটো বাস্তৱিকৰূপত বেঁকা তাকো সৰল যেন দেখা গৈছে। ৰথৰ বেগত কোনো বস্তু এখন্তেকো আমাৰ ওচৰত বা দূৰত ৰৈ থকা নাই।

সাৰথি, চোৱা, এইবাৰ হৰিণটো মৰিল। (ধনুত শৰ লগোৱাৰ অভিনয় কৰিলে)।

(নেপথ্যত)

হে ৰাজন্ এইটো আশ্ৰমৰ মৃগ। ইয়াক নামাৰিব, নামাৰিব।

সাৰথি— (শুনি আৰু আগলৈ চাই) হে আয়ুষ্মান্। আপোনাৰ শৰ আৰু হৰিণৰ মাজত কোনো এজন তপস্বী আহি ওলাইছে।

ৰজা— (ব্যগ্ৰভাৱে) তেনেহ'লে ঘোঁৰাকেইটা ৰাখা।

সাৰথি— বাৰু। (ৰথখন ৰাখে)।

(তাৰ পাছত এজন **বৈখানসে** শিষ্যসহ প্ৰৱেশ কৰে)

বৈখানস— (হাত তুলি) হে ৰাজন্! এয়া যে আশ্ৰমৰ হৰিণ; তাক নামাৰিব, নামাৰিব।

দ্বিতীয়— তুলাৰ দমত জুই লগোৱাৰ দৰে আপোনাৰ এই বাণে হৰিণটোৰ কুমলীয়া শৰীৰত কেতিয়াও প্ৰহাৰ কৰা উচিত নহ'ব।

তৃতীয়— হৰিণৰ কোমল আৰু অতিশয় ক্ষীণ প্ৰাণেই বা ক'ত; আপোনাৰ বজ্ৰৰ দৰে কঠোৰ তীব্ৰঘাতী বানেই বা ক'ত?

বৈখানস— গতিকে আপুনি নিপুণভাৱে যি শৰ সন্ধান কৰিছে, তাক সম্বৰণ কৰক; কিয়নো

*নেপথ্য* = নেপথ্য হৈছে ৰঙ্গমঞ্চৰ পশ্চাৎ ভাগ, য'ত ভাৱৰীয়া সকলে সাজপাৰ পিন্ধে, প্ৰসাধন কৰে।

*বৈখানস*= এজন বান-প্ৰস্থী তপস্বী।

আপোনাৰ অস্ত্ৰ আতুৰ জনৰ ত্ৰাণৰ কাৰণেহে, ই নিৰ্দোষীৰ ওপৰত প্ৰহাৰ কৰিবলৈ নহয়।

ৰজা— বাৰু মই এয়া শৰ সামৰিছো। (শৰ সম্বৰণ কৰে)।

বৈখানস— এয়া পুৰুৱংশৰ প্ৰদীপ স্বৰূপ আপোনাৰ পক্ষে যথাযোগ্য হৈছে।

পুৰুৱংশত জন্ম যাৰ হৈছে তেনে জনৰ বাবে যথাযোগ্য হৈছে। আপুনি এনেকুৱা গুণৱান চক্ৰৱৰ্তী পুত্ৰ লাভ কৰক।

আনসকল— সৰ্বথা চক্ৰৱৰ্তী পুত্ৰ লাভ কৰক। (হাত তুলি কলে)।

ৰজা— (প্ৰণাম জনাই) আপোনাৰ আশীৰ্বাদ গ্ৰহণ কৰিলো।

বৈখানস— ৰাজন্! আমি (যজ্ঞ কাষ্ঠ) সমিধ আহৰণ কৰিবলৈ ওলাইছো। সৌৱা মালিনীনৈৰ তীৰত **কুলপতি** কণ্বৰ আশ্ৰম দেখা গৈছে। যদি আপোনাৰ ৰাজকাৰ্যত ব্যাঘাত নহয় তেনেহ'লে তালৈ গৈ আতিথ্য সৎকাৰ গ্ৰহণ কৰিব পাৰে। তদুপৰি তপস্বীসকলৰ বিঘিনিশূন্য আৰু সম্যকভাৱে অনুষ্ঠিত যজ্ঞাদি কৰ্ম দেখি বুজিব পাৰিব আপোনাৰ জ্যাচিহ্নিত দুবাহুয়ে কিমান দূৰলৈ প্ৰজাসাধাৰণক ৰক্ষা কৰে।

ৰজা— কুলপতি কণ্বদেৱ এতিয়া আশ্ৰমত আছেনে?

বৈখানস— সম্প্ৰতি তেখেতে তেখেতৰ কন্যা শকুন্তলাৰ ওপৰত অতিথি সৎকাৰৰ ভাৰ দি থৈ তেওঁৰ (কন্যাৰ) প্ৰতিকূল দৈৱ প্ৰশমনৰ বাবে সোমতীৰ্থলৈ গৈছে।

ৰজা— বাৰু। মই তেওঁকে দেখা কৰিম। তেৱেঁ মোৰ (ঋষি) ভক্তিৰ কথা মহৰ্ষিক জনাব পাৰিব।

বৈখানস— তেনেহ'লে আমি নিজকাৰ্য কৰোঁগৈ (সশিষ্যে যায়)।

ৰজা— সাৰথি! ঘোঁৰা চলোৱা। পুণ্যাশ্ৰমত এভূমুকি মাৰি নিজক পূত- পৱিত্ৰ কৰোঁগৈ।

সূত— আয়ুষ্মানে যি আদেশ কৰিছে, তাকে কৰোঁ। (আকৌ ৰথ চলোৱাৰ অভিনয় কৰে)।

ৰজা— (চাৰিওফালে চাই) সাৰথি। কোনেও নকলেও অনায়াসে বুজিব পাৰি যে এয়া তপোৱনৰ সীমান্ত।

সাৰথি— কেনেকৈ বুজিলে?

ৰজা— এয়া, তুমি দেখা নাইনে? ইয়াতে— গছৰ ধোন্দত বাহ লোৱা ভাটোৰ মুখৰ পৰা সৰি পৰা ধানবোৰ গছৰ তলত পৰি আছে; কোনোবা ঠাইত তেল লগা নিমজ শিলবোৰ দেখি বুজা যায় যে তপস্বীসকলে সেই শিলবোৰৰ ওপৰত ঈঙ্গুদী গুটিবোৰ থেতালি তেল উলিয়াইছিল; হৰিণবোৰে ইমান ভয়-ভীত নোহোৱাকৈ আমাৰ ৰথৰ শব্দ শুনিও পলোৱা নাই; অস্বন্দে ঘূৰি ফুৰিছে আৰু পানীলৈ যোৱা বাটতো তপস্বীসকলৰ বল্কলৰ আগৰ পৰা নিগৰি পৰা পানীৰ দাগ লাগি আছে।

সাৰথি— সকলো সুসঙ্গত হৈছে।

ৰজা— (অলপ দূৰ গৈ) তপোৱনবাসীসকলৰ কোনো প্ৰকাৰৰ অসুবিধা কৰা উচিত নহ'ব; সেইবাবে ইয়াতে ৰথ ৰাখা, মই নামি যাওঁ।

সাৰথি— মই ঘোঁৰাৰ লেকাম টানি ধৰিছোঁ; আয়ুষ্মানে নামি যাওঁক।

ৰজা— (অৱতৰণ কৰি) সাৰথি; বিনীতবেশেৰে তপোবনলৈ যাব লাগে; সেয়ে এইবোৰ ইয়াতে



***কুলপতি*** = কুলপতি হৈছে দহ হাজাৰ শিষ্য থকা আচাৰ্য।

ৰাখি থোৱা (ধনু আৰু আভৰন আদি খুলি সাৰথিৰ হাতত দিলে)। সাৰথি! মই আশ্রমৱাসীসকলক দেখা কৰি অহালৈকে তুমি ঘোঁৰাকেইটাক গা ধুওঁৱা।

সাৰথি— বাৰু তাকে কৰোঁ (ওলাই যায়)।

ৰজা— (অলপ দূৰ খোজ কাঢ়ি আৰু ইফালে-সিফালে চাই) এয়া আশ্রমৰ দুৱাৰ মুখ, সোমাই যাওঁ। (প্ৰৱেশ কৰি, গাৰ অঙ্গ কঁপা ভাৰ কৰি) এই আশ্রমস্থলী শান্তি ক্ষেত্ৰ; তথাপি মোৰ সোঁৱাহুটো কঁপিছে। তাৰ ফল স্ত্রীলাভ; ইয়াত তাৰ ফল কেনেকৈ সম্ভৱ হ'ব পাৰে? অথবা হ'ব লগাটোৰ দুৱাৰ সকলো ঠাইতে খোলা থাকে।

(নেপথ্যত)

এইফালে, এইফালে সখীহঁত।

ৰজা— (কাণ দি) সেই গছৰ শাৰীৰ সোঁফালে কথা-বতৰাৰ শব্দ শুনা গৈছে। সেই ফালে যাওঁচোন। (অলপ গৈ, আগলৈ চাই) আহা! সৌ তপস্বী কন্যা কেইজনীয়ে নিজৰ দেহৰ অনুৰূপ কলহ হাতত লৈ সৰু-সুৰা গছৰ গুৰিত পানী দিবলৈ এইফালে আহিছে। (ভালদৰে চাই) আহা! এওঁলোকৰ দর্শন কেনে মনোমোহা। আশ্রমবাসী কন্যাসকলৰ ৰূপ যদি অন্তঃপুৰৰ বাবে এনে দুর্লভ যেন হয়, তেনেহ'লে ক'ব লাগিব যে বনলতাৰ শোভাই উদ্যানলতাক চেৰ পেলাইছে। বাৰু! এই গছৰ ছাঁতে থাকি এইসকলৰ ৰেহৰূপ নজৰ কৰোঁচোন। (ৰজাই তেনেকৈ ৰৈ আশ্রম কন্যাসকলক চাই ৰ'ল)।

(দুই গৰাকী সখীৰে সৈতে ওপৰত কোৱাৰ দৰে শকুন্তলাই প্ৰবেশ কৰে)

শকুন্তলা— এই ফালে, এই ফালে সখীদ্বয়।

অনসূয়া— হেৰা সখী শকুন্তলা! আশ্রমৰ সৰু-সুৰা গছবোৰক পিতা কাশ্যপে তোমাতকৈও অধিক ভাল পাই যেন পাওঁ, কাৰণ তুমি নৱমালিকা ফুলতকৈও কোমলতৰ হ'লেও তেওঁ তোমাক এই গছবোৰৰ গুৰিত পানী দিবলৈ নিয়োগ কৰিছে।

শকুন্তলা— কেৱল পিতাই কোৱা বাবেই নহয়, ইহতঁৰ প্ৰতি মোৰ সহোদৰ তুল্য চেনেহো আছে নহয়। (গছৰ গুৰিত পানী দিয়াৰ অভিনয় কৰে)।

ৰজা— (নিজৰ মনতে) এইগৰাকীয়ে কণ্বৰ দুহিতা নেকি? মাননীয় কাশ্যপ কণ্বই এওঁক আশ্রমধর্মত কামত লগাই সুবিবেচনাৰ পৰিচয় দিয়া নাই। সঁচাকৈয়ে কোনো কৃত্রিম প্রসাধন অবিহনে স্বভাৱতে মনোহৰ এনে শৰীৰক যিজনে তপঃক্ষম কৰাৰ চেষ্টা কৰে, সেই গৰাকী ঋষিবৰে নিশ্চয় নীল পদুমৰ পাপৰিৰ ধাৰেৰে শমী গছ কটাৰ (বৃথা) যত্ন কৰে। বাৰু, গছৰ আঁৰত থাকিয়েই তেওঁলোকৰ অজ্ঞাতে তেওঁলোকক চাই থাকোঁচোন। (তাকে কৰে)। ১২

শকুন্তলা— (গছৰ গুৰিত পানী দিবলৈ এৰি) সখী অনসূয়া। প্রিয়ম্বদাই মোৰ বল্কলখন গাত ইমান আটিল কৰি বান্ধি দিছে, তাৰ বাবে মোৰ বৰ কষ্ট হৈছে, অলপ ঢিলাই দিয়ানা!

অনসূয়া— সেয়ে হওক। (ঢিলা কৰি দিলে)।

প্রিয়ম্বদা— (হাঁহি মাৰি) তাৰ বাবে তোমাৰ পয়োধৰ বঢ়োৱা নিজৰ যুৱতী অৱস্থাকহে দোষ দিবা (মোক নহয়)।

ৰজা— সঁচাকৈয়ে গছৰ বাকলি এনে শৰীৰৰ বাবে উপযোগী নহয়, কিন্তু তাতো আকৌ অলংকাৰৰ শোভা যে একেবাৰে হোৱা নাই তেনে নহয়। কাৰণ, শেলুৰৈৰে জৰিত হ'লেও পদুম ফুল সদায় ৰমনীয় হয়; মলিন হ'লে চন্দ্ৰৰ কলঙ্কই চন্দ্ৰৰ শোভা বঢ়ায়, এই তন্বী বল্কল পৰিহিতা হ'লেও অধিক মনোৰমা হৈছে; স্বভাৱতে মধুৰ আকৃতিৰ সকলক কিহেনো সুশোভিত নকৰে।। ১৩

শকুন্তলা— (আগলৈ চাই) সৌৱা বতাহত লৰ-চৰ কৰা পল্লৱৰ আঙুলিৰে সৰু বকুল জোপাই মোক বেগতে ওচৰলৈ আহিবলৈ যেন মাতিছে, তাৰ ওচৰলৈ যাওঁচোন। তাক চাওঁগৈ (আগুৱাই গ'ল)।

প্ৰিয়ম্বদা— সখী শকুন্তলা! তাতেই ক্ষন্তেকলৈ থিয় হৈ থকাচোন, তুমি থকা সময়ত সৰু বকুল গছজোপাক লতাযুক্ত হোৱা যেন লাগিছে।

শকুন্তলা— সেই বাবেইতো তোমাৰ প্ৰিয়ম্বদা নাম উপযুক্ত হৈছে।

ৰজা— প্ৰিয়ম্বদাই শকুন্তলাক কেবল প্ৰিয়কথাই কোৱা নাই; সঁচা কথাও কৈছে। তেওঁৰ অধৰ কুঁহিপাতৰ দৰে, দুই বাহু কোমল বৃক্ষ শাখাৰ দৰে আৰু সৰ্বাঙ্গত ফুলৰ দৰে লোভনীয় যৌৱন বিকশিত হৈছে।। ১৪

অনসূয়া— সখী শকুন্তলা! যাৰ নাম তুমি বনজ্যোস্না ৰাখিছিলা, সৌ নৱমল্লিকাজোপা, যিয়ে স্বয়ম্বৰত আম্ৰবৃক্ষক বিয়া কৰাইছে, তাক পাহৰিছা নে কি?

শকুন্তলা— তেনেহ'লেচোন মই নিজকে পাহৰিম। (লতা জোপাৰ ওচৰ চাপি গৈ, চাই) বৰ চমৎকাৰ সময়তে এই লতা আৰু গছ যুগলৰ মিলন ঘটিছে— বনজ্যোৎস্না নকৈ ফুলেৰে প্ৰফুল্লিত আৰু আম্ৰবৃক্ষও স্নিগ্ধ পল্লবেৰে উপভোগক্ষম। (থিয় হৈ চাবলৈ ধৰিলে)।

প্ৰিয়ম্বদা— জানা নে অনসূয়া, শকুন্তলাই বনজ্যোৎস্নাক ইমান মনোযোগ দি কিয় চাই আছে?

অনসূয়া— মইচোন ভাবি পোৱা নাই। তুমি বাৰু কোৱাচোন।

প্ৰিয়ম্বদা— তেওঁ ভাবিছে- 'ৱনজ্যোৎস্নাই যেনেকৈ সুযোগ্য গছৰ সৈতে যুক্ত হৈছে, ময়ো যেন তেনে নিজৰ যোগ্য বৰ পাওঁ।'

শকুন্তলা— এয়া তুমি নিশ্চয় তোমাৰ নিজৰ সম্বন্ধে ইচ্ছাৰ কথাকে কৈছা (কলহ উবুৰিয়াই গছৰ গুৰিত পানী দিলে)।

ৰজা— শকুন্তলা কুলপতিৰ অসৱৰ্ণা পত্নীৰ গৰ্ভজাতা কন্যা হোৱা সম্ভৱ নে কি? নাইবা এনেকুৱা সন্দেহ কৰাৰ প্ৰয়োজন নাই। মোৰ নিষ্পাপ মনে যেতিয়া শকুন্তলাক পাবলৈ অভিলাষী হৈছে, তেতিয়া তেওঁ নিশ্চয় ক্ষত্ৰিয়ৰ বিৱাহযোগ্য হ'ব, কাৰণ, কোনো বিষয় সম্বন্ধে সজ্জনৰ মনত দ্বিধা উপস্থিত হ'লে, তেওঁৰ নিজৰ মনোগত প্ৰবৃত্তিয়ে তেওঁৰ নিৰ্দেশক হয়। তথাপি শকুন্তলা সম্বন্ধে সঠিক তথ্য জানিব লাগিব।। ১৫

শকুন্তলা— (ভয় খাই) আই ঔ! গাত পানী পৰাত খং খাই এই ভোমোৱাটোৱে নৱমালিকাৰ পৰা হঠাতে উৰি মোৰ মুখৰ ফালে আহিছে। (ভোমোৱাক বাধা দিয়াৰ অভিনয় কৰে)।

ৰজা— (হাৰিয়াস কৰি) হে মধুকৰ! যি কঁপনি উঠা চকুৰে তেওঁ ক্ৰমশঃ চঞ্চলভাবে ইফালে

সিফালে চাইছে, তাকে তুমি বাৰে বাৰে স্পৰ্শ কৰিছা। তেওঁৰ কাণৰ কাষলৈ উৰি উৰি গোপন কথা কোৱাৰ দৰে মৃদু গুঞ্জন কৰিছা। তেওঁ দুহাত ঘুৰাই বাধা দিয়াৰ চেষ্টা কৰা সত্বেও তেওঁৰ ৰতিসৰ্বস্ব অধৰ পান কৰিছা- সেয়ে তুমি কৃতী (কৃতকাৰ্য) আৰু মই তেওঁৰ বিষয়ে তত্বান্বেষণৰ কথা ভাবি মৰিছো।

শকুন্তলা— নাই, দুষ্ট ভোমোৰাটোৱে মোক এৰা নাই, আন ঠাইলৈ যাওঁ। (এখোজ গৈ ভোমোৰাটোলৈ চাই), সি ইয়ালেও আহিছে। হেৰা (সখীসকল) দুষ্ট ভোমোৰাটোৱে মোক বৰ ব্যাকুল কৰিছে; মোক ৰক্ষা কৰা না?।

সখীদ্বয়— (হাঁহি মাৰি) আমি তোমাক বচাবলৈ কোন? দুষ্যন্তক চিঞৰি মাতা, তপোৱন ৰক্ষা কৰাটো ৰজাৰহে কাম।

ৰজা— মই দেখা দিয়াৰ এয়ে সুযোগ। ভয় নাই, ভয় নাই (এইদৰে ক'বলৈ আৰম্ভ কৰি, নিজে নিজে) তেনেকৈ ক'লে, মই যে ৰজা সেইটো প্ৰকাশিত হ'ব। বাৰু এনেকৈ কোৱা যাওঁক।

শকুন্তলা— (এখোজ আনফালে গৈ, আকৌ তাক চাই) ইয়াতো সি মোৰ পাছ এৰা নাই।

ৰজা— (হঠাতে ওলাই আহি) হেৰৌ! দুষ্টসকলৰ শাসনকৰ্তা পৌৰৱে পৃথিৱী শাসন কৰি থাকোঁতে কোনে সৰলা তপস্বী কন্যাসকলৰ লগত এনেখন অসৎ আচৰণ কৰিছে?

(ৰজাক দেখি সকলোৱে কিছু ভয় খায়)

অনসূয়া— আৰ্য! তেনে একো এটা দুৰ্ঘটনা হোৱা নাই। আমাৰ এই প্ৰিয়সখী এটা ভোমোৰাৰ উৎপাতত কাতৰ হৈ পৰিছে।

(এইদৰে কৈ শকুন্তলাক দেখুৱালে)।

ৰজা— (শকুন্তলাৰ ফালে চাই), তোমাৰ তপস্যা বাঢ়িছে নে?

(শকুন্তলা ভয়তে নিমাত হৈ থাকে)।

অনসূয়া— এনেকৈ এতিয়া এজন বিশিষ্ট অতিথি লাভ হ'ল। শকুন্তলা। কুটীৰলৈ যোৱা, ফলেৰে সৈতে অৰ্ঘ লৈ আহা, ইয়াত থাকা পানীয়ে পাদোদক হ'ব।

ৰজা— তোমালোকৰ মিঠামাতেৰেই অতিথি সৎকাৰ সম্পন্ন হৈছে।

প্ৰিয়ম্বদা— তেনেহ'লে আৰ্য এই সপ্তপৰ্ণ গছৰ ঘন ছায়াৰ শীতল বেদিকাত বহি পৰিশ্ৰম দূৰ কৰক।

ৰজা— তোমালোকে কৰি থকা কামতেও তোমালোক নিশ্চয় পৰিশ্ৰান্তা হৈছা।

অনসূয়া— শকুন্তলা। অতিথি সেৱাৰ কাৰণে আমিও ওচৰত থকা উচিত হ'ব; আহা, আমিও ইয়াত বহো। (সকলোৱে বহে)।

শকুন্তলা— (নিজে) এখেতক দেখা পাই মোৰ মনত আশ্ৰম বিৰুদ্ধ ভাৱৰ উদয় হৈছে কিয়?

ৰজা— (সকলোলৈ চাই) আহা! একে বয়স আৰু একে ৰূপৰ তোমালোকৰ বন্ধুত্ব দেখিবলৈ তেনেই মনোৰম!

প্ৰিয়ম্বদা— (একাষৰীয়াকৈ) সখী অনসূয়া! বুদ্ধিমান আৰু গম্ভীৰ আকৃতিৰ, প্ৰিয় আৰু মধুৰ ভাষী এখেতক কোনো উচ্চ পদস্থ লোক বুলি মন হৈছে, কিন্তু এখেত কোন সেয়ে প্ৰশ্ন?

অনসূয়া— হে সখী! সেইটো মোৰ মনৰো কৌতূহলৰ বিষয়। তেওঁকে সুধি চাওঁচোন। (প্ৰকাশ কৰি) আৰ্যৰ মিঠা কথাত ভৰষা কৰি আমি সুধিবলৈ আঁসৈ পাইছো, আৰ্যই বা কোন ৰাজবংশক অলংকৃত কৰিছে? আপুনি কোন দেশৰ লোকক নিজৰ বিৰহত ব্যাকুল কৰিছে? আৰু অত্যন্ত সুকুমাৰ শৰীৰৰ হোৱা সত্বেও কিয় তপোবনলৈ আগমনৰদৰে পৰিশ্ৰম স্বীকাৰ কৰিছে?

শকুন্তলা— (নিজে নিজে) হৃদয় অধীৰ নহবি। তোৰ যি জানিবলৈ ইচ্ছা, অনসূয়াই তাকে সুধিছে।

ৰজা— (নিজকে নিজে) এতিয়া নিজৰ পৰিচয় প্ৰকাশ কৰোঁ নে আত্মগোপন কৰোঁ? বাৰু এওঁলোকক এনেকৈ কওঁ— (প্ৰকাশ্যে) চোৱা, পৌৰৰ ৰজাই মোক ধৰ্মাধিকাৰত নিয়োগ কৰাত মই তপোবনৰ কাজ-কাম নিৰ্বিঘ্নে হৈছে নাই তাকে জানিবলৈ আশ্ৰমলৈ আহিছো।

অনসূয়া— তেনেহ'লে, তপোবনবাসীসকল নাথৱন্ত (অৰ্থাৎ গৰাকীযুক্ত) হ'ল। (শকুন্তলাই শৃঙ্গাৰজনিত লাজ প্ৰদৰ্শন কৰে)।

সখীদ্বয়— (ৰজা আৰু শকুন্তলাৰ পাৰস্পৰিক মনোভাৱ বুজি, এফলীয়াকৈ) সখী শকুন্তলা! যদি আজি ইয়াত পিতা কণ্ব উপস্থিত থাকিলহেঁতেন?

শকুন্তলা— তেনেহ'লে কি হ'লহেঁতেন?

সখী দুজনী— তেনেহ'লে এই বিশিষ্ট অতিথিক নিজস্ব জীৱন সৰ্বস্ব পৰ্যন্ত দি কৃতাৰ্থ কৰিলেহেঁতেন।

শকুন্তলা— (কোপ প্ৰকাশ কৰি) দূৰ হোৱা তোমালোক। নিজৰ মনতে কিবা ভাবি তাকে কৈছা। তোমালোকৰ কথা মই নুশুনো।

ৰজা— তেনেহ'লে ময়ো তোমালোকৰ সখী সম্বন্ধে কিছু কথা সুধিব খোজোঁ।

সখী দুজনী— আৰ্য, তেনে অনুৰোধ আমাৰ পক্ষে অনুগ্ৰহ স্বৰূপ হ'ব।

ৰজা— শুনিবলৈ পাইছো যে ভগৱান কাশ্যপ আজন্ম ব্ৰহ্মচাৰী হৈ আছে। তেনেহ'লে তোমালোকৰ এই সখী তেওঁৰ আত্মজা (নিজৰ পুত্ৰী) কেনেকৈ হ'ল?

অনসূয়া— শুনক আৰ্য। কৌশিক গোত্ৰীয় এজন প্ৰভাৱশালী ৰাজৰ্ষি আছে।

ৰজা— হয়, (তেনে এজন ৰাজৰ্ষি আছে বুলি) শুনিছো।

অনসূয়া— তেওঁকেই আমাৰ সখীৰ জনক বুলি জানিব। পৰিত্যক্ত অৱস্থাত আমাৰ পিতা কাশ্যপে আনি লালন-পালন কৰি তেৱেঁই এওঁৰ পিতা হৈছে।

ৰজা— 'পৰিত্যক্ত' বোলা শব্দটোৱে মোৰ মনত কৌতূহল বঢ়াইছে। মই কথাটো গুৰিৰে পৰা শুনিব খোজোঁ।

অনসূয়া— শুনক আৰ্য। এবাৰ তেওঁ যেতিয়া গৌতমী নদীৰ তীৰত তপস্যাত মগ্ন আছিল, তেতিয়া দেৱতাসকলে কিবা আশঙ্কা কৰি তেওঁৰ তপস্যা ভঙ্গ কৰিবলৈ মেনকা নামে অপ্সৰাক পঠালে।

ৰজা— আনৰ তপস্যাৰ ভয়ত ভীত হোৱা দেৱতাসকলৰ স্বভাৱ।

অনসূয়া— তাৰ পাছত বসন্ত কাল উদয় হোৱা সময়ত মেনকাৰ উন্মাদজনক ৰূপ সৌন্দৰ্য দেখি- (এইদৰে আধাখিনি কৈ লাজত ৰৈ গ'ল)।

ৰজা— বাকীচোৱা বুজি পাইছো। মুঠতে এওঁ অপ্সৰাসম্ভৱা।

অনসূয়া— হয়, সেয়ে।

ৰজা— থিকেই হৈছে। সেয়ে নহ'লে মানৱীৰ গৰ্ভত এনেকুৱা ৰূপৰ কেনেকৈ সম্ভৱ হ'ব? ধৰাতলৰ পৰা এনে সমুজ্জল বিদ্যুৎ কেতিয়াও সম্ভৱ নহয়।। ১৭

(শকুন্তলাই তলমূৰ কৰি থাকে)

ৰজা (নিজে নিজে) মোৰ মনোৰথ সিদ্ধিৰ সুবিধাকণ পাইছো। কিন্তু প্ৰিয়ম্বদাই পৰিহাস কৰি শকুন্তলাৰ উপযুক্ত বৰ লাভৰ ইচ্ছা সম্বন্ধে যি কৈছিল, তাকে শুনি মোৰ মন বৰ সন্দেহ যুক্ত হৈছে।

প্ৰিয়ম্বদা— (মুদুভাৱে হাঁহি শকুন্তলালৈ চাই, ৰজাৰ ফালে ঘূৰি) আর্যই আৰু কিবা সুধিব খোজে যেন পাইছিলো।

(শকুন্তলাই আঙুলিৰে সখীক তর্জন কৰে)।

ৰজা— ঠিকেই ধৰিছে। সৎলোকৰ বৃত্তান্ত শুনাৰ লোভত মোৰ এটা প্ৰশ্ন সুধিবলগীয়া আছে।

প্ৰিয়ম্বদা— মনত কোনো সংকোচ নাৰাখিব। তপস্বীসকলৰ ওচৰত বিনা বাধাই প্ৰশ্ন সুধিব পাৰে।

ৰজা— তোমাৰ সখী সম্বন্ধে এই কথা জানিব বিচাৰোঁ যে তেওঁৰ বিয়া নোহোৱা পর্যন্ত কাম-বিৰোধী বান প্ৰস্থ্ৰত তেওঁ ধৰি থাকিব নে যাৱৎ জীৱন প্ৰিয় আৰু তুল্য চক্ষু হৰিণ বিলাকৰ সৈতে বাস কৰি থাকিব? ১৮

প্ৰিয়ম্বদা— আর্য। ধর্ম-আচৰণ কৰাতো এওঁ পৰাধীনা; কিন্তু গুৰুজনৰো এনে ইচ্ছা যে ভাল দৰা পালে বিয়া দিব।

ৰজা (নিজে নিজে) মোৰ বাঞ্ছা অসাধ্য নহয়। হে হৃদয়! তই আশা ৰাখ। এতিয়া সকলো সংশয় আঁতৰিছে। (ইমান সময়ে) যাক জুই বুলি ভয় খাই আছিলোঁ এতিয়া সেয়া হাতেৰে চুব পৰা ৰত্ন যেন লাগিছে। ১৯

শকুন্তলা— (খঙেৰে) অনসূয়া! মই যাওঁ।

অনসূয়া— কিয় যোৱা?

শকুন্তলা— আর্যা গৌতমীক কৈ দিওঁগে যে প্ৰিয়ম্বদাই যা-তা প্ৰলাপ বকিছে।

অনসূয়া— সখী! অতিথিজনক সৎকাৰ নকৰাকৈ নিজ খুচিমতে তেখেতক এৰি থৈ যোৱাটো উচিত নহ'ব।।

(শকুন্তলাক ধৰিবলৈ ইচ্ছা কৰি, নিজে মনতে) আহ! কামনাশীল লোকৰ কিবা কৰাৰ ইচ্ছা হোৱাতেই যেন কামটো কৰি পেলোৱা হৈছে, তেনে মনত হয়। এই মুনিকন্যাক অনুসৰণ কৰিবলৈ ইচ্ছা হ'লেও ভদ্ৰতাৰ বিধিয়ে মোক জোৰ কৰি তাৰ পৰা বিৰত কৰিলে। মই এই ঠাইত ৰৈ থাকিও যেন গৈ উভতি আহিছো এনে লাগিছে। ২০

প্ৰিয়ম্বদা— (শকুন্তলাক বাধা) সখী! তুমি যোৱা অনুচিত।

শকুন্তলা— (চকুৰ ঠাৰেৰে) কিয় অনুচিত?

প্ৰিয়ম্বদা— গছৰ গুৰিত দিয়া দুকলহ পানীৰ ধৰুৱা মোৰ ওচৰত। এতিয়া আহা। নিজক ধাৰমুক্ত কৰিলেহে যাব পাৰিবা।

(গাৰ জোৱেৰে শকুন্তলাক ঘূৰাই আনে)

ৰজা— হে ভদ্ৰা! গছৰ গুৰিত পানী দি উঠাৰে পৰা তেওঁক ভাগৰুৱা হোৱা যেন লক্ষ্য কৰিছো। সেয়ে তেওঁৰ— কলহ তোলোতে তোলোতে এওঁৰ কান্ধ দুখন হাইপিছে (হালিছে) হাতৰ তলুৱা বৰকৈ ৰঙা পৰিছে; এতিয়াও জোৰে জোৰে নিঃস্বাস পেলোৱাত স্তনদ্বয় কঁপিছে, মুখত বিন্দু বিন্দু ঘাম জমা হোৱাত কাণৰ শিৰিষ ফুল লাগি ধৰিছে, আৰু খোপা খুলি যোৱাত আউল-বাউল হোৱা চুলিবোৰ এহাতেৰে ধৰি ৰাখিছে। গতিকে ময়ে তেওঁৰ ধাৰ পৰিশোধ কৰোঁ (হাতৰ আঙঠি খুলি প্ৰিয়ম্বদাক দিব খোজে)।

(সখীদ্বয়ে আঙঠিত খোদিত নাম পঢ়ি ইজনীয়ে সিজনীৰ মুখলৈ চায়)

ৰজা— মোক আনভাৱে ধৰি নলব। মই হ'লোঁ এজন ৰাজপুৰুষ।

প্ৰিয়ম্বদা— তেনেহ'লে এই আঙঠিটো হাতৰ পৰা বিযুক্ত কৰা উচিত নহ'ব। আৰ্য্যৰ কথাতেই এওঁৰ ধাৰ পৰিশোধ হ'ল। (অলপ হাঁহি) হেৰা শকুন্তলা! আৰ্য বা মহাৰাজৰ অনুগ্ৰহতে তুমি ঋণমুক্ত হৈছা, এতিয়া যাব পাৰা।

শকুন্তলা— (মনতে) সঁচাকৈ যদি যাব পাৰিলোহেঁতেন। (প্ৰকাশ্যে) মোক যাব দিয়া বা যোৱাত বাধা দিবলৈ তুমি কোন?

ৰজা— শকুন্তলালৈ চাই (মনতে) এওঁৰ প্ৰতি মোৰ মনৰ ভাব যেনেকুৱা হৈছে, মোৰ প্ৰতি তেওঁৰ মনোভাবো তেনেকুৱা হৈছে নে কি? তেনে হ'লেতো মোৰ কামনা পূৰণ হোৱা সম্ভাৱনা বেচি। কাৰণ, যদিও তেওঁ মোৰ সৈতে কথা পতা নাই, তথাপিও কিন্তু মই কথা ক'লে তেওঁ মন দি শুনে; যদিও তেওঁ মোৰ মুকলৈ চাই থকা নাই, তথাপি তেওঁৰ দৃষ্টি আন কোনো বস্তুত সৰহপৰ লাগি থকাও নাই। ২২

(নেপথ্যত)

হে তপস্বীসকল! তপোবনৰ প্ৰাণীসকলৰ ৰক্ষাৰ বাবে তৎপৰ হোৱা। ৰজা দুষ্যন্ত মৃগয়া কৰিবলৈ ওলাই (আশ্ৰমৰ) ওচৰ পাইছেহি। সেই বাবে সন্ধিয়াৰ সূৰ্যৰ দৰে ৰঙা ধূলিবোৰ ঘোঁৰাৰ খোজত উৰি আহি ডালত মেলি দিয়া তিতা কাপোৰ যুক্ত গছবোৰত কাকতি ফৰিঙ পৰাদি পৰিছে। আৰু ৰথ দেখি ভয়খোৱা এটা হাতীয়ে আমাৰ তপস্যাৰ মূৰ্তিমান বিঘ্নৰ দৰে তপোবনত সোমাইছে, তাৰে প্ৰচণ্ড আঘাতত ভাঙি যোৱা এডাল গছৰ ডাল তাৰ এটা দাঁতত লাগি ধৰিছে, তাৰ ঠেঙত বহুতো লতাই মেৰিয়াই ধৰি শিকলিৰ দৰে ৰাখিছে, আৰু তাকে দেখি হৰিণবোৰ পাল ভাঙি লৰি পলাইছে। ২৩-২৪

(তাকে কাণপাতি শুনি সকলোৱে ভয় খালে)

ৰজা— (মনতে) হায় হায়! ধিক! মোৰ লগৰীয়া পুৰবাসীসকলে মোকে বিচাৰি আহি তপোবনখন অৱৰোধ কৰিছে। যি হওঁক, মই উভতি যাওঁ।

সখীদ্বয়— অৰ্থে, এই বনৰীয়া হাতীৰ কথা শুনি ভাঙি ভয় খাইছো। অনুমতি দিলে আমি আশ্ৰমলৈ যাব পাৰোঁ। (কুটীৰলৈ যাবলৈ আমাক অনুমতি দিয়ক)।

ৰজা— (ব্যস্তভাৱে) তোমালোক যোৱা। ময়ো আশ্ৰমৰ পীড়া যাতে নহয়, তাৰে যত্ন কৰোঁগৈ।

(সকলোৱে উঠে)

সখীদ্বয়— আর্য! আপোনাৰ যথাযোগ্য অতিথিসৎকাৰ কৰিবলৈ নোৱাৰি আপোনাক পুনঃ দর্শনৰ বাবে ক'বলৈ লজ্জাবোধ কৰিছো।

ৰজা— নহয় নহয়; তেনে কথা নকবা, তোমালোকৰ সৈতে দেখা হোৱাতেই মই সন্মানিত বোধ কৰিছো।

শকুন্তলা— অনসূয়া! এটা নকৈ ওলোৱা কুশৰ পোখাই মোৰ ভৰিৰ তলুৱাত বিন্ধিছে আৰু বল্কলখনো কুৰৱকৰ ডালত লাগি ধৰিছে; অলপ ৰখা, মই যাতে এৰুৱাব পাৰোঁ।

(ইয়াৰ চেলুলৈ শকুন্তলাই পলমকৈ ৰজালৈ চাই সখীয়েক দুজনীৰসৈতে ওলাই গ'ল)

ৰজা— (নিঃশ্বাস পেলাই) হায়! সকলো গ'ল। মোৰ এতিয়া যাবলৈ মন নোহোৱা হ'ল। মোৰ লগৰীয়াসকলৰ লগ লৈ তপোবনৰ ওচৰতে (চাউনি পাতি) থকাৰ ব্যৱস্থা কৰোঁগৈ। শকুন্তলা বিষয়ৰ পৰা মোৰ মন কোনোমতে ঘূৰাব পাৰা নাই। যেনেকৈ বতাহে পতাকা পাছলৈ উৰুৱাই, তেনেকৈ মোৰ শৰীৰ আগবাঢ়ি গ'লেও অসন্তুষ্ট মনটো পাছফালেহে ঢপলিয়াইছে।

(সকলোৱে প্ৰস্থান)



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন নং ১ঃ দুষ্যন্ত কোন বংশ আৰু কোনদেশৰ ৰজা আছিল?

.....

.....

প্ৰশ্ন নং ২ঃ বৈখানসে ৰজাক হৰিণ মৰাত কিয় বাধা দিছিল?

.....

.....

প্ৰশ্ন নং ৩ঃ ৰজাই আশ্ৰমত সোমাই ঋষি কন্যাসকলক কি কার্য কৰি থকা দেখিছিল?

.....

.....

প্ৰশ্ন নং ৪ঃ শকুন্তলাৰ সখীয়েক কোন কোন আছিল?

.....

.....



## ৫.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- ৰজা দুষ্যন্তই মৃগয়া কৰিবলৈ গৈ কণ্বৰ আশ্ৰমৰ দুৱাৰ দলিত উপস্থিত হোৱাৰ বিষয়ে জানিছে।
- এই ক্ষেত্ৰত ৰজাই বিনয়সূচক ব্যৱহাৰ প্ৰদর্শন কৰাৰ বিষয়ে অৱগত হৈছে।

- ৰজাই আশ্ৰমত প্ৰবেশ কৰি আশ্ৰমকন্যাসকলক দেখি আকৰ্ষিত হোৱাৰ কথা জানিলে।
- ৰজাই অনসূয়াৰ মুখৰ পৰা শকুন্তলাৰ জন্ম বৃত্তান্ত অৱগত হৈছে বুলি জানিলে।
- শকুন্তলাৰ প্ৰতি ৰজা দুষ্যন্তৰ আকৰ্ষণৰ কথাও জানিলে।



## ৫.৬ অধিক জানিবলৈ

১) হাজৰিকা, অতুল চন্দ্ৰ, *অভিজ্ঞান শকুন্তলম্*, অসমীয়া অনুবাদ, গুৱাহাটী, ১৯৪৯ চন।
২) মিৰাষি ভি ভি আৰু ডাভটকাৰ, কালিদাস, মুম্বাই, ১৯৬৯।
৩) শৰ্মা, ড° থানেশ্বৰ, *অভিজ্ঞান শকুন্তলম্*, এক সমীক্ষা, গুৱাহাটী, ২০০৮।
৪) শৰ্মা, ড° থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, গুৱাহাটী, ২০০৮।



## ৫.৭ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰঃ** দুষ্যন্তৰ জন্ম চন্দ্ৰ তথা পুৰুবংশত। তেওঁ আছিল হস্তিনাপুৰৰ ৰজা।

**২ নং প্ৰশ্নৰ উত্তৰঃ** ৰজাই চিকাৰ কৰিব খোজা হৰিণটো আশ্ৰমৰ পোহনীয়া আছিল।

**৩ নং প্ৰশ্নৰ উত্তৰঃ** কন্যাসকলে আশ্ৰমৰ ফুলনিত গছ-লতিকাৰ গুৰিত পানী দি আছিল।

**৪ নং প্ৰশ্নৰ উত্তৰঃ** প্ৰিয়ম্বদা আৰু অনসূয়া।



## ৫.৮ আৰ্হি প্ৰশ্ন

**প্ৰশ্ন ১ঃ** অভিজ্ঞান শকুন্তলম্ নাটকৰ পটভূমি ক'ত?

**প্ৰশ্ন ২ঃ** অভিজ্ঞান শকুন্তলম্ নাটকৰ নায়ক আৰু নায়িকা কোন কোন?

**প্ৰশ্ন ৩ঃ** শকুন্তলাৰ সখী দুজনীৰ নাম কি কি?

**প্ৰশ্ন ৪ঃ** দুষ্যন্তৰ বংশ পৰিচয় কি?

**প্ৰশ্ন ৫ঃ** শকুন্তলাৰ পিতৃ-মাতৃ কোন কোন?

**প্ৰশ্ন ৬ঃ** আশ্ৰমত দুষ্যন্তৰ প্ৰবেশৰ দৃশ্যটো বৰ্ণনা দিয়ক।

**প্ৰশ্ন ৭ঃ** প্ৰথম অংশৰ মাজেদি প্ৰকাশ পোৱা দুষ্যন্তৰ চৰিত্ৰৰ বৰ্ণনা দিয়ক।

*** ***** ***

# অধ্যায় ৬ ঃ অভিজ্ঞানশকুন্তলম্ নাটকৰ দ্বিতীয় অংকৰ পাঠ্যাংশৰ আলোচনা

## অধ্যায় গাঁথনি


৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ অভিজ্ঞানশকুন্তলম্ নাটকৰ দ্বিতীয় অংকৰ পাঠ্যাংশৰ সংস্কৃত পাঠ

৬.৪ দ্বিতীয় অঙ্কৰ পাঠ্যাংশৰ অসমীয়া অনুবাদ

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্রগতিৰ খতিয়ান

৬.৮ আৰ্হি প্ৰশ্ন


## ৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অভিজ্ঞানশকুন্তলম্ নাটকৰ ২য় অঙ্কৰ বিষয়বস্তুৰ বিষয়ে সৰিশেষ জানিব পাৰিব
- নাটকৰ মুখ্যাংশৰ পাত্ৰ-পাত্ৰীসকলৰ সৈতে পৰিচিত হ'ব
- নাটকৰ ২য় অঙ্কৰ পাঠ্যাংশৰ সংস্কৃত পাঠ আৰু অসমীয়া অনুবাদ জানিব পাৰিব।

## ৬.২ পৰিচয়

আপুনি ইতিমধ্যে 'অভিজ্ঞানশকুন্তলম্' নাটকৰ প্ৰথম অংকৰ লগত পৰিচিত হৈছে। তাৰ পৰা বুজি পাইছে যে ৰজা শকুন্তলাৰ প্ৰতি আসক্ত হৈছে। সেয়ে তেওঁ যিকোনো অজুহাত লৈ আশ্ৰমত থাকিব বিচাৰে। সেইবাবে দ্বিতীয় অংকত ৰজাই বিদূষক আৰু সেনাপতিৰ পাৰস্পৰিক হেঁচাত মৃগয়া স্থগিত ৰাখিবলৈ সিদ্ধান্ত কৰে।

এনে সময়তে আশ্ৰমৰ পৰা দুজন ঋষিকুমাৰে ৰজাক আশ্ৰমত থাকিবলৈ অনুৰোধ কৰে আৰু ৰজাই আশ্ৰমত থাকিবলৈ সন্মতি প্ৰকাশ কৰে। তাৰ পাছতে ৰাজমাতাৰ পৰাও সমাচাৰ আহে। ৰাণীমাই তেওঁক মাতি পঠাই ব্ৰতৰ **পাৰণাত** থাকিবলৈ। এইবাৰ আন উপায় নেদেখি ৰজাই বিদূষকক সৈন্যদল সহ ঘৰলৈ পঠায়। নাট্যকাৰে বিদূষকক আশ্ৰমৰ পৰা আঁতৰাই নাট্য প্ৰয়োজন এটা সম্পন্ন কৰে।

**পাৰণা ঃ** ব্ৰত ভঙ্গা কাৰ্য্য, উপবাসৰ অন্তত কৰা আহাৰ।

এই দ্বিতীয় অংকৰ পাঠ্যাংশ অধ্যয়ন কৰি আপুনি নাটকীয় ঘটনাৰ প্ৰয়োজনত আশ্ৰমত ৰজাৰ উপস্থিতি, মৃগয়াৰ স্থগিতকৰণ তথা বিদূষকৰ অনুপস্থিতি আদিৰ তাৎপৰ্য বুজি পাব। এইবোৰ কাৰ্যই নাট্য প্ৰয়োজন সাধিছে।

## ৬.৩ অভিজ্ঞানশকুন্তলম্ নাটকৰ দ্বিতীয় অংকৰ পাঠ্যাংশৰ সংস্কৃতপাঠ

এতিয়া তলত উক্ত নাটকৰ দ্বিতীয় অঙ্কৰ মূল পাঠ আগবঢ়োৱা হ'ব। তাত আপুনি দেখিবলৈ পাব যে ৰজা দুষ্যন্তৰ মৃগয়া কৰিবলৈ অনিচ্ছা হৈছে। সেয়ে নজনাকৈয়ে বিদূষক আৰু সেনাপতিয়ে পৰস্পৰ বিৰুদ্ধ কথাৰে ৰজাৰ মনোভাৱ জানিবলৈ চেষ্টা কৰে। ৰজায়ো তেওঁলোকৰ মতামত অনুসৰি মৃগয়া বন্ধ কৰে। এনেতে তপোবনৰ পৰা যজ্ঞৰিঘ্ন আঁতৰাবলৈ ৰজাই আমন্ত্রণ পায় আৰু তাক গ্রহণ কৰে। তাৰ পাছত দুষ্যন্তই মাতৃৰ আহ্বান পাই বিদূষকক সৈন্য সামন্তৰে হস্তিনাপুৰলৈ পঠায়। এনেদৰে নাট্যকাৰে নায়ক-নায়িকাৰ মিলনৰ পথ মুকলি কৰি ৰাখে।

বিদূষকঃ— কৃতং ভৱতা নির্মক্ষিকম্। সাংপ্রতমৈতস্যাং পাদপচ্ছায়ায়াং বিৰচিত
লতাৱিতান দর্শনীয়ায়ামাসনে নিষীদতু ভৱান্, যাৱদহমপি সুখীসীনো ভৱামি।

ৰাজা— গচ্ছাগ্রতঃ।

ৱিদূষকঃ— এতু ভৱান্।

(উভৌ পৰিক্রম্যোপৱিষ্টৌ)

ৰাজা— মাধব্যহ্ল অনৱাপ্তচক্ষুঃফলোহপি, যেন ত্বয়া দ্রষ্টব্যানাং পৰং ন দৃষ্টম্।

ৱিদূষকঃ— ননু ভৱানগ্রতো মে ৱর্ততে।

ৰাজা— সর্ৱঃ খলু কান্তমাত্মীয়ং পশ্যতি। তামাশ্রমললানভূতাং শকুন্তলামধিকৃত্য ব্রৱীমি।

ৱিদূষকঃ— (আত্মগতম্) ভৱতু, অস্যাৱসৰং ন দাস্যামি; (প্রকাশম্) ভো ৱয়স্য যতঃ
সা তাপসকন্যকা অনভ্যর্থনীয়া ততঃ কিং তয়া দৃষ্ট্যা?

ৰাজা— সখেহ্ল

নিৰাকৃত নিমেষাভিঃ পক্ষ্ম পংক্তিভিৰুন্মুখঃ।
নৱামিন্দুকলাং লোকঃ কেন ভাৱেন পশ্যতি।। ৮।।
ন চ পৰিহার্যে বস্তুনি পৌৰৱানাং মনঃ প্রৱর্ততে।

ৱিদূষকঃ— তৎ কথয়।

ৰাজা— সুৰ-যুৱতি-সংভৱং কিল মুনেৰপত্যং তদুজিঝতাধিগতম্।
অর্কস্যোপৰি শিথিলং চ্যুতমিৱ নৱমালিকাকুসুমম্।। ৯।।

ৱিদূষকঃ— (ৱিহস্য) যথা কস্যাপি পিণ্ডখর্জূৰ ৰৈৰুদ্ৱেজিতস্য তিন্তি র্ণ্যামভিলাষো
ভৱেৎ, তথা অন্তঃপুৰ-স্ত্রীৰত্ন পাৰভোগিনো ভৱত ইয়মভ্যর্থনা।

ৰাজা— ন তাৱদেনাং পশ্যসি যেন ত্বমেৱংৱাদী।

ৱিদূষকঃ— তৎ খলু ৰমনীয়ং যদ্ ভৱতোহপি বিস্ময়মুৎপাদয়তি।

ৰাজা— ৱয়স্যহ্ল কিং বহুনা,—

চিত্রে নিবেশ্য পৰিকল্পিত-সত্ত্বযোগা,
ৰূপোচ্ছয়েন মনসা বিধিনা কৃতা নু।
স্ত্রীৰত্ন সৃষ্টিৰপৰা প্রতিভাতি সা মে

ধাতু ৰিভুত্বমনুচিন্ত্য ৰূপুশ্চ তস্যাঃ।। ১০।।

ৰিদূষকঃ— যদ্যেৱং, প্রত্যাদেশঃ খলু সা ৰূপৱতীনাম্।

ৰাজা— অনাঘ্রাতং পুষ্পং কিসলয়মলূনং কৰুহৈ

ৰনাৰিদ্ধং ৰত্নং মধু নৱমনাস্বাদিতৰসম্।

অখণ্ডং পুণ্যনাং ফলমিৱ চ তদ্রূপমনঘং

ন জানে ভোক্তাৰং কমিহ সমুপস্থাস্যতি বিধিঃ।। ১১।।

ৰিদূষকঃ— তেন হি খলু লঘু পৰিত্রায়তামেনাং ভৱান্। মা কস্যাপি তপস্বিন ইঙ্গুদীতৈলমিশ্রচিক্কনশীর্ষস্য হস্তে পতিষ্যতি।

ৰাজা— পৰৱতী খলু তত্রভৱতী। ন চ সংনিহিতো গুৰুজনঃ।

ৰিদূষকঃ— অত্রভৱন্তমন্তৰেণ কীদৃশস্তস্যা দৃষ্টিৰাগঃ

ৰাজা— নিসর্গাদপ্রগল্ভাস্তপস্বিকন্যকাঃ। তথাপি তু—

অভিমুখে ময়ি সংহতমীক্ষণং

হসিতমন্যনিমিত্ত-কৃতোদয়ম্।

বিনয়ৱাৰিত বৃত্তিৰতস্তয়া

ন মদনো ৰিবৃতো ন চ সংবৃতঃ।। ১২।।

ৰিদূষকঃ— ন খলু দৃষ্টমাত্রস্য তৱাঙ্কং সমাৰোহতি।

ৰাজা— মিথঃ প্রস্থানে পুনঃ শালীনতয়াপি কামমাৰিষ্কৃতো ভাৱঃ

তত্রভৱত্যা। তথা হি—

দর্ভাঙ্কুৰেণ চৰণঃ ক্ষত ইত্যকাণ্ডে

তন্বী স্থিতা কতিচিদেৱ পদানি গত্বা।

আসীদ্ ৰিবৃত্যৱদনা চ ৰিমোচয়ন্তী

শাখাসু ৱল্কলমসক্তমপি দ্রুমাণাম্।। ১৩।।

ৰিদুষকঃ— তেন হি গৃহীতপাথেয়ঃ কৃতোহসি তয়া। কৃতং ত্বয়োপৱনং তপোৱনমিতি পশ্যামি।

ৰাজা— সখেহ্ল তপস্বিভিঃ কৈশ্চিৎ পৰিজ্ঞাতোহস্মি। চিন্তয় তাৱৎ কেনোপদেশেন সকৃদপ্যাশ্রমে গচ্ছাম।

ৰিদূষকঃ— ননু ভৱান্ ৰাজা।

ৰাজা— ততঃ কিম্?

ৰিদূষকঃ— কঃ অপৰোহ পদেশঃ? নীৱাৱষষ্ঠ ভাগমস্মাকম্ উপহৱন্তিতি।

ৰাজা— মূর্খহ্ল অন্যমেৱ ভাগমেতে তপস্বিনো নির্ৱপন্তি যো ৱত্নৱাশীনপি

বিহায়াভিন্দ্যতে। পশ্য—

যদুত্তিষ্ঠতি ৱর্ণেভ্যো নৃপাণাং ক্ষয়ি তদ্ ধনম্।

তপঃ ষড়্ভাগমক্ষয্যং দদত্যাৱণ্যকা হি নঃ ।। ১৪।।

(নেপথ্যে)

হন্ত, সিদ্ধার্থৌ স্বঃ।

ৰাজা— (কর্ণং দত্বা) অয়েহ্ল ধীৰ প্রশান্তঃ স্বৰঃ। তপস্বিভি- র্ভৱিতব্যম্।

(প্রৱিশ্য)

দৌৱাৰিকঃ— জয়তু ভর্তা। এতৌ দ্বৌ ঋষিকুমাৰৌ প্রতীহাৰ- ভূমিমুপস্থিতৌ।

ৰাজা— অৱিলম্বিতং প্রৱেশয়।

দৌৱাৰিকাঃ— এষ প্রৱেশয়ামি (নিষ্ক্রম্য, ঋষি কুমাৰকাভ্যাং সহ প্রৱিশ্য) ইত ইতো ভৱন্তৌ।

(উভৌ ৰাজানং বিলোকয়তঃ)

প্রথমঃ— অহো দীপ্তিমতোহপি বিশ্বসনীয়তাস্য ৱপুষঃ। অথৱো পপন্নমেতদ্ মুনিভ্যো নাতিভিন্নে ৰাজনি। কুতঃ-

অধ্যাক্রান্তা ৱসতিৰমুনাপ্যাশ্রমে সর্ৱভোগ্যে,
ৰক্ষাযোগাদয়মপি তপঃ প্রত্যহং সংচিনোতি।
অস্যাপি দ্যাং স্পৃহতি ৱশিনশ্চাৰন দ্বন্দ্বগীতঃ
পুণ্যঃ শব্দো মুনিৰিতি মুহুঃ কেৱলং ৰাজপূর্বঃ।। ১৫।।

দ্বিতীয়ঃ— গৌতম। অয়ং স বলভিৎ সখো দুষ্যন্তঃ।

প্রথমঃ— অথ কিম্?

দ্বিতীয়ঃ— তেন হি,—

নৈতচ্চিত্রং যদয়মুদধিশ্যাম সীমাং ধৰিত্রী
মেকঃ কৃৎস্নাং নগৰ পৰিধং প্রাংশু বাহুর্ভুনক্তি।
আশংসন্তে সুৰযুৱতয়ো ৱদ্ধৱৈৰা হি দৈত্যৈ
ৰস্যাধিজ্যে ধনুষি বিজয়ং পৌৰুহূতে চ বজ্রে।। ১৬।।

উভৌ— (উপগম্য) বিজয়স্ব ৰাজন্।

ৰাজা— (আসনাদুত্থায়) অভিৱাদয়ে ভৱন্তৌ।

উভৌ— স্বস্তি ভৱতে। (ফলান্যুপহৱতঃ)

ৰাজা— (স প্রণামং পৰিগৃহ্য) আজ্ঞাপয়িতুমিচ্ছামি।

উভৌ— ৱিদিতো ভৱানাশ্রমসদামিহস্থঃ। তে ভৱন্তঃ প্রার্থয়ন্তে।

ৰাজা— কিমাজ্ঞাপয়ন্তি?

উভৌ— তত্রভৱতঃ কুলপতেৰসাংনিধ্যাদ্ ৰক্ষাংসি নঃ ইষ্টিৱিঘ্নমুৎপাদয়ন্তি। তৎ কতিপয়ৰাত্রং সাৰথিদ্বিতীয়েন ভৱতা সনাথীক্রিয়তামাশ্রম ইতি।

ৰাজা— অনুগৃহীতোহস্মি।

ৱিদূষকঃ— (অপৱার্য) অয়মিদানীম্ অনুকূলস্তে গলহস্তঃ।

ৰাজা— (স্মিতং কৃত্বা) ৱৈৱতকহ্ল মদ্ৱচনাদুচ্যতাং সাৰথিঃ সবানাসনং ৰথমুপস্থাপয়েতি।

দৌৱাৰিকঃ— যদ্দেৱ আজ্ঞাপয়তি।

(নিষ্ক্রান্তঃ)

উভৌ— (সহর্ষম্)

অনুকাৰিণি পূর্বেষাং যুক্তৰূপমিদং ত্বয়ি।
আপন্নাভয়সত্রেষু দীক্ষিতাঃ খলু পৌৰৱাঃ।। ১৭।।

ৰাজা— (সপ্রণামম্) গচ্ছতং ভৱন্তৌ। অহমপ্যনুপদমাগত এৱ।

উভৌ— বিজয়স্ব। (নিষ্ক্রান্তৌ)

ৰাজা— মাধব্যহ্ল অপ্যস্তি শকুন্তলাদর্শনে কুতূহলম্।

ৱিদূষকঃ— প্রথমং সপৰীৱাহমাসীৎ। ইদানীং ৰাক্ষসবৃত্তান্তেন বিন্দুৰপি নাৱশেষিতঃ।

ৰাজা— মা ভৈষীঃ, ননু মৎসমীপে ৱর্তিষ্যসে।

ৱিদূষকঃ— এষ ৰাক্ষসাদ্ ৰক্ষিতোহস্মি।

(প্রৱিশ্য)

দৌৱাৰিকঃ— সজ্জো ৰথঃ ভর্তুর্ৱিজয় প্রস্থানমপেক্ষতে।

এষ পুর্নর্নগৰাদ্ দেৱীনামাপ্তিহৱঃ কৰভক আগতঃ।

ৰাজা— (সাদৰম্) কিম্ অম্বাভিঃ প্রেষিতঃ?।

দৌৱাৰিকঃ — অথ কিম্?।

ৰাজা— ননু প্রৱেশ্যতাম্।

দৌৱাৰিকঃ— তথা। (নিষ্ক্রম্য কৰভকেণ সহ প্রৱিশ্য) এষ ভর্তাঃ।

উপসর্প।

কৰভকঃ— জয়তু ভর্তা। দেৱ্য আজ্ঞাপয়ন্তি।

ৰাজা— কিমাজ্ঞাপয়ন্তি?

কৰভকঃ— আগামি চতুর্থ দিৱসে পুত্রপিণ্ডপালনো নাম প্রবৃত্ত-পাৰণো মে উপৱাসো ভৱিষ্যতি। তত্র দীর্ঘমুষা অৱশ্যং সংভাৱনীয়া-ইতি।

ৰাজা— ইতস্তপস্বিকার্যম্, ইতো গুৰুজনাজ্ঞা। দ্বয়মপ্যনতিক্রমনীয়ম্। কিমত্র প্রতিৱিধেয়ম্?।

ৱিদূষকঃ ত্রিশঙ্কুৱিৱ অন্তৰালে তিষ্ঠ।

ৰাজা— সত্যমাকুলীভূতোহস্মি—

কৃত্যযোর্ভিন্নদেশত্বাদ্ দ্বৈধীভৱতি মে মনঃ।
পুৰঃ প্রতিহতং শৈলে স্রোতঃ স্রোতোৱহো যথা।। ১৮।।

(ৱিচিন্ত্য) সখেহ্ল ত্বমম্বাভিঃ পুত্র ইতি প্রতিগৃহীতঃ। অতো ভৱানিতঃ প্রতিনিবৃত্য তপস্বিকার্যব্যগ্রমানসং
মামাবেদ্য তত্রভৱতীনাং পুত্রকৃত্যমনুষ্ঠাতুমর্হতি।

ৱিদূষকঃ— ন খলু মাং ৰক্ষোভীৰুকং গণয়।

ৰাজা— (সস্মিতম্) কথমেতদ্ ভৱতি সংভাব্যতে?

ৱিদূষকঃ— যথা ৰাজানুজেন গন্তব্যং তথা গচ্ছামি।

ৰাজা— ননু তপোৱনোপৰোধঃ পৰিহৰণীয় ইতি সর্ৱানানুযাত্রিকাংস্ত্বয়ৈৱ সহ প্রস্থাপয়ামি।

ৰিদূষকঃ— হী হী, যুৱৰাজোহস্মি ইদানীং সংৱৃত্তঃ।

ৰাজা— (আত্মগতম্) চপলোহয়ং ৰটুঃ। কদাচিদস্মৎ প্রার্থনাম্

অন্তঃপুৰেভ্যঃ কথয়েৎ। ভৱতু; এ নমেৱং ৰক্ষ্যে।

(ৰিদুষকং হস্তে গৃহীত্বা, প্রকাশম্) ৰয়স্যহু ঋষিগৌৰৱাদাশ্রমং গচ্ছামি। ন খলু সত্যমেৱ তাপসকন্যায়াং মমাভিলাষঃ। পশ্য,—

ক্ক ৰয়ম্, ক্ক পৰোক্ষমন্মথো
মৃগশাৱৈঃ সমমেধিতো জনঃ।
পৰিহাসৱিজল্পিতং সখহু
পৰমার্থেন ন গৃহ্যতাং ৰচঃ ।। ১৯।।
(নিষ্ক্রান্তঃ সর্ৱে ইতি দ্বিতীয়োহঙ্কঃ)

## ৬.৪ দ্বিতীয় অংকৰ পাঠ্যাংশৰ অসমীয়া অনুবাদ

দ্বিতীয় অংকৰ আদিতে ৰিদূষকে সেনাপতিৰ সৈতে মৃগয়া বন্ধ কেনেকৈ কৰিব তাকে আলোচনা কৰে। ৰজাৰো তেনেকুৱা ইচ্ছা। তেওঁৰ মন শকুন্তলাতে কেন্দ্রীভূত হৈছে। আনসকলক যাবলৈ দি তেওঁ ৰিদূষকেৰে শকুন্তলাক দ্বিতীয়বাৰ লগ পোৱাৰ দিহা কৰে।

ৰিদূষক— আপুনি এতিয়া ইয়াত মাখি পর্যন্ত সকলোকে আঁতৰ কৰিলে। এতিয়া এই লতাৰ চন্দ্রতাপেৰে সুশোভিত গছৰ ছাঁতে শিলচতাৰ ওপৰত বহক, তাত ময়ো সুখেৰে বহো।

ৰজা— আগে আগে বলা।

ৰিদূষক— আহক, আপুনিও আহক।

(দুয়ো আগুৱাই গৈ বহে)

ৰজা— মাধৱ্যহু তুমি দৃষ্টিশক্তি থকাৰ ফল পোৱা নাই; কাৰণ তুমি দেখিবলগীয়া বস্তু দেখা নাই।

ৰিদূষক— কেলেই। এয়া আপুনিচোন মোৰ সমুখতে আছে।

ৰজা— সকলোৱে নিজৰ লোকক সুন্দৰ দেখা পায়। মই হ'লে কিন্তু আশ্রমৰ শোভা স্ৱৰূপা সেই শকুন্তলাৰ কথাকেহে কৈছো।

ৰিদূষক— (নিজে মনতে) মই এওঁক সেই বিষয়ে কোৱাৰ সুযোগ নিদিওঁ। (প্রকাশ্যে) হে সখাহু আপুনি সেই তপস্বিসকলৰ কন্যাক পোৱাৰ কামনা কৰিছে চাগৈ।

ৰজা— সখাহু বর্জনীয় বস্তুলৈ পৌৰৱসকলৰ মন নাযায়। জানিবলৈ পাইছো যে মুনিকন্যাৰ জন্ম হৈছে অপ্সৰাৰ গর্ভত। জন্মৰ পাছত মাতৃয়ে এৰি যোৱাতহে মুনিৰ হাতত পৰে। এটা নৱমালিকা ফুল আকন্দ গছৰ ওপৰত পৰিলে যেনে হয়, (তেনে হোৱা বুলি ধৰা)

ৰিদূষক— (হাঁহি মাৰি) মিঠা খেজুৰ খাই খাই তাত অৰুচি হ'লে যেনেকৈ কাৰো তেতেলি টেঙা খাবলৈ ইচ্ছা হয়, তেনেকৈ স্ত্রীৰত্ন পৰি ভোগী আপোনাৰো এতিয়া তেনে বাসনা হৈছে।

ৰজা— তুমি তেওঁক দেখা নাই, সেইবাবে তুমি এনে কথা কৈছা।

ৱিদূষক— যাক দেখি আপোনাৰো বিস্ময় জন্মিছে, তেওঁ নিশ্চয় বৰ চমৎকাৰ হ'ব।

ৰজা— বন্ধু, অধিক কি ক'ম, সৃষ্টিকতাৰ শক্তি সামর্থ্য আৰু শকুন্তলাৰ মূর্ত্তি— এই দুই কথা বিবেচনা কৰি মোৰ মনত হয় যেন বিধাতাই এখন ছবি আঁকি তাত প্রাণসঞ্চাৰ কৰিছে, অথবা সকলো প্রকাৰ ৰূপ একে লগ কৰি শকুন্তলাক নির্মাণ কৰিছে, অথবা নিজৰ মনোবলত যেন আৰু এগৰাকী স্ত্রীৰত্নৰ সৃষ্টি কৰিছে। ১০

ৱিদূষক— যদি সেয়ে হয়, তেনেহ'লে তেওঁৰ ওচৰত আন যুৱতীসকল পৰাভূত হ'ব।

ৰজা— আৰু মোৰ মনত এনে ভাৱ হয়, তেওঁ যেন কোনেও নুশুঙা এপাহি ফুল, হাতেৰে নিচিঙা এটি কুঁহিপাত, কেনেও নিবিন্ধা এটি ৰত্ন আৰু কোনেও সোৱাদ নোলোৱা এটোপাল মৌ, অথবা অখণ্ড পুণ্যফলৰ দৰে, নির্মলৰূপ, নেজানো বিধিয়ে কাক তেওঁৰ উপভোক্তা কৰি ৰাখিছে। ।। ১১।।

ৱিদূষক— তেনেহ'লে আপুনি তেওঁক শীঘ্রে পৰিত্রাণ কৰা উচিত হ'ব, যাতে তেওঁ ইঙ্গুদী তেলেৰে মূৰ চিকনুৱা কোনোবা তপস্বীৰ হাতত নপৰে।

ৰজা— তেওঁ পতি নির্ণয়ত স্বাধীনা নহয়। তাতে আকৌ গুৰুজন ওচৰত নাই।

ৱিদূষক— তেওঁৰ চকু-মুখ দেখি আপোনাৰ প্রতি কেনে দৃষ্টিৰাগ্ থকা যেন পালে।

ৰজা— তপস্বিকন্যাসকল স্বভাৱতে লাজকুৰীয়া, তথাপিও—

মই তেওঁলৈ চালে তেওঁ চকু ঘূৰাই নিছিল, আন কোনো কথা মনত পৰাত যেনকৈ (কেতিয়াবা) মিচিকিয়াই হাঁহিছিল; লাজত তেওঁ নিজৰ মনৰ ভাৱ ভালকৈ প্রকাশ কৰিব নোৱাৰিলেও, তাক সম্পূর্ণ গোপনো কৰা নাছিল।। ১২।।

ৱিদূষক—আপোনাক দেখা মাত্রকে তেওঁ কোলাত নবহিল নে?

ৰজা— সখীসকলেৰে সৈতে যোৱাৰ সময়তো শালীনতা হেতুকে তেওঁ অনুৰাগৰ ভাৱ এইদৰে প্রকাশ কৰিছিল— সেই কৃশাঙ্গীয়ে কেইখোজমান গৈয়েই কুশৰ কুহি আগে ভৰিত বিন্ধা যেন দেখুৱাই ৰৈ গৈছিল, গছৰ শাখাত বল্কল লাগি ধৰা বুলি তাক এৰাবলৈ ভাও জুৰি মোলৈ উভতি চাইছিল। ১৩

ৱিদূষক— তেনেহ'লে (তেওঁক গ্রহণ কৰিবলৈ) আয়োজন কৰক। যি দেখিছো আপুনি তপোৱনক উপবন কৰিহে এৰিব।

ৰজা— বন্ধুহ্ল তপোবনৰ কোনো কোনোৱে মোক চিনি পেলাইছে। গতিকে কিহৰ অজুহাতলৈ আকৌ এবাৰ আশ্রমলৈ যাব পাৰোঁ। তাৰ উপায় চিন্তা কৰাচোন।

ৱিদূষক— আপুনি এই দেশৰ ৰজা।

ৰজা— তাতে কি হ'ল?

ৱিদূষক— আন কি অজুহাত লাগে? নীৱাড় (বন্য ধানৰ) ছভাগৰ এভাগ ৰাজস্ব আমাক দিয়ক বুলি কওঁক গৈ।

ৰজা— মূর্খ। তপস্বীসকলে আন এক প্রকাৰৰ ৰাজকৰ দিয়ে যি ৰাশি ৰত্নকৈও অধিক বাঞ্ছনীয়;

কাৰণ, গৃহস্থসকলৰ পৰা ৰজাসকলে যি ৰাজস্ব পায় তাৰ ফল ক্ষয় যায়; কিন্তু তপস্বীসকলে আনকি তেওঁলোকৰ তপস্যাৰ যি ছভাগৰ এভাগ দিয়ে সি অক্ষয়। ১৪।

(নেপথ্যত)

বাৰু, আমি কৃতার্থ হ'লোঁহক।

ৰজা— (কাণ পাতি শুনি) আৰেহ্লু ধীৰ আৰু প্রশান্ত স্বৰ শুনিছো। এয়া তপস্বীসকলৰআগমন হোৱা যেন পাইছো।

(প্রৱেশ কৰি)

দুৱাৰী— মহাৰাজৰ জয় হওঁক। এয়া দুগৰাকী ঋষিকুমাৰ দুৱাৰ দলিত উপস্থিত হৈছেহি।

ৰজা— তেনেহ'লে শীঘ্রে তেওঁলোকক প্রৱেশ কৰোৱা।

দুৱৰী— এয়া আনিছো (বাহিৰলৈ গৈ ঋষি কুমাৰ দুজনেৰে আকৌ প্রৱেশ কৰি) এইফালে, এইফালে আহক আপোনালোক।

(দুয়ো ৰজাৰ ফালে চাই থাকি)

১ম জন (ঋষি কুমাৰ)— আহাহ্লু এখেতৰ দীপ্তিমান মূর্তি দেখিলেও ভয় নালাগে। হয়তো বা তপস্বীসকলৰ পৰা ৰজা বেচি ভিন্ন নহয়। তেওঁৰ বাবে এনেকুৱা হোৱাই স্বাভাৱিক, কাৰণ তপস্বীসকলৰ তপস্যাৰ ফল যেনেকৈ সকলোৱে লাভ কৰে, তেনেকৈ এখেতেও যি গৃহস্থাশ্রম অৱলম্বন কৰিছে, তাৰে আন সকল আশ্রম-অৱলম্বীও পৰি-পুষ্ট হৈছে। তপস্বীসকলে যেনেকৈ তপোবল সঞ্চয় কৰে, এখেতেও তেনেকৈ সদায় প্রজাবৃন্দৰ ৰক্ষা বিধান ৰূপ ধর্মানুশীলনৰ ফল সঞ্চয় কৰে। সিদ্ধ মিথুনসকলে যেনেকৈ স্বর্গত ঋষিসকলৰ গুণগান কৰে তেনেকৈ চাৰণ দুজনে সদায় এই সংযমী ৰজাৰ যি গুণ গান কৰে সি আকাশ স্পর্শ কৰে— দুয়োটাৰ মাজত পার্থক্য মাত্র এয়ে যে এওঁৰ ক্ষেত্রত পুণ্য 'মুনি' শব্দৰ আগত 'ৰাজ' শব্দটো যুক্ত হয়। ১৫

দ্বিতীয়— গৌতমহ্লু এখেতেই ইন্দ্রৰ সখা দুষ্যন্তনে?

প্রথম—সেয়া নহয় কি আৰু?

দ্বিতীয়— সেই কাৰণেই এইটো অকনো আশ্চর্যকৰ নহয় যে এই অতিশয় দীর্ঘবাহু ৰজাই অকলে সেই সমগ্র পৃথিৱী ভোগ কৰে, সাগৰ যাৰ শ্যামসীমা আৰু তেওঁলোকৰ চিৰ শত্রু দৈত্যসকলৰ লগত যুদ্ধত দেৱতাসকলে কেৱল এই দুইৰ বলতে জয় লাভৰ আকাঙক্ষা কৰে— এওঁৰ জ্যাযুক্ত ধনু আৰু ইন্দ্রৰ বজ্র।

উভয় কুমাৰ— (আগবাঢ়ি আহি) হে ৰাজন্? আপুনি বিজয় লাভ কৰক।

ৰজা— (আসনৰ পৰা উঠি) আপোনালোকক অভিবাদন কৰিছো।

উভয় কুমাৰ— আপোনাৰ মঙ্গল কামনা কৰিছো (ফলৰ উপহাৰ আগবঢ়ায়)।

ৰজা— (প্রণাম জনাই উপহাৰ গ্রহণ কৰি) আপোনালোকৰ আজ্ঞা শুনিব খোজোঁ।

উভয়ে— আপুনি ইয়াত থকা বুলি আশ্রমবাসীসকলে জানে। সেই বাবে তেওঁলোকে আপোনাৰ ওচৰত প্রার্থনা জনাইছে—

ৰজা— কি আদেশ কৰিছে?

উভয়ে— মহামান্য মহর্ষি কণ্বৰ অনুপস্থিতিত ৰাক্ষসবিলাকে আমাৰ যজ্ঞত বিঘিনি ঘটাইছে। সেয়ে আমি প্ৰাৰ্থনা কৰোঁ যে আপুনি মাত্ৰ সাৰথিৰে সৈতে কেইটামান ৰাতি আমাৰ আশ্ৰম সনাথ কৰক।

ৰজা— ইয়াৰ বাবে মই অনুগৃহীত হ'লো।

ৰিদূষক— (একাষৰীয়াকৈ কাণৰ কাষত) এওঁলোকৰ এই প্ৰাৰ্থনাই এতিয়া আপোনাৰ সুবিধা কৰিলে।

ৰজা— (মিচিকিয়াই হাঁহি) ৰৈৱতকহ্লু মোৰ নাম কৈ সাৰথিক কোৱা যে ধনুৰ্বাণসহ সজ্জিত ৰথ ইয়ালৈ আনক।

দুৱৰী— মহাৰাজৰ যেনে আদেশ হয়। (ওলাই যায়)।

ঋষি কুমাৰদ্বয়— (আনন্দিত হৈ) পূৰ্ব্ব পুৰুষসকলৰ অনুসৰণকাৰী আপোনাৰ পক্ষে যোগ্য হৈছে। বিপন্ন লোকক অভয়দান কৰা মন্ত্ৰত পৌৰৱসকল (সদায়) দীক্ষিত। ৰজা (প্ৰণাম কৰি) আপোনালোক আগবাঢ়ক। মই আপোনালোকৰ পাছে পাছে গৈ আছোঁ।

উভয়ে— আপোনাৰ জয় হওঁক। (দুয়ো ওলায় যায়)।

ৰজা— মাধৱ্যহ্লু শকুন্তলাক চাবলৈ ইচ্ছা কৰা নেকি?

ৰিদূষক— আগতে তেনে ইচ্ছা উপচি আছিল, এতিয়া ৰাক্ষসৰ কথা শুনি তাৰ একবিন্দুও নাই।

ৰজা— ভয় নাই, মোৰ কাষতে থাকিবা।

ৰিদূষক— তেনেহ'লেতো ৰাক্ষসৰ হাতৰ পৰা সাৰিলো।

(প্ৰৱেশ কৰি)

দুৱৰী— ৰথ সজ্জিত হৈ মহাৰাজৰ বিজয় যাত্ৰাৰ বাবে অপেক্ষা কৰিছে। আনহাতে ৰাজধানীৰ পৰা ৰাজমাতা দেৱীৰ আদেশ লৈ কৰভক উপস্থিত হৈছে।

ৰজা— (সমাদৰ কৰি) কি মাতৃয়ে পঠিয়াইছে?

দুৱৰী— হয় মহাৰাজ।

ৰজা— লৈ আহা।

দুৱৰী— আপোনাৰ যি আদেশ। (ওলাই গৈ কৰভকক লগত লৈ পুনঃ প্ৰৱেশ কৰি) সৌৱা মহাৰাজ, তেওঁৰ সমুখলৈ যোৱা।

কৰভক— মহাৰাজৰ জয় হওঁক। ৰাজমাতা দেৱীয়ে জনাইছে— 'অহা চতুৰ্থ দিনত মোৰ উপবাসৰ পাৰণ হ'ব, তাত অৱশ্যে দীৰ্ঘায়ু উপস্থিত থাকিব লাগে।'

ৰজা— এফালে তপস্বীসকলৰ কাৰ্য্য, আনফালে মাতৃৰ আজ্ঞা। দুয়োটাই অলংঘনীয়। এনেস্থলত কি উপায় কৰা যায়।

ৰিদূষক— ত্ৰিশঙ্কুৰ দৰে মাজতে থাকক।

ৰজা — সঁচাকৈ মই বৰ বিমোৰত পৰিলোঁ। দুবিধ কৰ্তব্যৰ ক্ষেত্ৰ দুই বিভিন্ন ঠাইত হোৱাত মোৰ মন সমুখৰ পাহাৰত প্ৰতিহত নৈৰ সোঁতৰ দৰে দুভাগত বিভক্ত হৈছে।

(অলপপৰ চিন্তা কৰি) হে বন্ধুহ্লু মোৰ মাই তোমাক নিজৰ ল'ৰাৰ দৰেদেখে। গতিকে ইয়াৰ পৰা উভতি গৈ তুমি, মই তপস্বীসকলৰ কার্যত ব্যস্ত আছো, ইয়াকে কৈ মাতৃৰ পুত্রকৃত্য অনুষ্ঠান সম্পন্ন কৰোঁৱাগৈ।

ৰিদূষক— আপুনি মোক ৰাক্ষসৰ ভয়ত ভীত বুলি নাভাবে তো?

ৰজা— (মিচিকিয়াই হাঁহি) তোমাৰ পক্ষে সেয়া কেনেকৈ সম্ভৱ হ'ব?

ৰিদূষক— তেনেহ'লে ৰজাৰ আত্মীয়জন যেনেকৈ যাব লাগে তেনেকৈ যাওঁ।

ৰজা— তপোবনত উপদ্রৱ যাতে নহয়; তালৈ চায় মোৰ সকলো অনুচৰকে তোমাৰ সৈতে (ৰাজধানীলৈ) ঘূৰাই পঠাম।

ৰিদূষক— তেনেহ'লে এতিয়া যুৱৰাজ হৈ পৰিলো।

ৰজা— (মনতে) এওঁ বৰ চঞ্চল বুধিৰ মানুহ। হয়তো বা মোৰ মনৰ ইচ্ছাৰ কথা অন্তঃপুৰচাৰীসকলক লগাই দিবও পাৰে। বাৰু, এওঁক এনেকৈ কওঁ; (ৰিদূষকৰ হাতত ধৰি প্রকাশকৈ) বন্ধুহ্লু ঋষিসকলৰ প্রতি সন্মান বশতঃ মই আশ্রমলৈ যাম। বাস্তৱিকতে তপস্বীকন্যাৰ প্রতি মোৰ কোনো অভিলাষ নাই। কাৰণ, ক'ত মোৰ দৰে ৰজা আৰু ক'ত মৃগপোৱালীৰে ধেমালি কৰি বর্ধিতা আৰু মদন-ব্যাপাৰত অনভিজ্ঞা তপস্বী কন্যা শকুন্তলাহ্লু বন্ধু হ্লু মই পৰিহাস কৰি যি কথা কৈছো তাক তুমি যথার্থ বুলি ধৰি নলবা দেই।

ৰিদূষক— নিশ্চয় সেয়ে হ'ব।

(সকলোৱে ওলাই যায়।)



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ১ঃ নাটকৰ ২য় অঙ্কৰ ঘটনাবোৰ ক'ত অনুষ্ঠিত হৈছিল?

.....

.....

প্রশ্ন নং ২ঃ ৰাজমাতাই ৰজাক কিয় মাতি পঠিয়াইছিল?

.....

.....

প্রশ্ন নং ৩ঃ ৰিদূষকক ৰাজধানীলৈ পঠোৱাৰ নাটকীয় উদ্দেশ্য কি?

.....

.....

প্রশ্ন নং ৪ঃ যজ্ঞবিঘ্ন দূৰ কৰিবলৈ ৰজাক আমন্ত্রণ কৰি নিয়াৰ দ্বাৰা কি নাট্য উদ্দেশ্য সিদ্ধ হল?

.....

.....



## ৬.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- অভিজ্ঞানশকুন্তলম্ নাটকৰ দ্বিতীয় অংকৰ পাঠ্যাংশৰ লগত পৰিচিত হ'ল।
- এই অংশৰ অসমীয়া অনুবাদো জানিলে।
- দ্বিতীয় অংকৰ তাৎপর্যৰ বিষয়ে জানিব পাৰিলে।
- বিদূষকৰ চৰিত্রৰ বিষয়েও অৱগত হ'ল।



## ৬.৬ অধিক জানিবলৈ

১) শর্মা, থানেশ্বৰ, *অভিজ্ঞান শকুন্তলম্ — এক সমীক্ষা অসমীয়া*, ৫ম অনুবাদ, গুৱাহাটী।

২) হাজৰিকা, অতুল চন্দ্র, *অভিজ্ঞান শকুন্তলাম্ (অভিজ্ঞান শকুন্তলম্, অসমীয়া অনুবাদ)*, গুৱাহাটী-১; ১৯৪৯।

৩) মিৰাষি, ভি ভি আৰ নভাকৰ, *কালিদাস*, মুম্বাই, ১৯৫৯।



## ৬.৭ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্নৰ উত্তৰঃ** তপোবনত।

**২ নং প্রশ্নৰ উত্তৰঃ** ৰাজমাতাৰ উপবাসৰ পাৰণ অনুষ্ঠানত উপস্থিত থাকিবলৈ।

**৩ নং প্রশ্নৰ উত্তৰঃ** শকুন্তলাৰ প্রতি থকা ৰজাৰ অনুৰাগভাৱ লুকুৱাই ৰখাৰ বাবে।

**৪ নং প্রশ্নৰ উত্তৰঃ** ৰজা আৰু শকুন্তলাৰ মিলন প্রক্রিয়া ত্বৰান্বিত হ'ল।



## ৬.৮ আৰ্হি প্রশ্ন

**প্রশ্ন ১ঃ** দ্বিতীয় অঙ্কৰ পটভূমি কি ?

**প্রশ্ন ২ঃ** ৰজাই কিয় মৃগয়া বন্ধ কৰিলে?

**প্রশ্ন ৩ঃ** ৰজাই কিয় ৰাজধানীলৈ নিজে নগৈ বিদূষকক পঠিয়াইছিল?

**প্রশ্ন ৪ঃ** ৰজাই আশ্রমত কি কি কাৰণত থাকিল?

*** ***** ***

# অধ্যায় ৭ ঃ অভিজ্ঞানশকুন্তলম্ নাটকৰ চতুর্থ অঙ্কৰ পাঠ্যাংশৰ আলোচনা

## অধ্যায় গাঁথনি


৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ অভিজ্ঞানশকুন্তলম্ নাটকৰ চতুর্থ অঙ্কৰ পাঠ্যাংশৰ সংস্কৃত পাঠ

৭.৪ চতুর্থ অংকৰ পাঠ্যাংশৰ অসমীয়া অনুবাদ

৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৬ অধিক জানিবলৈ

৭.৭ অগ্রগতিৰ খতিয়ান

৭.৮ আৰ্হি প্রশ্ন


## ৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দেউতাক কণ্বই শকুন্তলাক পতিগৃহলৈ পঠিওৱাৰ দৃশ্য দেখিব
- ৪র্থ অংকৰ আদিত থকা বিষ্কম্ভকৰ পৰা জানিব পাৰিব যে যজ্ঞৰ অন্তত ৰজা হস্তিনাপুৰলৈ উভতি গৈছে আৰু শকুন্তলা ৰজাৰ চিন্তাত মগ্ন হৈছে
- তীর্থ ভ্রমণৰ পৰা উভতি আহি ঋষি কণ্বই শকুন্তলাক পতি গৃহলৈ পঠোৱাৰ আয়োজন কৰা সম্পর্কে জানিব পাৰিব
- গৌতম, শাৰদ্বত আৰু শার্ঙ্গৰৱ সৈতে শকুন্তলা পতি গৃহলৈ যাত্রা কৰাৰ বিষয়ে জানিব পাৰিব।

## ৭.২ পৰিচয়

সমগ্র অভিজ্ঞানশকুন্তলম্ নাটকখনতে চতুর্থ অংকটোৰ এটি সুকীয়া স্থান আছে। এই অঙ্কত আশ্রমত থকা পাত্র আৰু পাত্রীৰ সমাগম হৈছে। ইয়াত দুর্বাসাৰ অভিশাপ উচ্চাৰণ হলেও ভৰতৰ নাট্যৰীতি মতে এয়া নাটকত দৃশ্য নহ'ল। প্রিয় শিষ্য এজনে পুৰা উঠি বেলা কিমান হ'ল তাকে চালে। সকলো নিজ নিজ কার্যত ব্যাপৃত, ব্যস্ত। শকুন্তলাৰ বিদায় দৃশ্য এই অংকৰ মূল বিষয়। প্রকৃতি গছ-বনস্পতি, চৰাই চিৰিকটি, মৃগ পোটক সকলোৱে শকুন্তলাক বিদায় পৰত মাত লগাইছে। নাটকত এই অংকটিয়ে এক অনন্য মাত্রা দান কৰিছে সেই কাৰণে এই দৃশ্যটোৰ অধ্যয়ন ছাত্র-ছাত্রীৰ বাবে অতি প্রয়োজনীয়। এই অধ্যায়ত আপুনি অভিজ্ঞানশকুন্তলম্ নাটকৰ চতুর্থ অংকৰ সংস্কৃত পাঠ্যাংশ আৰু তাৰ অসমীয়া অনুবাদো পঢ়িবলৈ পাব।

## ৭.৩ শকুন্তলম্ নাটকৰ চতুর্থ অঙ্কৰ পাঠ্যাংশৰ সংস্কৃত পাঠ

(ততঃ প্রৱিশতি যথোক্তব্যাপাৰা আসনস্থা শকুন্তলা)

শকুন্তলা—ভগৱত্যঃ! ৱন্দে।

একা—(শকুন্তলাং প্রতি) জাতে। ভর্ত্তুঃ বহুমানসূচকং দেৱীশব্দং লভস্ব।

দ্বিতীয়া—বৎসে! ৱীৰপ্রসৱিনী ভৱ।

তৃতীয়া—বৎসে! ভর্ত্তুর্বহুমতা ভৱ।

(আশিষো দত্ত্বা গৌতমীৱর্জং নিষ্ক্রান্তাঃ)

সখৌ—(উপসৃত্য) সখি! সুখসজ্জনং তে ভৱতু।

শকুন্তলা—স্বাগতং মে প্রিয়সখ্যোঃ। ইতো নিষীদতম্।

উভে—(মঙ্গলপাত্রান্যাদায় উপৱিশ্য) হলা! সজ্জা ভৱ। যাৱন্মঙ্গলসমালংভনং ৱিৰচয়ৱে।

শকুন্তলা—উচিতমপি ইদমদ্য বহু মন্তব্যম্। দুর্লভমিদানীং মে সখীমণ্ডনং ভৱিষ্যতীতি। (বাষ্পং বিসৃজতি)

উভে—সখি! ন যুক্তং মঙ্গলকালে ৰোদিতুম্! (অশ্রূণি প্রমৃজ্য নাট্যেন প্রসাধয়তঃ)।

প্রিয়ম্বদা—আভৱণোচিতং ৰূপমাশ্রমসুলভৈঃ প্রসাধনৈ-ৰ্ৱিপ্রকার্যতেঃ

(প্রৱিশ্যোপায়নহস্তৌ ঋষিকুমাৱকৌ)

একঃ—ইদমলংকৱণম্। অলংক্রিয়তামত্রভৱতী।

গৌতমী—বৎস নাৱদ! কুত এতৎ?

প্রথম—তাতকাশ্যপ প্রভাৱাৎ

গৌতমী—কিং মানসী সিদ্ধিঃ?

দ্বিতীয়—ন খলু। শ্রূয়তাম্। তত্র ভৱতা বয়মাজ্ঞপ্তাঃ-শকুন্তলাহেতোর্ৱনস্পতিভ্যঃ কুসুমান্যাহৱত ইতি। তত্র ইদানীম্—

ক্ষৌমং কেনচিদিন্দুপাণ্ডু তৰুণা মঙ্গোল্যমাৱিষ্কৃতং
নিষ্ঠ্যুতশ্চৱণোপভোগসুলভো লাক্ষাৱসঃ কেনচিৎ।
অন্যেভ্যো ৱনদেৱতাকৱতলৈৰাপর্বভাগোৎথিতৈ—
র্দত্তান্যাভৱণানি তৎকিসলয়োদ্‌ভেদ-প্রতিদ্বন্দ্বিভিঃ।। ৫।।

প্রিয়ম্বদা—(শকুন্তলাং ৱিলোক্য) হলা! অনয়া অভ্যুপপত্ত্যা সূচিতা, তে ভর্ত্তুর্গেহে অনুভৱিতব্যা ৰাজলক্ষ্মীৰীতি।

(শকুন্তলা ব্রীডাং ৰূপয়তি)

প্রথমঃ— গৌতম! এহ্যেহি; অভিষেকোত্তীর্ণায় ভগৱতে কাশ্যপায় নিৱেদয়াৱ যাৱদিমাং ৱনস্পতিসেৱাম্।

দ্বিতীয়ঃ—তথা। (নিষ্ক্রান্তৌ)

সখৌ—অয়ে! অনুপযুক্তভূষণোহয়ং জনঃ। তৎ, চিত্রকর্মপৱিচয়েন, অঙ্গেষু তে আভৱণ ৱিনিয়োগং

কুর্ব্বঃ।

শকুন্তলা—জানে ৰাং নৈপুণম্। (উভে নাট্যেনালংকুৰুতঃ)

(ততঃ প্রবিশতি স্নানোত্তীর্ণ কাশ্যপঃ)

কাশ্যপ—যাস্যত্যদ্য শকুন্তলেতি হৃদয়ং সংস্পৃষ্টমুৎকণ্ঠয়া
কণ্ঠ ঃ স্তম্ভিতৰা ষ্পবৃত্তিকলুষশ্চিন্তাজডং দর্শনম্।
বৈক্লব্যং মম তাৱদীদৃশামিদং স্নেহাদৰণ্যৌকসঃ
পীড্যন্তে গৃহিণঃ কথং নু তনয়াৱিশ্লেষদুঃখৈর্নবৈঃ।। ৬।।

(পৰিক্রামতি)

সখৌ—হলা শকুন্তলে। অৱসিতমণ্ডনাসি। পৰিধৎস্ব সাম্প্রতং
ৱিচিত্রং ক্ষৌমযুগলম্। (শকুন্তলোৎত্থায় পৰিধত্তে)।

গৌতমী—জাতে! এষ তে আনন্দপৰিবাহিণা চক্ষুষা পৰিষ্ব জমান ইৱ, গুৰুৰুপস্থিতঃ আচাৰং
তাৱৎ প্রতিপদ্যস্ব।

শকুন্তলা—(সব্রীড়ম্) তাত! ৱন্দে। (ৱন্দতে)

কাশ্যপঃ—বৎসে!

যযাতেৰিৱ শর্মিষ্ঠা ভর্তুর্বহুমতা ভৱ।
সুতং ত্বমপি সম্রাজং সেৱ পূৰুমৱাপ্নুহি।। ৭।।

গৌতমী—ভগৱন্! ৱৰঃ খল্বেষঃ, নাশিষঃ।

কাশ্যপ—ৱৎসে! ইতঃ সদ্যোহুতাগ্নীন্ প্রদক্ষিণী কুৰুষ্ব।

(সর্বে পৰিক্রামন্তি)

কাশ্যপ—(ঋক্ছন্দসাহাশাস্তে)

অমী বেদিং পৰিতঃ ক্লৃপ্তধিষ্ণ্যাঃ
সমিদৱন্তঃ প্রান্তসংস্তীর্ণদর্ভাঃ।
অপঘ্নন্তো দূৰিতং হৱ্য গন্ধৈ
ৰৈতনাস্ত্বাং ৱহ্নয়ঃ পাৱয়ন্তু।। ৮।।
প্রতিষ্ঠস্বেদানীম্। (সদৃষ্টিক্ষেপম্) ক্ব তে শার্ঙ্গৰৱমিশ্রাঃ?

(প্রৱিশ্য)

শিষ্যৌ—ভগৱন্! ইমৌ স্বঃ।

কাশ্যপ—ভগিন্যাস্তে মার্গমাদেশয়।

শার্ঙ্গৰৱঃ— ইত ইতো ভৱতী। (সর্বে পৰিক্রামন্তি)

কাশ্যপ—ভো ভোঃ সংনিহিতাস্তপোৱনতৰৱঃ!

পাতুং ন প্রথমং ব্যৱস্যতি জলং যুষ্মাস্বপীতেষু যা
নাদত্তে প্রিয়মণ্ডনাপি ভৱতাং স্নেহেন যা পল্লৱম্।
আদ্যে ৱঃ কুসুম প্রসূতিসময়ে যস্যা ভৱত্যুৎসৱঃ

সেয়ং যাতি শকুন্তলা পতিগৃহং সর্বৈৰনুজ্ঞায়তাম্।।৯।।

(কোকিলৰৱং সূচয়িত্বা)

অনুমতগমনা শকুন্তলা তৰুভিৰিয়ং ৱনৱাসবন্ধুভিঃ।

পৰভৃতৰিৰুতং কলং যথা প্রতিৱচনীকৃতমেভিৰীদৃশম্।। ১০।।

(আকাশে)

ৰম্যান্তৰঃ কমলিনীহৰিতৈঃ সৰোভিশ্

ছায়াদ্রুমৈ র্নিয়মিতার্কময়ূখতাপঃ।

ভূয়াৎ কুশেশয় ৰজোমৃদুৰেণুস্যাঃ

শান্তানুকূলপৱনশ্চ শিৱশ্চ পন্থাঃ।। ১১।।

(সর্ৱে সৰিস্ময়মাকর্ণয়ন্তি)

গৌতমী—জাতে! জ্ঞাতিজনস্নিগ্ধাভিৰনুজ্ঞাতাসি তপোৱন দেৱতাভিঃ। প্রণম ভগৱতীঃ।

শকুন্তলা—(স প্রণামং পৰিক্রম্য জনান্তিকম্) হলা প্রিয়ম্বদে!

ননু আর্যপুত্র দর্শনোৎসুকায়া অপি আশ্রমপদং পৰিত্যজন্ত্যা দুঃখদুঃখেন মে চৰণৌ পুৱতঃ প্রৱর্তেতে।

প্রিয়ম্বদা—ন কেৱলং তপোৱনৰিৱহ কাতৰা সখ্যেৱ, ত্বয়োপস্থিতৰিয়োগস্য তপোৱনস্যাপি তাৱৎ সমৱস্থা দৃশ্যতে।

উদ্গলিত দর্ভকৱলা মৃগ্যঃ পৰিত্যক্তনর্তনা ময়ূৰাঃ।

অপসৃতপাণ্ডুপত্রা মুঞ্চন্ত্যশ্রূণীৱ লতাঃ।। ১২।।

শকুন্তলা—(স্মৃত্বা) তাত! লতাভগিনীং ৱনজ্যোৎস্নাং তাৱদামন্ত্রয়িষ্যে।

কাশ্যপঃ—অৱৈমি তে তস্যাং সোদৰ স্নেহম্। ইয়ং সা দক্ষিনেন।

শকুন্তলা—(লতামুপেত্যালিঙ্গ্য) ৱনজ্যোৎস্নে! চূতসঙ্গতাপি মাং প্রত্যালিঙ্গ ইতোগতাভিঃ শাখাবাহ্যভিঃ। অদ্য প্রভৃতি দূৱপৰিৱর্তিনী ভৱিষ্যামি।

কাশ্যপঃ—

সংকল্পিতং প্রথমমেৱ ময়া তবার্থে

ভর্তাৱমাত্মসদৃশং সুকৃতৈর্গতা ত্বম্।

চূতেন সংশ্রিতৱতী নৱমালিকেয়

মস্যামহং ত্বয়ি চ সংপ্রতি ৱীতচিন্তঃ।। ১৩।।

ইতঃ পন্থানং প্রতিপদ্যস্ব।

শকুন্তলা—(সখৌ প্রতি) হলা! এষা দ্বয়োর্যুৱয়োর্ননু হস্তে নিক্ষেপঃ।

সখৌ—অয়ং জনঃ কস্য হস্তে সমর্পিতঃ? (বাষ্পং ৱিহৱতঃ)।

কাশ্যপ—অনসূয়ে! অলং ৰুদিত্বা। ননু ভৱতীভ্যাম্ এৱ স্থিৱী কর্তব্যা শকুন্তলা। (সর্ৱে পৰিক্রামতি)।

শকুন্তলা—তাত! এষা উটজপর্যন্তচাৰিণী গর্ভমন্থৱা মৃগবধূঃ যদা অনঘ প্রসৱা ভৱতি তদা মহ্যং কমপি প্রিয়নিৱেদয়িতৃকং ৱিসর্জয়িষ্যথ।

কাশ্যপ—বৎসে! নেদং বিস্মৰিষ্যামঃ

শকুন্তলা—(গতিভঙ্গং ৰূপয়িত্বা) কো নু খল্বেষ নিৰসনে মে সজ্জতে?

(পৰাৱৰ্ততে)

কাশ্যপঃ—বৎসে!

যস্য ত্বয়া ব্রণৰিৰোপনমিঙ্গুদীনাং
তৈলং ন্যষিচ্যত মুখে কুশসূচিৰিদ্ধে।
শ্যামাকমুষ্টিপৰিৰৰ্ধিতকো জহাতি
সোহয়ং ন পুত্রকৃতকঃ পদৰীং মৃগস্তে।। ১৪।।

শকুন্তলা—বৎস! কিং সহৱাসপৰিত্যাগিণীং মামনুসৰসি?

অচিৰ প্রসূতয়া জনন্যাৰিনা ৰৰ্দিত্যোহসি। ইদানীমপি ময়া ৰিৰহিতং ত্বাং তাতশ্চিন্তয়িষ্যতি। নিৱৰ্ত্তস্ববৎস নিৱৰ্ত্তস্ব।

(ৰুদতী প্রস্থিতা)।

কাশ্যপঃ—

উৎপক্ষ্মৰ্ণোর্নয়নয়োৰুপৰুদ্ধবৃত্তি
বাষ্পং কুৰু স্থিৰতয়া ৰিৰতানুবন্ধম্।
অস্মিন্নলক্ষিতনতোন্নতভূমিভাগে
মার্গং পদানি খলু তে বিষমীভৱন্তি।। ১৫।।

শার্ঙ্গৰৱঃ—ভগৱন্! তদকান্তং স্নিগ্ধো জনোৎনুগন্তব্য ইতি শ্রূয়তে। তদিদং সৰস্তীৰম্। অত্র সংদিশ্য প্রতি গন্তুমর্হসি।

কাশ্যপঃ—তেনহীমাং ক্ষীৰবৃক্ষচ্ছায়ামাশ্রয়মেঃ।

(সর্ৱে পৰিক্রম্য স্থিতাঃ)। (আত্মগতম্) কিং নু খলু তত্রভৱতো দুষ্যন্তস্য যুক্তৰূপমস্মাভিঃ সংদেষ্টব্যম্?। (চিন্তয়তি)।

শকুন্তলা—(জনান্তিকম্) হলা! পশ্য; নলিনীপত্রান্তৰিতমপি সহচৰমপশ'ন্তী আতুৰা চক্রৱাকী আৰোতি। দুষ্কৰমহং কৰোমি ইত তর্কয়ামি।

অনসূয়া—সখি! মৈৱং মন্ত্রয়।

এষাপি প্রিয়েন ৰিনা গময়তি ৰজনীং ৰিষাদদীর্ঘতৰাম্
গুৱপি ৰিৰহদুঃখমাশাবন্ধঃ সাহয়তি।। ১৬।।

কাশ্যপঃ—শার্ঙ্গৰৱ! ইতি ত্বয়া মদ্ৱচনাৎ স ৰাজা শকুন্তলাং পুৰস্কৃত্য ৱক্তব্যঃ।

শার্ঙ্গৰৱঃ—আজ্ঞাপয়তু ভৱান্।

কাশ্যপঃ—

অস্মান্ সাধু ৰিচিন্ত্য সংযমঘনানুচ্চৈঃ কুলং চাত্মনসত্বয্যস্যাঃ
কথমপ্যবান্ধৱকৃতাং স্নেহপ্রবৃত্তিং চ তাম্।

সামান্য প্রতিপত্তি পূর্ৱকমিয়ং দাৰেষু দৃশ্যা ত্ৱয়া
ভাগ্যায়ত্তমতঃ পৰং ন খলু তদ্ৰাচ্যং ৰধূবন্ধুভিঃ।। ১৭।।

শার্ঙ্গৰৱঃ—গৃহীতঃ সন্দেশঃ।

কাশ্যপঃ—ৱৎসে! ত্ৱমিদানীমনুশাসনীয়াসি। বনৌকসোঽপি সন্তোলৌকিকজ্ঞা ৱয়ম্।

শার্ঙ্গৰৱঃ—ন খলু ধীমতাং কশ্চিদবিষয়ো নাম।

কাশ্যপঃ—সা ত্ৱমিতঃ পতিকুলং প্রাপ্য
শুশ্রূষস্ব গুৰূন্ কুৰু প্রিয়সখীবৃত্তিং সপত্নীজনে
ভর্তুৰ্বিপ্রকৃতাপি ৰোষণতয়া মাস্ম প্রতীপং গমঃ
ভূয়িষ্ঠং ভৱ দক্ষিণা পৰিজনে ভোগেষ্ৱনুৎসেকিনী
যান্ত্যেৱং গৃহিণীপদং যুৱতয়ো ৰামাঃ কুলস্যাধয়ঃ।। ১৮।।
কথং ৰা গৌতমী মন্যতে?।

গৌতমী—এতাৱান্ ৰধূজনস্যোপদেশঃ। জাতে! এতৎ খলু সর্ৱমৱধাৰয়।

কাশ্যপঃ—এহি ৱৎসে! পৰিষ্ৱজস্ব মাং সখীজনং চ।

শকুন্তলা—তাত! ইত এৱ কিং প্রিয়ম্বদামিশ্রাঃ সখ্যো নিৱর্ত্তিষ্যন্তে?

কাশ্যপঃ— ৱৎসে! ইমে অপি প্রদেয়ে। ন যুক্তমনয়োস্তত্র গন্তুম্। ত্ৱয়া সহ গৌতমী গমিষ্যতি।

শকুন্তলা—(পিতৰমাশ্লিষ্য) কথমিদানীং তাতস্য অংকাৎ পৰিভ্রষ্টা মলয়পর্বতোন্মূলিতা চন্দনলতেৱ দেশান্তৰে জীৱিতং ধাৰয়িষ্যামি।

কাশ্যপঃ—ৱৎসে! কিমেৱং কাতৰাসি?।
অভিজনৱতো ভর্তুঃ শ্লাঘ্যে স্থিতা গৃহিনীপদে
বিভৱগুৰুভিঃ কৃত্যৈস্তস্য প্রতিক্ষণমাকুলা।
তনয়মচিৱাৎ প্রাচীৱার্কং প্রসূয় চ পাৱনং
মম ৱিৱহজাং ৱৎসে! ন ত্ৱং শুচং গণয়িষ্যসি।। ১৯।।

শকুন্তলা—(পিতুঃ পাদয়োঃ অৱনম) তাত! ৱন্দে।

কাশ্যপঃ—যদিচ্চামি তে তদস্তু।

শকুন্তলা—(সখ্যাৱুপেত্য) হলা! দ্ৱে অপি মাংসমমেৱ পৰিষ্ৱজেথাম্।

সখ্যৌ—(তথা কৃত্ৱা) সখি! যদি নাম স ৰাজা প্রত্যাভিজ্ঞান মন্থৰো ভৱেৎ ততঃ তস্য ইমাম্ আত্মনামধেয়াঙ্কিতমঙ্গুলীয়কং দর্শয়।

শকুন্তলা—অনেন সংদেহেন ৰামাকম্পিতাস্মি।

সখৌ—মা ভৈষীঃ, স্নেহঃ পাপশঙ্কী।

শার্ঙ্গৰৱঃ—অগান্তৱমাৰূঢ়ঃ সৰিতা। ত্ৱৰতামত্রভৱতী।

শকুন্তলা— (আশ্রমাভিমুখী স্থিত্ৱা) তাত! কদা নু ভূয়স্তপোৱনং প্রেক্ষিষ্যে?।

কাশ্যপঃ—ৱৎসে! শ্রূয়তাম্—

ভূত্বা চিৰায় চতুৰন্তমহীসপত্নী
দৌষন্তিমপ্রতিৰথং তনয়ং নিৰেশ্য।
ভর্ত্রা তদর্পিত কুটুম্বভৰেণ সার্ধং
শান্তে কৰিষ্যসি পদং পুনৰাশ্রমেহস্মিন্।। ২০।।

গৌতমী—জাতে! পৰিহীয়তে গমনৰেলা। নিৰ্তয় পিতৰম্। অথৰা চিৰেনাপি পুনঃ পুনৰেষা এৰং মন্ত্রয়িষ্যতে। নিৰ্ততাং ভৰান্।

কাশ্যপঃ—ৰৎসে! উপৰুধ্যতে তপোহনুষ্ঠানম্।

শকুন্তলা—(ভূয়ঃ পিতৰমাশ্লিষ্য) তপশ্চৰন পীড়িতং তাত শৰীৰম্।
তন্মাতিমাএং মম কৃতে উৎকণ্ঠিতুম্।

কাশ্যপঃ—(সনিঃশ্বাসম্)
শমমেষ্যতি মম শোকঃ কথং নু ৰৎসে! ত্বয়া ৰচিত পূর্ৰম্?।
উজৈদ্বাৰবিৰূঢ়ং নীৰাৰবলিং ৰিলোকয়তঃ।। ২১।।
গচ্ছ, শিৰাস্তে পন্থানঃ সন্তু। (নিষ্ক্রান্তা শকুন্তলা সহযায়িনশ্চ)

সখৌ—(শকুন্তলাং ৰিলোক্য) হাধিক্ হা ধিক্। অন্তর্হিতা শকুন্তলা ৰনৰাজ্যা।

কাশ্যপঃ—(সনিঃশ্বাসম্)। অনসূয়েঃ ! প্রিয়ম্বদে! গতবতী বাং সহধর্মচাৰিণী। নিগৃহ্য শোকমনুগচ্ছতং মাং প্রস্থিতম্।

(সর্ৰে প্রস্থিতাঃ)

উভে—তাত! শকুন্তলাবিৰহিতং শূন্যমিৰ তপোৱনং কথং প্রৰিশাৰঃ?

কাশ্যপঃ—স্নেহপ্রৰৃত্তিৰেৰং দর্শিনী। (সৰিমর্শং পৰিক্রম্য)

হন্ত ভোঃ! শকুন্তলাং পতিকুলং ৰিসৃজ্য লব্ধমিদানীং স্বাস্থ্যম্। কুতঃ—
অর্থো হি কন্যা পৰকীয় এৰ
তামদ্য সংপ্রেষ্য পৰিগ্রহীতুঃ।
জাতো মমায়ং ৰিশদঃ প্রকামং
প্রত্যর্পিতন্যাস ইৰান্তৰাত্মা।। ২২।। (সর্ৰে নিষ্ক্রান্তাঃ)

## ৭.৪ চতুর্থ অংশৰ পাঠ্যাংশৰ অসমীয়া অনুবাদ

তেনেকুৰা মাঙ্গলিক কার্যত ব্যাপৃতা হৈ আসনত বহি থকা শকুন্তলাৰ প্রৰেশ, তাপসীসকলৰ শকুন্তলাক সম্বোধন)

প্রথমা তাপসী—বাচা! স্বামীৰ সমাদৰ লাভ কৰি মহাদেৱীৰ পদ লাভ কৰা।

দ্বিতীয় তাপসী—বাচা! তুমি বীৰৰ জননী হোৱা।

তৃতীয় তাপসী—বাচা! তুমি স্বামীৰ বৰ সমাদৰ লাভ কৰা।

(এইদৰে আশীর্বাদ দি গৌতমীক এৰি থৈ আন তাপসীসকলে বাহিৰ ওলাই যায়)।

সখীদ্বয়—(শকুন্তলাৰ ওচৰলৈ গৈ) সখী তোমাৰ মাঙ্গলিক স্নান সুখকৰ হওক।

শকুন্তলা—সখী, আহা দুয়ো সখী; ইয়াতে বহা।

দুয়ো সখী—(মাঙ্গলিক প্রসাধন সামগ্রীৰ পাত্র লৈ) সখী, তুমি ভালকৈ বহা, তোমাৰ প্রসাধন কার্য কৰোঁ।

শকুন্তলা—ইয়াকে বহুত বুলি ভাবিব লাগিব। এতিয়াৰে পৰা সখীসকলৰ হাতেৰে কৰা মণ্ডন কর্ম দুর্লভ হ'ব। (চকুলো টোকে)

সখীদ্বয়—সখী! শুভকার্যত কন্দা-কটা কৰা অনুচিত। (চকুলো মচি দিয়ে)।

প্রিয়ম্বদা—অলংকৰণৰ উপযুক্ত এই ৰূপ আশ্রমত প্রাপ্ত প্রসাধনেৰে বিকৃত হোৱাৰ সম্ভাৱনা হয়। (হাতত আভৰণবোৰ লৈ দুজন ঋষি কুমাৰ আহে)

কুমাৰ এজন—এয়া আভৰণ। এওঁক অলংকৃত কৰা।

গৌতমী—বাচা নাৰদ! এইবোৰ ক'ত পালা?

প্রথমজন—পিতা কাশ্যপৰ তপস্যাৰ প্রভাৱত পোৱা গৈছে।

গৌতমী—এয়া তেওঁৰ মানসী সিদ্ধিৰ ফল নেকি?

দ্বিতীয়জন— নহয় নহয়। কওঁ শুনক। তেখেতে আমাক ক'লে, 'শকুন্তলাৰ কাৰণে গছৰ পৰা ফুল তুলি আনাগৈ।' তাকে কৰোঁতে এজোপা গছে দিলে চন্দ্রৰ দৰে ৰঙৰ মাঙ্গলিক পাটকাপোৰ, অন্য এজোপা গছে দিলে ভৰিত লগোৱা লাক্ষাৰস; অন্যান্য বন দেৱতাসকলে তেওঁলোকৰ কোমল হাত আগবঢ়াই নানান অলঙ্কাৰবোৰ দিলে, সেয়া যেন তেওঁলোকৰ কুঁহি পাতৰ সৈতে কৰা প্রতিদ্বন্দ্বিতাহে । ৫।

প্রিয়ম্বদা—(শকুন্তলালৈ চাই) সখী! এইবোৰ উপহাৰ এনেকৈ পোৱাৰ পৰা বুজা গৈছে তুমি স্বামীৰ ঘৰত কেনে শ্রীবৃদ্ধি লাভ কৰিবা। (শকুন্তলাই লাজুক ভাৱ দেখুৱায়)

প্রথম ঋষিকুমাৰ—গৌতম! পিতা কাশ্যপৰ স্নান কার্য সম্পন্ন যেন পাওঁ; বলা, তেখেতক বনদেৱতাসকলে দিয়া উপহাৰৰ কথা কওঁগৈ।

দ্বিতীয় ঋষিকুমাৰ—সেয়ে হওঁক। (দুয়ো ওলাই যায়)

সখীদ্বয়—আঃ এওঁৰ ৰূপ অলংকাৰৰ যোগ্য নহয়। চিত্র কর্মৰ লগত থকা পৰিচয়ৰ ওপৰত নির্ভৰ কৰি এওঁৰ অঙ্গবোৰত আভৰণবোৰ বিনিয়োগ কৰোহঁক।

শকুন্তলা—তোমালোকৰ নৈপুণ্যৰ কথা মই জানো দিয়া। (দুয়ো শকুন্তলাক অলংকাৰ পিন্ধায়) (তাৰ পাছত স্নান কৰি উঠা কাশ্যপে প্রৱেশ কৰে)

কাশ্যপঃ—শকুন্তলা আজি গুচি যাব এই কাৰণে মোৰ মন বৰ উৎকণ্ঠিত হৈছে; চকুলোক বাধা দিবলৈ যাওঁতে মোৰ কণ্ঠৰুদ্ধ হৈছে; চিন্তাত চকুৰ দৃষ্টি কম হৈছে। মই এজন বনবাসী, সন্তানৰ স্নেহত মোৰ যদি এনে অৱস্থা হয়, তেনেহ'লে, গৃহীসকলে প্রথমতে কন্যা উলিয়াই দিওঁতে নাজানো কিমান কষ্ট পায়। ৬। (আগবাঢ়ি গৈ)

সখীদ্বয়—সখী শকুন্তলা! অলংকাৰ পিন্ধোৱা হ'ল, এতিয়া পাটকাপোৰ জোৰ পিন্ধা।

(শকুন্তলা বহাৰ পৰা উঠি পাটকাপোৰজোৰ পিন্ধিলে)

গৌতমী—বাচা! এয়া তোমাৰ পিতা আহিছে, তেওঁৰ দুচকুত আনন্দাশ্রু বৈ গৈ তোমাক যেন আলিঙ্গন কৰিবলৈহে উপস্থিত হৈছে। তুমি তেওঁক সেৱা কৰা।

শকুন্তলা—(লাজ লাজ কৰি) পিতা, এয়া প্রণাম কৰিছোঁ।

কাশ্যপঃ—বাচা। শর্মিষ্ঠাই যেনেকৈ যযাতিৰ ওচৰত প্রিয়পাত্রী হৈছিল, তেনেকৈ তুমিও স্বামীৰ প্রিয়ভাজন হোৱা আৰু শর্মিষ্ঠাই পুৰুক লাভ কৰাৰ দৰে তুমিও সম্রাট পুত্র লাভ কৰা। ৭।

গৌতমী—ভগৱান! এয়া কেৱল আশীর্বাদেই নহয়; ই বৰো।

কাশ্যপঃ—বাচা! আহা, এইফালে আহা। এয়া যে অগ্নিত্রয়ত এতিয়া আহুতি দিয়া হৈছে, তাক প্রদক্ষিণ কৰা।

(সকলোৱে পৰিক্রম কৰে, ঘূৰে)

কাশ্যপঃ—(ঋগ্বেদৰ ছন্দেৰে আশীর্বাদ বাক্য উচ্চাৰণ কৰি।) বেদিৰ ওপৰত যি অগ্নিত্রয় নিজ নিজ কুণ্ডত অধিষ্ঠিত হৈ আছে, য'ত সমিধ দিয়া হৈছে আৰু যাৰ প্রান্তভাগত দর্ভ বিস্তৃত কৰা হৈছে, সেই যজ্ঞাগ্নিয়ে হব্যগন্ধেৰে সকলো অমঙ্গল নাশ কৰি তোমাক পৱিত্র কৰক। ৮। এতিয়া যাত্রা আৰম্ভ কৰা। (দৃষ্টিক্ষেপ কৰি) শার্ঙ্গৰৱ প্রভৃতি ক'ত? (প্রৱেশ কৰি)

শিষ্যদ্বয়—ভগৱন! এয়া আমি ইয়াত আছো।

কাশ্যপঃ—তোমালোকৰ ভনীয়েৰাক বাট দেখুৱা।

শার্ঙ্গৰৱ—তুমি এইফালে আহা (সকলোৱে ঘূৰে)।

কাশ্যপঃ— হে ওচৰত থকা তপোৱনৰ বৃক্ষসকল! যিজনীয়ে তোমালোকক জলপান নকৰাকৈ নিজে পানী পান নকৰিছিল, মণ্ডল ভাল পালেও চেনেহতে তোমালোকৰ পৰা এটি কুঁহিপাত চিঙা নাছিল; তোমালোকৰ প্রথম ফুল ফুলাৰ সময়ত যাৰ উৎসৱ প্রচুৰ হৈছিল, সেই শকুন্তলা আজি পতিৰ ঘৰলৈ যাব, তোমালোক সকলোৱে তাৰ বাবে অনুমতি দিয়া। ৯।

(কুলিৰ মাত শুনাৰ অভিনয় কৰি)

অৰণ্যত একেলগে বাস কৰা শকুন্তলাৰ বন্ধু এই তৰুবোৰে তেওঁক যাবলৈ অনুমতি দিছে, কাৰণ তেওঁলোকে এনেকৈ কুলিৰ মাতেৰে মোৰ কথাৰ উত্তৰ দিছে। ১০।

(আকাশত)

এই পথ শুভঙ্কৰ হওঁক, মাজে মাজে হৰিৎবৰণৰ মনোৰম সৰোবৰ আদিৰে, ছায়াময় গছৰে সূর্যৰ কিৰণৰ তাপ নিবাৰিত হৈ পদুমৰ পৰাগেৰে পথৰ ধূলিবোৰ কোমল হৈ শকুন্তলাৰ যাত্রাপথ শুভ আৰু বতাহ ধীৰ আৰু অনুকূল হওঁক। ১১।

(সকলোৱে আচৰিত হৈ আকাশবাণী শুনিলে)

গৌতমী—বাচা! জ্ঞাতিসকলৰ দৰে তোমাক যিসকলে স্নেহ কৰে সেই তপোৱনৰ দেৱীসকলে তোমাক যাত্রাৰ অনুমতি দিছে। এতিয়া ভগৱতীসকলক প্রণাম কৰা।

শকুন্তলা—(প্রণাম জনাই যাবলৈ আৰম্ভ কৰি, একাষৰীয়াকৈ) হে সখী প্রিয়ম্বদা, যদিও আর্যপুত্রক দেখাৰ বাবে মোৰ এই ব্যগ্রতা হৈছে, তথাপিও কিন্তু আশ্রম এৰি যাবলৈ মোৰ চৰণ আগবঢ়া নাই।

প্ৰিয়ম্বদা—তপোৱন ত্যাগ কৰি যাবলৈ ওলোৱা বাবে তোমাৰেই যে কেৱল দুঃখ হৈছে এনে নহয়, তপোৱনৰো একে অৱস্থা হৈছে। সৌ চোৱা—হৰিণবোৰৰ মুখৰ পৰা আধাচোবোৱা কুশ পৰিছে, ময়ূৰবিলাকে নৃত্য ত্যাগ কৰিছে, লতাবোৰৰ শুকান পাতবোৰ গুছি গৈ যেন চকুৰ পানী হৈ সৰি পৰিছে। ১২।

শকুন্তলা—(সোঁৱৰণ কৰি) পিতা! লতাভগিনী বনজ্যোৎস্নাজুপিক এবাৰ মাত লগাওঁ।

কাশ্যপ—বনজ্যোৎস্নাৰ ওপৰত তোমাৰ ভনী যেন চেনেহ আছে সেয়া মই জানো। তোমাৰ সোঁহাতে লতাজুপি আছে।

শকুন্তলা—(ওচৰলৈ গৈ লতা জোপাক সাৱতি ধৰি) বনজ্যোৎস্না! যদিও তুমি আম গছৰ লগত সঙ্গত হৈছা, তথাপি তোমাৰ ঠাল-ঠেঙুলিবোৰেৰে এবাৰ মোক সাৱতি ধৰাচোন। আজিৰ পৰা মই বহুদূৰণীয়া হ'ম নহয়।

কাশ্যপ—মই প্ৰথমৰে পৰা তোমাক উপযুক্ত স্বামীৰ হাতত তুলি দিম বুলি সংকল্প কৰিছিলো। এতিয়া তুমি তোমাৰ নিজৰ সুকৃতিৰ বলত তাকে পাইছা। এই নৱমালিকাই আম গছক আশ্ৰয় কৰিছে, তাইৰ বাবে আৰু তোমাৰ বাবে এতিয়া আৰু মোৰ কোনো চিন্তা ভাৱনা নাই। এতিয়া যাত্ৰা আৰম্ভ কৰা। ১৩।

শকুন্তলা—(সখী দুজনীৰ প্ৰতি) ইয়াক তোমালোক দুজনীৰ হাতত সঁপিলো।

সখীদ্বয় —মোক নো কাৰ হাতত সঁপি দিলা? (চকুলো টোকে)

কাশ্যপ—অনসূয়া! কেলেই কান্দিছা। তোমালোকেহে শকুন্তলাক স্থিৰ কৰিব লাগে।

(সকলোৱে পৰিক্ৰমণ কৰে)

শকুন্তলা—পিতা! সেই হৰিণজনী লাহে লাহে কুটীৰৰ কাষে কাষে ঘূৰি ফুৰিছে। তাইৰ পোৱালী জগোৱাৰ সময় আহিছে। তাই যেতিয়া বিঘিনি নঘটাকৈ পোৱালি দিব তেতিয়া কাৰোবাক পঠিয়াই মোক সেই সুখবৰটো জনাব।

কাশ্যপ— বাৰু! মনত ৰাখিম।

শকুন্তলা—(গতি ভঙ্গৰ অভিনয় কৰি) কোনেনো মোৰ কাপোৰত টানে অ'?

কাশ্যপ—বাচা! যাৰ মুখত কুশৰ কাঁইটে বিন্ধিলে, ক্ষত হ'লে তুমি ইঙ্গুদী গুটিৰ তেল লগাই দিছিলা, যাক তুমি নিজৰ পুত্ৰৰ দৰে ভাবা, সেই হৰিণৰ পোৱালিটোৱে তোমাৰ লগ এৰা নাই।[১৪]।

শকুন্তলা—বাচা! তোক এৰি যে মই যাবলৈ ওলাইছো! মোৰ লগত তই কিয় আহিছ? জন্মিবৰ অলপ দিন পাছতে তোৰ মা মৰিলেও তই জীৱিত থাকি ডাঙৰ হৈছ, এতিয়া মই নাথাকিলেও দেউতাই তোক চাব। (কান্দি আগবাঢ়ে)

কাশ্যপ—(আই!) চকুলোৰে তোমাৰ দীঘল পক্ষ্মযুক্ত চকুৰ দৃষ্টি অৱৰুদ্ধ হৈছে, ধৈর্য ধৰি চকুলো বোৱা বন্ধ কৰা; এই ঠাইবোৰ ওখৰা-মোখৰা, তাকে নেদেখা বাবে তোমাৰ খোজবোৰ ঠিক ঠাইত পৰা নাই। (তোমাৰ পথ বিষণীকৃত হৈছে/হ'ব)। ১৫।

শাৰ্ঙ্গৰৱ—ভগৱন! স্নেহভাজন লোকৰ জলাধাৰ পৰ্যন্ত যোৱাৰ ৰীতি। এয়া আমি জলাশয়ৰ কাষ

পালোহি। গতিকে ইয়াতে আপোনাৰ সন্দেশ শুনাই আপুনি উভতি যোৱা উচিত হ'ব।

কাশ্যপ—তেনেহ'লে সেই বৰগছ জোপাৰ ছায়াতে আশ্রয় লওহঁক। (সকলোৱে এপাক ঘূৰি ৰয়) (নিজে মনতে) ৰজা দুষ্যন্তকনো তেওঁৰ বাবে উপযুক্ত কি কথা সন্দেশৰূপে জনাওঁ? (চিন্তা কৰে)।

শকুন্তলা—(একাষৰীয়াকৈ) সখী। চোৱা; সেই চক্রবাকীজনীয়ে গিৰিয়েক পদুম পাতৰ আঁৰ হওঁতে নেদেখি আতুৰ হৈ চিঞৰিছে। ময়ো বৰ দুষ্কৰ কাম কৰিবলৈ ওলোৱা বুলি মনতে ভাবিছো।

অনসূয়া—সখী! তেনেকৈ নাভাবিবাচোন। তায়ো প্রিয়জনৰ বিয়োগজনিত দীঘলীয়া ৰাতিটো দুঃখেৰে কটায়। সেই বিৰহৰ দুঃখ গুৰুতৰ হলেও পুনর্মিলনৰ আশাত তাকো সহ্য কৰে। ১৬।

কাশ্যপ—শাৰ্ঙ্গৰৱ! শকুন্তলাক আগত থৈ ৰজা দুষ্যন্তক মোৰ বচনেৰে এনেকৈ কবা—

শাৰ্ঙ্গৰৱ—আপুনি আজ্ঞা কৰক।

কাশ্যপ—'তপোবৃদ্ধ আমাৰ কথা,আপোনাৰ নিজৰ বংশ মর্যদাৰ কথা, আৰু আত্মীয় স্বজনৰ যত কোনো হাত নাছিল, আপোনাৰ প্রতি শকুন্তলাৰ সেই স্বতঃজাত গভীৰ প্রেমৰ কথা মনত পেলাই আপুনি তেওঁক আন পত্নীৰ সমান সমাদৰৰ দৃষ্টিৰে চাব; ইয়াতকৈ অধিক আশা কৰা ভাগ্যৰ অধীন; বধূৰ আত্মীয়-স্বজনৰ সেই বিষয়ে কোৱাৰ অধিকাৰ নাই। ১৭।

শাৰ্ঙ্গৰৱ—আপোনাৰ সন্দেশ-বার্ত্তা গৃহীত হ'ল।

কাশ্যপ—বাচা! এইবাৰ তোমাক উপদেশ দিওঁ। ৱনবাসী হলেও আমি সংসাৰৰ ৰীতি-নীতি জানো।

শাৰ্ঙ্গৰৱ— ধীমান লোকৰ অজ্ঞাত একো নাথাকে।

কাশ্যপ—এতিয়াৰ পৰা তুমি ইয়াৰ পৰা গৈ পতিৰ কুল পাই— গুৰুসকলৰ সেৱা-শুশ্রূষা কৰিবা, সতিনীসকলক প্রিয়সখী জ্ঞান কৰিবা, গিৰিয়েৰাই কেতিয়াবা দুর্ব্যৱহাৰ কৰিলেও তেওঁৰ (প্রতি) প্রতিকূল আচৰণ নকৰিব, নিজৰ সৌভাগ্যত গর্বিতা নহৈ দাস-দাসীসকলৰ প্রতি সদয় ব্যৱহাৰ কৰিবা। যুৱতীসকলে এইদৰে আচৰণ কৰি সুগৃহিনীৰ পদ লাভ কৰে; ইয়াৰ বিপৰীত আচৰণ কৰা স্ত্রী কুলৰ বাবে যন্ত্রণাদায়ক হয়। ১৮।

গৌতমীয়ে বা কি কয়?

গৌতমী—ন বোৱাৰীৰ বাবে এইখিনি উপদেশেই যথেষ্ট। বাচা! এইবোৰ উপদেশ মনত ৰাখিবা।

কাশ্যপ—বাচা! মোক আৰু সখীসকলক আলিঙ্গন কৰা।

শকুন্তলা—দেউতা! প্রিয়ম্বদাহঁত ইয়াৰ পৰাই উভতি যাব নেকি?

কাশ্যপ—বাচা! এওঁলোককো বিয়া দিব লাগিব। এওঁলোক তোমাৰ লগত তালৈ যোৱা উচিত নহ'ব। তোমাৰ লগত গৌতমী যাব নহয়।

শকুন্তলা—(পিতৃক আলিঙ্গন কৰি) এতিয়া দেউতাৰ কোলাৰ পৰা পৰি মলয় পর্বতৰ পৰা উভালি অনা চন্দন গছৰ দৰে দেশান্তৰত কেনেকৈ জীয়াই থাকিম?

কাশ্যপ—বাচা! তুমি ইমান কাতৰ হৈছা কিয়? অনেক পৰিজনযুক্ত স্বামীৰ শ্লাঘনীয় গৃহিনীপদত

প্রতিষ্ঠিত হৈ, সেই পদৰ উপযুক্ত অতুল বিভৱজনিত গুৰুতৰ কাম-কাজত ব্যাপৃত হৈ থাকি আৰু পূব দিশে সূর্যক জন্ম দিয়াৰ দৰে শীঘ্রে বিশুদ্ধ পুত্রক জন্ম দি, মোৰ বিৰহত জন্মিব পাৰা দুঃখ শোক তুমি গণ্য কৰিবলগীয়া নহ'ব। ১৯।

শকুন্তলা—(পিতৃৰ চৰণত ধৰি) পিতা! সেৱা কৰিছো।

কাশ্যপ—মই যি ভাবিছো সেয়া তোমাৰ হওঁক।

শকুন্তলা—(সখী দুজনীৰ কাষলৈ গৈ) দুয়ো মোক একেলগে সাৱতি ধৰা।

সখীদ্বয়—(তাকে কৰি) সখী! যদি সেই ৰজাই তোমাক চিনি পোৱাত মন্থৰ হয় তেতিয়া তেওঁ দি যোৱা তেওঁৰ নামাঙ্কিত আঙঠিটো দেখুৱাবা।

শকুন্তলা—তোমালোকৰ এই সন্দেহে মোৰ হিয়া কঁপাইছে।

সখীদ্বয়—ভয় নাখাবা; অতি স্নেহে পাপলৈ শঙ্কা কৰায়।

শার্ঙ্গৰৱ—বেলা বহুত হ'ল। তুমি খৰধৰ কৰা।

শকুন্তলা—(আশ্রমলৈ মুখ কৰি থিয় হৈ) দেউতা আৰু নো কেতিয়া তপোৱন দেখা পাম?

কাশ্যপ—বাচা শুনা। বহুদিন চাৰিসাগৰে বেৰি থকা পৃথিৱীৰ সতিনীগিৰি কৰি, দুষ্যন্তৰ প্রতিদ্বন্দ্বিহীন পুত্রক সিংহাসনত বহুৱায় আৰু তোমাৰ স্বামীয়ে যেতিয়া তেওঁৰ ওপৰত ৰাজ্যভাৰ অর্পণ কৰিব, তেতিয়া তেওঁৰ সৈতে আকৌ এই শান্তিপূর্ণ আশ্রমলৈ আহিবা। ২০।

গৌতমী—বাচা! যাত্রাৰ সময় গৈ আছে। পিতৃক ঘূৰাই পঠোৱা। অথবা এওঁতো বাৰে বাৰে বহুক্ষণ একে কথাকে কৈ থাকিব। আপুনিয়ে উভতি যাওঁক।

কাশ্যপ—বাচা! মোৰ তপোনুষ্ঠানতে বাধা পৰিছে।

শকুন্তলা—(আকৌ পিতৃক আলিঙ্গন কৰি) পিতাৰ এই শৰীৰ তপস্যাৰে প্রপীড়িত হৈছে। মোৰ বাবে আপুনি অতিশয় উৎকণ্ঠিত নহ'ব।

কাশ্যপ—(নিঃশ্বাস পেলাই) বাচা! কুটীৰৰ দুৱাৰ মুখত তুমি আগতে চতিয়াই দিয়া নীবাড়ধানৰ গজালিবোৰ দেখি মোৰ শোক কেনেকৈ গুচিব? বাৰু, এতিয়া তোমালোকে যাত্রা কৰা। তোমালোকৰ যাত্রাপথ সুখকৰ হওঁক। ২১।

(সহযাত্রী সকলৰ সৈতে শকুন্তলা ওলাই যায়)

সখীদ্বয়—(শকুন্তলালৈ চায়) হায় হায়! শকুন্তলা হাবিৰ আঁৰ হ'ল।

কাশ্যপ— (দীর্ঘ নিশ্বাস পেলাই) অনুসূয়া! প্রিয়ম্বদা! তোমালোকৰ ধর্ম সঙ্গিনী শকুন্তলা গ'লগৈ। এতিয়া দুঃখ শোক পাহৰি মোৰ পাছে পাছে আহা।

(আটায়ে প্রস্থান কৰে)

উভয়ে—পিতা! শকুন্তলা বিযুক্ত শূন্য তপোবনত কেনেকৈ সোমাম?

কাশ্যপ—স্নেহত প্রবৃত্ত হলে এনে দেখা যায়। (ভাবি) হায়! শকুন্তলাক পতিগৃহলৈ পঠিয়াই এতিয়াহে মই স্বাস্থ্য লাভ কৰিছো। কাৰণ কন্যা মাত্রকে পৰৰ ধন; গচ্ছিত ধন ঘূৰাই দিয়াৰ দৰে তাইক (শকুন্তলাক) স্বামীৰ ঘৰলৈ পঠিয়াই মই গভীৰ শান্তি লাভ কৰিছো। ২২।

(সকলোবোৰ ওলাই যায়)



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ১ঃ শকুন্তলাক কোনে কি বুলি অভিশাপ দিছিল?

.....

.....

প্রশ্ন নং ২ঃ বনজ্যোৎস্না বুলি কি ফুলক বুজাইছে?

.....

.....

প্রশ্ন নং ৩ঃ অভিজ্ঞানশকুন্তলম্ নাটকৰ ৪র্থ অংকটোক কিয় ৰম্য বোলা হল?

.....

.....

প্রশ্ন নং ৪ঃ কন্যা সন্তানক কণ্ব ঋষিয়ে কিয় ন্যাস বুলি কৈছে?

.....

.....

প্রশ্ন নং ৫ঃ হস্তিনাপুৰৰ কোন ৰজাই শকুন্তলাক বিয়া কৰাইছিল?

.....

.....



## ৭.৫ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- অভিজ্ঞানশকুন্তলম্ নাটকৰ চতুৰ্থ অংশৰ পাঠ্যাংশৰ সংস্কৃতপাঠ জানিলে।
- পাঠ্যাংশৰ সংস্কৃত পাঠৰ অসমীয়া অনুবাদো জানিলে।
- চতুৰ্থ অংকত থকা শকুন্তলাৰ বিদায়দৃশ্যৰ লগত পৰিচিত হ'ল।
- শকুন্তলাৰ বিদায়দৃশ্যত প্রকৃতিয়ে কেনেদৰে ভাগ লৈছে সেই বিষয়েও জানিলে।
- শকুন্তলা আৰু প্রকৃতিৰ নিবিড় সম্পর্কৰ বিষয়ে অবগত হ'ল।
- শকুন্তলাৰ আসন্ন বিৰহত কাতৰ হোৱা কণ্বৰ অৱস্থাৰ বিষয়েও জানিব পাৰিলে।



## ৭.৬ অধিক জানিবলৈ

১) মিৰাষি ভি ভি আৰু নভাকৰ, *কালিদাস*, মুম্বাই, ১৯৫৯।
২) ঠাকুৰ, ৰবীন্দ্র নাথ, *প্রাচীন সাহিত্য*, বিশ্বভাৰতী, কলকাতা, ১৯৭০।
৩) ঠাকুৰ, ৰমা শঙ্কৰ, *মহাকবি কালিদাস* (হিন্দী), চৌখাম্বা, বাৰানসী, ১৯৭২।
৪) শর্মা, থানেশ্বৰ, *অভিজ্ঞানশকুন্তলম্-সমীক্ষা*, চন্দ্র প্রকাশ, গুৱাহাটী, ২০০৮।
৫) শর্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত*, চন্দ্র প্রকাশ, গুৱাহাটী-২০০৮।



## ৭.৭ অগ্রগতিৰ খতিয়ান

**১ নং প্রশ্নৰ উত্তৰঃ** দুর্বাসা মুনিয়ে শকুন্তলাক প্রিয়জনে পাহৰি যাব বুলি অভিশাপ দিছিল।

**২ নং প্রশ্নৰ উত্তৰঃ** নবমল্লিকা ফুলক।

**৩ নং প্রশ্নৰ উত্তৰঃ** অভিজ্ঞানশকুন্তলম্ নাটকৰ চতুর্থ অংকৰ নাটকীয় তাৎপর্য তথা বিষয়বস্তুৰ উপস্থাপন অত্যন্ত আকর্ষণীয়। এই কাৰণে এই অংকটোক ৰম্য বুলি কোৱা হয়।

**৪ নং প্রশ্নৰ উত্তৰঃ** কন্যাসন্তান বেলেগৰ গচ্ছিত ধন। সেই কাৰণে কন্যাসন্তানক ন্যাস বোলা হৈছে।

**৫ নং প্রশ্নৰ উত্তৰঃ** ৰজা দুষ্যন্ত।



## ৭.৮ আৰ্হি প্রশ্ন

**প্রশ্ন ১ঃ** শকুন্তলাক কোনে অভিশাপ দিছিল?

**প্রশ্ন ২ঃ** দুর্বাসা আশ্রমলৈ অহা সময়ত প্রিয়ম্বদা আৰু অনসূয়াই কি কৰি আছিল?

**প্রশ্ন ৩ঃ** দুর্বাসা আশ্রমলৈ অহাৰ সময়ত শকুন্তলাই কি কৰি আছিল?

**প্রশ্ন ৪ঃ** সেই সময়ত কণ্ব ঋষি ক'ত আছিল?

**প্রশ্ন ৫ঃ** বিদায়পৰত আশ্রমৰ পশু-পক্ষী, গছ-বিৰিখৰ কেনে অৱস্থা হৈছিল?

**প্রশ্ন ৬ঃ** শকুন্তলাক কাৰ সৈতে ৰাজধানীলৈ পঠোৱা হৈছিল?

*** ***** ***

# অধ্যায় ৮ ঃ অভিজ্ঞানশকুন্তলম্ নাটকৰ সপ্তম অংকৰ পাঠ্যাংশৰ আলোচনা

## অধ্যায় গাঁথনি


৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ অভিজ্ঞানশকুন্তলম্ নাটকৰ সপ্তম অংকৰ পাঠ্যাংশৰ সংস্কৃত পাঠ

৮.৪ অভিজ্ঞানশকুন্তলম্ নাটকৰ সপ্তম অংকৰ পাঠ্যাংশৰ অসমীয়া অনুবাদ

৮.৫ নাটকৰ উল্লেখযোগ্য বাক্যৰ ভাবার্থ

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্রগতিৰ খতিয়ান

৮.৯ আৰ্হি প্ৰশ্ন


## ৮.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- অভিজ্ঞানশকুন্তলম্ নাটকৰ ৭ম অংকৰ পাঠ্যাংশৰ সংস্কৃত পাঠৰ লগত পৰিচিত হ'ব
- এই পাঠ্যাংশৰ অসমীয়া অনুবাদৰ বিষয়ে জানিব
- উক্ত অংশত থকা নাটকীয় ঘটনাসমূহৰ বিষয়ে অবগত হ'ব
- নাটকৰ কিছুমান উল্লেখযোগ্য বাক্যৰ ভাবার্থ জানিব পাৰিব।

## ৮.২ পৰিচয়

আপুনি ইতিমধ্যে অভিজ্ঞানশকুন্তলম্ নাটকৰ তৃতীয় অঙ্কক বাদ দি প্ৰথমাদি চতুৰ্থ পৰ্যন্ত অংকবোৰৰ বিষয়বস্তুৰ লগত পৰিচিত হৈছে। ৫ম অংকত শকুন্তলাক আগত লৈ আশ্ৰমবাসীসকলে ৰজা দুষ্যন্তক সাক্ষাৎ কৰে। শাৰ্ঙ্গৰৱে ৰজাক কণ্বৰ সন্দেশ জানিবলৈ দিয়ে কিন্তু দুৰ্বাসাৰ অভিশাপৰ ফলত ৰজাই শকুন্তলাৰ কথা পাহৰি থাকিল। আনকি মিলনৰ যোগসূত্ৰৰূপে নিৰ্দিষ্ট অভিজ্ঞান স্বৰূপ ৰজাৰ নামাঙ্কিত আঙুঠিটোকো শকুন্তলাই ৰজাক সময়মতে দেখুৱাব নোৱাৰিলে। তাৰ ফলত শকুন্তলাক ৰজাই প্ৰত্যাখ্যান কৰিলে। শকুন্তলাৰ অৱস্থা অধিক শোচনীয় হোৱাৰ আগতে মাতৃ মেনকাই ৰাজপথৰ পৰা তুলি লৈ গল অচিন ঠাইলৈ। এই ঘটনাই পাঠক শ্ৰোতাক এক অন্ধকাৰৰ ফালে লৈ গ'ল, য'ত নায়ক-নায়িকাৰ মিলনৰ আশা প্ৰত্যক্ষ নহ'ল।

ষষ্ঠ অংকৰ আদিতে শক্ৰাৱতাৰৰ কোনো এজন মাছুৱৈৰ হাতৰ পৰা নষ্ট হোৱা আঙুঠিটো উদ্ধাৰ হ'ল। ফলত ৰজাৰ শকুন্তলালৈ মনত পৰিল। কিন্তু শকুন্তলা কত আছে ৰজা নালাগে

কোনেও নাজানে। গতিকে নায়ক-নায়িকাৰ মিলন অদ্যাপি অনিশ্চয়তাৰ গৰ্ভত পতিত হৈ ৰ'ল। কিন্তু ৰজাই শোকে দুঃখে ম্রিয়মান, প্রিয়পত্নীৰ বিৰহত কাতৰ হৈ থকা অৱস্থাত দৈৱৰ সহায় আহিল। ৰজাক ইন্দ্রই অসুৰৰ সৈতে যুঁজিবলৈ স্বৰ্গলৈ নিলে। তাৰ পৰা কৃতকার্য ৰজাক মাতলিয়ে উপস্থিত কৰিলে অন্তঃৰীক্ষলোকত থকা মাৰীচৰ আশ্রম হেমকূটত। তাতে অভাৱনীয় ৰূপে পতি পত্নী পুত্রৰ স্থায়ী সমাগম কেনেকৈ সম্ভৱ হ'ল— সেই বিষয়ে এই অধ্যায়ত আপুনি সবিশেষ জানিব পাৰিব।

## ৮.৩ অভিজ্ঞানশকুন্তলম্ নাটকৰ সপ্তম অংকৰ পাঠ্যাংশৰ সংস্কৃত পাঠ

ৰাজা—মাতলে! কতমোঽয়ং পূর্বাপৰ সমুদ্রাৱগাঢ়ঃ কনকৰস নিষ্যন্দ ঃ সাংধ্য ইব
মেঘঃ সানুমানালোক্যতে?

মাতলিঃ— আয়ুষ্মান! এষ খলু হেমকূটো নাম কিংপুৰুষ পর্ৱতঃ তপঃসংসিদ্ধিক্ষেত্রম্
পশ্য,—

স্বায়ংভূৱান্ মৰীচেয়ঃ প্রবভূৱ প্রজাপতিঃ।
সুৰাসুৰগুৰুঃ সোঽত্র সপত্নীকস্তপস্যতি।। ৯।।

ৰাজা—তেন হ্যনতিক্রমণীয়ানি শ্রেয়াংসি। প্রদক্ষিণীকৃত্য ভগৱন্তং গন্তুমিচ্ছামি।

মাতলিঃ—প্রথমঃ কল্পঃ।

(নাট্যেনাৱতীর্ণৌ)

ৰাজা—(সৱিস্ময়ম্)

উপোঢ়শব্দা ন ৰথাঙ্গনেময়ঃ প্রৱর্তমানং ন চ দৃশ্যতে ৰজঃ।
অভূতলস্পর্শতয়া হনিৰুদ্ধতস্তু ৰাৱতীর্ণোঽপি ৰথো ন লক্ষ্যতে।। ১০।।

মাতলিঃ—এতাৱানেৰ শতক্রতোৰায়ুষ্মতশ্চ বিশেষঃ।

ৰাজা—মাতলে! কতমস্মিন্ প্রদেশে মাৰীচাশ্রমঃ?।

মাতলিঃ—(হস্তেন দর্শয়ন্)

বল্মীকাধনিমগ্নমূর্তিৰ্ৱসা সংদষ্ট সর্পত্বচা
কণ্ঠে জীণলতা প্রতানবলয়েনা ত্যর্থসংপীড়িতঃ।
অংসব্যাপি শকুন্তনীড়নিচিতং ৰিভ্রজ্জটামণ্ডলং
যত্র স্থাণুৰিৱাচলো মুনিৰসাৱভ্যর্কৱিম্বং স্থিতঃ।। ১১।।

ৰাজা—নমস্তে কষ্টতপসে।

মাতলিঃ—(সংযতপ্রগ্রহং ৰথং কৃত্বা) মহাৰাজঃ এতৌ অদিতি পৰিৰ্ধিতমন্দাৰ বৃক্ষং
প্রজাপতেৰাশ্রমং প্রৱিষ্টৌ স্বঃ।

ৰাজা—স্বগাদধিকতৰং নির্ৱৃত্তিস্থানম। অমৃতহ্রদমিৱাৱ গাঢ়োঽস্মি।

মাতলি—(ৰথং স্থাপয়িত্বা) অৱতৰত্বায়ুষ্মান্।

ৰাজা—(অৱতীর্ণ) মাতলে! ভৱান্ কথমিদানীম্?

মাতলিঃ—সংযন্ত্রিতো ময়া ৰথঃ ৰয়মপ্যৱতৰামঃ। (তথা কৃত্বা) ইত আয়ুষ্মন!

(পৰিক্রম্য) দৃশ্যন্তমত্রভৱতা মৃষীণাং তপোৱনভূময়ঃ।

ৰাজা—ননু ৱিস্ময়দৰলোকয়ামি।

প্রাণানামনিলেন বৃত্তিৰুচিতা সৎকল্পবৃক্ষে ৱনে
তোয়ে কাঞ্চন পদ্মৰেনুকপিশে পুন্যাভিষেকক্রিয়া।
ধ্যানং ৰত্নশিলা গৃহেষু ৱিবুধস্ত্রীসংনিধৌ সংযমো
যৎ কাঙ্ক্ষন্তি তপোভিৰন্যমুনয়স্তস্মিংস্তপস্যন্ত্যমী।। ১২।।

মাতলিঃ—উৎসর্পিণী খলু মহতাং প্রার্থনা। (পৰিক্রম্য আকাশে)

অয়ে বৃদ্ধশাকল্য! কিমনুতিষ্ঠতি ভগৱান মাৰীচঃ?।

(আকর্ণ্য) কিং ব্রৱীষি?। দাক্ষায়ণ্যা পতিব্রতাধর্মমধিকৃত্য পৃষ্টস্তস্যৈ মহর্ষিপত্নীসহিতায়ৈ কথয়তীতি।

ৰাজা— (কর্ণং দত্বা) অয়ে! প্রতিপাল্যাৱসৰঃ খলু প্রস্তাৱঃ।

মাতলিঃ—(ৰাজানমৱলোক্য) অস্মিন্নশোকবৃক্ষমূলে তাৱদাস্তা—

মায়ুষ্মান, যাৱৎ ত্বামিন্দ্রগুৰৱে নিবেদয়িতুমন্তৰান্বেষী ভৱামি।

ৰাজা—যথা ভৱান্ মন্যতে। (স্থিতঃ)

মাতলিঃ—আয়ুষ্মন! সাধয়াম্যহম্। (নিষ্ক্রান্তঃ)।

ৰাজা—(নিমিত্তং সূচয়িত্বা)

মনোৰথায় নাশংসে কিং বাহো! স্পন্দসে বৃথ?।
পূর্বাৱধীৰিতং শ্রেয়ো দুঃখং হি পৰিৱর্ততে।। ১৩।।

(নেপথ্যে)

মা খলু চাপলং কুরু। কথং গত এৱাত্মনঃ প্রকৃতিম্?

ৰাজা—(কর্ণং গত্বা) অভূমিৰিয়মৱিনয়স্য। কো নু খল্বয়মনু

বধ্যমানস্তপস্বিনীভ্যামবালসত্বো বালঃ?।
অর্ধপীতস্তনং মাতুৰামর্দক্লিষ্টকেসৰম্।
প্রক্রীড়িতুং সিংহশিশুং বলাৎকাৰেণ কর্ষতি।। ১৪।।

(ততঃ প্রৱিশত্তি যথানির্দিষ্টকর্মা তপস্বিনীভ্যাং সহ বালঃ)

বালঃ—জৃম্ভস্ব, ৰে সিংহশাৱক! জৃম্ভস্ব, দন্তাংস্তে গণয়িষ্যে।

প্রথমা—অৱিনীত! কিং নঃ অপত্যনির্ৱিশেষাণি সত্বানি ৱিপ্রকৰোষি?। হন্ত, বর্ধতে

তৱ সংৰম্ভ। স্থানে খলু ঋষিজনেন সর্ৱদমন ইতি কৃতনামধেয়োহসি।

ৰাজা— কিং ন খলু বালেহস্মিন্নৌৰস ইৱ পুত্রে স্নিহ্যতি মে

হৃদয়ম্। নূনমনপত্যতা মাং ৱৎসলয়তি।

দ্বিতীয়া—এষা খলু কেসৰিণী ত্বাং লংঘয়িষ্ঠতি যদি তস্যাঃ পুত্রকং ন মুঞ্চসি।

বালঃ—(সস্মিতম্) অহো, বলীয় খলু ভীতোহস্মি। (অধৰং দর্শয়তি)

ৰাজা— (সৱিস্ময়ম্)

মহতস্তেজসো ৰীজং বালোহয় প্রতিভাতি মে।
স্ফূলিঙ্গাৱস্থয়া বহ্নিৰেধাপেক্ষ ইৱ স্থিতঃ।। ১৫।।

প্রাথমা—বৎস! এনং বালমৃগেন্দ্রং মুঞ্চ। অপৰং তে ক্রীড়নকং দাস্যামি।

বালঃ—কুত্র তৎ? দেহি ননু। (হস্তং প্রসাৰয়তি)।

ৰাজা—(বালস্য হস্তমৱলোক্য) কথং চক্রৱর্তিলক্ষণমপ্যনেন ধার্যতে? তথা হ্যস্য—

প্রলোভ্যৱস্তপ্রণয়প্রসাৰিতো ৰিভাতি জালগ্রন্থিতাঙগুলিঃ কৰঃ।
অলক্ষ্যপত্রান্তৰমিদ্ধৰাগয়া নৱোষসা ভিন্নমিৱৈকপংকজম্।। ১৬।।

দ্বিতীয়া—সুব্রতে! ন শক্য এষো ৰাচামাত্রেণ ৰিৰময়িতুম। গচ্ছ ত্বম্। মদীয়ে উটজে মার্কণ্ডেয়স্য ঋষিকুমাৰস্য বর্ণচিত্রিতো মৃত্তিকাময়ুৰস্তিষ্ঠতি। তমস্যোপহৰ।

প্রথমা—তথা। (নিষ্ক্রান্তা)

বালঃ—অনেনৈৱ তাৱৎ ক্রীড়িষ্যামি। (তাপসীং ৰিলোক্য হসতি)

ৰাজা—স্পৃহয়ামি খলু দুর্ললিতায়াস্মৈ—

আলক্ষ্যদন্ত মুকুলাননিমিত্তহাসৈ ৰব্যক্তৱর্ণৰমণীয়ৱচঃপ্রবৃত্তীন্।
অঙ্কাশ্রয়প্রণয়িনস্তনয়ান্ বহন্তো ধন্যাস্তদঙ্গৰজসা মলিনীভৱন্তি।। ১৭।।

তাপসী—ভৱতু; ন মামায়ং গণয়তি (পার্শ্বমৱলোকয়তি)।

কোহত্র ঋষি কুমাৰাণাম্? (ৰাজানমৱলোক্য) ভদ্রমুখ! এহি তাৱৎ।
মোচয়ানেন দুর্মোকহস্তগ্রহেণ ডিম্ভলীলয়া বাধ্যমানং বালমৃগেন্দ্রম্।)

ৰাজা—(উপগম্য সস্মিতম্) অয়ি ভো মহর্ষিপুত্র!

এৱমাশ্রমৰিৰুদ্ধবৃত্তিনা সংযমঃ কিমিতি জন্মতস্ত্বয়া।
সত্বসংশ্রয় সুখোহপি দূষ্যতে কৃষ্ণসর্পশিশুনেৱ চন্দনঃ।। ১৮।।

তাপসী—ভদ্রমুখ! ন খল্বয়ং ঋষিকুমাৰঃ।

ৰাজা—আকাৰ সদৃশং চেষ্টিতমেৱাস্য কথয়তি। স্থানপ্রত্যয়াৎ তু ৱয়মেৱংতর্কিণঃ।

(যথাভ্যর্থিতমনুতিষ্ঠন্ বালস্পর্শমুপলভ্য, আত্মগতম্)

অনেন কস্যাপি কুলাঙ্কুৰেণ স্পৃষ্টস্য গাত্রেষু সুখং মমৈৱম্।
কাং নির্বৃতিং চেতসি তস্য কুর্যাদ যস্যায়মমঙ্কাৎ কৃতিনঃ প্রৰূঢ়ঃ ।। ১৯।।

তাপসী—(উভৌ নির্ৱর্ণ্য) আশ্চর্যমাশ্চর্যম্।

ৰাজা—আর্যে! কিমিৱ?

তাপসী—অস্য বালকস্য, তেহপি চ সংৱাদিন্যাকৃতিৰিতি ৰিস্মিতাহস্মি।

অপৰিচিতস্যাপি তেহপ্রতিলোমঃ সংবৃত্ত ইতি চ

ৰাজা— (বালকমুপলালয়ন্) ন চেন্মুনিকুমাৰোহয়ম্, অথ কোহস্য ৰাপদেশঃ?

তাপসী—পুৰুৱংশঃ।

ৰাজা—(আত্মগতম্) কথমেকান্বয়ো মম। অতঃ খলু মদনুকাৰিণ—মেনমত্র ভৱতী মন্যতে। অস্ত্যেতৎ পৌৰৱাণামন্ত্যং কুলব্রতম্।

ভৱনেষু ৰসাধিকেষু পূর্বং ক্ষিতিৰক্ষার্থমুশন্তি যে নিৱাসম্।
নিয়তৈকয়তিব্রতানি পশ্চাৎ তৰুমূলানি গৃহীভৱন্তি তেষাম্।। ২০।।
(প্রকাশম্) ন পুনৰাত্মগত্যা মানুষাণামেষ বিষয়ঃ।

তাপসী—যথা ভদ্রমুখো ভনতি। অপ্সৰঃসম্বন্ধেনাস্য জননী অত্র দেৱগুৱোস্তপোৱনে প্রসূতা।

ৰাজা—(অপৱার্য) হন্ত, দ্বিতীয়মিদমাশাজননম্। (প্রকাশম্) অথ সা তত্রভৱতী কিমাখ্যস্য ৰাজর্ষেঃ পত্নী?

তাপসী—কস্তস্য ধর্মদাৰ পৰিত্যাগিনো নাম সংকীর্তয়িতুং চিন্তয়িষ্যতি?।

ৰাজা— (আত্মগতম্) কথম্, ইয়ং খলু কথা মামেৱ লক্ষীকৰোতি। যদি তাৱদস্য
শিশোর্মাতৰং নামতঃ পৃচ্ছামি। অথবা অনার্যঃ পৰদাৰপৃচ্ছাব্যৱহাৰঃ।
(প্রৱিশ্য মৃন্ময়ূৰহস্তা)

তাপসী—সর্ৱদমন! শকুন্তলাৱণ্যং পশ্য।

বালঃ—(সদৃষ্টিক্ষেপম্) কুত্র বা মম মাতা?।

উভে—নামসাদৃশ্যেন ৱঞ্চিতো মাতৃবৎসলঃ।

দ্বিতীয়া—বৎস! অস্য মৃত্তিকাময়ূৰস্য ৰম্যত্বং পশ্যেতি ভণিতোহসি।

ৰাজা—(আত্মগতম্) কিং ৱা শকুন্তলেত্যস্যা মাতুৰাখ্যা। সন্তি পুনর্নামধেয়সাদৃশ্যানি। অপি নাম মৃগতৃষ্ণিকেৱ নামমাত্র প্রস্তাৱো মে ৱিষাদায় কল্পতে।

বালঃ—মাতঃ! ৰোচতে ম এষ ভদ্রময়ূৰঃ। (ক্রীড়নকমাদত্তে)

প্রথমা —(ৱিলোক্য সোদ্বেগম্) অহো ৰক্ষাকৰণ্ডকমস্য মণিবন্ধে ন দৃশ্যতে।

ৰাজা—অলমাৱেগেন। নন্বিদমস্য সিংহশাৱৱিমর্দাৎ পৰিভ্রষ্টম্। (আদাতুমিচ্ছতি)

উভে—মা খল্বেতদমনলম্ব্য। (ৱিলোক্য) কথং গৃহীতমনেন?। (ৱিস্ময়াদূৰোনিহিতহস্তে পৰস্পৰমৱলোকয়তঃ)

ৰাজা—কিমর্থং প্রতিষিদ্ধাঃ স্ম?।

প্রথমা—শৃণোতু মহাৰাজঃ। এষা অপৰাজিতা নাম ঔষধিঃ অস্য জাতকর্ম সময়ে ভগৱতা মাৰীচেন দত্তা। এতাং কিল মাতা পিতৰৌ, আত্মানং চ ৱর্জয়িত্বা অপৰো ভূমিপতিতাং ন গৃহ্নাতি।

ৰাজা—অথ গৃহ্নাতি?।

প্রথমা—ততস্তং সর্পোভূত্বা দশতি।

ৰাজা—ভৱতীভ্যাং কদাচিদস্যাঃ প্রত্যক্ষীকৃতা ৱিক্রিয়া।

উভে—অনেকশঃ।

ৰাজা—(সহর্ষম্ আত্মগতম্) কথমিৱ সংপূর্ণমপি মে মনোৰথং নাভিনন্দামি? (বালং পৰিষ্কজতে)

দ্বিতীয়া—সুব্রতে! এহি, ইমং বৃত্তান্তং নিয়মব্যাপৃতায়ৈ শকুন্তলায়ৈ নিৱেদয়াৱঃ
(নিষ্ক্রান্তে)

বালঃ—মুঞ্চ মাম্। যাৱন্মাতুঃ সকাশং গমিষ্যামি।

ৰাজা—পুত্রক! ময়া সহৈৱ মাতৰমভিনন্দিষ্যসি।

বালঃ—ম খলু ত্বম্, দুষ্যন্তো মম তাতঃ।

ৰাজা—(সস্মিতম্) এষ ৱিৱাদ এৱ প্রত্যায়য়তি।

(ততঃ প্রৱিশত্যেকৱেনীধৰা শকুন্তলা)

শকুন্তলা— ৱিকাৰকালেহপি প্রকৃতিস্থাং সর্ৱদমনস্যৌষধিং

শ্রুত্বা ন মে আশা আসীদাত্মনো ভাগধেয়েষু। অথবা যথা সানুমত্যা আখ্যাতং তথা সম্ভাৱ্যত এতৎ। (পৱিক্রামতি)

ৰাজা—(শকুন্তলাং ৱিলোক্য) অয়ে! (সহর্ষখেদম্) সেয়ম্ অত্রভৱতী শকুন্তলা, যৈষা—

ৱসনে পৱিধূসৱে ৱসানা নিয়মক্ষামমুখী ধৃতৈকৱেনিঃ।

অতিনিষ্করুণস্য শুদ্ধশীলা মম দীর্ঘং ৱিৱহব্রতং ৱিভর্তি।। ২১।।

শকুন্তলা—(পশ্চাত্তাপৱিৱর্ণং ৰাজানং দৃষ্ট্ৱা সৱিতর্কং)

ন খলু আর্যপুত্র ইৱ। ততঃ ক এষ ইদানীং কৃত ৰক্ষা মঙ্গলং দাৰকং মে গাত্র সংসর্গেণ দূষয়তি?।

বাল—(মাতৰপুপেত্য)। মাতঃ! এষ কোহপি পুরুষো মাং পুত্র ইত্যালিঙ্গতি।

ৰাজা—প্রিয়ে! ক্রৌর্যমপি মে ত্বয়ি প্রযুক্তম্ অনুকূল পৱিণামং সংবৃত্তম্। তদহমিদানীং ত্ব য. া প্রত্যভিজ্ঞাতমাত্মানম্ ইচ্ছামি।

শকুন্তলা—(আত্মগতম্) হৃদয়! আশ্বসিহি আশ্বসিহি। পৱিত্যক্তমৎসৱেণ অনুকম্পিতাস্মি দৈৱেন। আর্যপুত্রঃ খল্ৱেষঃ।

ৰাজা—প্রিয়ে?

স্মৃতিভিন্নমোহতমসো দিষ্ট্যা প্রমুখে স্থিতাসি মে সমুখি!

উপৰাগান্তে শশিনঃ সমুপগতা ৰোহিণী যোগম্।। ২২।।

শকুন্তলা—জয়তু আর্যপুত্রো।

(অর্ধোক্তে বাষ্পকণ্ঠী বিৰমতি)

ৰাজা—সুন্দরি!

বাষ্পেন প্রতিষিদ্ধেহপি জয়শব্দে জিতং ময়া

যৎ তে দৃষ্টসংস্কাৰ পাট লোষ্ঠপুটং মুখম্।। ২৩।।

বাল—মাতঃ ক এষঃ?

শকুন্তলা—বৎস! তে ভাগ ধেয়ানি পৃচ্ছ। (ৰোদিতি)।

ৰাজা—(শকুন্তলায়াঃ পাদয়োঃ প্রণিপত্য)

সুতনু! হৃদয়াৎ প্রত্যাদেশব্যলীকমপৈতু তে

কিমপি মনসঃ সংমোহো মে তদা বলৱানভূত।

প্রবলতমসামেৱংপ্রায়াঃ শুভেষু হি বৃত্তয়ঃ

স্রজমপি শিৰস্যন্ধঃ ক্ষিপ্তাং ধুনোত্যহিশঙ্কয়া।। ২৪।।

শকুন্তলা—উত্তিষ্ঠত্বার্যপুত্রঃ। নূনং মে সুপৰিচিত প্রতিবন্ধকং

পুৰাকৃতং তেষু দিৱসেষু পৰিণাম অভিমুখমাসীৎ, যেন সানুক্রোশোহপ্যার্যপুত্রো ময়ি

তথা সংবৃত্তঃ।

(ৰাজোত্তিষ্ঠতি)

শকুন্তলা—অথ কথমার্যপুত্রেন স্মতো দুঃখভাগী অয়ং জনঃ?

ৰাজা— উদধৃতৰিষাদশল্যঃ কথয়িষ্যামি।

মোহন্ময়া সুতনু! পূর্বমুপেক্ষিতস্তে

যো বাষ্পবিন্দুৰ্ ধৰং পৰিবাধমানঃ।

তং তাৱদাকুটিলপক্ষ্মৰিলগ্নমদ্য

বাষ্পং প্রমৃজা বিগতানুশয়ো ভৱেয়ম্।। ২৫।।

(যথোক্তমনুতিষ্ঠতি)

শকুন্তলা— (নামমুদ্রাং দৃষ্ট্বা) আর্যপুত্র! ইদং তৎ অঙ্গুলীয়কম্।

ৰাজা— অস্মাদঙংগুলীয়োপলম্ভাৎ খলু স্মতিৰুপলব্ধা

শকুন্তলা— বিষমং কৃতমনেন যৎ তদা আর্যপুত্রস্য প্রত্যয়কালে দুর্লভমাসীৎ।

ৰাজা—তেন হি ঋতুসমৱায়চিহ্নং প্রতিপদ্যতাং লতা কুসমম্।

শকুন্তলা—নাস্য ৰিশ্বসিমি। আর্যপুত্র এৱৈতৎ ধাৰয়তু।

(ততঃ প্রৰিশতি মাতলিঃ)

মাতলিঃ—দিষ্ট্যা ধর্মপত্নীসমাগমেন পুত্রমুখদর্শনেন চায়ুষ্মান্ ৱর্ধতে।

ৰাজা— সুহৃৎসংপাদিত ইতি স্বাদুতৰফলো মে মনোৰথঃ। মাতলে! ন খলু

বিদিতোহয়মাখণ্ডলেন বৃত্তান্তঃ?

মাতলিঃ— (সস্মিতম্) কিমীশ্বৰানাং পৰোক্ষম্। এত্বায়ুষ্মান্; ভগৱান্ মাৰীচস্তে দর্শনং ৰিতৰতি।

ৰাজা—অৱলম্ব্যতাং পুত্রঃ। ত্বাং পুৰস্কৃত্য ভগৱন্তং দ্রষ্টুমিচ্ছামি।

শকুন্তলা— জিহ্মেম্যার্যপুত্রেণ সহ গুৰুসমীপং গন্তুম্।

ৰাজা— অয়ি আচৰিতব্যমেতদভ্যুদয়কালেষু। এহ্যেহি।

(সর্বে পৰিক্রামন্তি)

(ততঃ প্রৰিশত্যদিত্যা সার্ধমাসনস্থো মাৰীচঃ)

মাৰীচ—(ৰাজানমৱলোক্য) দাক্ষায়ণি!

পুত্রস্য তে ৰণ শিৰস্যয়মগ্রয়ায়ী

দুষ্যন্ত ইত্যভিহিতো ভুৱনস্য ভর্তা।

চাপেন যস্য বিনিৱর্তিতকর্ম জাতং

তৎ কোটিমৎ কুলিশমাভৰণং মঘোনঃ।। ২৬।।

অদিতি—সম্ভাৱনীয়ানুভাৱা অস্যাকৃতিঃ।

মাতলি—আয়ুষ্মান্! এতৌ পুত্রপ্রীতিপিশুনেন চক্ষুষা দিৱৌকসাং
পিতৰাৱায়ুষ্মন্তমৱলোকয়তঃ। তদুপসর্প।

ৰাজা—মাতলে!

প্রাহুর্দ্বাদশধা স্থিতস্য মুনয়ো যৎ তেজসঃ কাৰণং
ভর্ত্তাৰং ভুৱনত্রয়স্য সুষুৱে যদ্ যজ্ঞভাগেশ্বৰম্।
যস্মিন্নাত্মভৱঃ পৰোহপি পুৰুষশ্চক্রে ভৱায়াস্পদং
দ্বন্দ্বং দক্ষ মৰীচিসংভৱমিদং তৎস্রষ্টুৱৈকান্তৰম্।। ২৭।।

মাতলি—অথ কিম্

ৰাজা—(উপগম্য) উভাভ্যামপি ৰাসৱনিয়োজ্যো দুষ্যন্তঃ প্রণমতি।

মাৰীচ—ৱৎস! চিৰং জীৱঃ পৃথিৱীং পালয়।

অদিতি—ৱৎস! অপ্রতিৰথো ভৱ।

শকুন্তলা—দাৰকসহিতা ৰাং পাদৱন্দনং কৰোমি।

(পুত্রসহিতা প্রণিপততি)

মাৰীচ—ৱৎসে!

আখণ্ডলসমো ভর্তা জয়ন্তপ্রতিমঃ সুতঃ।
আশীৰ্ন্যা ন তে যোগ্যা পৌলোমীসদৃশী ভৱ।। ২৮।।

অদিতি—জাতে! ভর্তুর্বহুমতা ভৱ। অৱশ্যং দীর্ঘায়ুর্ৱৎসকঃ উভয়কুলনন্দনো ভৱতু।
উপৱিশত।

(সর্বে প্রজাপতিমমিত উপৱিশন্তি)

মাৰীচ—(একৈকং নির্দিশন্)

দিষ্ট্যা শকুন্তলা সাধ্বী সদপত্যমিদং ভৱান্।
শ্রদ্ধা ৱিত্তিং বিধিশ্চেতি ত্রিতয়ং তৎ সমাগতম্।। ২৯।।

ৰাজা—ভগৱন্! প্রাগভিপ্রেতসিদ্ধিঃ, পশ্চাদ্দর্শনম্। অপূর্বঃ খলু ৰোহনুগ্রহঃ।

উদেতি পূর্বং কুসুমং ততঃ ফলম্ ঘনোদয়ঃ প্রাক্ তদনন্তৰং পয়ঃ।
নিমিত্তনৈমিত্তিকয়োৰয়ং ক্রমঃ তৱ প্রসাদস্য পুৰস্তু সিদ্ধয়ঃ।। ৩০।।

মাতালি—এৱং ৱিধাতাৰঃ প্রসীদন্তি।

ৰাজা—ভগৱান্! ইমামাজ্ঞাকৰীং ৰো গান্ধর্ৱেণ ৱিৱাহৱিধিনা উপয়ম্য কস্যচিৎ কালস্য বন্ধুভিৰানীতাং স্মৃতিশৈথিল্যাৎ প্রত্যাদিশন্নপৰাদ্ধোহস্মি তত্রভৱতো যুষ্মৎসগোত্রস্য কণ্বস্য। পশ্চাদঙ্গুলীয়ক দর্শনাদূঢ় পূর্ৱামিমাং তদ্ দুহিতৰমৱতোহহম্। তৎ চিত্রমিৱ মে প্রতিভাতি।
যথা গজো নেতি সমক্ষৰূপে তস্মিন্নপক্রামতি সংশয়ঃ স্যাৎ।
পদানি দৃষ্ট্বা তু ভৱেৎপ্রতীতি স্তয়ারিধো মে মনসো ৱিকাৰঃ।। ৩১।।

মাৰীচ—ৱৎস! অলমাত্মাপৰাধশঙ্কয়া। সংমাহোহপি ত্বয্যনুপপন্নঃ শ্রূয়তাম্।

ৰাজা—অৱহিতোহস্মি।

মাৰীচ—যদৈৱাপ্সৰস্তীর্থাৱতৰণাৎ প্রত্যাখ্যান-বৈক্লব্যাং শকুন্তলামাদায় মেনকা দাক্ষায়নীমুপগতা তদৈৱ ধ্যানাদৱগতোহস্মি দুর্ৱাসসঃ শাপাদিয়ং তপস্বিনী সহধর্মচাৰিণী ত্বয়া প্রত্যাদিষ্ট্যা, নান্যথেতি। স চায়মঙ্গুলীয়ক দর্শনাৱসানঃ।

ৰাজা—(সোচ্ছৱাসম্) এষ ৱচনীয়ান্মুক্তোহস্মি।

শকুন্তলা—(আত্মগতম্) দিষ্ট্যা অকাৰণপ্রত্যাদেশী নার্যপুত্রঃ। ন খলু শপ্তমাত্মানং স্মৰামি। অথৱা প্রাপ্তো ময়া স হি শাপো ৱিৱহশূন্যহৃদয়য়া ন ৱিদিতঃ। অতঃ সখীভ্যাং সংদিষ্টাস্মি ভর্তুঃ অঙ্গুলীয়কং দর্শয়িতব্যমিতি।

মাৰীচ—বৎসে! ৱিদিতার্থসি। তদিদানীং সহধর্মচাৰিণং প্রতি ন ত্বয়া মন্যুঃ কার্যঃ পশ্য—

শাপাদসি প্রতিহতা স্মৃতিৰোধৱক্ষে
ভর্তর্যপেততমসি প্রভুতা তৱৈৱ।
ছায়া ন মূর্চ্ছতি মলোপহত প্রসাদে
শুদ্ধে তু দর্পণতলে সুলভাৱকাশা।। ৩২।।

ৰাজা—তথাহি ভগৱান্।

মাৰীচ—বৎস! কচ্চিদভিনন্দিতস্ত্বয়া বিধিৱদস্মাভিৱনুষ্ঠিতজাতকর্মাদিক্রিয়ঃ পুত্র এষ শকুন্তলেয়ঃ?।

ৰাজা—ভগৱান্! অত্র খলু মে ৱংশপ্রতিষ্ঠা।

মাৰীচ—তথা ভাৱিনমেনং চক্রৱর্তিনমৱগচ্ছতু ভৱান্। পশ্য—

ৱথেনানুদ্ঘাতস্মিমিতগতিনা তীর্ণজলধিঃ
পুৱা সপ্তদ্বীপাজয়তি ৱসুধাম প্রতিৱথঃ।
ইহায়ং সত্ত্বানাং প্রসভদমনাৎ সর্ৱদমনঃ
পুনর্যাস্যত্যাখ্যাং ভৱত ইতি লোকস্য ভৱণাৎ।। ৩০।।

ৰাজা—ভগৱতা কৃতসংস্কাৱে সর্বমস্মিন্বায়মাশাস্মহে।

অদিতিঃ—ভগৱন্! অনয়া দুহিতৃমনোৱথসম্পত্তেঃ কণ্ৱোহপি তাৱচ্চৱ্রুতবিস্তাৱঃ ক্রিয়তাম্। দুহিতৃৱৎসলা মেনকা ইহৈৱোপচৱন্তী তিষ্ঠতি।

শকুন্তলা—(আত্মগতম্) মনোৱথঃ খলু মে ভণিতো ভগৱত্যা।

মাৰীচঃ—তপঃ প্রভৱাৎ প্রত্যক্ষং সর্ৱমেৱ তত্রভৱতঃ।

ৰাজা—অতঃ খলু মম নাতিক্রুদ্ধো মুনিঃ।

মাৰীচঃ—তথাপ্যসৌ প্রিয়মস্মাভিঃ শ্রাৱয়িতব্যঃ। কঃ কোহত্র ভোঃ?

শিষ্য—ভগৱন্! অয়মস্মি।

মাৰীচঃ—গালেৱ! ইদানীমেৱ বিহায়সা গত্বা মম বচনাৎ তত্রভৱতে কণ্ৱায়ে প্রিয়মাৱেদয় যথা —'পুত্রৱতী শকুন্তলা দুর্ৱাসসঃ শাপনিৱৃত্তৌ স্মৃতিমতা দুষ্যন্তেন প্রতিগৃহীতা ইতি।

শেষ্যঃ—যদাজ্ঞাপয়তি ভগৱান্ (নিষ্ক্রান্তঃ)।

মাৰীচঃ—ৱৎস! ত্বমপি স্বাপত্যদাৰসহিত্যঃ সখ্যুৰাখণ্ডলস্য ৰথমাৰুহ্য তে ৰাজধানীং প্রতিষ্ঠস্ব।

ৰাজা—যদাজ্ঞাপয়তি ভগৱান্।

মাৰীচঃ—সম্প্রতি হি—

ভৱতু তৱ ৱিড়ৌজাঃ প্রাজ্যবৃষ্টিঃ প্রজাসু
ত্বমপি বিততযজ্ঞো ৱজ্রিণং প্রাণয়ালম্।
যুগশতপৰিবৰ্তেৰ্ৱমন্যোন্যকৃত্যৈৰ্
ভৱতমুভয় লোকানুগ্রহশ্লাঘনীয়ৌঃ।।৩৪।।

ৰাজা—ভগৱন্! যথাশক্তি শ্রেয়াসে প্রযতিষ্যে।

মাৰীচঃ—ৱৎস! কিং তে ভূয়ঃ প্রিয়মুপকৰোমি?।

ৰাজা—অতিঃপৰমপি প্রিয়মস্তি। যদিহ ভগৱান্ প্রিয়ং কতুম্ ইচ্ছতি তর্হি ইদমস্তু—

(ভৰতৱাক্যম্)

প্রৱর্ততাং প্রকৃতি হিতায় পার্থিৱঃ
সৰস্বতী শ্রুতিমহতী মহীয়তাম্।
মমাপি চ ক্ষপয়তু নীললোহিতঃ
পুনর্ভৱং পৰিগত শক্তিৰাত্মভূঃ।।৩৫।।

(নিষ্ক্রান্তাঃ সর্বে) ইতি সপ্তমাংকঃ।

## ৮.৪ অভিজ্ঞানশকুন্তলম্ নাটকৰ সপ্তম অংকৰ পাঠ্যাংশৰ অসমীয়া অনুবাদ

ৰাজা— মাতলি! পূব আৰু পশ্চিম প্রান্ত সাগৰত নিমগ্ন হৈ থকা, য'ৰ পৰা সোণৰ ৰস বৈ থকা যেন লাগে, সন্ধ্যাকালীন দীঘলীয়া মেঘৰাশিৰ দৰে সেইটোনো কি পর্বত?

মাতাল— ই হেমকূট নামে কিম্পুৰুষ পর্বত, ই তপঃসিদ্ধিৰ ক্ষেত্র। স্বয়ম্ভু ব্রহ্মাৰ পুত্র মাৰীচৰ বংশধৰ আৰু দেৱাসুৰৰ জনক কশ্যপ প্রজাপতিয়ে ইয়াত পত্নীৰ সৈতে তপস্যা কৰে। ৯

ৰজা— মহাত্মাসকলক সেৱা-সম্ভাষণ নকৰাকৈ যাব নোৱাৰি; ভগৱান কশ্যপক প্রদক্ষিণ কৰি যাব খোজোঁ।

মাতলি—উত্তম কথা।

(অৱতৰণৰ অভিনয় কৰে)

ৰজা— (সৰিস্ময়ে) আপোনাৰ ৰথ যে নামি ৰৈছেগৈ তাক বুজিব পৰা নাই, কাৰণ ৰথখনে ভূমি স্পর্শ কৰা নাই, ৰথচক্রৰ নেমিৰ কোনো শব্দ হোৱা নাই আৰু ধূলি উৰা নাই। ১০

মাতলি—ইন্দ্র আৰু আপোনাৰ মাজতো প্রভেদ ইমানেই।

ৰজা—মাতলি! মাৰীচৰ আশ্রম কোনফালে?

মাতলি—(হাতেৰে দেখুৱাই) যি ঠাইত সেই মুনিগৰাকীয়ে ডাল-পাতহীন ঘাই গছডালৰ দৰে লৰচৰ নকৰাকৈ একেৰাহে সূর্যলৈ চাই আছে, তেওঁৰ শৰীৰৰ আধাভাগ উঁই হাফলুত পোট

খাই আছে, বুকুৰ অংশ সাপৰ মোটবোৰে মেৰিয়াই আছে, ডিঙিৰ অংশক শুকান লতাবোৰে মেৰিয়াই ধৰি কষ্ট দিছে আৰু চৰায়ে বাঁহ লোৱা জঁটা বন্ধা চুলিবোৰ কান্ধলৈকে ঢাকি ৰাখিছে, তাতে মাৰীচৰ আশ্রম।। ১১।।

ৰজা—হে কষ্টেৰে তপস্যা কৰোঁতাজন! আপোনাক নমস্কাৰ।

মাতলি—(ৰথৰ অশ্বৰ লেকাম টানি ধৰি) মহাৰাজ! এয়া আমি অদিতিয়ে প্রতিপালন কৰি বৃদ্ধি কৰা মন্দাৰ গছেৰে ভৰা সেই প্রজাপতিৰ আশ্রম। আমি তাত প্রৱেশ কৰিছো।

ৰজা—এয়া স্বর্গতকৈও অধিক শান্তিময় স্থান। অমৃতৰ হ্রদত যেন স্নান কৰিছো (এনে লাগে)।

মাতলি—(ৰথখন ৰখায়) মহাৰাজ! আপুনি অৱতৰণ কৰক।

ৰজা—(অৱতৰণ কৰি) মাতলি! আপুনি এতিয়া কি কৰিব খুজিছে?

মাতলি—মই ভালদৰে ৰথখন ৰাখিছো, ময়ো নামো। (তাকে কৰি) আয়ুষ্মন্! এইফালে আহক। (এপাক ঘূৰি) মহান্ ঋষিসকলৰ তপোৱনভূমিভাগ চাওক।

ৰজা—দেখি বিস্ময় মানিছো। কল্পবৃক্ষ থকা তপোবনতো মাথোন ৰায়ুৰে প্রাণধাৰণ কৰা হয়; স্বর্ণকমলৰ ৰেণুৰে আৰক্ত জলত স্নান কৰা হয়; ৰত্নশিলাৰ ওপৰত বহি কৰা হয় ধ্যান; অপ্সৰাৰ সান্নিধ্যত থাকি কৰা হয় সংযম অভ্যাস-আন মুনিসকলে তপস্যাৰে যি পাবলৈ আকাংক্ষা কৰে তাৰ মাজতে থাকি এওঁলোকে তপস্যা কৰে।। ১২

মাতলি— মহৎলোকসকলৰ প্রার্থনা ক্রমশঃ উচ্চতৰ হৈ থাকে। (আগু�ৱাই গৈ আকাশত) হেৰি বৃদ্ধশাকল্য! ভগৱান্ মাৰীচে এতিয়া কি কৰিছে? কি কলে? দাক্ষায়ণীয়ে তেওঁক পতিব্রতাসকলৰ পালনীয় ধর্ম সম্বন্ধে প্রশ্ন কৰিলত তেওঁ সেই পত্নী আৰু মহর্ষিসকলৰ পত্নীক সেই বিষয়ে কৈ আছে।

ৰজা—(ৰজাই কানপাতি) তেওঁ অৱসৰ পোৱালৈকে আমি অপেক্ষা কৰা উচিত হ'ব।

মাতলি—(ৰজালৈ চাই) আয়ুষ্মানে এই অশোক গছৰ তলতে বহক; মই ইন্দ্রগুৰু কাশ্যপেৰে সৈতে আপোনাক সাক্ষাৎ কৰাই দিবলৈ সুযোগ বিচাৰি চাওঁ।

ৰজা—আপুনি যি ভাল বুলি ভাৱে তাকে কৰক। (ঠিয় হৈ ৰয়)

মাতলি—আয়ুষ্মান! এয়া মই আহিছো। (ওলাই যায়)

ৰজা—(নিমিত্তৰ সূচনা পাই) মই মনোৰথ পূৰণ হোৱাৰ কোনো আশা কৰা নাই। তথাপি, হে বাহু! তই কিয় স্পন্দিত হৈছ? শ্রেয়ক এবাৰ প্রত্যাখ্যান কৰিলে সি দুঃখত পৰিৱর্তিত হৈ আহে।১৩

(নেপথ্যত)

দুষ্টামি নকৰিবা। আকৌ কিয় দৌৰাত্ম্য আৰম্ভ কৰিছা?

ৰজা—(তাকে শুনি) এয়াতো অশিষ্ট আচৰণৰ ঠাই নহয়। নাজানো কাক এনেদৰে কোৱা হৈছে। (শব্দানুসৰি দৃষ্টিপাত কৰি) সেয়েতো, লগত দুগৰাকী তপস্বিনী থকা শিশুৰ আকৃতিৰ তুলনাত অধিক বলবান সৌ ল'ৰাটো নো কোন? মাকৰ গাখীৰ খোৱা শেষ নৌহওঁতেই সিংহৰ পোৱালিটোক টানি আনিছে খেল-ধেমালি কৰিবলৈ। ১৪

(তপস্বিনী দুজনীৰ সৈতে তেনে কার্যত ব্যাপৃত বালকৰ প্ৰৱেশ)

বালক—হে সিংহৰ পোৱালি! মেল, মুখ মেল, তোৰ দাঁতকেইটা গণোঁ।

প্ৰথমা (তাপসী)—হেৰ দুষ্ট! আমি যাক সন্তানৰ দৰে দেখো, সেই প্ৰাণীক কিয় কষ্ট দিছা? হেৰা, তোমাৰ দৌৰাত্ম্য বাঢ়িহে গৈছে। ঋষিসকলে তোমাৰ নাম 'সৰ্বদমন' দিয়াটো উপযুক্ত হৈছে।

ৰজা—এই ল'ৰাটোৰ ওপৰত নিজৰ ল'ৰাৰ দৰে মোৰ চেনেহ কিয় হৈছে? সন্তানহীনতাই নিশ্চয় মোক বাৎসল্য-স্নেহপ্ৰৱণ কৰিছে।

দ্বিতীয় তাপসী—নিজৰ পোৱালীটোক এৰি নিদিলে সিংহীজনীয়ে তোমাক কামুৰিব।

বালক—(অকনমান হাঁহি) ঔ, বৰ ভয় খাইছো। (এইবুলি কৈ ওঠ পেক্তাই দেখুৱালে)।

ৰজা—(বিস্মিত হৈ) ল'ৰাটোক দেখি মহাতেজৰ বীজ বুলি মনত হৈছে। এয়া যেন ইন্ধনৰ অপেক্ষাত থকা স্ফুলিঙ্গৰ কণিকাহে । ১৫

প্ৰথমা— বাচা! সিংহৰ পোৱালীটোক এৰি দিয়া। তোমাক আন এটা খেলনা দিম।

বালক—ক'তা, সেয়া ক'ত? দিয়ানা। (এই বুলি হাত মেলিলে)

ৰজা—এওঁৰ হাতত যে চক্ৰৱৰ্তীৰ চিহ্ন আছে! লোভৰ বস্তু পোৱাৰ আশাত আগবঢ়োৱা হাতত আঙুলিবোৰ একেলগে জোৰা দিয়া তাকে দেখি এনে লাগে যেন ৰক্তিমবৰণৰ নতুন ঊষাত ফুলি উঠা এটা পদুম, যাৰ পাহিবোৰৰ মাজত কোনো ব্যৱধান চকুত নপৰে। ১৬

দ্বিতীয়া—সুব্ৰতা! এওঁক কেৱল কথাৰে শান্ত কৰিবলৈ নোৱাৰা। যোৱা, মোৰ কুটীৰত ঋষি কুমাৰ মাৰ্কণ্ডেয়ৰ এটা নানাৰঙৰ মাটিৰ ময়ূৰ আছে। সেইটো আনি এওঁক দিয়া।

প্ৰথমা—সেয়ে হওক। (ওলাই যায়)।

বালক—তেতিয়ালৈ ইয়াৰ লগতে খেলোঁ। (এইদৰে তাপসীৰ মুখলৈ চাই হাঁহে)।

ৰজা—এই ততাতিঙা ল'ৰাটোক দেখি ভাল লাগিছে। অকাৰণে হাঁহি, অলপ অলপ দেখা দিয়া সৰু সৰু দাঁতবোৰ দেখুৱাইছে; আধা আধাকৈ মিঠা কথা কোৱাৰ চেষ্টা, কোলাত উঠাৰ ইচ্ছা—এনে শিশুক কোলাত লৈ তাৰ গাৰ ধূলিৰে যিসকল মলিন হয় তেওঁলোক ধন্য। ১৭

দ্বিতীয়া তাপসী—এওঁ পিছে মোলৈ কেৰেপকে নকৰে। (কাষলৈ চাই) ঋষি কুমাৰসকলৰ কোননো ইয়াত আছে। (ৰজাক দেখা পাই) ভদ্ৰ মহাশয়! এফেৰা ইয়ালৈ আহকচোন। এওঁ বৰ জোৰেৰে সিংহ পোৱালীটোক ধৰি তাক বৰ কষ্ট দিছে। পাৰে যদি তাক তাৰ হাতৰ পৰা এৰুৱাই দিয়কচোন।

ৰজা—(বালকৰ ওচৰলৈ গৈ অলপ হাঁহি) হেৰা ঋষিকুমাৰ! যি নীতি অনুসাৰে সকলো প্ৰাণী ইয়াতে সুখেৰে থাকে, কৃষ্ণসৰ্পৰ পোৱালীয়ে যেনেকৈ চন্দন গছ দূষিত কৰে, তেনেকৈ ইমান কম বয়সতে বিৰুদ্ধ মনেৰে তুমি সেই আশ্ৰমৰ নীতি এনেকৈ দূষিত কৰিছা কিয়?। ১৮

তাপসী—ডাঙৰীয়া! এওঁ ঋষি কুমাৰ নহয়।

ৰজা—এওঁৰ আকাৰ সদৃশ আচৰণেও তাকে কয়। কিন্তু ঠাইৰ কথা বিবেচনা কৰিহে তাকে ভাবিছিলোঁ। (তাপসীৰ কথা মতে কৰিবলৈ গৈ বালকৰ স্পৰ্শ লাভ কৰি নিজে) আন

কুলত জন্মা এওঁৰ পৰশত মোৰ শৰীৰত যদি ইমান সুখবোধ হয় তেনেহলে যি ভাগ্যৱানৰ কোলাত এওঁ বাঢ়িছে তেওঁৰ মনত নাজানো কিমান সুখ হয়। ১৯

তাপসী—(দুয়োলৈ ভালদৰে চাই) কি আচৰিত; কি আচৰিত?

ৰজা—আর্যা, কিয় আচৰিত হৈছে?

তাপসী— আপোনাৰ আৰু এই বালকৰ শৰীৰৰ (চেহেৰাৰ) মিল দেখা পাই মোৰ মনত আশ্চর্যবোধ হৈছে। আপুনি অপৰিচিত হ'লেও আপোনাৰ ওচৰত ল'ৰাটি শান্ত হৈ পৰিল। (আপোনাৰ প্রতি ল'ৰাটো যে বিৰূপ নহ'ল,তাকে দেখিও আচৰিত হ'লো)।

ৰজা—(ল'ৰাটোক আদৰ কৰি) যদি এওঁ মুনি কুমাৰ নহয়, তেনেহলে এওঁ কেনেবংশৰ বংশধৰ?

তাপসী—পুৰুৱংশৰ।

ৰজা—(নিজে মনতে) তেনেহ'লেও এওঁ আমাৰে একে বংশৰ। সেইবাবে এই তাপসীয়ে এওঁক মোৰ দৰে একে চেহেৰাৰ যেন দেখিছে। পৌৰৱবংশত শেষ বয়সত এনে নিয়ম আছে যে, প্রথম জীৱনত তেওঁলোকে পৃথিৱী ৰক্ষাৰ বাবে ৰসভোগময় গৃহত বাস কৰে আৰু শেষ জীৱনত একমাত্র যতিব্রত পালন কৰি গছৰ গুৰিত বাস কৰে। ২০

(প্রকাশ কৰি) কিন্তু মানুহে নিজ ইচ্ছামতে এই ঠাইলৈ আহিব নোৱাৰে।

তাপসী—ডাঙৰীয়াই ঠিক কথাকে কৈছে। অপ্সৰাৰে সম্বন্ধ থকা বাবে এওঁৰ জননীয়ে ইয়াত দেৱগুৰুৰ তপোবনত প্রসৱ কৰিছে।

ৰজা—(একাষৰীয়াকৈ) হায়! ই মোৰ বাবে দ্বিতীয় আশাৰ জন্ম দিছে। (প্রকাশ কৰে) তেওঁনো কোন ৰাজর্ষিৰ পত্নী?

তাপসী—কোনে সেই ধর্ম পত্নী ত্যাগ কৰা জনৰ নাম ল'বলৈ চিন্তা কৰিব?

ৰজা—(নিজে নিজে) এই কথা মোকে লক্ষ্য কৰি কৈছে নেকি? তেনেহ'লে শিশুটোৰ মাকৰ নাম সোধো নেকি? পৰস্ত্রীৰ কথা সোধাটো অনার্য ব্যৱহাৰ।

(মাটিৰ ময়ূৰ হাতত লৈ প্রৱেশ কৰি)

তাপসী—সর্বদমন! চৰাইটোৰ লাৱণ্য চোৱা।

বালক—(চকু ফুৰাই) ক'ত মোৰ মা?

দুয়ো তাপসী— নামৰ সাদৃশ্যৰে মাতৃবৎসল ল'ৰাটো বঞ্চিত হৈছে।

দ্বিতীয় তাপসী— ৰাচা! মই মাটিৰ ময়ূৰৰ সৌন্দর্য চোৱা বুলি কৈছিলো।

ৰজা—(নিজে মনতে) তেনে ল'ৰাটিৰ মাকৰ নাম শকুন্তলা হয় নেকি? কিন্তু একে নামৰ সাদৃশ্য বহুতৰে হ'ব পাৰে। বোধহয় কেৱল নাম মাত্রৰ ওপৰত আশা কৰা মৃগতৃষ্ণিকাৰ দৰে শেষত মোৰ দুঃখ ওপজাব।

বালক—মা! এই সুন্দৰ ময়ূৰটো মোৰ বৰ ভাল লাগিছে। (এইদৰে কৈ ময়ূৰটো হাতত ললে)

প্রথমা—(ব্যগ্রভাৱে চাই) অ' আই! এওঁৰ হাতৰ গাঁঠিত ৰক্ষা কবচটো নাই দেখোন।

ৰজা—উদ্বিগ্ন নহ'ব। সিংহৰ পোৱালীটোৰে ধেমালি কৰোতে কবচটো পৰি গৈছে। এইবুলি কৈ কবচটো তুলি ল'ব খোজে।

তাপসীদ্বয়—সেইটো নুচুব, নুচুব। তেওঁ তুলি ললে।

(আচৰিত হৈ দুয়ো বুকুত হাত দি পৰস্পৰৰ মুখলৈ চায়)

ৰজা—মোক কবচটো চুবলৈ কিয় বাধা দিছে?

প্রথমা—শুনক মহাৰাজ! এওঁৰ জাতকর্মৰ সময়ত ভগৱান মাৰীচে 'অপৰাজিতো' নামে এই ঔষধটো দিছিল। এইটো মাটিত পৰিলে পিতৃ-মাতৃ বা বালকে নিজৰ বাহিৰে আন কোনেও চোৱা নিষেধ।

ৰজা—যদি আনে চোৱে?

প্রথমা—তেনেহ'লে সি সাপ হৈ খুটিয়ায়।

ৰজা —আপোনালোকে নিজ চকুৰে এনেকুৱা হোৱা কেতিয়াবা দেখা পাইছে নে?

তাপসীদ্বয়—বহুবাৰ (দেখিছো)।

ৰজা —(আনন্দমনে, মনতে) মনোৰথ পূৰণ হোৱাত এতিয়া মোৰ আনন্দ নহব কিয়? (এইদৰে কৈ তেওঁ বালকক সাৱতি ধৰিলে)।

দ্বিতীয়—সুব্রতা! বলা, ব্রতপালনত ৰতা শকুন্তলাক এই কথা জনাওগৈ। (দুয়ো ওলায় যায়)

বালক—মোক এৰি দিয়া, মাৰ ওচৰলৈ যাওঁ।

ৰজা—পুত্র মোৰ, মোৰ সৈতে গৈ মাৰাৰ ওচৰত আনন্দ কৰিবা।

বালক—মোৰ পিতা দুষ্যন্ত, তুমি নহয়।

ৰজা—(অলপ হাঁহি) এই প্রতিবাদেই তাৰ প্রমাণ

(এডাল বেণিৰে শকুন্তলাৰ প্রৱেশ)

শকুন্তলা—সর্বদমনৰ ঔষধিৰ বিষক্রিয়া নৌহওঁতেই মই মোৰ ভাগ্য লৈ আশাবাদী হোৱা নাই। অথবা সানুমতীয়ে যিদৰে কৈছে সেইদৰে হ'লে ই সম্ভৱো নহয়।

ৰজা—(শকুন্তলাক দেখি) আহা, এৰেঁতো সেই শকুন্তলা—পৰিধানত বৰ মলিয়ন বস্ত্র, ব্রত-নিয়মাদি পালনত শুকোৱা মুখৰ, এক বেণীধাৰিণী আৰু শুদ্ধশীলা হৈ অতিশয় ক্রূৰ মোৰ সৈতে সুদীর্ঘ বিৰহব্রত পালন কৰিছে।

শকুন্তলা—(অনুতাপত দগ্ধ ৰজাক দেখি) এখেতকতো আর্য পুত্র যেন লগা নাই। তেনেহ'লে এখেত কোন, মোৰ ৰক্ষা কৰচধাৰী বালকৰ গাত গা ঘাঁহি আছে?

বালক—(মাকৰ ওচৰলৈ গৈ) মা, এইজন কোন লোক, মোক পুত্র বুলি আলিঙ্গন কৰিছে?

ৰজা—প্রিয়ে! তোমাৰ প্রতি মই যি নিষ্ঠুৰ ব্যৱহাৰ কৰিছিলোঁ মোৰ বাবে তাৰ ফল অনুকূলেই হ'ল, কাৰণ মই দেখিছো যে তুমি মোক চিনিব পাৰিছা।

শকুন্তলা—(নিজে নিজে) হে হৃদয়, আশ্বস্ত হোৱা, আশ্বস্ত হোৱা। দেৱ এতিয়া তোমাৰ ওপৰত বিদ্বেষ এৰি সদয় হৈছে! এখেত আর্যপুত্রই হয়।

ৰজা —প্রিয়ে! চন্দ্রগ্রহণৰ পাছত ৰোহিনী নক্ষত্রৰ সৈতে চন্দ্রৰ সংযোগ হোৱাৰ দৰে স্মৃতি ঘূৰাই পোৱাৰ পাছত মোহান্ধকাৰ নাশ হোৱাত, হে সুমুখী! ভাগ্যক্রমে মই তোমাক সমুখত দেখা পাইছো।

শকুন্তলা—জয় হওঁক, আর্যপুত্রৰ জয় হওঁক। (এইদৰে কৈ থাকোতে কণ্ঠৰোধ আৰু নিমাত হ'ল)।

ৰজা—সুন্দৰী! প্রসাধনৰ অভাৱত ৰক্তিম দুই ওঠযুক্ত তোমাৰ মুখ যে দেখা পালো, ইয়াতে তুমি যি 'জয়' শব্দ উচ্চাৰণ কৰিলা, তোমাৰ চকুলোৱে কণ্ঠৰুদ্ধ হ'লেও তাত মোৰ জয় লাভেই হৈছে।

বালক—মা! এওঁ নো কোন?

শকুন্তলা—বাচা! তোমাৰ ভাগ্যক সুধি চোৱা। (এইদৰে কৈ কান্দিবলৈ ধৰিলে)।

ৰজা—(শকুন্তলাৰ ভৰিত পৰি) হে সুতনু, তোমাৰ হৃদয়ৰ পৰা প্রত্যাখ্যানজনিত দুঃখ দূৰ হৈ যাওক; কি কাৰণে নাজানো সেই সময়ত মোৰ মনত সম্মোহ বলৱান হৈছিল। প্রৱল তমো গুণেৰে মন আচ্ছন্ন হোৱাত মানুহে শুভ বিষয়তো এনেকুৱা আচৰণেই কৰে; অন্ধ লোকৰ মূৰত ফুলৰ মালা পৰিলেও তাক সাপ বুলি ভাবি দলিয়াই পেলায়।

শকুন্তলা—উঠক আর্যপুত্র! সেই সময়ত নিশ্চয় মোৰ পূর্ব জন্মৰ কোনো কর্মৰ পুণ্য প্রতিৰোধত ফল ফলোৱাৰ সময় হৈছিল, যাৰ বাবে আর্যপুত্র সদয়হৃদয় লোক হ'লেও মোৰ প্রতি বিৰূপ হ'ল।

(ৰজা উঠিল)

শকুন্তলা—এই দুঃখভাগিনীলৈ আর্যপুত্রৰ মনত পৰিল কেনেকৈ?

ৰজা—মোৰ মনৰ পৰা দুঃখৰ শেল উভালি পেলাই তাৰ পাছত কম। সুতনু! তোমাৰ অধৰ ক্লেশকাৰক যি বিন্দু বিন্দু চকুলো মই আগতে মোহৰ বশত উপেক্ষা কৰিছিলো, তোমাৰ বঙ্কিম পক্ষ্মবিলগ্ন সেই অশ্রুজল প্রথমে মঁচি পেলাও। (তাকে কৰিলে)

শকুন্তলা—(ৰজাৰ নামাঙ্কিত আঙঠিটো দেখি) আর্যপুত্র! এয়ে সেই আঙঠিটো নে?

ৰজা—এই আঙঠিটো পোৱাৰ পাছত হে মোৰ স্মৃতি জাগ্রত হ'ল।

শকুন্তলা—আর্যপুত্র বিশ্বাস জন্মাব লগা সময়ত ইয়াক নোপোৱাত ইযে কি অনর্থই নঘটালে?

ৰজা—তেনেহ'লে ঋতুৰ লগত সংযোগৰ চিহ্নস্বৰূপ লতাই ফুলটো ধাৰণ কৰক।

শকুন্তলা—ওহো, ইয়াক আৰু ৰিশ্বাস নকৰোঁ। আর্যপুত্রই ইয়াক ধাৰণ কৰক।

(মাতলিৰ প্রৱেশ)

মাতলি—ভাগ্যৰ বলত ধর্মপত্নীৰ সৈতে মিলিত হৈ আৰু পুত্রৰ মুখদর্শন কৰি আয়ুষ্মানে সফল মনোৰথ হৈছে।

ৰজা—মোৰ মনোৰথৰ মিঠা ফল ফলিছে। মাতালি! ইন্দ্রই এই বিষয়ে জানে বুলি ভাবা নে?

মাতলি—(অলপ হাঁহি) শক্তিমান সকলৰ কিবা অজ্ঞাত থাকেনে? আয়ুষ্মান্ আহক, ভগৱান মাৰীচে আপোনাক দেখা দিব।

ৰজা—শকুন্তলা ল'বাটোক লোৱা। তোমাক আগত লৈ ভগৱানৰ সৈতে দেখা কৰিব খোজো।

শকুন্তলা—আর্যপুত্রৰ সৈতে গুৰুজনৰ ওচৰলৈ যাবলৈ লাজ লাগিছে।

ৰজা—মঙ্গলোৎসৱ আদিৰ সময়ত এনেকুৱা কৰিবলগীয়া হয়। আগে আগে যোৱা।

(সকলোৱে আগবাঢ়ি গ'ল) (অদিতিৰ সৈতে একেখন আসনত বহি থকা মাৰীচৰ প্রৱেশ)

মাৰীচ—(ৰজাক দেখি) দাক্ষায়নী! তোমাৰ পুত্র ইন্দ্রৰ যুদ্ধকর্মত যিজনে সদায় সমুখত থাকে,

এৰেঁ সেই দুষ্যন্ত নামে পৃথিৱীপালক; এওঁৰ ধনুৰ দ্বাৰা ইন্দ্ৰৰ সুতীক্ষ্ণ বজ্ৰৰ কার্য সম্পন্ন হোৱাত ইন্দ্ৰৰ বাবে বজ্ৰ তেওঁৰ অলংকাৰ মাত্ৰও পর্যবসিত হৈছে। ২৬

অদিতি—এওঁৰ মূর্তিতেই এওঁৰ পৰাক্ৰম অনুভৱ কৰা হয়।

মাতলি—আয়ুষ্মান! সৌৱা দেৱতাসকলৰ জনক-জননীয়ে পুত্ৰ প্ৰীতি প্ৰকাশক দৃষ্টিৰে আপোনালৈ চাই আছে। তেওঁলোকৰ সমুখলৈ যাওঁক।

ৰজা—মাতলি! মুনিসকলে বাৰজন আদিত্যৰ উৎপত্তিস্থান বুলি কয়, যিসকল ত্ৰিভুৱনৰ পালক, যিসকলে যজ্ঞভোগী দেৱতাসকলৰ ৰজা ইন্দ্ৰক জন্ম দিছে, স্বয়ম্ভূ বিষ্ণু পৰম পুৰুষ হৈও জন্ম গ্ৰহণৰ বাবে যাৰ আশ্ৰয় গ্ৰহণ কৰিছিল, মৰীচি আৰু দক্ষৰ পৰা যিসকল জন্মিছে, সৃষ্টিকর্তা ব্ৰহ্মাৰ পৰা যিসকলৰ মাত্ৰ এক পুৰুষৰ ব্যৱধান, এওঁলোকে সেই দম্পতী। ২৭

মাতলি—নহয়নো কি?

ৰজা—(ওচৰলৈ গৈ) ইন্দ্ৰৰ ভৃত্য দুষ্যন্তই আপোনালোক উভয়কে প্ৰণাম কৰিছে।

মাৰীচ—বাচা! চিৰঞ্জীৱী হোৱা পৃথিৱী পালন কৰা।

অদিতি—বাচা! অপ্ৰতিদ্বন্দ্বী হোৱা।

শকুন্তলা— পুত্ৰক লগতে লৈ আপোনালোক দুয়োৰে পাদবন্দনা কৰিছো।

মাৰীচ—বাচা! তোমাৰ পতি ইন্দ্ৰতুল্য, তোমাৰ পুত্ৰ জয়ন্তোপম আৰু কোনো আশীর্বাদ তোমাৰ যোগ্য নহ'ব; তুমি ইন্দ্ৰৰ পত্নী শচীৰ দৰে হোৱা। ২৮

অদিতি—বাচা! তুমি স্বামীৰ বহুমান্যৰ পাত্ৰী হোৱা। তোমালোকৰ আনন্দ বৃদ্ধি কৰক।

মাৰীচ—(প্ৰত্যেককে পৃথকভাৱে নির্দেশ কৰি) তুমি সাধ্বী শকুন্তলা, এওঁ সুপুত্ৰ আৰু তুমি দুষ্যন্ত; ভাগ্যৰ বলত শ্ৰদ্ধা, ,বিত্ত আৰু বিধি—এই তিনি একত্ৰে মিলিত হৈছাহঁক। ২৯

ৰজা—ভগৱান্! প্ৰথমতে অভিপ্ৰেত সিদ্ধি হ'ল, তাৰ পাছত আপোনাৰ দর্শন লাভ কৰিলোঁ,—সেয়ে আপোনাৰ অনুগ্ৰহ অপূর্ব, কাৰণ প্ৰথমতে ফুল ফুলে, তাৰ পাছত ফল ফলে; প্ৰথমতে মেঘৰ আৱির্ভাৱ হয়, তাৰ পাছত হয় বৰষুণ; এয়ে কাৰণ আৰু কার্যৰ ক্ৰম; কিন্তু আপোনাৰ প্ৰসাদ লাভৰ আগতে সম্পদ লাভ হয়। ৩০

মাতলি—ৱিধাতাসকলে এনেদৰে কৃপা বর্ষণ কৰে।

ৰজা—ভগৱান! আপোনালোকৰ আজ্ঞাকাৰিণী এওঁক গান্ধর্ব প্ৰথামতে বিয়া কৰাৰ কিছুদিন পাছত এওঁৰ আত্মীয়সকলে যেতিয়া এওঁক মোৰ ওচৰলৈ লৈ আহিল, তেতিয়া স্মৃতিৰ শিথিলতা হেতু মই এওঁক প্ৰত্যাখ্যান কৰি আপোনাৰ সগোত্ৰ মাননীয় কণ্বৰ ওচৰত অপৰাধী হৈছো। তাৰ পাছত আঙঠি দেখি তেওঁৰ কন্যাক বিয়া কৰোৱা কথা মনত পৰিল। এইটো মোৰ মনত বিচিত্ৰ যেন লাগি আছে। সমুখেৰে হাতী পাৰ হৈ যোৱা সময়ত যদি মনত সন্দেহ হয় এইটো হাতী নে আন কিবা, তাৰ পাছত তাৰ ঠেঙৰ খোজ দেখি প্ৰত্যয় হয় (যে সেয়া হাতীয়ে হয়), মোৰ মনৰ বিকাৰো তেনেকুৱা হৈছিল। ৩১

মাৰীচ—বৎস! তুমি নিজে অন্যায় কৰিছিলা বুলি ভাবি নাথাকিবা। তোমাৰ বাবে সম্মোহ তেনেই অসম্ভৱ। শুনা—

ৰাজা—কওঁক।

মাৰীচ—অপ্সৰা ঘাটৰ চিৰিৰ পৰা যেতিয়া অত্যন্ত কাতৰ অৱস্থাত শকুন্তলাক লৈ মেনকাই দাক্ষায়ণীৰ ওচৰলৈ আহিল, তেতিয়াই মই ধ্যান কৰি জানিলোঁ যে তোমাৰ সহধর্মচাৰিণী এই দুর্ভগীয়াজনীয়ে দুর্বাসাৰ শাপত পৰি তোমাৰ হাত প্রত্যাখ্যাতা হৈছে, আন কোনো কাৰণত নহয়; আৰু সেই শাপৰ অৱসান আঙঠি দেখিলেই হ'ব।

ৰাজা— (উহ) মই বৰ অপৰাদৰ পৰা মুক্ত হ'লোঁ।

শকুন্তলা—(নিজে মনতে) সৌভাগ্যৰ কথা এয়ে যে আর্যপুত্রই অকাৰণতে মোক প্রত্যাখ্যান কৰা নাছিল। কিন্তু মোক কোনোবাই শাপ দিছিল বুলি মোৰ মনত নপৰে। হয়তো শাপ দিছিল, কিন্তু বিৰহবশতঃ শূন্য মনে থকা বাবে মই জানিব পৰা নাছিলো। সেইবাবেই সখীসকলে মোক কৈছিল যে (আৱশ্যক হ'লে) আঙঠিটো দেখু�ৱাবা।

মাৰীচ—বাচা! এতিয়া তুমি সকলো কথা জানিলা। গতিকে সহধর্মচাৰীৰ ওপৰত তুমি ক্রোধভাৱ নাৰাখিবা। শুনা— শাপৰ ফলতে স্মৃতিৰোধ হোৱাত ৰুক্ষ হৈ স্বামীয়ে তোমাক প্রত্যাখ্যান কৰিছিল; এতিয়া তেওঁৰ সেই অন্ধকাৰ যেতিয়া দূৰ হৈছে, তেতিয়া তুমি তেওঁৰ ওপৰত প্রভাৱ দেখুৱাব পাৰিবা। ময়লাৰে দাপোনৰ নির্মলতা আচ্ছন্ন হ'লে তাত প্রতিবিম্ব প্রকশিত নহয়, দাপোন পৰিষ্কৃত হ'লে তাত প্রতিবিম্ব সহজতে প্রকাশ পায়। ৩২

ৰজা—ভগৱানে সঁচা কথাকে কৈছে।

মাৰীচ—বাচা! শকুন্তলাৰ এই পুত্রটিৰ জাতকর্ম আদি মই বিধিমতে অনুষ্ঠিত কৰিছো, তাক পায় তুমি আনন্দিত হৈছানে?

ৰজা—ভগৱান্! এৱেঁ মোৰ বংশৰ গৌৰৱ হ'ব। (এইদৰে কৈ তেওঁ বালকৰ হাতত ধৰিলে)।

মাৰীচ—এওঁ তেনেকুৱাই হ'ব। জানি থোৱা যে এওঁ চক্রৱর্তী হ'ব। শুনা—স্ফলিত নোহোৱা স্থিৰগতি ৰথত উঠি সমুদ্র পাৰ হৈ প্রতিদ্বন্দ্বীহীনভাৱে এওঁ সপ্তদ্বীপা পৃথিৰী জয় কৰিব। বলেৰে প্রাণীসকলক দমন কৰা কাৰণে ইয়াত এওঁক 'সর্বদমন' নাম দিয়া হৈছে; পাছত লোকবর্গৰ ভৰণপোষণ কৰাৰ ফলত এওঁ 'ভৰত' নামে জনাজাত হ'ব। ৩৩

ৰজা—ভগৱানে যেতিয়া এওঁৰ সংস্কাৰকর্ম কৰিছে তেতিয়া এওঁৰ সম্বন্ধে মই সকলো আশা কৰিম।

অদিতি—ভগৱন্! তেওঁৰ কন্যাৰ মনোৰথ যে সম্পূর্ণ সিদ্ধ হৈছে, সেই কথা কণ্বকো জনাওঁক। কন্যা বৎসলা মেনকা আমাৰ সেৱাতে ব্যাপৃত হৈ ইয়াতে উপস্থিত আছে।

শকুন্তলা—(নিজে নিজে) ভগৱতীয়ে মোৰ মনৰ কথাকে কৈছে।

মাৰীচ—তপস্যাৰ বলত কণ্বৰ সকলো জ্ঞাত হৈছে।

ৰজা—সেইবাবে মুনি মোৰ ওচৰত ক্রুদ্ধ হোৱা নাই।

মাৰীচ—তথাপি এই শুভ সংবাদ তেওঁক জনোৱা উচিত হ'ব। ইয়াত কোন আছে?

(প্রৱেশ কৰি)

শিষ্য—ভগৱন্! এয়া মই আছো।

মাৰীচ—গালৱ! এই মুহূর্তে আকাশী পথেৰে গৈ মান্যবৰ কণ্বক মোৰ নাম কৈ এই সুসম্বাদ জনোৱা যে সেই শাপ নিবৃত্ত হোৱাত দুষ্যন্তই স্মৃতিলাভ কৰি পুত্রৱতী শকুন্তলাক পুনর্বাৰ গ্রহণ কৰিছে।

শিষ্য—ভগৱানে যেনে আজ্ঞা কৰিছে; সেয়ে হ'ব। (ওলাই যায়)

মাৰীচ—বাচা! তুমিও তোমাৰ স্ত্রী আৰু পুত্রক লগত লৈ তোমাৰ মিত্র ইন্দ্রৰ ৰথত উঠি তোমাৰ ৰাজধানীলৈ ৰাওনা হোৱা।

ৰজা—ভগৱানে যি আদেশ কৰিছে সেয়ে হওঁক।

মাৰীচ—আৰু, তোমাৰ প্রজাসকলৰ বাবে ইন্দ্রই প্রচুৰ বৰষুণ দিয়ক। তুমিও বহু যজ্ঞৰে ইন্দ্রক প্রীতিমান কৰা; এইদৰে স্বর্গ আৰু মর্ত দুয়ো লোকৰ পক্ষে হিতকৰ হোৱাত যি শ্লাঘণীয় হ'ব, পৰস্পৰৰ প্রতি সেই কর্তব্য সম্পন্ন কৰি তোমালোকে শ শ যুগ অতিবাহিত কৰা। ৩৪

ৰজা—ভগৱন্! মই যথাশক্তি এই মঙ্গলকার্য কৰিবলৈ যত্নবান হ'ম।

মাৰীচ—বৎস! তোমাৰ আৰু কি অধিক উপকাৰ কৰিব পাৰোঁ?

ৰজা—ইয়াৰ অধিক উপকাৰ কি হ'ব পাৰে? তথাপি যদি ভগৱানে আৰু কিবা বৰদান কৰিব খোজে, তেনেহ'লে এনে হয়—

(ভৰতৱাক্য)

ৰজাই প্রজাৰ হিতকৰ কার্যত প্রবৃত্ত হৈ থাকক। বিদ্বানৰ জ্ঞানে যেন সকলো লোককে মহিমান্বিত কৰে। স্বয়ম্ভূ মহেশ্বৰে বহু শক্তি ধাৰণ কৰি মোৰ পুনর্জন্ম ক্ষয় কৰে যেন। ৩৫

(সকলো ওলায় যায়)

## ৮.৫ নাটকৰ উল্লেখযোগ্য বাক্যৰ ভাবার্থ

**১) অথৱা ভৱিতব্যানাং দ্বাৰাণি ভৱন্তি সর্ৱত্র**

মানুহৰ কর্মক্ষেত্রত দৈৱ আৰু পুৰুষার্থ দুয়োৰে ভূমিকা থাকে। দৈৱ বীজ, পুৰুষার্থ ক্ষেত্র। কর্মত দুয়োটাৰ সমানে সহযোগ লাগে। ইয়াৰ ভিতৰত যিটো হ'বলগীয়া আছে তাকে সিদ্ধ কৰিবলৈ দৈৱই অনুকূল হয়। দৈৱৰ যোগ নাথাকিলে অহোপুৰুষার্থ কৰিও তাৰ ফল পোৱা নাযায়। দুষ্যন্তই ইয়াকে সাৰোগত কৰিছে, যেতিয়া তেওঁৰ অঙ্গৰ স্ফূৰণ দেখা গৈছে। আশ্রম প্রেম-প্রীতি, কামনা-বাসনাৰ দৰে প্রবৃত্তিৰ স্থল নহয়। ই নিবৃত্তিৰ স্থল। গতিকে তাত প্রিয়াৰ সমাগম অসম্ভৱ। তথাপিও অন্তত শকুন্তলাৰ দৰে প্রিয়াৰ সমাগম সম্ভৱ হৈছে দৈবৰ অনুকূলতাত। অর্থাৎ ভৱিতব্যৰ কোনো নির্দিষ্ট স্থান নাথাকে।

**২) কিমিৱ হি মধুৰানাং মণ্ডনং নাকৃতীনাম্**

সুন্দৰ আকৃতিৰ বাবে, সুন্দৰ পুৰুষৰ বাবেই হওক বা ৰূপৱতী স্ত্রীৰ বাবে যিকোনো বেশ ভূষাই খাপ খায়। কুৰূপৰ বাবে সুন্দৰ বেষ-ভূষাও অনুপযুক্ত হয়। শেলুৱৈৰ মাজতে পদুমৰ কলি ফুলি উঠে, চন্দ্রত থকা কলঙ্কয়ো চন্দ্রৰ সৌন্দর্য বৃদ্ধি কৰে। সুন্দৰ আকৃতিৰ হোৱা কাৰণে বল্কলৰ বস্ত্রয়ো শকুন্তলাৰ ৰূপ বৃদ্ধি কৰিছে। গতিকে আকৃতি সুন্দৰ হ'লে যিকোনো বস্তুই অলংকাৰ সদৃশ হৈ পৰে।

**৩) সতাং হি সন্দেহপদেষু বস্তুষু প্রমাণমন্ত কৰণপ্রবৃত্তয়ঃ**

সমাজত সৎ আৰু অসৎ লোক থাকে। সৎ লোকৰ প্ৰকৃতি সদায় উচিত কাৰ্যৰ প্ৰতিহে ঢাল খায়, অনুচিত কাৰ্যৰ পৰা বিৰত হয়। ৰজাৰ লগত বিবাহৰ বাবে তাপস কন্যা অনুপযুক্ত। সেয়ে শকুন্তলাৰ জন্ম জাতি নজনাকৈ ৰজাৰ মন শকুন্তলাৰ প্ৰতি ধাবিত হোৱাটো অনুচিত। কিন্তু ৰজাৰ দৰে সত্যবাদী, ধৰ্মিষ্ঠ, আৰ্যজনৰ মন ঋষিকন্যা শকুন্তলাৰ প্ৰতি ধাবিত হোৱাত, তেওঁৰ মনত শকুন্তলা 'ক্ষত্ৰপৰিগ্ৰহক্ষমা' বুলি নিশ্চিত হৈছে। কাৰণ সৎলোকসকলৰ নিজৰ মনৰ প্ৰবৃত্তিটোৱেই প্ৰমাণৰূপে দেখা দিয়ে।

**৪) আৰ্তত্ৰাণায় ৱঃ শস্ত্ৰং ন প্ৰহৰ্তুম্ অনাগসি**

ৰজাসকল জাতিত ক্ষত্ৰিয়। ক্ষতাৎ ত্ৰায়তে—'অনিষ্টৰ পৰা ৰক্ষা' কৰে বাবে তেওঁলোকক ক্ষত্ৰিয় বুলি কয়। ক্ষত্ৰিয়সকলে দেশ ৰক্ষা কৰে। তেওঁলোকে সবলৰ হাতৰ পৰা দুৰ্বলক ৰক্ষা কৰে। এইটোৰ বাবে ৰজাৰ প্ৰয়োজন। অন্যথাই দেশত হয় অৰাজকতা, যাক আন কথাত 'মাৎস্যন্যায়' বুলি কোৱা হয়। জলাশয়ত ডাঙৰ ডাঙৰ মাছে, সৰু মাছ খাই জীয়াই থাকে। তেনে অৱস্থা যাতে ৰাজ্যত বিৰাজ নকৰে তাৰ বাবে ৰজাৰ প্ৰয়োজন। ৰজা (ক্ষত্ৰিয়ই) অস্ত্ৰ ধাৰণ কৰে আৰ্তজনক পৰিত্ৰাণৰ বাবে। এই অস্ত্ৰ অস্ত্ৰহীনক মাৰিবলৈ ব্যৱহাৰ নহয়।

**৫) সৰ্ৱঃ খলু কান্তমাত্মীয়ং পশ্যতি**

কালিদাসে লৌকিক ব্যৱহাৰৰ পৰা নিৰীক্ষণ কৰি এইযাৰ কথা কৈছে। জগতৰ প্ৰতিজন লোকে নিজৰ আত্মীয়-স্বজনক ভাল পায় আৰু সুন্দৰ যেন দেখে। নিজৰ ল'ৰা-ছোৱালী খোৱা, কোঙা, অন্ধ হ'লেও মাক-দেউতাকে তেওঁলোক সুন্দৰ যেন দেখে। এয়া কোনো অভিনৱ কথা নহয়, চিৰাচৰিত কথা। বিদূষকে ৰজাক দৰ্শনীয়, সুন্দৰ বুলি ভৱাৰ মাজতো একে ধাৰণা ক্ৰিয়া কৰিছে। ইয়াৰ পাছত বিদূষকে ৰজাৰ আত্মীয় স্বৰূপ আৰু যুৱৰাজ তুল্য বুলি গৌৰৱবোধ কৰিছে।

**৬) অৰ্কস্যোপৰি শিথিলং চ্যুতমিৱ নৱমালিকাকুসুমম্**

অৰ্ক বা আকন এক বিষাক্ত উদ্ভিদ। তাৰ সংসৰ্গত জীৱৰ অনিষ্ট হয়। ইয়াত ৰজাই শকুন্তলাক নৱমালিকা ফুল আৰু কণ্ব আৰু আশ্ৰমক অৰ্ক/আকন বুলিছে। নৱমালিকা ফুল আকনৰ ওপৰত পৰিলে যি প্ৰতিকূল প্ৰভাৱ পৰে, তেনেকৈ অপ্সৰাসম্ভূতা কোমল স্বভাৱৰ শকুন্তলাৰ প্ৰতিপালন তেনে এক প্ৰতিকূল পৰিৱেশৰ মাজত হৈছে।

**৭) ত্ৰিশঙ্কুৰিৱ অন্তৰা তিষ্ঠ**

ত্ৰিশঙ্কু আছিল অযোধ্যাৰ ৰজা। তেওঁ সশৰীৰে স্বৰ্গলৈ যাবলৈ ইচ্ছা কৰি বশিষ্ঠক যজ্ঞ কৰিবলৈ আহ্বান কৰে। কিন্তু বশিষ্ঠ নেলাগে তেওঁৰ পুত্ৰসকলেও ত্ৰিশঙ্কুৰ আমন্ত্ৰণ স্বীকাৰ নকৰিলে। পিতৃবাক্য লঙঘন, গুৰুৰ দ্ৰোহ আৰু গুৰুৰ গাইবধ আদি দোষেৰে দুষ্ট ত্ৰিশঙ্কুৱে বিশ্বামিত্ৰৰ সহায় বিচাৰিলে। বিশ্বামিত্ৰই নিজৰ পুন্যফল আৰু প্ৰভাৱৰ বলত ত্ৰিশঙ্কুক স্বৰ্গলৈ পঠালে। কিন্তু ত্ৰিপাপত ভোগা ৰজাৰ বাবে স্বৰ্গদ্বাৰ ৰুদ্ধ হ'ল। তেওঁ স্বৰ্গৰ পতিত হৈ বিশ্বামিত্ৰৰ সহায় বিচৰাত ঋষিয়ে 'তাতে থাকা' বুলি কোৱাত ত্ৰিশঙ্কু স্বৰ্গ-মৰ্ত্যৰ মাজতে ৰ'ল। ইয়াৰে পটন্তৰ লৈ বিদূষকে

আশ্রমৰ আৰু মাতৃৰ আমন্ত্রণ এই দুইস্থানতে নগৈ ত্রিশঙ্কুৰ দৰে ৰজাক মধ্যতে থাকিবলৈ কৈছিল। বিদূষকে পুণ্যবান ৰজাক ত্রিপাপত দুষ্ট ত্রিশঙ্কুৰ দৰে থাকিবলৈ কোৱাটো অনুচিত হৈছে।

**৮) গুৰ্বপি বিৰহদুঃখম্ আশাবন্ধঃ সাহয়তি**

দুঃখ আৰু সুখ মানুহৰ জীৱনত প্ৰায়ে ঘটি থাকে। কোনোটো চিৰস্থায়ী নহয়। সেয়ে মানুহে দুঃখত পৰিলেও পুনঃ ভাল দিন অহালৈকে অপেক্ষা কৰে। দুঃখ-সুখ দিন-ৰাতিৰ দৰে পৰিৱৰ্তিত হয়। 'চক্ৰাৰপংক্তিৰিৱ গচ্ছতি ভাগ্যপংক্তিঃ' বুলিও কোৱা হয়। সেয়ে মানুহে গুৰুতৰ দুঃখত ভাগি পৰিব নালাগে। দিনৰ অন্তত ৰাতি যেনেকৈ আহে ৰাতিৰ অন্ততো দিন আহিব বুলি আশা কৰাৰ দৰে দুঃখৰ অন্ত পৰিব, ভাল দিন আহক বুলি আশা কৰিব লাগে। আশাৰ বন্ধনে মানুহক দুঃখৰ দিনতো ধৈর্য ধৰিবলৈ শিকায়।

**৯) স্নেহপ্রবৃত্তিৰেৱংদর্শিনী**

জৰিৰ বান্ধোনতকৈ স্নেহৰ বান্ধোন অতিশয় দৃঢ়। নাটকত অনসূয়া, প্রিয়ম্বদা আৰু শকুন্তলাৰ মাজত যি স্নেহৰ বন্ধন আছিল, তাকে বুজাবলৈ কাশ্যপে এই কথা কৈছে। শকুন্তলাৰ বিদায়ৰ পাছত তপোবনৰ কুটীৰ সখীসকলৰ বাবে শূন্য যেন হৈছে। এয়া হৈছে, শকুন্তলাৰ প্রতি থকা সখী দুজনীৰ অতুলনীয় স্নেহৰ প্রবৃত্তিৰ বাবে।

**১০) অর্থো হি কন্যা পৰকীয় এৱ**

ভাৰতীয় সমাজব্যৱস্থাত কন্যাৰ জন্মই তেওঁক স্বামীৰ গৃহলৈ স্থানান্তৰিত কৰাকে বুজায়। কন্যাৰ অর্থ বা উদ্দেশ্য পৰৰ ঘৰ পূৰণ কৰা, পিতৃ গৃহ ত্যাগ কৰা, শূন্য কৰা। সেইবাবে ভাৰতীয় সমাজত কন্যাতকৈ পুত্রৰ জন্ম অধিক শ্লাঘনীয় হৈ আহিছে।

**১১) তেন হি অনতিক্রমণীয়ানি শ্রেয়াংসি**

শ্রেয় লোকবর্গক অতিক্রম কৰিব নেলাগে। পথত প্রাপ্ত সকলো বয়োজ্যেষ্ঠ, গুৰুস্থানীয় লোকক সন্মান নজনোৱাকৈ অতিক্রম কৰা উচিত নহয়। ৰজাই মাতলিৰ মুখত স্বর্গৰ পৰা মর্ত্যলৈ যোৱা পথত হেমকূটত ইন্দ্রগুৰু মাৰীচে অদিতিৰ সৈতে তপস্যা কৰি থকা বুলি জানি তেওঁলোকক সাক্ষাৎ কৰি সেৱা জনাবলৈ ইচ্ছা প্রকাশ কৰে; কাৰণ, তেওঁলোক আদিত্যসকলৰ বিশেষতঃ ইন্দ্রৰ দৰে মিত্রজনৰ পিতা-মাতা। তাকে কৰিবলৈ গৈ ৰজাই অভাৱনীয়ৰূপে পুত্র পত্নীৰে মিলিত হ'ল।

**১২) কিমীশ্বৰানাং পৰোক্ষম্**

ৰজা দুষ্যন্তৰ এটি প্রশ্নৰ উত্তৰত মাতলিয়ে কৈছে যে যিসকল ঈশ্বৰ তেওঁলোকৰ অগোচৰ একো নাই। ঈশ্বৰসকল অষ্টসিদ্ধিৰ দ্বাৰা সফলকাম হয়। সেই অষ্টসিদ্ধিক্রমে অনিমা, লঘিমা, মহিমা, প্রাপ্তি, প্রকাস্য, ঈশিতা, ৱশিতা আৰু কামৱসায়িতা। যিজনে এই সিদ্ধি বা ঐশ্বর্যবোৰ আয়ত্ত কৰে তেওঁৰ অজ্ঞাত হৈ কোনো কথা নাথাকে। আমাৰ নাটকত ইন্দ্র, মাৰীচ আৰু কণ্বৰ চৰিত্র এই অষ্টসিদ্ধিৰে মহিমামণ্ডিত। তেওঁলোকৰ সহায়ত স্বাভাৱিকভাৱে নায়ক-নায়িকাৰ মিলন আৰু পুনর্মিলন সম্ভৱ হৈছে।

**১৩) অতি স্নেহঃ পাপশঙ্কী**

অভিজ্ঞান শকুন্তলম্ নাটকৰ ৪র্থ অঙ্কত সখী দুগৰাকীয়ে শকুন্তলাক আলিঙ্গন কৰা সময়ত শকুন্তলাক কৈছিল যে যদি ৰজাই তেওঁক চিনি পোৱাত মন্থৰ হয়; তেনেহ'লে ৰজাৰ নামাঙ্কিত আঙঠিটো দেখুৱাবা। তাকে শুনি শকুন্তলাৰ অন্তৰ কঁপি উঠিল। তেতিয়া অনসূয়া আৰু প্রিয়ম্বদাই শকুন্তলাক এই কথাষাৰ কৈছিল যে অত্যধিক স্নেহে অমঙ্গল আশঙ্কা কৰায়। এইটো এক মানৰীয় অনভূতি। যাৰ প্রতি মানুহৰ অত্যধিক মৰম স্নেহ থাকে, তেওঁৰ ভাল-বেয়াৰ প্রতিও অন্তৰত সদায় আশঙ্কা হয়, কিজানিবা স্নেহাস্পদজনৰ কিবা অনিষ্ট হয়। স্নেহাস্পদৰ প্রতি মানুহ সদায় শঙ্কিত হৈ থাকে।

**১৪) উদকান্তং স্নিগ্ধো জনোহনুগন্তব্য**

চতুর্থ অংকৰ শেষৰফালে যেতিয়া শকুন্তলাই আশ্রমবাসীসকলৰ সঙ্গ এৰিবলৈ নোৱাৰি ইটো-সিটো কৰি সময় কটাবলৈ ধৰিলে তেতিয়া শার্ঙ্গৰৱে কুলপতি কণ্বক এইদৰে ক'লে, 'স্নেহাস্পদ লোকক জলাশয় পর্যন্ত আগবঢ়াই যোৱা নিয়ম।' সম্ভৱতঃ এইটো সেই সময়ৰ প্রচলিত ৰীতি আছিল। নৈ বা পর্বতৰ দৰে প্রাকৃতিক বাধাবোৰে দেশ দুখনৰ মাজৰ সীমাৰেখা সূচায়। বহুতো দেশ মহাদেশৰ সীমা সাগৰ, মহাসাগৰ বা নদীৰে অংকিত। সেয়ে সেই সময়ত জলাশয়ৰ তীৰলৈ স্নেহভাজনক আগুৱাই থৈ বিদায় দিয়া নিয়ম প্রচলিত আছিল যেন লাগে।

**১৫) কো নামোষ্ণোদকেন নৱমালিকাং সিঞ্চতি**

চতুর্থ অংকৰ বিষ্কম্ভকত দুর্বাসা আহিছিল কণ্বৰ আশ্রমলৈ। আশ্রমত অতিথি সৎকাৰৰ ভাৰ আছিল শকুন্তলাৰ ওপৰত। দুর্বাসা অহা সময়ত শকুন্তলাই পতিৰ চিন্তাত মগ্ন হৈ আছিল। গতিকে দুর্বাসা আহি শকুন্তলাৰ পৰা পাবলগীয়া সৎকাৰ নাপালে। তাতে ক্রোধান্বিত হৈ দুর্বাসাই দিলে ঘোৰ অভিশাপ 'যাৰ চিন্তাত মগ্ন হৈ মোৰ দৰে ঋষি এজনক অতিথিৰূপে সৎকাৰ নকৰিলি, ৰঞ্চ অৱজ্ঞাহে কৰিলি, সিয়ে এদিন তোক চিনি নোপোৱা হ'ব।' প্রিয়ম্বদাৰ কাকুতিত সন্তুষ্ট হৈ অভিজ্ঞান দেখুৱালে প্রেমিক পতিয়ে চিনি পাব' বুলি ঋষিয়ে ক'লে যদিও অনসূয়া আৰু প্রিয়ম্বদাই অভিশাপৰ কথা লুকুৱাই থলে শকুন্তলাৰ পৰা এই বুলি যে 'কোনে নৱমল্লিকা ফুলৰ গুৰিত তপত পানী ঢালিব?' শকুন্তলাৰ দৰে নৱোঢ়া ঋষি কন্যাক কোনে অভিশাপৰ দৰে ঘোৰ অনিষ্টকৰ কথা জনাব। তেওঁলোকে অনুভৱ কৰিছিল যে এনেয়ে ন-কইনা শকুন্তলা পতিৰ চিন্তাত মগ্ন, তাতে যদি দুর্বাসাৰ অভিশাপৰ সম্ভেদ পায় তেতিয়া তেওঁৰ জীৱন-ধাৰণ কৰা কঠিন হৈ পৰিব।

**১৬) কোহন্যো হুতৱহাদ্ দগ্ধুম্ প্রভৱতি**

অভিশাপদাতা দুর্ৱাসাক লক্ষ্য কৰি কালিদাসে প্রিয়ম্বদাৰ মুখেৰে এই বাক্য কোৱাইছে। শূন্যহৃদয়া শকুন্তলাক দুর্বাসাই যি অভিশাপ দিলে তাকে শুনি সখী দুজনীয়ে কোৱা মেলা কৰিলে। শূন্যমনা শকুন্তলা হয়তো পূজনীয় কোনোবাৰ ওচৰত অপৰাধ কৰি পেলাইছে।' অনসূয়াই জনালে যে যিকোনো মানুহ নহয়, অতি খঙাল দুর্বাসা মুনিৰ ওচৰতহে শকুন্তলাই অপৰাধ কৰিছে। তেতিয়া প্রিয়ম্বদাই ক'লে, 'জুইৰ বাহিৰে আন কোনে দগ্ধ কৰিব পাৰে?' প্রিয়ম্বদাহঁতে দুর্বাসাৰ ক্রোধসুলভ ক্রোধৰ কথা আগৰে পৰা শুনি আছিল। সেয়ে তেওঁৰ মুখৰ পৰা এনেকুৱা শুনা গৈছে।

**১৭) ন খলু ধীমতাং কশ্চিদৱিষয়ো নাম**

চতুর্থ অংকত বিদায় বেলাত কণ্বই জীয়েক শকুন্তলাক ক'লে এইবাৰ তোমাক কেতবোৰ উপদেশ দিওঁ শুনা। বনবাসী হলেও লৌকিক কথাতো মোৰ কিছু অভিজ্ঞতা আছে। তাকে শুনি শিষ্য শার্ঙ্গৰৱে কৈছে ঃ ভগৱন্! যিসকল প্রজ্ঞাবান, তেওঁলোকৰ কোনো বিষয় অজানা নাথাকে।' এনেদৰে তেওঁ কোৱাৰ অভিপ্রায় এয়ে যে কুলপতি কণ্ব কাশ্যপ আছিল এজন প্রজ্ঞাবান লোক। তেওঁ অষ্টসিদ্ধিৰ বলত সকলো বিষয়ৰ জ্ঞানেৰে অন্বিত আছিল। গতিকে শকুন্তলাক লৌকিক বিষয়তো যথোচিত উপদেশ দিবলৈ সমর্থ লোক আছিল তেওঁ।

**১৮) ন প্রভাতৰলং জ্যোতিৰুদেতি বসুধাতলাৎ**

প্রথম অংকত শকুন্তলাৰ বিষয়ে ৰজাৰ বৰকৈ বিতং বিৱৰণ বা পৰিচয় জনাৰ আগ্রহ দেখা যায়। অনসূয়াই সেয়েহে শকুন্তলাৰ জন্ম কাহিনী ৰজাক শুনাইছে। বিশ্বামিত্রৰ ঔৰসত অপ্সৰা মেনকাৰ গর্ভত শকুন্তলাৰ জন্মৰ কথা শুনি ৰজাই মন্তব্য কৰিছে যে 'মানৱী সকলৰ মাজত এনেকুৱা ৰূপৰ সম্ভৱ কেনেকৈ হ'ব? মর্ত্যজগতৰ পৰা কেতিয়াও প্রভাচঞ্চল জ্যোতিৰ (বিদ্যুতৰ) সৃষ্টি নহয়।' সকলোৱে জানে প্রভাময় বিদ্যুতৰ সৃষ্টি হয় অন্তৰীক্ষত, মেঘমালাৰপৰা। শকুন্তলাৰ দৰে বিদ্যুৎ মালাৰ সৃষ্টি কোনো মানৱীৰ গর্ভত হোৱা নাই; হৈছে মেনকা নামৰ অভূতপূর্বা ৰূপহী অপ্সৰাৰ গর্ভত, যাৰ বাসস্থান স্বর্গ বা অন্তৰীক্ষ।

**১৯) বিনীতবেশেন প্রবেষ্টব্যানি তপোৱনানি নাম**

প্রথম অংকত বৈখানসে ৰজা দুঃষ্যন্তক তপোৱনত আতিথ্য গ্রহণৰ বাবে আমন্ত্রণ জনায়। তেতিয়া ৰজাই ৰথত উঠি আশ্রমৰ দ্বাৰলৈ যায়। তাত তেওঁ সাৰথিক কয় যে বিনীতবেশেই তপোবনত প্রৱেশ কৰা উচিত। ইয়াৰ কাৰণ কি? আশ্রমবাসী তপোবন সকলে গছৰ বাকলি পৰিধান কৰে। তেওঁলোকে গ্রাম্য বা নগৰীয় লোকৰ আড়ম্বৰ ভাল নাপায়। গতিকে ৰজা-প্রজা যিয়েই হওঁক তেওঁলোকে সাধাৰণ লোকৰ বেশত আশ্রমলৈ যাব লাগে, যাতে আশ্রমবাসীয়ে অন্যথা নাভাবে।

**২০) কৃষ্ণসাৰে..... মৃগানুসাৰিণং সাক্ষাৎ পশ্যামি ইৱ পিনাকিনম্।**

পিনাক—হৰ বা শিৱৰ ধনুৰ নাম। পিনাকী/পিনাকিন পিনাকধাৰী শিৱৰ এটি নাম। সূতে চলোৱা ৰথত উঠি হাতত ধনুশৰ লৈ ৰজাই এটা মৃগক অনুসৰণ কৰিছে। তাকে দেখি সূতে ৰজাক পিনাকধাৰী শিৱৰ লগত তুলনা কৰিছে। এনেসময়ত তাহানি শিৱৰ পত্নীয়ে পিতৃযজ্ঞত অনাহুতা হৈ যোগদান কৰিবলৈ গৈ পিতৃৰ দ্বাৰা নিন্দিতা আৰু লাঞ্ছিতা হয়। তাতে ক্ষুণ্ণ হৈ তেওঁ যজ্ঞভূমিত প্রাণ ত্যাগ কৰে। তাকে শুনি শিৱে তেওঁৰ গণসকলৰ সহায়ত দক্ষৰ যজ্ঞ ধ্বংস কৰে। তাকে দেখি স্বয়ং যজ্ঞই শিৱৰ ভয়ত পলায়ন কৰে। তেতিয়া ভগৱান শিৱে হাতত ধনুশৰ লৈ সেই মৃগৰূপী যজ্ঞক অনুসৰণ কৰে। তাৰ সৈতে সূতে ধনুর্ধাৰী দুষ্যন্তক ৰিজাইছে।

**২১) অস্তি মে সোদৰস্নেহঃ এতেষু**

নাটকৰ প্রথম অংকত শকুন্তলাই প্রিয়ম্বদা আৰু অনসূয়াৰ সৈতে গছৰ গুৰিত পানী দি থাকোতে, অনসূয়াই শকুন্তলাক লক্ষ্য কৰি কয় 'পিতা কণ্বই তোমাতকৈও গছবোৰক বেচি ভাল

পায়।' তাৰ উত্তৰত শকুন্তলাই কয় 'পিতা কণ্বৰ আজ্ঞা অনুসৰি তেওঁ গছৰ গুৰিত পানী দিয়া নাই। গছবোৰ আৰু লতাবোৰৰ প্ৰতি তেওঁৰ সোদৰ বা সহোদৰৰ প্ৰতি যেনে স্নেহ থকা উচিত তেনে চেনেহ আছে। সেয়ে তেওঁ গছৰ গুৰিত পানী দিয়াটো কৰ্তব্য বুলি ভাৱে।

**২২) অতঃ খলু প্ৰিয়ম্বদা অসি ত্বম্**

তিনিওজনী সখীয়ে আশ্ৰমৰ গছৰ গুৰিত পানী দি থাকোতে মধুৰ ভাৱে কথা-বতৰা পাতে। এবাৰ পানী দিবলৈ শকুন্তলা গ'ল বকুল এজোপাৰ গুৰিলৈ। তেতিয়া প্ৰিয়ম্বদাই ক'লে, 'সখী শকুন্তলা! তাতে অলপ সময় থিয় হৈ থাকাচোন; তাতে তেনেকৈ থাকিলে সেই সৰু বকুল জোপাক লতাযুক্ত যেন লাগে।' তাকে শুনি শকুন্তলাই উত্তৰ দিলে, 'সেই বাবেইতো তোমাৰ নাম প্ৰিয়ম্বদা—প্ৰিয়ভাষিণী হৈছে।' অৰ্থাৎ প্ৰিয়ম্বদাৰ নাম সাৰ্থক হৈছে।

**২৩) কৃতং ভৱতা নির্মক্ষিকম্**

এয়া দ্বিতীয় অংকত মাধৱ্যই ৰজা দুষ্যন্তক কোৱা কথা। প্ৰথম অংকত সকলোৱে দেখিছে ৰজা দুষ্যন্ত শকুন্তলাৰ প্ৰতি অনুৰক্ত হৈছে। কিন্তু এই ঘটনাৰ সাক্ষী আশ্ৰমৰ কন্যাসকল মাত্ৰ। ৰজাৰ পক্ষৰ কোনেও তাৰ ভূ নাপায়। দ্বিতীয় অংকত ৰজাই এই বিষয়ে তেওঁৰ সচিৱ মাধৱ্যৰ লগত এই কথা পাতিবলৈ খোজে। তাৰ বাবে ৰজাই সেনাপতি আদিক মৃগয়া কৰিবলৈ কৈছে আৰু সকলোকে বিসৰ্জন দি একমাত্ৰ বিদূষকক লগত ৰাখিছে। তাকে দেখি মাধৱ্যই কৈছে; 'মহাৰাজ! আপুনি দেখোন মাখি পৰ্যন্ত সকলোকে বিদায় দিলে; এতিয়া নো মোৰ সৈতে কি দৰকাৰী আৰু গোপনীয় কথা পাতিব খোজে?' এয়ে ভাব।

**২৪) পিণ্ড খর্জূৰৈৰুদ্বেজিতস্য তিন্তিল্যাং অভিলাষো ভৱেৎ**

এইটোও দ্বিতীয় অংকত মাধৱ্যই ৰজাক কোৱা কথা। সমাজত দেখা যায় যে সদায় নানান মধুৰৰসযুক্ত বস্তু বা ভোজ্য পদাৰ্থ খাই থকা মানুহক বস্তুৰ সোৱাদে আমুৰায়। তেনে লোকৰ মনে অন্য ৰসৰ প্ৰতি—তিতা, টেঙা, কেহা বস্তুৰ প্ৰতি আকৰ্ষিত হয়। খাবলৈ বিচাৰে। তাৰে উদাহৰণ লৈ মাধৱ্যই ৰজাক কবলৈ বিচাৰিছে যে 'আপুনি ইমান দিনে ৰাজান্তঃপুৰত ৰূপযৌৱনসম্পন্ন ৰাণীসকলোৰে যৌৱন উপভোগ কৰিছে। আজি সেই মধুৰ ভোগে আপোনাক হয়তো আমুৰাইছে, সেয়ে আশ্ৰমৰ কন্যাৰ সাহচর্য বিচাৰিছে।'

**২৫) মহতস্তেজসোৱীজং বালোহয়ং প্ৰতিভাতি মে**

এয়া সপ্তম অংকত ৰজাই সৰ্বদমনক দেখি কোৱা কথা। ৰজা দুষ্যন্তই মাতলিচালিত ৰথত উঠি মৰ্ত্যলোকলৈ আহি বাটতে হেমকূটত অৱতৰণ কৰে। ৰজাক এজোপা অশোক বৃক্ষৰ তলত জিৰণি লবলৈ দি মাতলিয়ে মাৰীচক ৰজাৰ আগমনৰ কথা জনাবলৈ যায়। ইয়াৰ অৱসৰতে ৰজাই এক বালকক সিংহশিশুৰ মুখ মেলি তাৰ দাঁত গণনা কৰা ঘটনা প্ৰত্যক্ষ কৰে। বালকৰ অৱয়ব দেখি ৰজাৰ প্ৰত্যয় জন্মে যে এওঁ নিশ্চয় কোনো মহাতেজৰ পৰা সম্ভূত। পিছলৈ ৰজাই বালকক নিজৰ ঔৰসজ সন্তান বুলি জানিবলৈ পায়।

**২৬) বাষ্পেণ প্ৰতিষিদ্ধেহপি জয়শব্দে জিতংময়া**

এয়াও সপ্তমাংকত কোৱা ৰজাৰ বচন। বহুদিনৰ মূৰত পতি পত্নীৰ মাজত হোৱা

সাক্ষাৎকাৰত আনন্দৰ জোৱাৰে চকুত পানীৰ ঢল নমায় আৰু কণ্ঠ অৱৰুদ্ধ হয়। ৰজাক দেখি শকুন্তলাৰো তেনে অৱস্থা হৈছে। ৰজাৰ 'জয় হওঁক' বুলি তেওঁ কৈছে থোকা থুকি মাতেৰে, দুচকু পানীৰে ভৰি পৰা সময়ত আৰু তেতিয়া বাষ্পেৰে তেওঁৰ মাত প্রতিষিদ্ধ হৈছে। তাকে শুনি ৰজাই কৈছে বাষ্পৰুদ্ধ কণ্ঠেৰে শকুন্তলাই 'মহাৰাজৰ জয় হওঁক' বুলি কোৱা কথাৰে যেন স্বামী-স্ত্রীৰ জয় হৈছে, ফলত তেওঁলোকৰ স্থায়ী মিলন সম্ভৱ হৈছে।



**অগ্রগতি নিৰীক্ষণ**

প্রশ্ন নং ১ঃ মাতলি কোন?

.....

.....

প্রশ্ন নং ২ঃ মাৰীচ-অদিতি কোন?

.....

.....

প্রশ্ন নং ৩ঃ শকুন্তলাৰ পিতা-মাতা কোন?

.....

.....

প্রশ্ন নং ৪ঃ শকুন্তলাৰ পুত্রৰ নাম কি?

.....

.....

প্রশ্ন নং ৫ঃ ইন্দ্রৰ পিতৃ-মাতৃ কোন?

.....

.....



## ৮.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- অভিজ্ঞানশকুন্তলম্ নাটকৰ সপ্তম অংকৰ পাঠ্যাংশৰ সংস্কৃত পাঠ জানিলে।
- পাঠ্যাংশৰ অসমীয়া অনুবাদৰ লগত পৰিচিত হ'ল।
- উক্ত নাটকৰ সপ্তম অংকত থকা নায়ক-নায়িকাৰ মিলন দৃশ্যটোৰ বিষয়ে সবিশেষ জানিলে।
- নাটকত থকা কিছুমান গুৰুত্বপূর্ণ বাক্যৰ ভাবার্থৰ বিষয়ে অবগত হ'ল।
- অভিজ্ঞানশকুন্তলম্ নাটকখন যে মিলনাত্মক তাকো বুজি পালে।



## ৮.৭ অধিক জানিবলৈ

১) শর্মা, থানেশ্বৰ, *অভিজ্ঞানশকুন্তলম্-এক সমীক্ষা, ৫ম সংস্কৰণ*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী-১,২০০৮।

২) বসু, *দেবেন্দ্ৰ* নাথ, *শকুন্তলায় নাট্যকথা*, সাৰস্বত লাইব্ৰেৰী, কলকাতা, বঙ্গাব্দ ১৩৭৯।

৩) ঠাকুৰ, ৰবীন্দ্ৰনাথ, *প্ৰাচীন সাহিত্য*, বিশ্বভাৰতী, কলকাতা, ১৯৭০।

৪) শর্মা, থানেশ্বৰ, *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, দ্বিতীয় সংস্কৰণ*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী-১, ২০০৮।



## ৮.৮ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰঃ** ইন্দ্ৰৰ সাৰথি।

**২ নং প্ৰশ্নৰ উত্তৰঃ** মাৰীচ মৰীচিৰ পুত্ৰ আৰু অদিতি দক্ষৰ পুত্ৰী, ইন্দ্ৰাদি দেৱতাৰ মাতৃ।

**৩ নং প্ৰশ্নৰ উত্তৰঃ** বিশ্বামিত্ৰ আৰু মেনকা (অপ্সৰা)।

**৪ নং প্ৰশ্নৰ উত্তৰঃ** সৰ্বদমন আৰু ভৰত।

**৫ নং প্ৰশ্নৰ উত্তৰঃ** কশ্যপ আৰু অদিতি।



## ৮.৯ আৰ্হি প্ৰশ্ন

**প্ৰশ্ন ১ঃ** অভিজ্ঞানশকুন্তলম্ নাটকৰ সপ্তম অঙ্কৰ পটভূমি কি?

**প্ৰশ্ন ২ঃ** অভিজ্ঞানশকুন্তলম্ নাটকৰ সপ্তম অঙ্কত বৰ্ণিত নায়ক-নায়িকাৰ পুনৰ্মিলনৰ দৃশ্যটো নিজৰ ভাষাত লিখক।

**প্ৰশ্ন ৩ঃ** অভিজ্ঞানশকুন্তলম্ নাটকৰ সপ্তম অংকত প্ৰতিফলিত সৰ্বদমনৰ চৰিত্ৰটো বিশ্লেষণ কৰক।

*** ***** ***